CONTENTS

BUDGET SESSION

No. 12

Dated, the 20th July, 2009

		Page
1.	Questions and Answers	1
2.	Discussion on Zero Hour Matter	169
3.	Miscellaneous	196
4.	Report of the Business Advisory Committee	200
5.	Call Attention Notice	202
6.	Matter under Rule – 301	206
7.	Matter under Rule – 49	210
8.	Matter under Rule – 50	215
9.	Consideration and Passing of Government Bills	276
10.	Government Resolution	306
11.	Laying of Notification, Report etc.	316
12.	Adjournment	319
13.	Annexure – I to XVIII	320

* * * * *

DEBATES OF THE
ASSAM LEGISLATIVE ASSEMBLY

Monday, the 20th July, 2009.

The House met at 9-00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 201, Hon'ble Member, Dr. Aditya Langthasa.

Dr. Aditya Langthasa asked :

Sub : Pay revision.

* 201. Will the Minister of Finance be pleased to State :

(a) In which year the last pay revision for the Government employees was done by the Assam Government Pay Commission ?

(b) At what interval the pay revision of Government employees should be done by the Pay Commission ?

Dr. Himanta Biswa Sarma (Minister, Health) replied on behalf of Finance Minister, Shri Tarun Gogoi :

ডাঃ আদিত্য লাংথাছা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে অসমৰ কর্মচাৰীসকলক কেন্দ্রীয় চৰকাৰৰ সম হাৰত দৰ্ম্মহা দিয়া হ'ব বুলি কৈছিল। আগষ্ট মাহত পে কমিচনৰ ৰিপোর্টটো আহিব। মোৰ কথাটো হ'ল— কেন্দ্রীয় চৰকাৰৰ সম হাৰত ডি এ হাউচ ৰেণ্ট, মেডিকেল এলাউৱেঞ্চ আদি গোটেইখিনি এলাউৱেঞ্চ দিয়া হ'ব নেকি? তাৰোপৰি মই এইটো কথা সুধিব বিচাৰিছো যে কমিচনৰ এফেকটিভ ২০০৬ চনৰ জুলাই মাহৰ পৰা দিয়া হ'ব নেকি?

*** ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্যমন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে চেণ্ট্রেল পে ষ্ট্রাকচাৰত ৰাজ্য চৰকাৰৰ কর্মচাৰীসকলক দর্মহা দিম বুলি কৈছে। .....our intention is to give maximum justice to the employees of the State Government. যাৰ কাৰণে প্রিচাইজলি পে কমিচন কৰা হৈছে। পে কমিচনৰ চেয়াৰমেনক আমি যিমান সোনকালে পাৰো সিমান সোনকালে ৰিপোর্টটো দিয়াৰ কথা কৈছো। চেণ্ট্রেল গৱর্ণমেণ্টৰ ষ্ট্রাকচাৰৰ লগত আমাৰ আৰু কিছুমান ষ্ট্রাকচাৰ আছে। এফেক্টটো বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ ডেটৰ পৰা দিছে। আমাৰ অসমৰ কর্মচাৰীৰ ক্ষেত্রত আমি যিমান বেছিকৈ সহায় কৰিব পাৰো উইথ্ইন লিমিটেড সোর্স আমি সেইখিনি

---

* Speech not corrected

সহায় কৰাৰ কাৰণে প্ৰচেষ্টা চলাই আছো। সেই কাৰণে আমি পে কমিচনৰ ৰিপোৰ্টটোলৈ বাট চাই আছো। পে কমিচনৰ ৰিপোৰ্টটো ওলালে আমি ডিটেইল্চ দিব পাৰিম। চেণ্ট্ৰেল পে স্কেলৰ দৰে অসম ৰাজ্যিক কৰ্মচাৰীসকলৰ পে স্কেলো একেই থাকিব। অসমত এইটো এটা অভূতপূৰ্ব কথা। স্বাধীনতাৰ ৬০ বছৰ পাছত অসম ৰাজ্যিক কৰ্মচাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত দৰ্মহা পাব।

ডাঃ আদিত্য লাংথাছা ঃ- মাননীয় অধ্যক্ষ মহোদয়, চেণ্ট্ৰেল ডাইৰেক্টলি পাব্লিক ৰিলেচন থকা ডিপাৰ্টমেণ্টৰ এক্সট্রা দেখু�ৱাইছে। কোন বছৰৰ দিয়া হ'ব সেইটো জনাব লাগে।

*** ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য ইত্যাদি মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, চেণ্ট্ৰেল গৱৰ্ণমেণ্টে ২০০৬ চনৰ জানুৱাৰী মাহৰ পৰা দিছে। কিন্তু তামিলনাড়ু চৰকাৰে ২০০৬ চনৰ জানুৱাৰী মাহৰ পৰা দিয়া নাই। আমি সেইটো তেওঁলোকক বিশ্বাসত লৈ পেলাই প্ৰচেচ্ কৰিম। আজিয়েই হাউচত এইটো কথা ক'ব খোজা নাই। চেণ্ট্ৰেল গভৰ্ণমেণ্টতকৈ এটকা হ'লেও আমাৰ বেছি দিয়াৰ ইচ্ছা আছে। আমি হাউচত কমিট কৰিব খোজা নাই।

*** শ্ৰীঅনন্ত ডেকা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত দৰ্মহা দিয়া হ'ব বুলি ঘোষণা কৰিছে। মই এইখিনিতে দুটামান কথা ক'ব বিচাৰিছো। ২০০৬ চনৰ ১ জানুৱাৰীৰ পৰা অসম ৰাজ্যিক কৰ্মচাৰীসকলক কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে টাইম স্কেল

---

* Speech not corrected

দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু কেন্দ্ৰীয় চৰকাৰৰ নিচিনাকৈ স্পেচিয়েল ডিউটি এলাউৱেঞ্চ দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, অনন্ত ডেকা ডাঙৰীয়াই ২০০৬ চনৰ ১ জানুৱাৰীৰ পৰা দিব লাগে বুলি কৈছে। কথাটো ঠিকে আছে। চৰকাৰে দিম বুলি ক'লে পিছত যদি কিবা কাৰণত দিব নোৱাৰা হয়। আমাৰ ৰাজ্যখনৰ অভাৰ অল সকলোখিনি কথা চাব লাগিব। আমি ২০০৬ চনৰ ১ জানুৱাৰীৰ পৰা দিব পাৰো নেকি বিবেচনা কৰি চাম। স্বাধীনতাৰ ৬০ বছৰ পিচত কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত অসম ৰাজ্যিক কর্মচাৰীসকলক দর্মহা দিয়াৰ কাৰণে পদক্ষেপ হাতত লোৱা হৈছে। তাৰ পিছত এইটো কৰিব, সেইটো কৰিব নেকি বুলি কথা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আজি কেন্দ্ৰীয় চৰকাৰে অসম বা উত্তৰ-পূৰ্বাঞ্চলত লোকসকলক যি দৰমহা দিছে আমিও দিম। আপোনালোকৰ দিনত আপোনালোকৰ চৰকাৰে দৰমহা দিবই নোৱাৰিছিল।

Mr. Speaker : Dr. Rumi Nath.

* **Dr. Rumi Nath :** It is a positive atmosphere and therefore, I would like to get two positive answers. It is a great news that the State Govt. employees will get

---

* Speech not corrected

equal pay scale to Central Govt. employees. I would like to know whether the workers, labourers, the contractual workers, GNM and ANM etc. will also get equal pay scales ?

Dr. Himanta Biswa Sarma (Minister) : You have given your answer while putting the question. I appreciate your intention. They are already getting central pay scale. The issue is the Anganwadi workers in some States are given more than the central scale because of State incentives. Here they are already getting more than the State scale and contractual workers etc. will also get more than what they are getting now.

Mr. Speaker : Now, Starred Question No. 202, Hon'ble Member, Shri Sushil Dutta.

বিষয় ঃ কার্য্যালয় স্থানান্তৰ।

শ্রীসুশীল দত্তই সুধিছে ঃ

* ২০২। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) লামডিংৰ পৰা Sales Tax Inspector Office-টো উঠাই দিয়া হৈছে নেকি?

(খ) যদি দিয়া হৈছে, উঠাই দিয়াৰ কাৰণ কি?

(গ) লামডিংৰ ব্যৱসায়ীসকলক কোন Sales Tax Office-ৰ লগত সংলগ্ন কৰা হৈছে?

(ঘ) হোজাই মহকুমাৰ অন্তর্গত হোজাই, লামডিং, লংকা আৰু ডৰকা এই কেইখন ঠাইৰ ভিতৰত কোন ঠাইৰ পৰা বেছি Sales Tax সংগ্রহ হয়?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, যোৱা ইংৰাজী ৩১-৭-২০০৭ তাৰিখৰ পৰা লামডিংৰ কৰ পৰিদর্শকৰ কার্য্যালয়টো উঠাই দিয়া হৈছে।

(খ) বর্তমান বিত্ত (কৰাৰোপন) বিভাগত কৰ পৰিদর্শকৰ নাটনিৰ বাবে কার্য্যালয়টো উঠাই দিয়া হৈছে।

(গ) কৰ অধীক্ষকৰ কার্য্যালয় হোজাই গোটৰ লগত সংলগ্ন কৰা হৈছে।

(ঘ) হোজাইৰ পৰা।

*** শ্রীসুশীল দত্ত ঃ-** মাননীয় অধ্যক্ষ মহোদয়, লামডিংৰ কথাটো বৰ দুখলগা। লামডিংৰ প্রতি যি ব্যৱস্থা লোৱা হৈছে সি বৰ দুখ লগা। আজি লামডিংৰ কাৰণে কোনো টেক্স অফিচ নাই।

*** ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, চেল্‌চ টেক্সৰ মানুহ বৰ কম। আমি সোনকালে এই কামটো কৰি আছো। হোজাই, লামডিং, ডবকা, লংকা, হোজাইৰ লগত এটেচ্‌ কৰি দিয়া হৈছে।

---

* Speech not corrected

* শ্রীসুশীল দত্ত ঃ- মাননীয় অধ্যক্ষ মহোদয়, লামডিং মার্কেটিং এছ'চিয়েশ্যনে হোজাইৰ লগত দিয়াটো আপত্তি কৰিছে।

শ্রীপ্রণৰ কলিতা ঃ- মাননীয় অধ্যক্ষ মহোদয়, চেল্‌চ টেক্সৰ অফিচ এঠাইৰ পৰা আন ঠাইলৈ যায়, আমাৰ মানুহে টেক্স দিব কেনেকৈ?

* ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি কালি টেক্স দিবলৈ মানুহ নালাগে ই-নেট কৰা হৈছে, তাতে দিব পাৰে। আমি এপইণ্টমেণ্ট দিয়াৰ প্রচেষ্টা চলাই আছো। এইটো কামত সময় লাগে।

* শ্রীপৰিমল শুক্লবৈদ্য ঃ- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰবিলাক ভালকৈ অহা নাই। লামডিংৰ পৰা যে অফিচটো নিলে সেইটো খাটাংকৈ কওক যে এই অফিচটো পুনৰ অনা হ'ব।

Mr. Speaker : Now, Starred Question No. 203, Hon'ble Member, Dr. Tara Prasad Das.

বিষয় ঃ কাৰাগাৰৰ সংখ্যা।

ডাঃ তাৰা প্রসাদ দাসে সুধিছে ঃ

* ২০৩। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বর্তমানলৈকে কিমানখন জিলা কাৰাগাৰ তথা অন্যান্য কাৰাগাৰ আছে? (নাম সহকাৰে তথ্য দাখিল কৰিব)

(খ) প্রতিখন কাৰাগাৰত কিমান সংখ্যক কাৰাবন্দী ৰখাৰ সুবিধা

* Speech not corrected

(Capacity) আছে আৰু ইয়াৰ বিপৰীতে বৰ্তমান প্ৰতিখন কাৰাগাৰত কিমান সংখ্যক কাৰাবন্দী আছে? (কাৰাগাৰৰ নাম উল্লেখ কৰি বিতং তথ্য দাখিল কৰিব)

(গ) কাৰাগাৰৰ কাৰাবন্দীসকলে চৰকাৰী নীতি-নিয়মৰ মাজেদি পাবলগীয়া সা-সুবিধাসমূহ লাভ কৰাটো নিশ্চিত কৰিবলৈ চৰকাৰে বৰ্তমানলৈকে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীঅকণ বৰা (কাৰাগাৰ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান ৰাজ্যখনত ২৯ খন কাৰাগাৰ আছে। ইয়াৰে ৬ খন কেন্দ্ৰীয় কাৰাগাৰ, ২০ খন জিলা কাৰাগাৰ, ১ খন বিশেষ কাৰাগাৰ, ১ খন মুকলি কাৰাগাৰ আৰু ১ খন উপ-কাৰাগাৰ। অসমৰ কাৰাগাৰসমূহৰ নামৰ তালিকা সংলগ্ন "ক"ত দাখিল কৰা হ'ল।
(See Annexure – I)

(খ) প্ৰত্যেকখন কাৰাগাৰৰ বিপৰীতে কাৰাবন্দী ৰখাৰ সুবিধা (Capacity) আৰু ইয়াৰ বিপৰীতে ৩০-০৬-০৯ তাৰিখৰ হিচাপমতে কাৰাবন্দীৰ সংখ্যাৰ তালিকা "খ"ত সংলগ্ন কৰা হ'ল।
(See Annexure – II)

(গ) কাৰাগাৰৰ কাৰাবন্দীসকলক চৰকাৰী নীতি-নিয়মৰ মাজেদি পাবলগীয়া সা-সুবিধাসমূহ লাভ কৰাটো নিশ্চিত কৰিবলৈ চৰকাৰে প্ৰত্যেক জিলা মহকুমাতে জিলা উপায়ুক্ত/মহকুমাধিপতিক সভাপতি হিচাবে লৈ একোখনকৈ কাৰাগাৰ পৰিদৰ্শক মণ্ডলী গঠন কৰি দিছে। আৰু সেইমতে কাৰাগাৰ পৰিদৰ্শক মণ্ডলীয়ে পৰিদৰ্শন কৰে। প্ৰত্যেক মাহে সংশ্লিষ্ট জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশে কাৰাগাৰ পৰিদৰ্শন কৰি

কাৰাবন্দীসকলৰ ওজৰ-আপত্তি আৰু সা-সুবিধাবোৰৰ খবৰ লয়। ইয়াৰ উপৰিও জিলা সত্ৰ ন্যায়িক দণ্ডাধীশে সময়ে সময়ে কাৰাগাৰ পৰিদৰ্শন কৰে। জিলা উপায়ুক্ত মহোদয়ৰ ফালৰ পৰাও কাৰাগাৰ পৰিদৰ্শন কৰি কাৰাবন্দীসকলে পাবলগীয়া সা-সুবিধাবোৰৰ বিষয়ে কাৰাবন্দীসকলক দেখা-সাক্ষাৎ কৰি বুজ লয়।

* **ডাঃ তাৰা প্ৰসাদ দাস** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে আমাৰ যি বিলাক কেন্দ্ৰীয় কাৰাগাৰ আৰু জিলা কাৰাগাৰ আছে সেইবিলাকত কাৰাবন্দী যথেষ্ট বেছি হৈছে। আচলতে যিমান কেপাচিটি আছে তাতকৈ বহু বেছি কাৰাবন্দীক ৰখা হৈছে। গতিকে এই কাৰাবন্দীসকলক সুবিধাজনক পৰিবেশত ৰাখিব পৰাকৈ কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে? দ্বিতীয়তে, মই জানিব বিচাৰিছোঁ যে আমাৰ যি বিলাক কাৰাগাৰ আছে সেইবিলাকত যি চিকিৎসাৰ সা-সুবিধা থাকিব লাগে সেইবিলাক নাই। কাৰাগাৰত স্থায়ী চিকিৎসক নাই, ঔষধ নাই, আনকি ক'ৰবাত ক'ৰবাত আমি দেখিছোঁ আয়ুৰ্বেদ চিকিৎসকে চিকিৎসা কৰি আছে, তাতে আকৌ অস্থায়ী ভিত্তিতহে। পাৰমানেণ্ট ডাক্টৰ নাই। সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই জিলা কাৰাগাৰ বা কেন্দ্ৰীয় কাৰাগাৰ সকলোতে স্থায়ীভাৱে ডাক্টৰ নিযুক্তি দি কাৰাবন্দীসকলৰ সুচিকিৎসাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীঅকণ বৰা (মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য তাৰা দাস ডাঙৰীয়াই কৈছে যে অসমৰ জিলা আৰু কেন্দ্ৰীয় কাৰাগাৰ

---

* Speech not corrected

বিলাকত কেপাচিটিৰ বাহিৰত অতিৰিক্ত কাৰাবন্দী ৰখা হৈছে। এইটো একেবাৰে মিছা কথা নহয়, কিছুমান জিলা কাৰাগাৰত কেপাচিটীতকৈ বেছি কাৰাবন্দী ৰাখিবলগীয়া হৈছে। কাৰণ আমাৰ কিছুমান কাৰাগাৰ বৃটিছৰ দিনতে সজা, গতিকে তেতিয়া তাত এটা লিমিটেড একমডেশ্যন কৰিছিল। কিন্তু আজি পৰিস্থিতি বেলেগ হৈছে, কাৰাবন্দীও বেছি হৈছে। গতিকে ক'ৰবাত ক'ৰবাত অ'ভাৰ লোডেড্ হৈছে হয়। এইটোৰ কাৰণে আমি ব্যৱস্থা কৰিবলৈকে জিলা কেইখনমানত নতুনকৈ জিলা কাৰাগাৰ বনোৱাৰ ব্যৱস্থা কৰিছো। তিনিচুকীয়া জিলাত ইতিমধ্যেই নতুন কাৰাগাৰ বনোৱা সম্পূৰ্ণ হৈছে। আমাৰ ডিব্রুগড় জিলা কাৰাগাৰত যি কেপাচিটীৰ বাহিৰত কাৰাবন্দী আছে আগতে তাত ৭০০ কয়দী থকাৰ ব্যৱস্থা আছিল কিন্তু অতিৰিক্তভাৱে এতিয়া ১১০০ কয়দী ৰাখিবলগীয়া হৈছে, সেয়ে ডিব্রুগড়ৰ পৰা তিনিচুকীয়ালৈ কাৰাবন্দী চীফ্ট কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাহিৰেও ওদালগুৰি, শদিয়াত নতুনকৈ জিলা কাৰাগাৰ বনাই থকা হৈছে। এইখিনি হ'লেই আমি য'ত অতিৰিক্ত কয়দী আছে তাৰ পৰা চীফ্ট কৰাৰ ব্যৱস্থা কৰিম। ইয়াৰ বাহিৰেও অন্যান্য জিলাত যেনে শিৱসাগৰ, ধুবুৰী, কৰিমগঞ্জ আদি ৫ খন জলাত যি অ'ভাৰ ষ্টে আছে সেইখিনিৰ কাৰণে নতুনকৈ বনোৱা কাৰাগাৰবিলাকলৈ চীফ্ট কৰাৰ ব্যৱস্থা কৰিম। এই বিত্তীয় বৰ্ষতে এই কামখিনি কৰাৰ ব্যৱস্থা কৰিব পাৰিম বুলি ভাবিছো। তাৰ বাহিৰেও মাননীয় সদস্যজনে যিটো কৈছে সেইটো মই এড্মিট কৰিছো। হয়, সকলো কাৰাগাৰতে ডাক্টৰ নাই কিন্তু একেবাৰে সকলোতে

নোহোৱাও নহয়। মই অলপতে কেইখনমান কাৰাগাৰ ভ্ৰমণ কৰিছিলোঁ, সেইবিলাকত ডাক্তৰ আছে, অৱশ্যে দুই-এখনত নাই। এটাচ্ কৰি ৰখা ডাক্তৰহে আছে। অলপতে মই শিৱসাগৰ জিলাৰ কাৰাগাৰ চাবলৈ গৈছিলো। তাত স্থায়ী ডাক্তৰ নাই। সেয়েহে মই আজি আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছোঁ আৰু ডাক্তৰ দিয়াৰ কাৰণে কৈছো। কাৰণ আমাৰ নলবাৰী, কৰিমগঞ্জ, শিৱসাগৰ আদি তিনিখনমান জিলাৰ কাৰাগাৰত ডাক্তৰ নাই। তিনিচুকীয়া কাৰাগাৰত চিভিল হস্পিটালৰ পৰা এখন এটাচ্ কৰি ৰাখিছে কাৰাগাৰৰ কৰ্ত্তব্যত।

আমি স্বাস্থ্য বিভাগৰ লগত যোগাযোগ কৰি আছোঁ, স্বাস্থ্য মন্ত্ৰী মহোদয়ে ডাক্তৰ এভেইলেবেল্ হ'লেই দিব বুলি মোক কৈছে। এই কথাবিলাকৰ কাৰণে আমি বিভাগ সচেতন হৈ আছোঁ। যি বিলাক কাৰাগাৰত ডাক্তৰ নাই সেইবিলাকত আমি ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিম। ক'ৰবাত, কোনো কাৰাগাৰত ঔষধৰ অসুবিধাৰ কথাও তেখেতে উনুকিয়াইছে। হয়, ক'ৰবাত ক'ৰবাত অলপ ঔষধৰ অসুবিধা মাজে মাজে হয়। কিন্তু মই যেতিয়া কাৰাগাৰ পৰিদৰ্শন কৰিবলৈ গৈছিলো বহুকিখন কাৰাগাৰত ঔষধৰ অসুবিধা নাই বুলি কৈছে। কেইখনমানত অৱশ্যে চাপ্লাই অলপ দেৰি হোৱাত অলপ অসুবিধা হোৱা বুলি কয়। মই স্থানীয় আমাৰ মাননীয় বিধায়কসকলক এইখিনিতে এটা অনুৰোধ কৰিব বিচাৰোঁ যে তেখেতসকলে নিজেও যেন অলপ কাৰাগাৰবিলাকলৈ গৈ খবৰ-খাতি কৰি এই কথাবিলাক অলপ নজৰ দি থাকে আৰু কি কি অসুবিধা আছে আমাক জনাই থাকে।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত যি কেন্দ্রীয় কাৰাগাৰ আছে তাৰ নির্মাণৰ কাম আৰম্ভ কৰা আজি তিনিবছৰ হৈ গ'ল, কিন্তু আজিও কাম সম্পূর্ণ হোৱা নাই। যথেষ্ট লেহেম গতিত এই কেন্দ্রীয় কাৰাগাৰৰ কাম চলিছে বুলি জানিব পৰা গৈছে। এই কাম সম্পূর্ণ কৰাৰ ক্ষেত্রত ফাইনেন্সিয়েল কিবা অসুবিধা নে অন্য কিবা অসুবিধা আছে সেইটো জনাব লাগে। এই কামটো কেতিয়া সম্পূর্ণ কৰিব পাৰিব মন্ত্রী মহোদয়ৰ পৰা আমি জানিব বিচাৰিছোঁ। দ্বিতীয়তে, কাৰাগাৰৰ ভিতৰৰ কাৰণে যিখিনি মাটি আৱণ্টন দিয়া হৈছে সেইখিনি যথেষ্ট হোৱাৰ পিছতো তাৰ বাহিৰৰ যি বিলাক মানুহৰ পৰিয়ালে বহুদিন ধৰি তাত বসবাস কৰি আছে সেই মানুহবিলাকক তাৰ পৰা উচ্ছেদ কৰিবৰ কাৰণে ব্যৱস্থা চৰকাৰে কৰি আছে। গতিকে মন্ত্রী মহোদয়ৰ পৰা এই কাৰাগাৰৰ বাহিৰত বসবাস কৰা মানুহখিনিৰ উচ্ছেদ কি কাৰণত কৰা হৈছে এইটো জানিব বিচাৰিছোঁ। প্রয়োজন হ'লে মন্ত্রী মহোদয়ে ৰাজহ মন্ত্রীৰ লগতো কথাটো পাতি আমাক জনাবনে?

শ্রীঅকণ বৰা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীৰমেন্দ্র নাৰায়ণ কলিতাৰ প্রশ্নৰ উত্তৰত কওঁ যে গুৱাহাটীৰ কেন্দ্রীয় কাৰাগাৰটো লালমাটিলৈ স্থানান্তৰিত কৰাৰ কাম চলি আছে। কাম অলপ দেৰি হোৱাৰ কাৰণ হৈছে যে মাজত এটা পাথৰ পোৱা গৈছে। সেই পাথৰ ভাঙি তলিখন ক্লিয়াৰ কৰাৰ কাৰণে সময়

---

* Speech not corrected

অলপ লৈছে। সেই পাথৰ ভঙাৰ কাৰণে ডাঙৰ ডিনোমাইট ব্যৱহাৰ কৰা হোৱা নাই। কাৰণ ডাঙৰ ডিনোমাইট ব্যৱহাৰ কৰিলে দাতি কাষৰীয়া অঞ্চলৰ ক্ষতি হ'ব পাৰে। সেই কাৰণে সৰু সৰু ডিনামাইটেৰে কাম কৰি থকা হৈছে। কম পাৱাৰৰ ডিনামাইটেৰে কাম কৰি থকা কাৰণে অলপ বেছি সময় লৈছে। এই সংক্ৰান্তত মই বুজ লৈ আছো আৰু সময়ে সময়ে ৰিভিউ কৰি আছো। অহা ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব। কাম সম্পূৰ্ণ হোৱাৰ লগে লগে মাননীয় মুখ্য মন্ত্ৰীৰ হতুৱাই উদ্বোধন কৰা হ'ব। আৰু তেতিয়া গুৱাহাটীৰ অভাৰলোডেড হৈ থকা কয়দীখিনি চিফ্‌ট কৰিব পৰা হ'ব। এতিয়ালৈ টকাৰ অভাৱ হোৱা নাই। কেৱল পাথৰটোৰ কাৰণে সময় লৈছে। মৰা পাথৰ কাৰণে মানুহে নিনিয়ে। ইতিমধ্যে ৮০ শতাংশ কাম আৰম্ভ হৈছে। পাথৰ ভাঙি বাকীখিনি কাম কৰা হ'ব। আনহাতে, ওচৰৰ পৰিয়াল ক্ষতিগ্ৰস্ত হোৱাৰ যিটো কথা মাননীয় সদস্যজনে কৈছে সেই ক্ষেত্ৰত এতিয়ালৈকে আমি কোনো কমপ্লেইন পোৱা নাই। তথাপিও মই খবৰ কৰি ৰেভিনিউ বিভাগৰ লগত আলোচনা কৰিম।

* **শ্ৰীউদ্ধৱ বৰ্মন** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা জানিব বিচাৰিছো যে আজিলৈ অসমত অ-প্ৰাপ্তবয়স্ক কিমান সংখ্যক যুঁৱক-যুঁৱতী জেলত আছে আৰু তেওঁলোকৰ পুনৰ সংস্থাপনৰ কাৰণে কি কৰিছে? আৰু যিবিলাকে জিলা কাৰাগাৰৰ পৰা ছুটী লৈ গৈছে তেওঁলোকৰ কাৰণে কি কৰিছে?

---

* Speech not corrected

*শ্রীঅকণ বৰা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কগৰাকীয়ে কৰা প্ৰশ্নটো বেলেগ প্ৰশ্ন হ'ব। এই সম্পৰ্কত মই প্ৰিপিয়াৰ হৈ অহা নাই কাৰণে উত্তৰ দিব নোৱাৰিম।

Mr. Speaker : Now, Starred Question No.204, Hon'ble Member, Shri Bhubon Pegu.

Subject : Collection of Sales Tax (VAT).

Shri Bhubon Pegu asked :

*204. Will the Minister of Finance be pleased to state :-

(a) How much Sales Tax (VAT) were collected from the numbers of cars and vehicles under different categories sold all over Assam during the period from 2006-07, 2007-08 and 2008-09 by different firms and agencies?

(b) What amount of Sales Tax (VAT) were paid to Govt. by different firms and agencies as against the numbers of cars and vehicles sold by them during the period from 2006-07, 2007-08 and 2008-09 ?

(c) Will the Govt. furnish the names of the different firms and agencies and the numbers of cars and vehicles sold by them and the amount of VAT paid by them to the Govt. during the above mentioned period ?

---

* Speech not corrected

Dr. Himanta Biswa Sarma (Minister of Health & Family Welfare etc.) replied on behalf of Shri Tarun Gogoi, Hon'ble Chief Minister :

(a) The Sales Tax (VAT) collection from the cars and vehicles under different categories sold all over Assam during the period 2006-07, 2007-08 and 2008-09 by different firms/dealers are as below.

2006-07	...	Rs. 152,82,97,912.00
2007-08	...	Rs. 160,63,05,370.00
2008-09	...	Rs. 158,36,63,089.00

(b) The Sales Tax (VAT) paid by different firms/dealers against number of cars and vehicles sold during 2006-07, 2007-08 and 2008-09 are shown in Annexure-I, II & III respectively. (See Annexure–III)

(c) The information are given in Annexure-I, II & III. (See Annexure–III)

* শ্রীভুৱন পেগু ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই প্রশ্নত সুধিছিলো যে ২০০৬ চনৰ পৰা আজিলৈ তিনি বছৰত অসমৰ কিমান জিলাত কিমান গাড়ী কিনিছিল আৰু সেই গাড়ীৰ বিপৰীতে কিমান টেক্স পাইছিল। ইয়াতে ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ চনত কিমান

* Speech not corrected

টেক্স পাইছে সেইটো দেখুৱাইছে। কিন্তু এনেকুৱা হয় নেকি কেতিয়াবা যে এখন ফার্মে ১০০ খন গাড়ী কিনি দেখুৱাইছে ৬০ বা ৭০ খন। এনেকুৱা উদাহৰণ আছে নেকি? ষ্টেটিষ্টিকেল হেণ্ড বুকত ৪৫০০ৰো বেছি ৰেজিষ্ট্রেচন দেখুৱাইছে। গতিকে ইয়াৰ চেল টেক্স পোৱা নাই নেকি? এই ৪৫০০ গাড়ীৰ চেল টেক্স নেদেখুৱাই ফাকি দি আছে নেকি?

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীভূৱন পেগু ডাঙৰীয়াই যিটো কথা কৈছে যে চেল টেক্স ফাকি দিয়ে নেকি? সেইটো অস্বাভাৱিক নহয়। চেল টেক্স ফাকি দিয়া ঘটনা হৈ থাকে আৰু সেই কাৰণে ভিজিলেঞ্চ ৰখা হৈছে। ১০০ খন গাড়ী কিনি ৮০ খন দেখুৱায়। আৰু এইবিলাকৰ কাৰণে তদন্ত অব্যাহত ৰখা হয়। কোনো জিলাৰ পৰা অভিযোগ পালে ৰেইডো কৰা হয়। যদি ধৰাত পৰে তেতিয়াহ'লে ৩০০ শতাংশ চার্জ কৰা হয়। দ্বিতীয়তে, গাড়ী ৰেজিষ্ট্রেচন বঢ়া বুলি কৈছে, চেল টেক্স পাইছে নে নাই। গাড়ীৰ চেল টেক্স আৰু মটৰ ভেহিকোল টেক্সো আছে। লগতে এণ্ট্রি টেক্সো আছে। কিছুমান গাড়ী ডিলাৰে বিক্রী কৰে আৰু কিছুমান গাড়ী কোম্পানীয়ে ডাইৰেক্টলী বিক্রী কৰে। কোম্পানীয়ে বিক্রী কৰিলে সেই কোম্পানী যিখন ৰাজ্যত থাকে সেই ৰাজ্যইহে পায়। (Commissioner of Tax would be requested to

---

* Speech not corrected

review and re-examine the matter once again.) সেই কাৰণে দেখা গৈছে যে যিবিলাক টাটা মহিণ্ডৰ আদি কোম্পানী গুৱাহাটীত আছে,তাত তেওঁলোকে বিক্রী কৰিলে আমাক দিব নালাগে। সেই কাৰণে ৰেজিষ্ট্রেচনৰ লগত চেল টেক্সৰ সামঞ্জস্য নাথাকে।

* **শ্রীভূৱন পেগু** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ৪৫০০ গাড়ী, ইমান ডিফাৰেঞ্চ হ'ব পাৰে নেকি মন্ত্রীৰ পৰা জানিব বিচাৰিছো।

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে এনেক্সাৰ-১ চালে দেখা পাব ডিফাৰেঞ্চ কিমান বেছি। টাটা মটৰৰ্চে দিছে ৪২ কোটি টকা। হিম্মটসিংকাই দিছে ১ কোটি ৪৬ লাখ টকা। কোম্পানীৰ পৰা ডাইৰেক্ট গাড়ী কিনাৰ প্রৱণতা বেছি। ডিলাৰৰ পৰা কিনাৰ লগে লগে সমানে সমানে ডাইৰেক্টলী কিনে। সেই কাৰণে এই ডিফাৰেঞ্চ অস্বাভাৱিক নহয়। সেই কাৰণে এই ক্ষেত্রত কমিচনাৰ টেক্সে ৰিভিউ কৰক।

* **শ্রীকার্তিক সেনা সিন্‌হা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এই প্রশ্নটোৰ উত্তৰত কৈছে যে টেক্স ভিজিলেন্স শাখাৰ জৰিয়তে অনুসন্ধান আৰু ধৰা-ধৰি কৰি কিছু পৰিমাণৰ ফাঁকি দিয়া কৰ আদায় কৰা হৈছে। এইখিনিতে মই এটা কথা ক'ব খুজিছো যে বৰাক ভেলীতো যথেষ্ট সংখ্যক যান-বাহনৰ চলাচল হয় আৰু সেই অনুপাতে টেক্স কালেকচন হয়। কিন্তু মেঘালয় পাৰ হৈ

* Speech not corrected

ৰাক ভেলী পোৱাৰ লগে লগে বদৰপুৰ, কৰিমগঞ্জ হৈ মিজোৰাম, ত্রিপুৰালৈ যিমান সংখ্যক গাড়ীয়ে যাতায়ত কৰিব লগা হয় সেই অনুপাতে ৰাস্তা-ঘাটৰ উন্নয়ন হোৱা নাই আৰু তাৰ কাৰণে যাত্রীসকলে যথেষ্ট কষ্ট ভোগ কৰিবলগীয়া হয়। এই অঞ্চলসমূহত বিশেষকৈ কৰিমগঞ্জ জিলা আৰু ইণ্টাৰ ষ্টেট বর্ডাৰ এৰিয়াসমূহত টেক্স কালেকচন ব্যৱস্থাটো একেবাৰে উন্নত নোহোৱা কাৰণে আমি বহুতো টেক্স হেৰুৱাব লগা হৈছে। সেই কাৰণে এই ক্ষেত্রত বিহিত ব্যৱস্থা গ্রহণ কৰিব বুলি অনুৰোধ জনালো।

*** ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ- অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে সেই ক্ষেত্রত আমি বর্ডাৰ এৰিয়াসমূহৰ কাৰণে সমূহীয়া উন্নয়ন ব্যৱস্থা কৰিব লাগিব আৰু এই ক্ষেত্রত আমি ইতিমধ্যে কেইটামান এৰিয়াত প্রাৰম্ভিক ব্যৱস্থা গ্রহণ কৰিছো। ইয়াৰ কাৰণে আমি টেক্স কালেকচন গেটবিলাক আধুনিকীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিব। ইতিমধ্যে আমি বক্সিৰহাট আৰু শ্রীৰামপুৰ চেক গেটত এনে একোটা মেচিন বহুওৱা হৈছে যিটোৰ দ্বাৰা গাড়ীত কি বস্তু আনিছে সেইটো ধৰিব পৰা হ'ব। কিন্তু এনে একোটা চেক গেট কৰিবলৈ হ'লে আমাৰ প্রায় ১০০ কোটি টকাৰ প্রয়োজন হ'ব। গতিকে আমি পর্যায়ক্রমে বাকীবোৰ চেক গেটতো এনে ব্যৱস্থা কৰাৰ চিন্তা কৰিছো আৰু তাৰ বাবে কিছু সময়ৰ প্রয়োজন হ'ব।

---

* Speech not corrected

* **শ্রীপ্রণৱ কলিতা** ঃ- অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনলৈ বাহিৰৰ পৰা যিবোৰ মালবাহী গাড়ী আহে সেইবোৰৰ পৰা আমি এটা এণ্ট্রি টেক্স পাওঁ। এই টেক্সৰ ক্ষেত্রতো বহু খেলি-মেলি দেখিবলৈ পোৱা যায়। এইবোৰৰ পৰা আমি যি পৰিমাণে টেক্স পাব লাগিছিল সেই পৰিমাণে টেক্স নাপাওঁ। তাৰ বাহিৰেও বহুতো লোকে চুবুৰীয়া ৰাজ্যবিলাকত য'ত টেক্স, ৰেজিষ্ট্রেচন ফিজ আদি কম থাকে সেইবোৰ ৰাজ্যৰ পৰা গাড়ী ক্রয় কৰি আনি বেছিভাগ সময়ে আমাৰ ৰাজ্যখনত চলাই থাকে আৰু সেই কাৰণেও আমি যথেষ্ট টেক্স হেৰুৱাব লগা হয়। গতিকে এনে ধৰণে টেক্স ফাঁকি দিয়াটো বন্ধ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিব নোৱাৰে নেকি?

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ- অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো কথা উল্লেখ কৰিছে সেইটো নোহোৱা নহয়। আজি যিখন ৰাজ্যত চেল টেক্স বা ৰেজিষ্ট্রেচন ফিজ কম তাত গৈ মানুহে গাড়ী ক্রয় কৰি আন এখন ৰাজ্যত চলাই আছে। এইটো ইণ্টাৰ ষ্টেট নিয়ম অনুসৰি বাধা দিব নোৱাৰি। আজি মেঘালয়ত তেলৰ দাম কম কাৰণে বহুতে গৈ খানাপাৰাৰ তেল লয়। সেইটো আমি বাধা দিব নোৱাৰো আৰু এনেকুৱা কাৰণতে আমি টেক্স হেৰুৱাইছো, সেইটো সঁচা। তথাপিও আমি বিভাগৰ ফালৰ পৰা নজৰ ৰাখিবলৈ কৈছো তেনে ধৰণৰ গাড়ীসমূহ বেছিভাগ সময় কোনখন ৰাজ্যত চলিছে। এই ব্যৱস্থাৰে আমি কিছু টেক্স কালেক্ট কৰিবলৈ সমর্থ হৈছো। কিন্তু ইণ্টাৰ ষ্টেট চলাচলৰ ক্ষেত্রত বাধা দিব নোৱাৰো আৰু

---

* Speech not corrected

সাংবিধানিক নীতি-নিয়মবোৰ নিজাববীয়াকৈ উঠাই দিব নোৱাৰো। সেই কাৰণে আমি আৰু কিছু ক্ষেত্ৰত চোকা নজৰ ৰাখিব লাগিব।

Mr. Speaker : Now, Starred Question No.205, Hon'ble Member, Shri Rasul Haque.

বিষয় ঃ R C C দলঙৰ সংখ্যা।

শ্ৰীৰছুল হকে সুধিছে ঃ

* ২০৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিত্তীয় বৰ্ষ ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত গড়কাপ্তানী বিভাগে ধুবুৰী জিলাত মুঠ কিমানখন পকী দলং নিৰ্মাণ কৰিছিল? (সমষ্টি ভিত্তিত জনাব)

(খ) উক্ত বিত্তীয় বৰ্ষত ধুবুৰী সমষ্টিত মুঠ কিমানখন পকী দলং নিৰ্মাণ কৰা হৈছিল? (স্থানসমূহ নামৰ লগতে RCC দলংসমূহৰ সবিশেষ জনাব)

(গ) ধুবুৰী সমষ্টিত বিত্তীয় বৰ্ষ ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত নিৰ্মাণ কৰি উলিওৱা পকী দলংসমূহৰ বাবে বিভাগে মুঠ কিমান ধন আৱণ্টন দিছিল? (দলংৰ নামৰ লগতে আৱণ্টিত ধনৰ বিতং তথ্য দাখিল কৰিব)

(ঘ) আৱণ্টিত ধনৰ বিপৰীতে দলংসমূহৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হ'লনে?

(ঙ) যদি হোৱা নাই, ইয়াৰ কাৰণ কি?

শ্রীভৰত চন্দ্র নৰহ (সমবায় ও সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) উক্ত বিত্তীয় বর্ষকেইটাত ধুবুৰী জিলাত মুঠ ১১৫ খন দলং নির্মাণৰ কাম লোৱা হৈছে আৰু এই সময়ৰ ভিতৰত ৪৫ খন দলংৰ কাম সম্পূর্ণ হৈছে। বাকী ৭০ খন দলংৰ কাম বিভিন্ন পর্য্যায়ত চলি আছে। সমষ্টি ভিত্তিত সবিশেষ তলত দিয়া হ'ল ঃ

(১) ধুবুৰী সমষ্টিত ৯ খন সম্পূর্ণ হৈছে আৰু ৪ খনৰ কাম চলি আছে।

(২) দঃ শালমাৰা সমষ্টিত ১ খন সম্পূর্ণ হৈছে আৰু ২ খনৰ কাম চলি আছে।

(৩) মানকাচাৰ সমষ্টিত ৪ খনৰ কাম সম্পূর্ণ হৈছে আৰু ১১ খনৰ কাম চলি আছে।

(৪) বিলাসীপাৰা পশ্চিম সমষ্টিত ১২ খন সম্পূর্ণ হৈছে আৰু ২০ খনৰ কাম চলি আছে।

(৫) বিলাসীপাৰা পূৱ সমষ্টিত ৬ খন সম্পূর্ণ হৈছে আৰু ৬ খনৰ কাম চলি আছে।

(৬) গোলকগঞ্জ সমষ্টিত ১০ খন সম্পূর্ণ হৈছে আৰু ১৯ খনৰ কাম চলি আছে।

(৭) গৌৰীপুৰ সমষ্টিত ৩ খন সম্পূর্ণ হৈছে আৰু ৮ খনৰ কাম চলি আছে।

(খ) উক্ত বিত্তীয় বর্ষকেইটাত ধুবুৰী সমষ্টিত ১৩ খন দলংৰ নির্মাণৰ কাম

লোৱা হৈছিল আৰু এই সময়ৰ ভিতৰত ৯ খন দলংৰ কাম সম্পূৰ্ণ হৈছে। সবিশেষ প্ৰ-পত্ৰ 'ক'ত দিয়া হ'ল।

(গ) ধুবুৰী সমষ্টিত উক্ত বিত্তীয় বৰ্ষকেইটাত নিৰ্মাণ কৰি উলিওৱা পকী দলংৰ নিৰ্মাণৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ দলংৰ বিপৰীতে প্ৰ-পত্ৰ 'ক'ত দিয়া হৈছে। (See Annexure – IV)

(ঘ) আৱণ্টিত ধনৰ বিপৰীতে ৯ খন দলংৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকী কেইখন চলি আছে।

(ঙ) বানপানী আদি প্ৰতিকূল পৰিস্থিতি তথা কিছুমান কাৰিকৰী কাৰণৰ বাবে কিছুমান দলং নিৰ্মাণ সম্পূৰ্ণ কৰাত বিলম্ব হয়। ইয়াৰ উপৰিও বাৰিষা কালত নিৰ্মাণ কাৰ্য্য সাময়িকভাৱে বন্ধ কৰিবলগীয়া হয়।

* **শ্ৰীমহিবুল হক** ঃ- অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মাননীয় সদস্য, শ্ৰীৰছুল হক ডাঙৰীয়াই আনিছিল আৰু বিষয়টোৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই উত্তৰ দিয়া হ'লে ভাল আছিল। কিন্তু তেখেতৰ অনুপস্থিতিত সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিবলৈ ওলাইছে। গতিকে আমি হয়তো আটাইখিনি উত্তৰ নাপাম। প্ৰশ্নটোৰ উত্তৰত কোৱা হৈছে যে ধুবুৰী জিলাত উক্ত বৰ্ষকেইটাত মুঠ ১১৫ খন পকী দলং নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু সেই সময়ৰ ভিতৰত ৪৫ খন দলংৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী ৭০ খন দলংৰ কাম বিভিন্ন পৰ্য্যায়ত চলি আছে। এই কামখিনিৰ কাৰণে মই মন্ত্ৰী

---

* Speech not corrected

মহোদয়ক ধন্যবাদ জনাইছো। এতিয়া মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো যে ধুবুৰী বিধান সভা সমষ্টিত যি ১৩ খন পকী দলং নির্মাণ কৰা বুলি কৈছে তাৰ ভিতৰত ৩খন দলংৰ বাহিৰে বাকী আটাই কেইখনৰে কাম ১০০ শতাংশ কাম সম্পূর্ণ হোৱা বুলি কৈছে যদিও স্থানীয় ৰাইজে কোৱা মতে ১০০ শতাংশ কাম সেই দলংবোৰত হোৱা নাই। যদি কাম সম্পূর্ণ হোৱাই নাই তেনেহ'লে কাম সম্পূর্ণ হোৱা বুলি বিভাগে কেনেকৈ ৰিপ'র্ট দাখিল কৰিলে?

* **শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী)** ঃ- অধ্যক্ষ মহোদয়, এই ক্ষেত্রত স্পেচিফিক ৰিপ্লাই দিয়া হৈছে। গতিকে মই ভাবো ইয়াত আৰু পৰিপূৰক প্রশ্নৰ প্রয়োজন নহ'ব।

* **শ্রীমহিবুল হক** ঃ- অধ্যক্ষ মহোদয়, এই দলংকেইখনৰ কাম সম্পূর্ণ হোৱা বুলি কৈছে যদিও এপ্রচ ৰোডবিলাক হোৱা নাই। গতিকে এইবোৰ সোনকালে শেষ কৰি যাতায়ত ব্যৱস্থা সুচল কৰিব লাগে।

শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী) ঃ- তেখেতে দলংৰ প্রশ্নহে কৰিছে।

* **শ্রীমহিবুল হক** ঃ- চাৰ, ব্রিজৰ কামত এপ্রোচ ৰোড থাকে। মই সেইখিনি সম্পূর্ণ কৰাৰ কাৰণে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। দ্বিতীয়তে, চাপৰৰ লগত ৰাস্তাত এখন আৰ-চি-চি দলং বনোৱাৰ কাৰণে আমি সদায় দাবী কৰি আহিছো। এই ৰাস্তাটো হ'লে ৭০ কিলোমিটাৰমান ভিতৰে ভিতৰে আহিব পৰা যাব। বি আৰ এচ

---

* Speech not corrected

চিয়ে এই ৰাস্তাটো কৰাৰ কাৰণে ৰিকমেনডেশ্যন দিছে। লগতে ধুবুৰীত এখন আৰ-চি-চি ব্রিজো বনাব লাগে। এই দুখন ব্রিজৰ ক্ষেত্রত স্পেচিয়েল এটেন্সন দিব লাগে।

* **শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ব্রিজৰ যিটো এপ্রোচ ৰোডৰ কথা কৈছে সেইটো সোনকালে নির্মাণ কৰা হ'ব। চাপৰলৈ যোৱা যিখন ব্রিজৰ কথা কৈছে সেই ব্রিজখন নির্মাণ কৰাৰ কথাটো আমাৰ চৰকাৰে বিবেচনা কৰি চাব। মাননীয় সদস্য গৰাকীয়ে প্রায়ে ধুবুৰীক অৱহেলা কৰাৰ কথা কয়। কিন্তু মই ক'ব বিচাৰিছো যে, আমাৰ চৰকাৰে ধুবুৰী জিলাক অৱহেলা কৰা নাই। তাত ১১৫ খন আৰ-চি-চি ব্রিজ বনোৱা হৈছে।

* **শ্রীমহিবুল হক** ঃ- সেই কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো।

* **শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ ইত্যাদিৰ মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পৰা চৰকাৰে অৱহেলা কৰা বুলি ভৱিষ্যতে যাতে তেখেতে নকয়।

* **শ্রীমহিবুল হক** ঃ- চাৰ, মই ধুবুৰী জিলাক অৱহেলা কৰাৰ কথা কোৱা নাই। কিছুমান আঁচনিত অৱহেলা হৈছে বুলিহে কৈছো।

Mr. Speaker : Now, Starred Question No. 206, Hon'ble Member, Dr. Rumi Nath.

---

* Speech not corrected

Subject : Pay Commission Report.

Dr. Rumi Nath asked :

* 206. Will the Minister of Finance be pleased to state :-

(a) Is the Government aware that there are lots of resentment among the Assam State Government Employees for the delay of the submission of the 6th State Pay Commission Report with other facilities by the Government for the State Government Employees?

(b) (b) If so, what steps have so far been taken up by the Government ? (Furnish in details).

Dr. Himanta Biswa Sarma (Minister, Health) replied on behalf of Minister, Finance, Shri Tarun Gogoi :

(a) Yes.

(b) Government constituted the Assam Pay Commission, 2008 on May 30, 2008 and requested the Commission to submit its report preferably within a year from the date of its constitution. As the Commission could not submit its report as stipulated, the Government has to extend its term up to 30th September, 2009. The Chairman of the Assam Pay Commission, 2008 has also been requested to submit its report within this time.

* **ডাঃ ৰুমী নাথ** ঃ- মাননীয় অধ্যক্ষ মহোদয়, পে কমিশ্যনৰ ৰিপোর্টটো চাবমিট কৰা নাই। ২০০৯ চনৰ ৩০ চেপ্তেম্বৰলৈ বঢ়াই দিয়া হৈছে। মোৰ প্রশ্নটো হ'ল— ৩০ চেপ্তেম্বৰৰ পিছত আকৌ বঢ়াই দিয়াৰ সম্ভাৱনা আছে নেকি? যদি সম্ভাৱনা নাই, ৰিপোর্টটো চাবমিট কৰাৰ পিছত কেতিয়াৰ পৰা ইমপ্লিমেণ্ট কৰা হ'ব। এইটো সঠিক উত্তৰ দিলে মই সন্তুষ্ট হ'ম।

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যাগৰাকীয়ে উত্তৰটো নিজেই দি থৈছে। আমি পে কমিছনৰ ৰিপোর্টটো চাবমিশ্যনৰ কাৰণে কৈ আছো। ...The Commission could not submit its report as stipulated time. The Government has to extend its term up to 30-9-2009. The Chairman of the Assam Pay Commission, 2008 has also been requested to submit its report within this time. পে ষ্ট্রাকচাৰটো নিদিয়ে। ইয়াত চেক্রেটেৰীয়েটৰ এমপ্লয়ৰ কথা আছে, সঞ্চালকালয়ৰ কথা আছে, জিলা কর্মচাৰীৰ কথা আছে, ইণ্টাৰ চিনিয়ৰিটিৰ কথা আছে। তেওঁলোকে এটা এটাকৈ প্রত্যেকটো এচোচিয়েশ্যনক মাতি আনি আলোচনা কৰিব লাগিব। Central Pay Commission also took time to submit its report 2 to 3 and half years. সেইটো কাৰণে.... Assam Pay Commission has received 200 to 300 Memorandam. All of them have to be examined throughly. They have to give

---

* Speech not corrected

justice. It would be better to give them extended time otherwise, it will create more omarchy than resolution. I cannot answer on behalf of the Pay Commission. After submission of the Pay Commission Report we will see thoroughly from which date they had recommended. ...অসমত ইমানবিলাক কর্মচাৰী আছে। সেই কাৰণে পে কমিশ্যনৰ কাৰণে এটা বছৰ খুব ডাঙৰ কথা নহয়। আমি ৩০ চেপ্তেম্বৰৰ ভিতৰত ৰিপোর্টটো দিয়াৰ কাৰণে কৈছো যাতে আমি সোনকালে দিব পাৰো। কেতিয়াৰ পৰা এফেক্ট দিব লাগে সেইটো পে কমিশ্যনে জনাব। আমি তেওঁলোকক ডাউট কৰাটো উচিত নহয়। তেওঁলোকে ৩০ চেপ্তেম্বৰৰ ভিতৰত শেষ কৰিব পাৰিব।

Mr. Speaker : Now, Starred Question No. 207, Hon'ble Member, Shrimati Jonjonali Boruah.

বিষয় ঃ দলং পুনৰ নির্মাণ।

শ্রীমতী জোনজোনালী বৰুৱাই সুধিছে ঃ

* ২০৭। মাননীয় গড়াকাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বাৰপূজীয়া-ৰহা গড়কাপ্তানী পথৰ হাতীবন্ধা দলংখন ২০০৪ বর্ষৰ বানে উটুৱাই নিয়াৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত দলংখন পুনৰ নির্মাণৰ ব্যৱস্থা কৰিবনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী)য়ে শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) উক্ত দলংখন (দলং নং ৪/১) এন, এল, চি, পি, আৰ (NLCPR) আঁচনিৰ অধীনত পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

* **শ্ৰীমতী জোনজোনালী বৰুৱা ঃ-** এই দলংখন এন.এল.চি.পি.আৰ আঁচনিত ধৰাৰ কথা কৈছিল। মোৰ কথা হ'ল যাতায়তৰ ব্যৱস্থাৰ কাৰণে যথেষ্ট অসুবিধা হৈ থকাৰ কাৰণে অতি সোনকালে এই ব্ৰিজখন নিৰ্মাণ কৰিব লাগে।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই দলংখন নিৰ্মাণ কৰাৰ কাৰণে তিনি কোটি তেত্ৰিশ লাখ টকাৰ এখন আঁচনি আমি ড'নাৰৰ ওচৰত চাবমিট কৰিছো। এই সংক্ৰান্তত ড'নাৰে আমাৰ ফালৰ পৰা এটা ৰিপোৰ্ট বিচাৰিছিল, আমি সেইটো দাখিল কৰিছো।

* **শ্ৰীগুণেশ্বৰ দাস ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত মাননীয় সদস্যা গৰাকীয়ে দুবাৰ আৰু মই তিনিবাৰ প্ৰশ্ন উত্থাপন কৰিছো। কিন্তু প্ৰত্যেক বাৰতেই উত্তৰত কয়— যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। যিহেতু দলংখন দুখন জিলাৰ মাজত সংলগ্ন হৈ আছে। সেয়েহে সোনকালে এই দলংখন নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ-** আমি প্ৰজেক্ট কনচেপ্ট পেপাৰ পঠিয়াইছো। সেইখন এপ্ৰোভ কৰাৰ পিছত কামটো কৰিব পৰা যাব। ১৬/৯/০৮ তাৰিখে এখন মিটিং হৈছিল। এই মিটিঙত ড'নাৰৰ প্ৰতিনিধি আৰু আমাৰ অসম চৰকাৰৰ প্ৰতিনিধি আছিল। ইয়াত ১৪টা

---

* Speech not corrected

আঁচনি এপ্রোভ কৰাৰ কথা আলোচনা কৰা হৈছে। সেই মতে হাতীবন্ধা দলংখন ১ নম্বৰত আছে। অফিচিয়েলি এইটো এপ্রোভ হৈ অহাৰ পিছত কামটো আৰম্ভ কৰিব পৰা যাব।

(Starred Question Nos. 208 to 220 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ নতুন অঁঙ্গনবাদী কেন্দ্ৰ।

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

* ২০৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে অঁঙ্গনবাদী কেন্দ্ৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা নতুনকৈ মঞ্জুৰী পাইছেনে? যদি পাইছে, তেন্তে কিমান সংখ্যক কেন্দ্ৰৰ বাবে মঞ্জুৰী পাইছে? (সদনৰ মেজত বিতং তথ্য দাখিল কৰিব)

(খ) সৰুপথাৰ সমষ্টিৰ কেইখন গাওঁ পঞ্চায়তত এটাও অঙ্গনবাদী কেন্দ্ৰ নাই?

(গ) উক্ত গাওঁ পঞ্চায়তসমূহলৈ নতুনকৈ অঁঙ্গনবাদী কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ জিলা সমাজ কল্যাণৰ পৰা আহিছে নে?

(ঘ) যদি আহিছে, তেন্তে উক্ত গাওঁ পঞ্চায়তসমূহত নতুনকৈ অনুমোদন পোৱা অঁঙ্গনবাদী কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পাইছে। ২০০৮-০৯ বৰ্ষত মুঠ ১৯,৬৪৬টা অঙ্গনবাদী কেন্দ্ৰ আৰু

২৯৬৭টা মিনি অঙ্গনবাদী কেন্দ্রসহ ৫টা নতুন শিশু উন্নয়ন প্রকল্প কেন্দ্রীয় চৰকাৰৰ পৰা মঞ্জুৰী পোৱা হৈছে। (কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা মঞ্জুৰীকৃত পত্রৰ নকল সদনৰ মেজত ৰখা হৈছে।
(See Annexure – V)

(খ) সৰুপথাৰ সমষ্টিৰ ৯ খন গাওঁ পঞ্চায়তত এটাও অঙ্গনবাদী কেন্দ্র নাই।

(গ) ইতিমধ্যে অসম চৰকাৰে পঠিওৱা প্রস্তাৱ মর্মে ১২২টা অতিৰিক্ত অঙ্গনবাদী কেন্দ্র কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদিত হৈ আহিছে।

(ঘ) কৰি থকা হৈছে।

বিষয় ঃ জনসংখ্যা অনুসৰি নিযুক্তি।

শ্রীনুৰুল হুছেইনে সুধিছে ঃ

* ২০৯। মাননীয় কর্মচাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) The Assam Districtwise Population Pattern Reflaction in Service (in Class-III and Class-IV Posts) Act, 1994 নামৰ এখন আইন বলবৎ হৈ আছেনে?

(খ) যদি আছে, উক্ত আইনখন কার্য্যকৰী কৰাৰ বাবে কি নীতি নির্দ্ধাৰণ কৰিছে? (তথ্য ও প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

(গ) উক্ত নীতিৰ আধাৰত জিলা ভিত্তিক আৰু বিভাগ ভিত্তিক কিমান নিযুক্তি হ'ল? (বছৰ অনুযায়ী তথ্য দিব)

(ঘ) উক্ত আইন অনুসৰি অতিৰিক্ত মুখ্য সচিব পর্য্যায়ৰ এগৰাকী বিষয়াক নিয়োগ কৰা হৈছেনে? যদি হৈছে, কেতিয়া আৰু কাক কৰা হৈছে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্রী)য়ে কৰ্মচাৰী বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, আছে।

(খ) উচ্চ ক্ষমতাসম্পন্ন বিষয়াৰ পৰা প্রতিবেদন আহি নোপোৱাৰ বাবে নীতি নির্দ্ধাৰণ কৰা হোৱা নাই।

(গ) নীতি নির্দ্ধাৰণ নোহোৱাৰ বাবে নিযুক্তি দিব পৰা হোৱা নাই।

(ঘ) হয়, হৈছে। উক্ত আইনখনৰ ৬ (১) নং ধাৰা অনুসৰি শ্রী পি, পি বার্মা, ভাঃ প্রঃ সেঃ, অতিৰিক্ত মুখ্য সচিব মহোদয়ক যোৱা ইং ৪-৭-২০০৭ তাৰিখে উচ্চ ক্ষমতাসম্পন্ন বিষয়া হিচাপে নিয়োগ কৰা হৈছে।

Subject : Karimganj Town under ICDS Project.

Shri Mission Ranjan Das asked :

*210. Will the Minister of Social Welfare be pleased to state :

(a) Whether the Govt. will consider to cover the Karimganj Town under a separate ICDS Project or include it under any other ICDS project ?

(b) If so, please state it in details ?

(c) How many new ICDS projects were sanctioned since 2001-2002 to 2008-2009 and which are them ?

(d) How many new Anganwadi Centres were sanctioned

during 2001-2009 and how these were distributed against ICDS projects ?

(e) Whether appointments/engagements to vacant posts of AW/AH and to new centres if any will be held and under what procedures– please state it in details ?

Shri Akon Bora (Minister of Social Welfare) replied :

(a) No. Karimganj Town area will not be covered by a separate ICDS Project. However, Karimganj Town area is included under North Karimganj ICDS Project.

(b) Govt. of India has sanctioned 50 Nos. of Anganwadi Centres for the Karimganj Town area.

(c) 27 Nos. of new ICDS Projects were sanctioned for the State of Assam during the year 2001-2002 to 2007-2008. These Projects are– (1) Longsopemi, (2) Hatidura, (3) Bechimari, (4) Bhergaon, (5) Rowta, (6) Pachim Mangaldoi, (7) Bihaguri, (8) Sootea, (9) Baghmara, (10) Rangapara, (11) Ghilamara, (12) Machkhowa, (13) Pakhimoria, (14) Bajiagaon, (15) Dolonghat, (16) Borkhala, (17) Tingkhong, (18) Bihdia Jajikona, (19) Bangaon, (20) Goroimari, (21) Bezera, (22) Gomafulbari, (23) Udali, (24) Harangajaon, (25) Jorhat, (26) Silchar (U) and (27) Nagon (U).

Further, the Govt. of India accorded sanction for 5 more ICDS Projects during the year, 2008-2009. Those are namely (1) Dibrugarh (U), (2) Golaghat (U), (3) Sivasagar (U), (4) Diphu (U) and (5) Chakchaka (R),

The said five Projects will be sanctioned shortly by the State Government.

(d) From 2001-2002 to 2008-2009 total 31,312 Anganwadi Centres and 2967 Mini Anganwadi Centres have been sanctioned by the Govt. of India. The A W Cs have been distributed on the basis of population.

(e) Selection Committee will be Constituted for selection of Anganwadi Workers and Anganwadi Helpers under each ICDS Projects. The selected AWWs/AWHs should belong to the same village/locality, where the A W C is located. Minimum qualification for Anganwadi Worker is HSLC examination passed and for Anganwadi Helpers read up to "Class VIII". The selected Anganwadi Workers/Anganwadi Helpers will be posted against the vacant post newly created for the purpose.

বিষয় ঃ ৰাজখোৱা আয়োগৰ প্ৰতিবেদন।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

* ২১১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৮-১১-০৬ চনত মৈৰাবাৰী থানাৰ আৰক্ষীৰ অতৰ্কিত আক্ৰমণ আৰু গুলীয়াগুলিত ৰেকিবুল হুছেইন (১১), হিফজুৰ ৰহমান (১১) আৰু আমিনুল হক (৩৫) নিহত আৰু ১১ জন লোক আহত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) উক্ত ঘটনাৰ দিনাই ৰাজ্য চৰকাৰে মৃত তিনিওগৰাকী ব্যক্তিৰ পৰিয়াল বৰ্গক গাইপতি তিনি লক্ষ টকাকৈ এককালীন সাহায্য আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ তৰফৰ পৰা গাইপতি এক লক্ষ টকাকৈ দিয়াৰ কথা প্ৰাক্তন মন্ত্ৰী আব্দুল মুহিব মজুমদাৰে ঘোষণা কৰা আৰু আহতসকলক সু-চিকিৎসা আৰু আৰ্থিকভাৱে অনুদান আগবঢ়াব বুলিও চৰকাৰে ঘোষণা কৰাটো সত্যনে?

(গ) যদি সত্য, ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি অনুসৰি এককালীন সাহায্য প্ৰদান কৰিলেনে?

(ঘ) উক্ত ঘটনাৰ তদন্ত কৰিবলৈ চৰকাৰে গঠন কৰা ৰাজখোৱা আয়োগৰ প্ৰতিবেদন যোৱা ১১-১২-০৮ তাৰিখে চৰকাৰৰ ওপৰত দাখিল কৰাটো সত্যনে?

(ঙ) যদি সত্য, উক্ত প্ৰতিবেদনখন সদনত দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) হয়, সত্য।

(গ) এতিয়ালৈকে বিধিগত কাৰণত মঞ্জুৰী কৰিব পৰা হোৱা নাই। অতি সোনকালে এককালীন সাহায্য প্রদান কৰাৰ ব্যৱস্থা লোৱা হ'ব।

(ঘ) ৰাজখোৱা আয়োগৰ তদন্তৰ প্রতিবেদন ১০/১২/২০০৮ তাৰিখে চৰকাৰৰ ওচৰত দাখিল কৰে।

(ঙ) আয়োগৰ প্রতিবেদন চলিত বিধানসভা অধিবেশনৰ ভিতৰতে সদনৰ মজিয়াত দাখিল কৰা হ'ব।

বিষয় ঃ মার্কেট চেদ নির্মাণ।

শ্রীচন্দী বসুমতাৰীয়ে সুধিছে ঃ

* ২১২। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৭-০৮ চনৰ আনটাইদ ফান্ডৰ অধীনত তামুলপুৰ সমষ্টিৰ অন্তর্গত গান্ধীবাৰী মার্কেট চেদ বনোৱাৰ বাবে ২০,০০০,০০ (বিশ) লাখ টকা আৱণ্টন দিয়াৰ পিছতো আজিলৈকে কামটো সম্পূর্ণ নোহোৱাৰ কাৰণ কি?

(খ) কন্ষ্ট্রাকচন কমিটিৰ পৰা ডি, চি (বাকসা) আৰু এচ ডি অ' (তামুলপুৰ)ই বুজন পৰিমাণৰ ধন বিচৰাত কমিটিয়ে কামটো অর্ধসমাপ্ত কৰি মোকলাই দিয়া বাৰ ১২,০০,০০০ (বাৰ) লাখ টকাৰ ৪,০০,০০০ (চাৰি) লাখ টকা ঘূৰাই দিয়া কথাটো সত্যনে?

(গ) যদি সত্য, ডি চি আৰু এছ ডি অ'ৰ বিৰুদ্ধে প্রয়োজনীয় ব্যৱস্থা ল'বনে?

(ঘ) আধৰুৱা কামখিনি সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত ল'ব?

শ্রীতৰুণ গগৈ (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী তথা মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উপাযুক্তৰ প্রতিবেদন মতে নির্মাণ সমিতিয়ে সময়মতে কামটো কৰিব নোৱাৰি, নকৰো বুলি কামটো বন্ধ কৰি দিছে, যাৰ বাবে সময়মতে কামটো সম্পূৰ্ণ কৰিব পৰা নাই।

(খ) চৰকাৰৰ হাতত তেনে কোনো অভিযোগ নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রাপ্ত তথ্যমতে বাক্সা জিলাৰ গড়কাপ্তানী বিভাগৰ অভিযন্তাই নির্মাণ সমিতিয়ে কৰা কামখিনি তদন্ত কৰি আছে আৰু ইয়াৰ প্রতিবেদন পোৱাৰ পিছতে বিহিত ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ মুকবধিৰ বিদ্যালয়।

শ্রীৰাণা গোস্বামীয়ে সুধিছে ঃ

* ২১৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে জনাবনে ঃ

(ক) অসমত সর্বমুঠ কিমানখন মুকবধিৰ বিদ্যালয় আছে? উক্ত বিদ্যালয় সমূহ কোন কোন ঠাইত আছে?

(খ) এই বিদ্যালয়বোৰৰ কোনখনত কিমান ছাত্র-ছাত্রী আছে? প্রতিখনত স্থায়ী কর্মচাৰীৰ সংখ্যা কিমানজন আৰু কি কি পদত নিযুক্ত আছে?

(গ) যোৰহাটত থকা মুকবধিৰ বিদ্যালয়ত মাত্ৰ অষ্টম শ্ৰেণীলৈকেহে পঢ়াৰ সুবিধা থকা কথাটো চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, তেন্তে উক্ত বিদ্যালয়ত দশম মানলৈ শ্ৰেণী খোলাৰ কিবা ব্যৱস্থা লৈছে নেকি?

শ্ৰীঅকন বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত সৰ্ব্বমুঠ ২ খন মুকবধিৰ বিদ্যালয় আছে। তাৰ ভিতৰত ১খন গুৱাহাটীৰ কাহিলীপাৰাত আৰু আনখন যোৰহাটত আছে।

(খ) গুৱাহাটীৰ কাহিলীপাৰাত ২৩৫ আৰু যোৰহাটত ৩০ জন ছাত্ৰ-ছাত্ৰী আছে। গুৱাহাটীৰখনত মুঠ ৩৯টা মঞ্জুৰীকৃত পদ আছে। বিতং পদসমূহ তলত উল্লেখ কৰা হ'ল ঃ-

অধ্যক্ষ	—	১ জন
স্নাতক শিক্ষক	—	১৩ জন
স্নাতকবিহীন শিক্ষক	—	৬ জন
উচ্চ বৰ্গ সহায়ক ও গাণনিক	—	১ জন
নিম্ন বৰ্গ সহায়ক	—	১ জন
প্ৰশিক্ষক	—	৬ জন
মেট্ৰন	—	২ জন
পিয়ন	—	২ জন
চকিদাৰ	—	২ জন
চুইপাৰ	—	১ জন

ৰান্ধনী — ২ জন

সহঃ ৰান্ধনী — ২ জন

ইয়াৰোপৰি যোৰহাট মুকবধিৰ বিদ্যালয়ত ২টা মঞ্জুৰীকৃত পদ আছে। বিতং পদৰ নাম তলত উল্লেখ কৰা হ'ল ঃ-

নিম্ন বর্গ সহায়ক — ১ জন

চকিদাৰ — ১ জন

যদিও মঞ্জুৰীকৃত শিক্ষকৰ পদ যোৰহাট মুকবধিৰ বিদ্যালয়ত নাই, তথাপিও গুৱাহাটীৰ মুকবধিৰ বিদ্যালয়ৰ পৰা দুজন শিক্ষক যোৰহাটলৈ নি তাৰ ছাত্র-ছাত্রীসকলক পাঠ দানৰ ব্যৱস্থা কৰি থকা হৈছে।

(গ) অৱগত।

(ঘ) লোৱা নাই।

বিষয় ঃ অগ্নি নির্বাপন সঁজুলি।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

* ২১৪। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ অগ্নিনির্বাপক বাহিনীৰ হাতত থকা অগ্নি নির্বাপনৰ সঁজুলিসমূহ আধুনিকীকৰণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে?

(খ) যদি লৈছে, কি ব্যৱস্থা লৈছে? (সদনৰ মেজত বিতং তথ্য দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (বনমন্ত্রী)য়ে গৃহ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, লৈছে।

(খ) উক্ত সঁজুলিসমূহৰ ভিতৰত এখন অত্যাধুনিক ও ব্যয়বহুল "Hydralic platform" আৰু দুখন Rescue Tender (উদ্ধাৰ কার্য্যত ব্যৱহাৰ হোৱা যান) ইতিমধ্যে ক্রয় কৰা হৈছে। ইয়াৰ উপৰিও দুর্যোগ প্রশমনৰ নতুন ও আধুনিক কাৰিকৰীসম্পন্ন যান-বাহন আৰু সঁজুলি লোৱাৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ ৰাস্তাৰ কাম।

শ্রীঅভিজিত হাজৰিকাই সুধিছে ঃ

* ২১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত পি, এম, জি, এচ, ৰাইৰ অধীনত বর্ত্তমানলৈ আৱণ্টিত ধনৰ জৰিয়তে কিমান কিঃমিঃ ৰাস্তাৰ কাম কৰিবলৈ বাকী আছে?

(খ) শোণিতপুৰ জিলাত বর্তমান পি, এম, জি, এচ, ৰাইৰ অধীনত কিমানটা ৰাস্তাৰ কাম চলি আছে আৰু বর্তমান এই ৰাস্তাৰ কাম সম্পূর্ণ হোৱাৰ হাৰ কিমান? (বেলেগে বেলেগে দেখুৱাব)

(গ) ৰঙাপাৰা সমষ্টিত বর্ত্তমানে চলি থকা এই আঁচনিৰ অন্তর্গত ৰাস্তা কেইটাৰ কামৰ অগ্রগতি অতি লেহেমীয়া হোৱা আৰু এই ৰাস্তা কেইটাৰ কামত ঠিকাদাৰে ব্যাপক দুর্নীতি কৰাৰ অভিযোগ সম্পর্কে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, চৰকাৰে অতি সোনকালে উক্ত অভিযোগৰ এটা তদন্ত কৰিবনে?

(ঙ) ৰাস্তাকেইটাৰ নির্মাণৰ অগ্রগতিৰ হাৰ অনুযায়ী এতিয়ালৈ কিমান টকা মোকলাই দিলে?

শ্রীভৰত চন্দ্র নৰহ (সমবায় ও সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) অসমত পি, এম, জি, এচ, ওৱাইৰ অধীনত জুন মাহলৈ আৱণ্টিত সমুদায় ধন খৰচ কৰা হৈছে। এতিয়ালৈ ৬৫৭৬ কিঃ মিঃ পকীকৰণ কৰা হৈছে আৰু ৫৬৭৭ কিঃ মিঃ পকীকৰণৰ কাম বিভিন্ন পর্য্যায়ত চলি আছে। ইয়াৰ উপৰিও ২০০৯ বর্ষৰ ফেব্রুৱাৰী মাহৰ শেষত ৩৬৫৫ কিঃ মিঃ পথৰ পকীকৰণৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদন পোৱা হৈছে আৰু বর্ত্তমানে কাম আৱণ্টন (Allotment) প্রক্রিয়া চলি আছে। অতি সোনকালে আৱণ্টন দিব পৰা হ'ব।

(খ) শোণিতপুৰ জিলাত বর্ত্তমান পি, এম, জি, এচ, ওৱাইৰ অধীনত মুঠ ৭৩টা ৰাস্তাৰ কাম চলি আছে আৰু এই ৰাস্তাসমূহৰ সম্পূর্ণ হোৱা হাৰ ৰাস্তা অনুযায়ী বেলেগে বেলেগে অনুবদ্ধ 'ক' ত দেখুওৱা হ'ল। (See Annexure – VI)

(গ) ৰঙাপাৰা সমষ্টিৰ বর্ত্তমানে নির্মাণকার্য্য চলি থকা পথসমূহৰ অগ্রগতি একেবাৰে লেহেমীয়া নহয়। এই পথকেইটাৰ কামত ঠিকাদাৰে দুর্নীতি কৰাৰ কোনো অভিযোগ অৱগত হোৱা নাই।

(ঘ) উপৰোক্ত উত্তৰৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

(ঙ) পথসমূহৰ নির্মাণৰ অগ্রগতিৰ হাৰ অনুযায়ী বর্ত্তমানলৈ মোকলাই দিয়া ধনৰ পৰিমাণ অনুবদ্ধ 'খ'ত দিয়া হ'ল।

(See Annexure – VII)

Subject : Provide Vehicle.

Shri Rajendra Prasad Singh asked :

* 216. Will the Minister of Labour & Employment be pleased to state :-

(a) Whether the Govt. is aware of the fact that most of the Assistant Labour Commissioners are not having the official vehicle?

(b) Is it true that they can not visit the gardens and supervise the implementation of P.L. Act without Govt. vehicles?

(c) If so, is there any plan to provide the vehicles to each A. L.C. office by the Govt.?

(d) If not, why?

Shri Prithivi Majhi (Minister of Labour & Employment) replied :

(a) Yes, Asstt. Labour Commissioners except Jorhat have no vehicles.

(b) It is not a fact.

(c) Yes, under consideration of the Government.

(d) Does not arise.

বিষয় ঃ শ্রমিকৰ ন্যায্য প্রাপ্য।

শ্রীমেম্বৰ গগৈয়ে সুধিছে ঃ

* ২১৭। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমৰ বাগিছাসমূহ Labour Plantation Act মতে শ্রমিকসকলে যিদৰে সুবিধাসমূহ পাব লাগে সেইদৰে দিয়া হৈছেনে?

(খ) যদি চৰকাৰৰ ফালৰ পৰা সুবিধাসমূহ দিয়া হৈছে, তেনেহ'লে যথেষ্ট হৈছেনে? যদি শ্রমিকসকলে পাবলগীয়া সুবিধাসমূহ Act.ৰ মতে দিয়া হোৱা নাই তেন্তে, চৰকাৰে প্রয়োজনীয় সুবিধাসমূহ দিয়াৰ ব্যৱস্থা ল'বনে?

শ্রীপৃথিৰী মাঝি (শ্রম ও নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রায়বিলাক সুবিধা সকলো চাহ বাগিছাতে দিয়া হৈছে।

(খ) ১৯৫১ চনৰ বাগিছা শ্রমিক আইন অনুসৰি বাগিছাৰ শ্রমিকসকলে পাব লগা সুবিধাসমূহ দিয়াৰ ব্যৱস্থা কৰা হৈছে। যিবিলাক চাহ বাগিছাত এই সুবিধাসমূহ পর্য্যাপ্ত নহয়, তেনে বাগিছাবোৰত "সমূহীয়া সুস্বাস্থ্য সংৰক্ষণ"ৰ জৰিয়তে স্বাস্থ্য সেৱাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও এনে বাগিছাবিলাকত বিশুদ্ধ খোৱা পানী যোগান, বিদ্যুতিক মিটাৰ বিনামূলীয়াকৈ যোগানৰ ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ জিলা উন্নয়ন পুঁজিৰ আঁচনি।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

* ২১৮। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৬-০৭ বিত্তীয় বর্ষত জিলা উন্নয়ন আঁচনি District Development Plan-ৰ জৰিয়তে বৰপেটা জিলাত কিমান পুঁজি আৱণ্টন দিয়া হৈছিল?

(খ) বৰপেটা জিলাৰ অন্তর্গত ভৱানীপুৰ সমষ্টিত এই আৱণ্টিত পুঁজিৰ কিমান অংশ কি কি আঁচনিত প্রয়োগ কৰা হ'ল আৰু এই আটাইবোৰ আঁচনি প্রকৃতার্থত ৰূপায়ণ কৰা হ'লনে? (বিতংভাৱে জনাব)

(গ) যদি প্রকৃতার্থত ৰূপায়ণ কৰা হ'ল, তেতিয়া হ'লে তলত উল্লেখ কৰা আঁচনি কেইখনৰ সম্পর্কত চৰকাৰৰ মতামত কি?

(I) ভৱানীপুৰ সমষ্টিৰ অন্তর্গত দাতিৰবড়ী আৰু শুকমনাহ গাওঁ পঞ্চায়তত আৱণ্টন দিয়া নিম্ন মূল্যৰ পায়খানাবোৰ আজিলৈকে নির্মাণ নোহোৱাৰ কাৰণ কি?

(II) ভৱানীপুৰ সমষ্টিৰ দুখীয়া ৰাইজৰ বাবে আৱণ্টিত এশজন হিতাধিকাৰীয়ে আজিলৈকে দমকল কিয় নাপালে আৰু এইক্ষেত্রত জড়িত NGO দুটাৰ বিৰুদ্ধে কিয় বিহিত ব্যৱস্থা লোৱা নাই?

(III) প্রয়াত শিল্পী পূর্ণিমা স্বর্গীয়াৰীৰ স্মৃতিত জিৰণি চৰাৰ বাবে আৱণ্টিত একলাখ টকাৰ সম্পূর্ণ টকা আদায় নিদিয়াৰ কাৰণ কি?

(IV) সৰুপেটা-বৰপেটাৰোড P.W.D. পথত এটা আঞ্চলিক হাই মাদ্রাছাৰ ওপৰত দুই লাখ টকাৰ মাটিৰ কামৰ প্রথম কিস্তিতেই দায়িত্বত থকা জনৈক কনিষ্ঠ অভিযন্তাই ৯৬,০০০/- (চিয়ানব্বৈ) হাজাৰ টকা উঠাই নি আজিলৈকে কাম কৰা

মানুহক টকা নিদিয়াৰ কাৰণ কি আৰু বাকী টকা কি হ'ল?

(V) এই সন্দর্ভত জিলা কর্ত্তৃপক্ষ আৰু জিলা পৰিষদৰ কার্য্যবাহী বিষয়াক মৌখিক আৰু লিখিতভাৱে আপত্তি দিয়াৰ পিছত ইতিমধ্যে কি ব্যৱস্থা ল'লে বা কেতিয়া কি ব্যৱস্থা ল'ব?

শ্রীতৰুণ গগৈ (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-০৭ বিত্তীয় বর্ষত জিলা উন্নয়ন আঁচনিৰ জৰিয়তে বৰপেটা জিলাত আৱণ্টন দিয়া পুঁজিৰ পৰিমাণ হ'ল ৮৪০ লাখ টকা।

(খ) বৰপেটা জিলাৰ অন্তর্গত ভৱানীপুৰ সমষ্টিত জিলা উন্নয়ন আঁচনিৰ আৱণ্টিত পুঁজিৰ পৰা ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ অগ্রগতিৰ খতিয়ান তালিকা 'ক'ত দিয়া হৈছে। (See Annexure – VIII)

(গ) উল্লেখিত আঁচনি কেইখনৰ মতামত এনে ধৰণৰ ঃ-

(I) এই আঁচনিখনৰ দাতিৰবড়ী গাওঁ পঞ্চায়তৰ অনুমোদিত ১৮টা পায়খানা নির্মাণৰ কাম ইতিমধ্যে শেষ হৈছে। শুকমানাহ্ গাওঁ পঞ্চায়তৰ অনুমোদিত ১৮টা পায়খানা নির্মাণৰ কাম এক মাহৰ ভিতৰত সম্পূর্ণ কৰা হ'ব।

(II) এই আঁচনিখনৰ কাম ইতিমধ্যে ৯২% শেষ হৈছে আৰু অতিশীঘ্রে আঁচনিখন সম্পূর্ণ কৰা হ'ব। নিয়োজিত NGO দুটাই ইতিমধ্যে অধিকাংশ কাম শেষ কৰা কাৰণে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হোৱা নাই।

(III) প্রাপ্ত তথ্য মতে আঁচনিৰ সম্পূর্ণ ধন আদায় দিয়া হৈছে।

(IV) প্রাপ্ত তথ্য মতে আঁচনিৰ সম্পূর্ণ ধন আদায় দিয়া হৈছে আৰু

এই ধন নির্মাণ কমিটিৰ জৰিয়তে শ্রমিকসকলক টকা আদায় দিয়াৰ যাৱতীয় প্রমাণপত্র সংশ্লিষ্ট কনিষ্ঠ অভিযন্তাই দাখিল কৰিছে।

(V) প্রাপ্ত তথ্য মতে আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্রত পোৱা অভিযোগসমূহ পৰীক্ষা কৰি থকা হৈছে আৰু এই ক্ষেত্রত কিবা আঁসোৱাহ পালে বিহিত ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ পথ মেৰামতি।

হাফিজ বছিৰ আহমেদে সুধিছে ঃ

* ২১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা গড়কাপ্তানী উপ-সংমণ্ডলৰ অন্তর্গত বিলাসীপাৰা-বেলতলী-লক্ষীগঞ্জ হৈ ফকিৰাগ্রামলৈ যোৱা পথটি বিগত ১২/১৪ বছৰৰ পৰা মেৰামতিৰ অভাৱত সংশ্লিষ্ট অঞ্চলৰ ৰাইজ যন্ত্রণাত ভুগিবলগীয়া হোৱা বিষয়ে চৰকাৰ অৱগতনে? এই ৰাস্তা মেৰামতিৰ বাবে অৱহেলা কৰাৰ প্রতিবাদত সেই অঞ্চলৰ ৰাইজে যোৱা লোকসভা নির্বাচনত ভোট বর্জন কৰাটো সত্যনে? যদি সত্য, এই সম্পর্কে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(খ) এনে এটা গুৰুত্বপূর্ণ জনবহুল অধ্যুষিত অঞ্চলৰ পথটো ইমান বছৰে কিয় মেৰামতি কৰা নহ'ল?

(গ) এই পথটো চৰকাৰে মেৰামতি কৰাৰ কোনো ব্যৱস্থা গ্রহণ কৰিছেনে? যদি কৰিছে, তেন্তে কেতিয়াৰ পৰা আৰম্ভ হ'ব, কিমান দিনৰ ভিতৰত কাম সম্পূর্ণ হ'ব আৰু কিমান টকাৰ আঁচনি লোৱা হৈছে? (বিস্তাৰিত তথ্য দাখিল কৰিব)

(ঘ) ২৬ নং বিলাসীপাৰা (পশ্চিম) সমষ্টিত ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ ত PMGSY আঁচনিৰ অধীনত কোন কোন ৰাস্তা লোৱা হৈছে? (পথবোৰৰ নাম, অনুমোদিত টকা আৰু তাৰ Action Operation Plan আৰু Progress Report-ৰ বিস্তাৰিত তথ্য সদনৰ মেজত দাখিল কৰিব).

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) বিভিন্ন সময়ত পুঁজি সাপেক্ষে পথটোৰ মেৰামতি কৰি থকা হৈছে, তথাপিও যথেষ্ট মেৰামতিৰ প্রয়োজন হোৱাটো গড়কাপ্তানী বিভাগৰ অৱগত। যোৱা লোকসভা নির্বাচনত ৰাইজে ভোট বর্জন কৰা সন্দর্ভত গড়কাপ্তানী বিভাগৰ হাতত কোনো তথ্য নাই।

(খ) ইমান বছৰে পথটো মেৰামতি নকৰাটো সত্য নহয়, কিয়নো বিভিন্ন সময়ত পুঁজি সাপেক্ষে পথটো মেৰামতি কৰি থকা হৈছে। বিতং তথ্য অনুবদ্ধ "ক"ত দেখুৱা হ'ল।
(See Annexure – IX)

(গ) হয়, এই সংক্রান্তত ব্যৱস্থা গ্রহণ কৰি থকা হৈছে। এই পথটোৰ বিস্তৃত উন্নয়নৰ বাবে উত্তৰ-পূৰ্ব পৰিষদৰ অধীনত প্রস্তাৱিত উত্তৰ পূৰ্ব ৰাজ্যৰ পথ বিনিয়োগ প্রকল্প (NESRIP)ৰ জৰিয়তে বিস্তৃত প্রকল্প প্রতিবেদন (DRR) তৈয়াৰ কৰি ভাৰত চৰকাৰৰ উত্তৰ পূৰ্ব উন্নয়ন মন্ত্রণালয় (MDONER)লৈ প্রেৰণ কৰা হৈছে।

(ঘ) বিতং তথ্যৰ বাবে অনুবদ্ধ "খ" সংলগ্ন কৰা হ'ল।
(See Annexure – X)

বিষয় ঃ ছাত্রাবাস নির্মাণ।

শ্রীৰাজু চাহুৰে সুধিছে ঃ

* ২২০। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বহু কেইখন চাহ বাগিছা মালিকে এৰি দিয়াৰ ফলত গ্রাহকসকলে নিজে সমিতি গঠন কৰি চলাই থাকিবলগীয়া হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই বাগিছাবিলাক স্থায়ীভাৱে পৰিচালনা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(গ) চাহ জনজাতি কল্যাণ বিভাগৰ দ্বাৰা নির্মিত সাংস্কৃতিক কেন্দ্র তথা ছাত্রাবাস নির্মাণ কার্য্য সম্পূর্ণ হ'লনে?

(ঘ) ছাত্রাবাসবিলাকত কিমানজনকৈ ছাত্র থাকিব পাৰিব? এইটো কেতিয়া আৰম্ভ কৰা হ'ব?

(ঙ) ইয়াক নির্মাণ কৰিবলৈ চৰকাৰে বর্ত্তমানলৈকে কিমান টকা দিছে? (সম্পূর্ণ তথ্যসহ সদনত জনাব)

শ্রীপৃথিৱী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) এনে বাগিছাসমূহ পৰিচালনা কৰিবলৈ চৰকাৰে জিলা কর্ত্তৃপক্ষ, বিভাগীয়

ক্ষেত্রীয় বিষয়া আৰু বাগিছাৰ শ্রমিকৰ প্রতিনিধিৰে একোখন তদর্থ সমিতি গঠন কৰি দিছে।

(গ) চাহ জনজাতি কল্যাণ বিভাগৰ অধীনস্থ চাহ আৰু প্রাক্তন চাহ জনজাতি কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা নির্মিত জিৰণি ঘৰ তথা সাংস্কৃতিক কেন্দ্রৰ নির্মাণ কার্য্য ইতিমধ্যে সম্পূর্ণ হৈছে। অৱশ্যে আনুসঙ্গিক দুই এটি কামৰ লগত আচবাব তথা সৌন্দর্য্য বর্ধনৰ কাম-কাজবোৰ বর্ত্তমান পর্য্যায়ক্রমে কৰি থকা হৈছে। ছাত্রাবাসৰ বাবে মুঠ ১১টা কোঠাত ২২ গৰাকী ছাত্র থাকিব পাৰিব।

(ঘ) ছাত্রাবাসটোৰ কাম সম্পূর্ণ হ'ল।

(ঙ) এই ভৱনটো নির্মাণ কার্য্যত এতিয়ালৈকে ৫,০৬ কোটি টকা ব্যয় হৈছে। (তথ্য পৰিশিষ্ট 'ক'ত গাঠি দিয়া হ'ল)।

(See Annexure – XI)

UNSTARRED QUESTIONS AND ANSWERS

Subject : Construction of Road and Bridges.

Shri Sirajuddin Ajmal asked :

473. Will the Minister of P.W.D. be pleased to state :

(a) Whether the road from Daboka to Jamunamukh is planned to be constructed under PMGSY?

(b) If, so, what is the length of the road, how many

S.P.T. bridges are there in the road and what is the amount sanctioned for the construction under PMGSY? (Please give in details)

(c) Whether the work order is issued in this regard?

(d) If so, When will the work be started? (Give the name of the contractor)

(e) What is the status of construction of the proposed bridge over the river Kopilee at Jamunamukh? When will the work be completed?

Shri Bharat Chandra Narah (Minister, Parliamentary Affairs Deptt. etc.) replied on behalf of the Hon'ble Minister, PWD, Shrimati Ajanta Neog :

(a) Yes,

(b) The Length of the road is 15.486 Km.

There are 7 (Seven) Nos. of SPT bridges in the road.

The amount sanctioned for the road is Rs. 913.076 Lakh.

(c) Yes.

(d) The work of this road will be stared soon.

The name of the Contractor / Firm is "UCN

Construction Co. Pvt. Ltd." (Shri Uttam Chand Nahata)

(e) The present status of construction of proposed bridge over river Kapili at Jamunamukh is as follows :

(i) Physical progress 77%

(ii) Financial progress Rs. 705.80 Lakh.

(iii) Likely date of completion - 31st December, 2009.

বিষয় ঃ চাহ জনগোষ্ঠীৰ কল্যাণ আঁচনি।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৪৭৪। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চাহ ও প্রাক্তন চাহ বাগিছাৰ জনগোষ্ঠীটোৰ কল্যাণৰ বাবে চৰকাৰে কি কি আঁচনি গ্রহণ কৰিছে?

(খ) চাহ ও প্রাক্তন চাহ বাগিছাৰ ছাত্র-ছাত্রীসকলৰ জলপানি ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ চনৰ বছৰকেইটাত কিমান গৰাকী ছাত্র-ছাত্রীক জলপানি দিয়া হ'ল?
(নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) কি নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি ছাত্র-ছাত্রীসকলক জলপানি দিয়া হ'ল?

(ঘ) কেন্দ্রীয় চৰকাৰে উক্ত তিনিটা বছৰত চাহ ও প্ৰাক্তন চাহ বাগিছাৰ ছাত্ৰ-ছাত্ৰীসকলৰ জলপানিৰ বাবে কিমান পুঁজি মোকলাই দিছে?

শ্ৰীপৃথিৰী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চাহ ও প্ৰাক্তন চাহ জনজাতি কল্যাণৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ হ'ল—

১। বিশেষ পৰিয়াল ভিত্তিক আয় উপাৰ্জনৰ আঁচনি ইয়াৰ জৰিয়তে ৭ জনীয়া আত্মসহায়ক গোটলৈ একোখন পাৱাৰ টিলাৰ প্ৰদান কৰা হয়। হিতাধিকাৰীক দুজনীয়া গোটলৈ একোটাকৈ পাম্প দিয়া, হাইস্কুল শিক্ষান্ত পৰীক্ষাত নূন্যতম দ্বিতীয় বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ একোটাকৈ সৌৰলেম্প, অষ্টমমান শ্ৰেণীৰ বা ওপৰৰ দুখীয়া ছাত্ৰীলৈ একোখন চাইকেল, বেংকৰ পৰা গ্ৰাম্যটেক্সি টেক্সিকেব আঁচনিত ঋণ লোৱা নিবনুৱা যুৱক-যুৱতীলৈ ৰাজ সাহায্য প্ৰদান ইত্যাদি।

২। (ক) প্ৰাক্-প্ৰৱেশিকা আৰু (খ) প্ৰৱেশিকোত্তৰ বৃত্তি প্ৰদান।

৩। অনা-চৰকাৰী শিক্ষানুষ্ঠানলৈ গাইপতি নূন্যতম ৫০,০০০ টকাৰ অনুদান।

৪। সাংস্কৃতিক কাম-কাজৰ (শিক্ষামূলক ভ্ৰমণকে ধৰি) বাবে অনুদান।

৫। অনা চৰকাৰী অনুষ্ঠানলৈ অনুদান।

৬। টি. বি./কেঞ্চাৰ ৰোগীলৈ সাহায্য (সীমিত পুঁজি)।

৭। স্কুলীয়া পাঠ্যপুথি, ইউনিৰ্ফমৰ বাবদ অনুদান (সীমিত পুঁজি)।

৮। ছাত্ৰ ও ছাত্ৰী নিবাস নিৰ্মাণ (২০০৭-০৮ৰ পৰা)।

৯। বিনামূলীয়া ইলেকট্রিক মিটাৰ (চাহ বাগানৰ বনুৱালৈ) বিতৰণ।

১০। ক্রীড়া ও যুৱকল্যাণ আঁচনি।

১১। এম, বি, এ,/আই, আই, টি/আই, টি, ইত্যাদি উচ্চ শিক্ষাৰ বাবে অনুদান।

১২। নার্চিং শিতানত এ, এন, এম, ইত্যাদি পঢ়া ছাত্র-ছাত্রীলৈ অনুদান।

১৩। কাৰিকৰী দক্ষতা বিকাশৰ প্রশিক্ষণ কেন্দ্র নির্মাণ (অসমত মুঠ ৫০ টা)

১৪। সম্পূর্ণ অনাময় আঁচনি।

১৫। খোৱা পানী যোগান আঁচনি।

নতুনকৈ লোৱা হৈছে।

১৬। উচ্চমানৰ কাৰিকৰী প্রশিক্ষণ (কাৰপেণ্ট্রী, প্লাম্বাৰ, ৰাজমিস্ত্রি, ইলেক্ট্রিচিয়ান ইত্যাদি) তথা প্রশিক্ষণৰ লগে লগে পৰৱর্ত্তী সময়ত আত্মসংস্থাপন পাব পৰাকৈ ৩-৪ জনীয়া একোটা প্রশিক্ষণৰত গোটক সঁজুলি (টুল কিট্চ) প্রদান।

১ নং ওপৰত উল্লেখ কৰা পৰিয়াল ভিত্তিক আয় উপার্জন আঁচনিত সাধাৰণভাৱে খুচুৰাকৈ আৰু গাইগোটীয়া হিতাধিকাৰীক আত্মসংস্থাপনৰ উদ্দেশ্যে ৫,০০০ৰ পৰা অধিকতম ১০,০০০ টকালৈ ক্ষুদ্র ক্ষুদ্র আঁচনিযোগেও আর্থিক অনুদান আগবঢ়োৱা হয়। সেইবোৰ যেনেঃ কৃষিভিত্তিক (হার্টিকালচাৰ, মৎস্য পালন, ছাগলী পালন ইত্যাদি), ক্ষুদ্র সংস্থান (পানদোকান, মনোহাৰী দোকান, পাচলি দোকান, কাপোৰৰ দোকান, মাছ বেছা দোকান, চিলাই দোকান, কাপোৰত ফুলতোলা, থেলা, ৰিক্সা, অট'ৰিক্সা ইত্যাদি), ৭ জনীয়া আত্মসহায়ক গোটবিলাকক অৱশ্যে

অধিকতম ৫০,০০০ পর্য্যন্ত (টেণ্ট ও ডেকৰেটৰ, ব্রইলাৰ মূর্গীফার্ম খোলা ইত্যাদি আঁচনিত) অনুদান দিয়া হয়।

(খ) ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ চনত চাহ জনজাতি ছাত্র-ছাত্রীলৈ মুকলি কৰি দিয়া জলপানি ধনৰ পৰিমাণ পৰিশিষ্ট 'ক' আৰু পৰিশিষ্ট 'খ'ত সুকীয়াকৈ দেখুওৱা হৈছে।
(See Annexure – XII)

যিহেতুকে নামৰ তালিকা ৩৪০০ পৃষ্ঠাতকৈও অধিক সেয়েহে সদনৰ মেজত উপভোক্তাৰ তালিকা তিনি কপি কৰিহে দিয়া হ'ল। (See Annexure – XII-A)

(গ) অসম চৰকাৰৰ অধিসূচনা নং টি এ ডি/টি জি/৫৯৭/৮৮/১৫ তাং ৩০/৭/৯১ ইং মতে গঠন কৰি দিয়া মহকুমা প্রাক্-প্রৱেশিকা ছাত্র বৃত্তি কমিটিৰ চুপাৰিচ মর্মে তথা ৰাজ্যিক পর্য্যায়ৰ উপদেষ্টা পৰিষদৰ সভাপতিৰ অনুমোদন সাপেক্ষে এই ছাত্র বৃত্তিৰ ধন সংশ্লিষ্ট মহকুমা কল্যাণ বিষয়াসকললৈ বিতৰণৰ বাবে প্রেৰণ কৰা হয়।

(ঘ) যোৱা ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বর্ষত ছাত্র বৃত্তিৰ কোনো ধন কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা হোৱা নাই।

বিষয় ঃ পথ উন্নয়ন।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

৪৭৫। মাননীয়া গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) চপাখোৱা হস্পিতেল চাৰিআলিৰ পৰা বুঢ়া-বুঢ়ী দেউৰী গাওঁলৈ যোৱা পথটোৰ অৱস্থা একেবাৰে শোচনীয় হৈ থকাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে উক্ত পথটোৰ উন্নয়নৰ কিবা ব্যৱস্থা লোৱা হৈছেনে?

(গ) যদি লোৱা হৈছে, উক্ত পথটোৰ মেৰামতিৰ কি ব্যৱস্থা লোৱা হৈছে?

(ঘ) যদি কোনো ব্যৱস্থা লোৱা নাই, তেন্তে উক্ত পথটোৰ উন্নয়নৰ ব্যৱস্থা কেতিয়াকৈ লোৱা হ'ব?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী)য়ে গড়কাপ্টানী বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈউত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) এই পথটোৰ মুঠ দৈর্ঘ্য ২১.৭৩ কিঃমিঃ। ইয়াৰে ২.৮০ কিঃমিঃ উন্নয়নৰ বাবে ইতিমধ্যে অতিৰিক্ত কেন্দ্রীয় সাহার্য্য আঁচনিৰ (Additional General Assistance) অধীনত প্রাক্কলন প্রস্তুত কৰি অনুমোদনৰ বাবে ব্যৱস্থা গ্রহণ কৰা হৈছে। বাকী থকা পথছোৱাৰ পুঁজি আৱণ্টন সাপেক্ষে পর্য্যায় ক্রমে উন্নয়নৰ ব্যৱস্থা গ্রহণ কৰা হ'ব।

(গ) উপৰোক্ত ব্যৱস্থা গ্রহণৰ বাহিৰে বর্তমানলৈ অন্য বিস্তৃত মেৰামতিৰ ব্যৱস্থা হাতত লোৱা নাই।

(ঘ) পুঁজিৰ অনুমোদন সাপেক্ষে পথটোৰ উন্নয়নৰ ব্যৱস্থা হাতত লোৱা যাব।

Subject : Progress Status of Action.

Shri Kartik Sena Sinha asked :

476. Will the Minister of Home be pleased to state :-

(a) With reference to earlier Unstarred Question No. 27 dtd. 12.11.2007, regarding Case No. 90/07 vide Charge Sheet No. 70, dated 27.7.2007 of Patherkandi P.S. Case No. 177/06, whether the CDs of the Case were produced before the Court ?

(b) If so, give in details of present status of the Case ?

(c) How many registered Cases against Raju Rajkumar are pending till today and what is the progress of enquiry against the person ? (Give details)

(d) Whether the Govt. is aware of the fact that the Criminal persons more freely in the society indulging anti-social activities and threatening the people creating the law order problem in the society ?

(e) If so, what stern action has been taken against Raju Rajkumar? (Give details)

Shri Rockybul Hussain (Minister of Forest & Environment etc.) replied on behalf of the Hon'ble Minister :

(a) Yes, the case diaries of Patherkandi P.S. Case No. 90/07 U/s 448/384/354/325/427 IPC returned in C.S vide C.S No. 70 dated 27/7/07 and Patherkandi P.S Case No. 177/06 u/s 147/148/448/323/384/427/

506 IPC returned in C.S vide C.S No. 150 dated 19/12/07, which were registered against Raju Rajkumar, S/o Nobo Rajkumar have already been submitted with the Charge Sheets before the Hon'ble CJM Court, Karimganj.

(b) The above cases are now pending trial in the Hon'ble Judicial Court of Karimganj.

(c) At present no case is pending against Raju Rajkumar for investigation or enquiry although a total of 04 (four) nos. of cases were registered against Raju Rajkumar and charge sheeted against him. All the cases are now pending trial in the Hon'ble Judicial Court of Karimganj.

(d) No. Further No criminal is allowed to move freely in the society indulging in anti-social activities or threaten the public creating law and order problem as and when it comes to notice the authorities concerned.

(e) In case of Raju Rajkumar, the Karimganj police has made all attempts to arrest him and accordingly, he was arrested in connection with Patherkandi P.S Case No. 90/07 u/s 448/384/354/325/427 IPC, Patherkandi P.S Case No. 177/06 u/s 147/148/323/

384/427/506 IPC and Patherkandi P.S. Case No. 06/05 u/s 147/148/149/342/448/427/302/201 IPC. In Patherkandi P.S Case No. 53/08 u/s 143/341/325/353/366/511/379 IPC & he got bail from the Hon'ble Court.

বিষয় ঃ পথ আৰু দলং নির্মাণ।

শ্রীভূপেন কুমাৰ বৰাই সুধিছে ঃ

৪৭৭। মাননীয়া গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া বিধান সভা সমষ্টিৰ AS-15/24 (ধলপুৰ জামুগুৰি) আৰু AS-15/06 (নাৰায়ণপুৰ তাতীবাহাৰ) PMGSYৰ পথ দুটা কোন চনৰ কোন তাৰিখে ঠিকাদাৰক আৱণ্টন দিয়া হৈছিল আৰু কাম শেষ কৰাৰ পূর্ব নির্দ্ধাৰিত সময়-সীমা কেতিয়া আছিল?

(খ) উক্ত অসম্পূর্ণ ধলপুৰ জামুগুৰি আৰু নাৰায়ণপুৰ তাতীবাহাৰ পথ দুটাৰ এতিয়াও কাম আৰম্ভ নোহোৱা দলংকেইখন সম্পূর্ণ কৰাৰ দায়িত্ব চৰকাৰে ল'বনে? যদিহে লয়, কিমান দিনৰ ভিতৰত সম্পূর্ণ হ'ব?

শ্রীভৰত চন্দ্র নৰহ (সমবায় ও সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) বিহপুৰীয়া বিধানসভা সমষ্টিত AS-15-24 (ধলপুৰ জামুগুৰি) আৰু AS-15-06 (নাৰায়ণপুৰ তাতীবাহাৰ) PMGSYৰ পথ দুটা যথাক্রমে ২৬/০৭/২০০৬ আৰু ০৫/০২/২০০৪ তাৰিখে ঠিকাদাৰক

আৱণ্টন দিয়া হৈছিল। এই আঁচনি দুটাৰ কাম শেষ কৰাৰ পূৰ্বে নির্দ্ধাৰিত সময়সীমা আছিল ক্ৰমে ০৭/০৫/২০০৭ আৰু ১০/০৮/২০০৪ তাৰিখে।

(খ) উক্ত অসম্পূৰ্ণ ধলপুৰ জামুগুৰি আৰু নাৰায়ণপুৰ তাতীবাহাৰ পথ দুটাৰ অসম্পূৰ্ণ হৈ থকা দলংকেইখন সম্পূৰ্ণ কৰাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উক্ত কামটো পূৰ্বে আৱণ্টন দিয়া সংশ্লিষ্ট ঠিকাদাৰজনক Blacklist কৰা হৈছে আৰু কামটো বাতিল কৰা হৈছে। অসম্পূৰ্ণ দলং আৰু পথৰ কাম নতুনকৈ ঠিকাদাৰক আৱণ্টন দিবৰ বাবে ব্যৱস্থা লোৱা হৈছে। অহা ২০১০ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে সময়সীমা নির্দ্ধাৰণ কৰা হৈছে।

বিষয় ঃ মাষ্টাৰ ৰ'ল শ্ৰমিকৰ চাকৰি।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

৪৭৮। মাননীয়া গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগত ১৯৯৩ চনৰ ১ এপ্ৰিলৰ পিছত নিযুক্ত মাষ্টাৰ ৰ'ল শ্ৰমিকৰ সংখ্যা কিমান?

(খ) তেওঁলোকে বৰ্তমানে কিমানকৈ দৈনিক মজুৰি পাই আছে?

(গ) ১৯৯৩ চনৰ ১ এপ্ৰিলৰ পিছত মাষ্টাৰ ৰ'ল কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়া কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)য়ে গড়কাপ্টানি বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) ১৬১১ জন।

(খ) নিপুণ শ্রমিকসকলে দৈনিক মজুৰি পায় ৯২.৯২ টকা।

সাধাৰণ শ্রমিকসকলে দৈনিক মজুৰি পায় ৮১.৩১ টকা।

(গ) ১৯৯৩ চনৰ ১ এপ্রিলৰ পিছৰ মাষ্টাৰ ৰ'ল কর্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণৰ ক্ষেত্রত চৰকাৰে কোনো ধৰণৰ কার্য্যকৰী সিদ্ধান্ত লোৱা নাই।

Subject : People Below Poverty Line.

Dr. Alaka Sarma asked :

479. Will the Minister of Planning & Development be pleased to state :-

(a) What % of people of Assam is living below poverty line as per 2001 census ?

(b) Kindly give BPL figures from 2001-2002 till 2008-2009 for Assam.

(c) How is the line to determine BPL defined ?

Shri Prithivi Majhi (Hon'ble Minister of Water Resource & Labour etc.) replied on behalf of Hon'ble Chief Minister. :

(a) 2001 census did not deal with BPL families in Assam, Planning Commission is the Nodel Agency for estimation of poverty and the number of BPL families at National & State level.

(b) During the period 2001-2002 to 2008-2009, BPL figures were released by Planning Commission only in 2004-2005 and BPL figures for Assam as per this release are as follows :

Consumption Distribution	BPL Population	No. of persons (in lakh)	Percentage of persons
U.R.P. Consumption (Uniform Recall Period consumption)	Rural	54.50	22.30
	Urban	1.28	3.30
	Combined	**55.77**	**19.70**
M.R.P. consumption (Mixed recall Period consumption)	Rural	41.46	17.00
	Urban	0.93	2.40
	Combined	**42.39**	**15.00**

(c) (i) BPL is defined as an economic benchmark and poverty threshold used by the government to indicate economic disadvantage and to identify individuals and households in need of government assistance and aid. It is determined using various parameters and criteria for rural and urban areas are different.

(ii) Earlier in 1978 BPL was fixed in terms of income and food requirement. It was stipulated that an individual in rural area needed minimum 2400 calories and in urban area 2100 calories. Cost of food grain to provide this requirement for rural and urban areas

was worked out to be Rs. 61.80 and Rs. 71.30 per person per month and this cost was treated as the poverty line.

(iii) In the 10th Five Year Plan, for BPL estimation in rural areas 13 parameters were used with scores 0-4 given for each of them. Families scoring 17 marks or less out of a maximum score of 52 marks (13 parameters x highest score of 4) were classified as BPL. These 13 (thirteen) parameters included land holding, type of house, clothing, food security, sanitation, consumer durables, literacy status, labour force, means of livelihood, status of children, type of indebtedness.

For urban areas only seven parameters viz-roof, floor, water, sanitation, education level, type of employment, status of children – were used for estimation of BPL.

বিষয় ঃ পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

৪৮০। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান ৰাজ্যখনত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা কিমান?

(খ) শিক্ষিত নিবনুৱাসকলক সংস্থাপনৰ বাবে বিভাগৰ তৰফৰ পৰা কিবা ব্যৱস্থা হাতত লোৱা হৈছেনে?

(গ) যদিহে ব্যৱস্থা হাতত লোৱা হৈছে, তেনেহ'লে উক্ত ব্যৱস্থাসমূহ কি কি?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৯ চনৰ ৩১ মে' পর্য্যন্ত ৰাজ্যখনত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হৈছে ২০,৩৬,০৫৫ জন।

(খ) ৰাজ্যখনৰ ভয়াবহ নিবনুৱা সমস্যা কিছু পৰিমাণে দূৰ কৰাৰ কাৰণে চৰকাৰে মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ নেতৃত্বত Employment Generation Mission গঠন কৰিছে। এই মিচনৰ মুখ্য উদ্দেশ্য হৈছে শিক্ষিত নিবনুৱাসকলক স্ব-নিয়োজনৰ সুবিধা প্রদান কৰা। ইয়াৰ জৰিয়তে বর্তমানলৈকে ৫,৪০৮ জন হিতাধিকাৰী (Beneficiaries) উপকৃত হৈছে।

(গ) উক্ত "নিয়োগ সৃষ্টি অভিযান" নাম প্রকল্পটোৰ জৰিয়তে নিবনুৱা যুৱঁক-যুৱঁতীসকলৰ সংস্থাপনৰ উদ্দেশ্যে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠানৰ সহযোগত কৃষি, হস্ততাঁত ও বয়ন, পর্য্যটন, মৎস্য ইত্যাদি বিভিন্ন ধৰণে ব্যৱস্থা লোৱা হৈছে।

ইয়াৰ উপৰিও চৰকাৰে Finance (SIU) বিভাগৰ অনুমোদন সাপেক্ষে শিক্ষিত নিবনুৱাসকলক চৰকাৰী চাকৰিত নিয়োগৰ ব্যৱস্থা কৰি আছে।

বিষয় ঃ NH ৰ ব্যৱস্থা।

শ্রীশম্ভু সিং মাল্লাহে সুধিছে ঃ

৪৮১। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মকই ভাঙ্গাঁ-দুল্লভছড়া ৰাস্তাটো ত্রিপুৰা লৈ NH কৰাৰ ক্ষেত্রত চৰকাৰে কিবা পদক্ষেপ লৈছে নে?

(খ) যদি লৈছে, উক্ত ৰাস্তাটো কিমান কিঃমিঃ লৈছে আৰু কেতিয়া কাম আৰম্ভ কৰা হ'ব?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী)য়ে গড়কাপ্টানি বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) লোৱা নাই।

(খ) প্রযোজ্য নহয়।

বিষয় ঃ গাড়ীত লালবাতিৰ ব্যবহাৰ।

শ্রীছিদ্দিক আহমেদে সুধিছে ঃ

৪৮২। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি ঃ

(ক) গাড়ীতে লালবাতি ব্যবহাৰৰ সৰকাৰি নিয়ম-নীতি কি? (সৰকাৰি নির্দেশৰ প্রতিলিপি সদনে দাখিল কৰবেন)

(খ) কোনো ৰাজনৈতিক দলৰ সাধাৰণ সম্পাদক বা দলৰ সভাপতিৰ ৰাজনৈতিক উপদেষ্টা কি গাড়ীতে লালবাতি ব্যবহাৰ কৰতে পাৰেন? এ ব্যাপাৰে সৰকাৰি নিয়ম-নীতি কি?

(গ) এ ইউ ডি এফ এৰ সাধাৰণ সম্পাদককে এম বাহাৰুল ইসলামৰ AS-01AD 3 নম্বৰ গাড়ীতে লালবাতি ব্যবহাৰৰ ঘটনা সম্পর্কে সৰকাৰ অবগত কি না?

(ঘ) যদি অবগত হয়, তাহলে তাৰ বিৰুদ্ধে কি ব্যবস্থা নেওয়া হবে? সৰকাৰি নিয়ম-নীতি ভেঙে অবৈধভাবে লালবাতি ব্যবহাৰৰ দায়ে

তিনি কি গ্রেপ্তার হতে পারেন? পুলিশের এক্তিয়ারভুক্ত বিরুদ্ধে কোন ব্যবস্থা নিচ্ছে না পুলিশ?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) গাড়ীত 'ৰঙা লাইট' ব্যৱহাৰৰ চৰকাৰী নিয়ম-নীতি নির্দেশৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰা হ'ল (No.TMV.438/87/164 dtd. 12th July '2002 আৰু No.TMV.438/87/236 dtd. 1st December '2007) (See Annexure – XIII)

(খ) নোৱাৰে।

(গ) চৰকাৰ অৱগত নহয়।

(ঘ) প্রযোজ্য নহয়।

বিষয় ঃ মৃত্যু আৰু অপহৰণৰ সংখ্যা।

শ্রীকেশৰ মহন্তই সুধিছে ঃ

৪৮৩। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কলিয়াবৰ মহকুমাৰ কার্বি-আংলং জিলাৰ সীমান্তৱর্তী অঞ্চলত যোৱা ২০০১ চনৰ পৰা বর্তমানলৈকে উগ্রপন্থীৰ হাতত কিমানজন লোকে মৃত্যুবৰণ কৰিছে? কিমানজনক অপহৰণ কৰিছে? (এই ব্যক্তিসকলৰ নাম, মৃত্যু হোৱা বা অপহৃত ব্যক্তিৰ তাৰিখ সদনৰ মেজত দাখিল কৰিব।)

(খ) এই মৃত লোকসকলৰ নিকটৱর্তী আত্মীয়ক কিমান ক্ষতিপূৰণ

আগবঢ়োৱা হৈছে, প্ৰতিজন ব্যক্তিৰ নামৰ বিপৰীতে উল্লেখ কৰিবনে?

(গ) এই সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলক নিৰাপত্তা দিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) কলিয়াবৰ মহকুমাৰ কাৰ্বি-আংলং জিলাৰ সীমান্তৱৰ্তী অঞ্চলত যোৱা ২০০১ চনৰ পৰা বৰ্তমানলৈ উগ্ৰপন্থীৰ হাতত দুজন লোকৰ মৃত্যু হৈছে আৰু দুজনক অপহৰণ কৰিছে। অপহৃত লোক দুজনক পিছত মুক্তি দিছে।

	মৃত ব্যক্তিৰ নাম	মৃত্যুৰ তাৰিখ
১)	শ্ৰীপ্ৰদীপ বড়ো (২৫) পিতা- শ্ৰীফুলেশ্বৰ বড়ো সাং - জুৰিয়াসুতিৰ পাৰ থানা - জুৰিয়া	০৭-০৯-০৬
২)	হেলাৰচ কেৰকেটা (৪০) পিতা - শ্ৰীনাগেশ্বৰ কেৰকেটা থানা - চামগুৰি	১০-০৬-০৬

	অপহৃত লোকৰ নাম	অপহৰণৰ তাৰিখ	মুক্তিৰ তাৰিখ
১)	সনদ্বীপ সুতদিয়া (৪৫)	০৬-০৪-০৫	২৫-০৫-০৫
২)	শ্ৰীবাবুজন হাজৰিকা (৪২)	০৭-০৯-০৬	১২-০৯-০৬

(খ) মৃত ব্যক্তি প্রদীপ বড়োৰ নিকটাত্মীয়ক ৩ (তিনি) লাখ টকা ক্ষতিপূৰণ দিয়া হৈছে।

(গ) কার্বি আংলং জিলাৰ সীমান্তৰ্বর্তী অঞ্চলত বসবাস কৰা চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলৰ নিৰাপত্তাৰ বাবে উক্ত এলেকাত সঘনাই পুলিচ তহলদাৰী দল নিয়োগ আৰু অস্থায়ী পুলিচ চকীৰ ব্যৱস্থা কৰা হৈছে। কার্বি আংলং জিলাৰ থানা হাওৰাঘাটৰ অধীনত কার্বি আংলং নগাওঁ জিলাৰ সীমান্তৰ্বর্তী লাংথাং অঞ্চলত ত্রয়োদশ অসম আৰক্ষী বাহিনীৰ এটা প্লাটুন পোষ্ট স্থাপন কৰা হৈছে। উক্ত প্লাটুনৰ সশস্ত্র আৰক্ষীয়ে শালনা আৰক্ষী চকীৰ লগত যুটীয়াভাৱে টহল দি অঞ্চলটোত সন্ত্রাসবাদীৰ গতি-বিধি হ্রাস কৰাৰ উপৰিও সন্ত্রাসবাদীৰ বিৰুদ্ধে অভিযান চলাই আছে। তাৰোপৰি অসম ৰাইফল্‌চ, কেন্দ্রীয় সংৰক্ষিত পুলিচ বাহিনী আৰু ভাৰতীয় সেনাই অসম আৰক্ষীৰ সহযোগত সীমান্তৰ্বর্তী অঞ্চলত উগ্রপন্থী সংগঠন আলফা আৰু কে,এল,এন, এল,এফৰ বিৰুদ্ধে সম্মিলিতভাৱে অভিযান চলাই আছে।

বিষয় ঃ PMGSY আঁচনি ৰূপায়ণ।

শ্রীমতী সুশীলা হাজৰিকাই সুধিছে ঃ

৪৮৪। মাননীয়া গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাৰ দেৰগাঁও সমষ্টিৰ অন্তর্গত পি, ডব্লিউ, ডি, ডেৰগাঁও উপ-সংমণ্ডলৰ অধীনৰ PMGSY আঁচনিৰ জৰিয়তে নির্মাণ হোৱা ৩৭ নং ৰাষ্ট্রীয় ঘাইপথৰ পৰা চুমনি সংযোগী পথটি সম্পূর্ণ হ'লনে?

(খ) যদি সম্পূর্ণ হোৱা নাই, তেন্তে কেতিয়া সম্পূর্ণ হ'ব আৰু এতিয়াও

অসম্পূর্ণ হৈ থকা কাৰণসমূহ সদনৰ মজিয়াত জনাবনে?

(গ) পথটি অসম্পূর্ণ হৈ ৰোৱা বাবে কোন দোষী, বিচাৰ কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সমবায় ও সংসদীয় পৰিক্ৰমা মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈকে পথটোৰ কাম সম্পূৰ্ণ হৈ উঠা নাই।

(খ) উক্ত অসম্পূৰ্ণ হৈ ৰোৱা কামটোৰ নিবিদা গ্ৰহণ কৰা হৈছে। নিবিদা প্ৰক্ৰিয়াৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত অতি সোনকালে কামটো সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হ'ব। বিভাগীয় নিৰ্দেশনা জাৰি কৰাৰ পিছতো আৱণ্টন পোৱা ঠিকাদাৰজনে কামটো আধৰুৱা কৰি এৰি যোৱাটোৱেই কামটো অসম্পূৰ্ণ হৈ ৰোৱাৰ কাৰণ।

(গ) পথটি অসম্পূৰ্ণ হৈ ৰোৱা বাবে শ্ৰীজিতেন কলিতা নামৰ ঠিকাদাৰ জনেই জগৰীয়া। ইয়াৰ বাবে বিভাগীয় নীতি-নিয়ম অনুসৰি কামটো তেওঁৰ পৰা বাতিল কৰা হৈছে। শাস্তিমূলক ব্যৱস্থা হিচাবে ঠিকাদাৰজনৰ নামত জমা থকা S.D. Money, Performance Security Deposit আদি বাজেয়াপ্ত কৰাৰ উপৰিও তেওঁক Black listed কৰা হৈছে।

বিষয় ঃ উপ-কোষাগাৰ স্থাপন।

শ্ৰীদুৰ্গা ভূমিজে সুধিছে ঃ

৪৮৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমা নগৰৰ ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি তথা বহু গ্ৰামাঞ্চলৰ

ভিতৰুৱা ৰাইজৰ সুবিধাৰ্থে চৰকাৰে উপ-কোষাগাৰ স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱাটো সঁচানে?

(খ) যদি সঁচা, তেতিয়াহ'লে কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব?

(গ) উক্ত কামৰ বাবে চৰকাৰে কিমান ধন ব্যয় কৰিব? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রীতৰুণ গগৈ (বিত্ত বিভাগৰ দায়িত্বত থকা অসমৰ মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) (খ) আৰু (গ) বর্তমান চৰকাৰে, অসমৰ যিবোৰ জিলা আৰু মহকুমা কোষাগাৰ উপ-কোষাগাৰ বিহীনভাৱে চলি আছে, সেইবোৰ জিলা আৰু মহকুমা সদৰতহে কোষাগাৰ, উপ-কোষাগাৰ স্থাপন কৰাত অগ্রাধিকাৰ দিছে। সদৰৰ বাহিৰে ডুমডুমা বা অন্য কোনো স্থানত কোষাগাৰ/উপ-কোষাগাৰ স্থাপন কৰাৰ সিদ্ধান্ত বর্তমান লোৱা হোৱা নাই।

বিষয় ঃ প্রভিডেণ্ট ফাণ্ড।

শ্রীদ্রুপদ বৰগোঁহাইয়ে সুধিছে ঃ

৪৮৬। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এতিয়ালৈকে অসমত কিমানখন চাহ বাগিছাই চাহ শ্রমিকৰ প্রভিডেণ্ট ফাণ্ডৰ টকা উপযুক্ত অথৰিটিক (Authority) জমা দিয়া নাই?

(খ) এই টকাৰ পৰিমাণ কিমান?

(গ) এই টকা জমা দিয়াৰ বাবে বিভাগে কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) নাজিৰাৰ চৰাইদেউ চাহ বাগিছাৰ মালিকে কেই বছৰৰ কিমান শ্রমিকৰ আৰু কিমান টকা প্রভিডেণ্ট ফাণ্ডত জমা দিয়া নাই?

(ঙ) সেই টকা মালিকৰ পৰা আদায় কৰি শ্রমিকক দিয়াৰ কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

শ্রীপৃথিৰী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে ২২৮ খন চাহ বাগিছাই চাহ শ্রমিকৰ (কর্মচাৰীকে ধৰি) প্রভিডেণ্ট ফাণ্ডৰ টকা নির্দিষ্ট হিচাবত সময়মতে জমা দিয়া নাই।

(খ) এই টকাৰ মুঠ পৰিমাণ = ১,২৩,৩২,৪৯,৬২৫.৫০ টকা।

(গ) এই টকা জমা দিয়াৰ বাবে ভৱিষ্যনিধি কর্ত্তৃপক্ষই বিধিগত ব্যৱস্থা হিচাপে বাকীজাই গোচৰ, ফৌজদাৰী গোচৰ তৰাৰ উপৰিও সময়ে সময়ে পুলিচত এজাহাৰ দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

(ঘ) নাজিৰাৰ চৰাইদেউ চাহ বাগিছাৰ কর্ত্তৃপক্ষই ১৯৮৬ চনৰ পৰা সর্বমুঠ ৩২৪৪ জন শ্রমিকৰ ভৱিষ্যনিধিৰ দেয় ধন বকেয়া পেলাই ৰাখিছে। বর্তমান ২,৮২,৪৬,৫০৭.৪২ টকা দেয় হৈ আছে।

(ঙ) মালিকৰ পৰা দেয় ধন আদায় কৰিবলৈ বিধিগত ব্যৱস্থাৰ অধীনত বাকীজাই গোচৰ তৰা হয় আৰু তাৰ বিপৰীতে সংশ্লিষ্ট সমাহর্ত্তাই ধন আদায় কৰে।

বিষয় ঃ ঋণৰ পৰিমাণ।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

৪৮৭। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰৰ ২০০৯ চনৰ ৩১ মাৰ্চলৈ সৰ্বমুঠ ঋণৰ পৰিমাণ কিমান?

(খ) দেশীয় আৰু বৈদেশিক উৎসৰ পৰা লোৱা এই ঋণৰ পৰিমাণ কিমান? (পৃথকে পৃথকে দেখুৱাব)

(গ) ৰাজ্য চৰকাৰৰ ২০০৯ চনৰ ৩১ মাৰ্চলৈ ঋণৰ সুদ মূল হিচাবে পৰিশোধ কৰিবলগীয়া সৰ্বমুঠ ঋণৰ পৰিমাণ কিমান?

(ঘ) ৰাজ্য চৰকাৰে সুদ আৰু মূল পৰিশোধৰ বাবদ বছৰি কিমান টকা দিব লাগে?

(ঙ) ৰাজ্যখনত জনমুৰি ঋণৰ পৰিমাণ কিমান?

শ্ৰীতৰুণ গগৈ (বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৯ চনৰ ৩১ মাৰ্চলৈ ৰাজ্য চৰকাৰৰ সৰ্বমুঠ ঋণৰ পৰিমণ আনুমানিক হিচাপ অনুসৰি ২২০৭৬.৮৪ কোটি টকা।

(খ) এই ঋণৰ সকলোখিনি দেশীয় উৎসৰ পৰা লোৱা ঋণ। বৈদেশিক উৎসৰ পৰা কোনো ঋণ লোৱা নহয়।

(গ) ৰাজ্য চৰকাৰে ২০০৯ চনৰ ৩১ মাৰ্চলৈ পৰিশোধ কৰিবলগীয়া সৰ্বমুঠ ঋণৰ পৰিমাণ উত্তৰ নং (ক)ত উল্লেখ কৰা হৈছে। ২০০৮-০৯ বিত্তীয় বৰ্ষত পৰিশোধ কৰিবলগীয়া সুদৰ পৰিমাণ ২০১৯.৩৮ কোটি টকা।

(ঘ) ৰাজ্য চৰকাৰে সুদ আৰু মূল পৰিশোধৰ বাবদ বছৰি তলত উল্লেখ কৰা মতে খৰচ হয় ঃ

(কোটি টকাৰ হিচাবত)

বছৰ	মূল	সুদ
২০০৫-০৬	২৭৮৯.৪৪	১৫১০.১২
২০০৬-০৭	৭১১.৩৩	১৫১৫.৬৭
২০০৭-০৮	৯৭০.৮৯	১৫১২.২৩
২০০৮-০৯ (RE)	৮৫০.২৬	২০১৯.৩৮
২০০৯-১০ (BE)	৭৪৬.২৫	২২১৬.৩৮

(ঙ) ২০০১ চনৰ লোকপিয়লৰ আধাৰত প্ৰক্ষেপিত অসমৰ জনসংখ্যা আৰু বকেয়া ঋণৰ আনুমানিক হিচাপ অনুসৰি অসমৰ বৰ্তমান জনমুৰি ঋণ ৭৩৫০ টকা।

বিষয় ঃ কাৰাগাৰত থকা কয়দীৰ সংখ্যা।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

৪৮৮। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কাৰাগাৰৰ সংখ্যা কিমান? কাৰাগাৰত থকা কাৰাবন্দীৰ সংখ্যা কিমান? (কাৰাগাৰ অনুসৰি পৃথকে পৃথকে দেখুৱাব)

(খ) কাৰাগাৰৰ পৰা বা আদালতলৈ নিয়াৰ সময়ত বিচাৰাধীন কয়দী পলায়ন কৰিছে নেকি? যদি পলায়ন কৰিছে, কোন কোন কাৰাগাৰৰ বা আদালতৰ পৰা কিমান সংখ্যক কয়দী পলায়ন কৰিলে? পলায়ন কৰা কয়দীৰ বিৰুদ্ধে কি কি গোচৰ আছিল? (কয়দীৰ নাম, পলায়ন

কৰা স্থান আৰু বিচাৰাধীন গোচৰৰ তালিকা ২০০১ চনৰ পৰা বৰ্তমানলৈ পৃথকে পৃথকে দেখুৱাব)

(গ) কাৰাগাৰত থকা কয়দীসকলক কি কি আহাৰ কোন কোন সময়ত যোগান ধৰা হয়? এজন কয়দীৰ বাবে প্ৰতিদিনে কিমান টকা ব্যয় হয়? কয়দীসকলক অন্যান্য কি কি সুবিধা দিয়া হয়?

(ঘ) বিশেষ কাৰাগাৰত থকা বিচাৰাধীন কয়দীসকলৰ সা-সুবিধা বেলেগ নেকি? যদি বেলেগ, তেওঁলোকক দিয়া সুবিধাসমূহ কি কি? বিশেষ কাৰাগাৰত থকা কয়দীসকলৰ বাবদ প্ৰতিদিনে হোৱা খৰচৰ পৰিমাণ কিমান?

(ঙ) কাৰাগাৰ অনুসৰি ২০০১ চনৰ পৰা বৰ্তমানলৈ বিশেষ কাৰাগাৰত থকা কয়দীৰ সংখ্যা কিমান? তেওঁলোকৰ বিৰুদ্ধে ঘাইকৈ থকা গোচৰসমূহ কি কি?

(চ) দেশ বিৰোধী কাৰ্যকলাপত লিপ্ত বহিঃশক্তিৰ কোনো কয়দী ৰাজ্যৰ কাৰাগাৰত বিচাৰাধীন হৈ আছে নেকি? (কাৰাগাৰ অনুসৰি তেনে কয়দীৰ নাম, তেওঁলোকৰ সংগঠনৰ নাম ২০০১ চনৰ পৰা বৰ্তমানলৈ তালিকা দিব)

(ছ) ২০০১ চনৰ পৰা বৰ্তমানলৈ কাৰাগাৰত বিচাৰাধীন কয়দীৰ মৃত্যু হৈছে নেকি? যদি হৈছে, বছৰ, কাৰাগাৰ অনুসৰি কয়দীৰ নাম, ঠিকনা আৰু বিচাৰাধীন গোচৰ অনুসৰি তালিকা দাখিল কৰিবনে?

শ্ৰীঅকণ বৰা (কাৰাগাৰ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২৯ (উনত্ৰিশ) খন। ৩০-০৬-২০০৯ ইং তাৰিখৰ হিচাবত বিভিন্ন

কাৰাগাৰত থকা কাৰাবন্দীৰ সংখ্যাৰ তালিকা ১ত সংলগ্ন কৰা হ'ল। (See Annexure – XIV)

(খ) হয়, কৰিছে। ২০০১ চনৰ পৰা বৰ্তমানলৈকে বিভিন্ন কাৰাগাৰৰ পৰা বা আদালতলৈ নিয়াৰ সময়ত পলায়ন কৰা বিচাৰাধীন বন্দীৰ নাম, পলায়ন কৰা স্থান আৰু বিচাৰাধীন গোচৰৰ তালিকা ২ত সংলগ্ন কৰা হ'ল। (See Annexure – XV)

(গ) এজন কাৰাবন্দীক প্ৰতিদিনে তিনিবাৰকৈ আহাৰ যোগান ধৰা হয়— ৰাতিপুৱা ৬ বজাত লঘু-আহাৰ (চাহ, ৰুটি আৰু গুৰ), দিনৰ ১০ বজাত গুৰু-আহাৰ (ভাত), সন্ধিয়া ৪ বজাত গুৰু-আহাৰ (ভাত)। কাৰাবন্দীসকলক বিভিন্ন সময়ত যোগান ধৰা দৈনিক খাদ্য সামগ্ৰীৰ তালিকা ৩ত সংলগ্ন কৰা হ'ল। (See Annexure – XVI) একোজন কাৰাবন্দীৰ খাদ্যৰ বাবে প্ৰতিদিনে হোৱা ব্যয়ৰ পৰিমাণ সংশ্লিষ্ট কাৰাগাৰৰ খাদ্য সামগ্ৰী যোগানৰ অনুমোদিত মূল্যৰ ওপৰত নিৰ্ভৰ কৰে। কাৰাবন্দীসকলক দিয়া অন্যান্য সা-সুবিধাসমূহ হ'ল— (১) পোছাক-পৰিচ্ছদ, বিছনা-পত্ৰ (২) খেলা-ধূলাৰ সামগ্ৰী, টেলিভিচন, বাতৰি-কাকত, কিতাপ-আলোচনী (৩) প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ সুবিধা প্ৰদান (৪) আত্মীয়-স্বজনৰ লগত সাক্ষাতৰ সুবিধা (৫) কাৰাগাৰত কাম কৰাৰ বাবদ দৈনিক মজুৰি আৰু বছেৰেকীয়া ছুটি ইত্যাদি।

(ঘ) বেলেগ নহয়। প্ৰশ্ন নুঠে।

(ঙ) ৮৩৯ জন। তেওঁলোকৰ বিৰুদ্ধে থকা গোচৰসমূহ ঘাইকৈ হত্যা, ধৰ্ষণ, চুৰি, ডকাইতি ইত্যাদি।

(চ) আছে। নিৰাপত্তাজনিত কাৰণত বিতং তথ্য দাখিল কৰিব পৰা নগ'ল।

(ছ) হয়, হৈছে। তালিকা ৪ত সংলগ্ন কৰা হ'ল।
(See Annexure – XVII)

বিষয় ঃ অগ্নিনির্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন।

শ্ৰীজ্যোতি প্ৰসাদ দাসে সুধিছে ঃ

৪৮৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে অসমত নতুনকৈ অগ্নিনির্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপনৰ বাবে ২০০৯-২০১০ বিত্তীয় বৰ্ষত বাজেটত ধন ধাৰ্য্য কৰিছে নেকি?

(খ) উক্ত ধনেৰে কিমানটা উক্ত কেন্দ্ৰ নতুনকৈ স্থাপন কৰিব?

(গ) বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত বকো ৰাজহ চক্ৰৰ অধীনত উক্ত কেন্দ্ৰ এটা স্থাপন কৰিব নেকি?

(ঘ) বকোত উক্ত কেন্দ্ৰটো স্থাপনৰ বাবে ৰাইজে প্ৰৱলভাৱে দাবী উত্থাপন কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, কৰিছে।

(খ) ১৮ (ওঠৰ) টা।

(গ) হয়, স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

(ঘ) হয়, জ্ঞাত।

Subject : Service of Junior Engineers (JEs) in Dhubri District.

Dr. Motiur Rahman Mondal asked :

490. Will the Minister of Public Works Department be pleased to state :-

(a) How many "Junior Engineers (JEs)" are working in Dhubri' District under Public Works Department (Road & Building) ?

(b) How long they are working ? (Submit the List of JEs L.A.C. wise and the date of their joining in the present place of posting).

(c) Will those JEs working more than 5 (five) years in any place in the district be considered for transfer ?

Sri Bharat Chandra Narah (Parliamentary Affairs Minister) replied on behalf of the Hon'ble Minister, PWD, Smti. Ajanta Neog :

(a) Total 34 (thirty four) Nos. of JEs under PWD are working in Dhubri District (under Roads – 26 Nos. and under Building – 8 Nos.)

(b) The working period of JE, PWD in Dhubri District are shown L.A.C. wise as per their date of joining in

their present place of posting at Annexure–'A' (See Annexure – XVIII)

(c) The JEs those who are working more than 5 years in any place of the District may be considered for transfer in the interest of public and suitability of the Officer without hampering departmental works.

বিষয় ঃ চিৰাং জিলাত আৰক্ষীৰ শক্তি।

শ্ৰীকমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ

৪৯১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চিৰাং জিলাত বিভিন্ন পৰ্য্যায়ৰ কিমানজন আৰক্ষী বিষয়া আৰু জোৱানৰ প্ৰয়োজন? (তথ্যসহ দিব)

(খ) প্ৰয়োজনীয়তাৰ বিপৰীতে বৰ্তমান জিলাখনত কিমানজন আৰক্ষী বিষয়া আৰু জোৱানসহ বিভাগটোৰ অন্যান্য কৰ্মচাৰী কৰ্মৰত হৈ আছে? (বিস্তৃত তথ্যসহ দিব)

(গ) আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাত চলা বিভিন্ন কুটাঘাতমূলক কাৰ্য্যকলাপ নিয়ন্ত্ৰণৰ বাবে জিলাখনৰ বিষ্ণুপুৰ আৰু দক্ষিণ মাক্সাত দুটা পৃথক উপ-আৰক্ষী চকী নিৰ্মাণ কৰাৰ কথা চৰকাৰে বিবেচনা কৰিব নেকি?

(ঘ) জিলাখনত আৰক্ষী বিভাগে পাবলগীয়া প্ৰয়োজনীয় সা-সুবিধা উপলব্ধ কৰা হৈছেনে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) চিৰাং জিলাৰ বাবে ২০০৮ চনত প্রয়োজনীয় পদসমূহৰ সৃষ্টি কৰা হয়। অতিৰিক্ত প্রয়োজনীয়তাৰ বিষয়ে এতিয়াও নিৰূপণ কৰা হোৱা নাই।

(খ) বর্তমানে কার্য্যনির্বাহ কৰি থকা আৰক্ষী বিষয়া, জোৱান আৰু অন্যান্য কর্মচাৰীৰ সংখ্যা এনে ধৰণৰ ঃ—

(i) UB Staff

1.	S.P.	= 1
2.	Addl. SP.	= 1
3.	Dy. SP	= 1
4.	Inspector	= 2
5.	SI (UB)	= 35
6.	ASI (UB)	= 26
7.	H/C	= 4
8.	NK	= 3
9.	UBC	= 171

(ii) AB Staff

AB	= 1
ABSI	= 2
Hav	= 7
NK	= 3
LNK	= 4
ABC	= 94
Driver/C	= 24
Grade-IV	= 22

(iii) Ministerial Staff : 2 Nos.

(গ) উপ-আৰক্ষী চকী নির্মাণ সম্পর্কে বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) হয়, প্রয়োজন অনুসাৰে উপলব্ধ হৈ আছে।

বিষয় ঃ I.T.I.ত নাম ভর্ত্তি।

শ্রীঘন বুঢ়াগোহাঁইয়ে সুধিছে ঃ

৪৯২। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাত থকা Women I.T.I. খনত আজি পর্য্যন্ত নাম ভর্ত্তিকৰণ নোহোৱাৰ কাৰণ কি?

(খ) উক্ত I.T.I. খনত মাত্র দুটা Trade ৰ ওপৰতহে শিক্ষা দিয়ার ব্যৱস্থা থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, বর্তমান নিবনুৱা সমস্যাৰ বৃদ্ধিৰ পৰিপ্রেক্ষিতত লক্ষীমপুৰত উক্ত I.T.I. খনৰ উপৰিও এখন পূর্ণাঙ্গ I.T.I.ৰ প্রয়োজন আছে বুলি চৰকাৰে বিবেচনা কৰে নেকি?

(ঘ) যদি কৰে, তেন্তে এই ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মহিলা উদ্যোগিক প্রশিক্ষণ প্রতিষ্ঠান (উত্তৰ লক্ষীমপুৰ)ত Cutting and Tailoring ট্রেডত প্রতিবছৰে নাম ভর্ত্তিকৰণ চলি আছে আৰু ইয়াৰ পৰা প্রশিক্ষার্থীয়ে বিভাগীয় ট্রেডত পাছ কৰি আছে।

(খ) মঞ্জুৰীপ্রাপ্ত তলত উল্লেখ কৰা তিনিটা ট্রেড থকা চৰকাৰৰ জ্ঞাত।

(১) Cutting and Tailoring

(২) Secretarial Practice

(৩) Hair & Skin Care.

(গ) উত্তৰ লক্ষীমপুৰত থকা বর্তমানৰ মহিলা উদ্যোগিক প্রশিক্ষণ প্রতিষ্ঠানৰ

উপৰিও আৰু এখন উদ্যোগিক প্ৰশিক্ষণ স্থাপনৰ ব্যৱস্থা চৰকাৰৰ দ্বাৰা বৰ্তমান বিবেচনাধীন হোৱা নাই। কিন্তু নিবনুৱাৰ সমস্যা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত বৰ্তমানৰ I.T.I. খনত দীৰ্ঘকালীন আৰু হ্ৰস্বকালীন কিছুমান ট্ৰেডৰ অন্তৰ্ভুক্তি কৰা হৈছে। ইয়াৰ উপৰিও এই I.T.I.ত ভাৰত চৰকাৰৰ দ্বাৰা Modular Employable Scheme (MES), Upgradation of the I.T.I.'s under Additional Central Assistance (ACA) আৰু Trade under Public Private Pertnership (PPP) Mode ৰ অন্তৰ্ভুক্ত কৰা হৈছে।

(ঘ) উপৰোক্ত (গ) প্ৰশ্নৰ উত্তৰেই ইয়াৰ উত্তৰ।

বিষয় ঃ মিজোৰামের পুলিশের হাতে আসামের মানুষ গ্রেপ্তার।

হাজী সেলিম উদ্দিন বড়ভূইয়া জিজ্ঞাসা করেছেন ঃ

৪৯৩। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) Hailakandi জেলার ধলজড়া গ্রামে মিজোরামের পুলিশ বাহিনী অতর্কিতে অভিযান চালিয়ে অন্তত ৫০ জন আসামের মানুষকে ধরে নিয়ে যাওয়ার ব্যাপারে সরকারের জানা আছে কি?

(খ) যদি সরকারের জানা আছে, তবে ঐ লোকগুলার মুক্তির জন্য কি, কোন পদক্ষেপ নেওয়া হয়েছিল কি?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত। কিন্তু হাইলাকান্দি আৰক্ষী অধীক্ষকৰ তথ্য মতে প্ৰায় ৩০ (ত্ৰিশ) জন অনা-মিজো লোককহে মিজোৰামৰ কোলাশিৰ থানাৰ

আৰক্ষীয়ে বেলেগ বেলেগ ঠাইৰ লগতে 'ফাইচেন' গাওঁত তালাচী চলোৱাত এই ৩০ (ত্রিশ) জন অনা-মিজো লোকক প্ৰৱেশ-পত্র (Inner Line Permit) দেখুৱাব নোৱাৰাৰ বাবে কৰায়ত্ব কৰি কোলাশিৰ থানালৈ নি আৱদ্ধ কৰি ৰাখে। উক্ত ৩০ (ত্রিশ) জন অনা মিজো লোকৰ ভিতৰত ১১ (এঘাৰ) জন হাইলাকান্দি জিলাৰ 'লালা' থানাৰ অন্তর্গত 'ধলচেড়া' গাওঁৰ নিবাসী। উক্ত লোককেইজনে মিজোৰামৰ 'ফাইচেন' গাওঁলৈ কামৰ সন্ধানত গৈছিল।

(খ) এই ঘটনা সংক্রান্তত মিজোৰামৰ কোলাশিৰ থানাৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰাত, যোৱা ইং ২৩/৪/০৯ তাৰিখে উক্ত ১১ (এঘাৰ) জনৰ ভিতৰত ৯ (ন) জন আৰু ইং ২৫/৪/০৯ তাৰিখে ২(দুই) জন লোকক মিজোৰাম আৰক্ষীয়ে মোকোলাই দিয়ে। উল্লেখযোগ্য যে এই সংক্রান্তত হাইলাকান্দিৰ কোনো আৰক্ষী থানা বা আৰক্ষী চকীত বর্তমানলৈকে কোনো অভিযোগ দাখিল হোৱা নাই।

বিষয় ঃ বিনামূলীয়া বৈদ্যুতিক মিটাৰ।

শ্রীৰঞ্জিত দত্তই সুধিছে ঃ

৪৯৪। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ২৫৩ খন চাহ বাগিচাত ৮৮,৫৪১টা পৰিয়ালৰ বাসগৃহত বিনামূলীয়াকৈ বৈদ্যুতিক মিটাৰ সংযোগ কৰা হৈছে বুলি কোৱা কথাটো সত্যনে?

(খ) যদি সত্য, উক্ত ২৫৩ খন চাহ বাগিচাৰ নামৰ তালিকা জিলা ভিত্তিত সদনৰ মেজত দাখিল কৰিবনে?

(গ) এই বাসগৃহসমূহত এই মিটাৰ সংযোগৰ ব্যৱস্থা সম্পূর্ণ হ'লনে?

শ্রীপৃথিৱী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, সত্য।

(খ) তালিকাখন সংলগ্ন কৰা হ'ল।

(গ) আৱাসগৃহসমূহত অধিক সংখ্যক মিটাৰ সংযোগ কার্য্য সম্পূর্ণ হৈছে যদিও কোনো কোনো বাগিচাত সংযোগ প্রক্রিয়া বর্তমান অব্যাহত আছে।

কিছুমান চাহ বাগিচাৰ কর্ত্তৃপক্ষই ইতিমধ্যে স্থানীয় বিদ্যুৎ পৰিষদৰ জৰিয়তে মিটাৰ পৰীক্ষণৰ কাম হাতত লৈছে আৰু চৰকাৰে এই ব্যয় বহন কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছে। গতিকে এই সিদ্ধান্তৰ পৰিপ্রেক্ষিতত বাকী থকা সীমিত সংখ্যক মিটাৰ সংযোজনৰ প্রক্রিয়া দ্রুত গতিত সম্পন্ন হ'ব বুলি আশা কৰা হৈছে।

বিষয় ঃ নিম্নতম মজুৰী।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৪৯৫। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ বাগিচাসমূহত কাম কৰা শ্রমিকৰ নিম্নতম মজুৰি কিমান?

(খ) শৈশৱ অৱস্থা (Childhood) প্রাপ্ত আৰু কিশোৰ অৱস্থা (Adolescent) প্রাপ্ত চাহ বাগিচাৰ শ্রমিকসকলৰ নিম্নতম মজুৰি কিমান?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৫৮.৫০ টকাকৈ।

(খ) শৈশৱ অৱস্থা (Childhood) প্ৰাপ্ত কোনো শ্ৰমিকে কাম নকৰে। কিশোৱ অৱস্থা (Adolescent) প্ৰাপ্ত শ্ৰমিকৰ দৈনিক মজুৰি ব্ৰহ্মপুত্ৰ উপত্যকাত ২৯–২৫ টকা আৰু বৰাক উপত্যকাত ২৬ টকা।

বিষয় ঃ চি বি আইৰ হস্তান্তৰিত গোচৰৰ সংখ্যা।

শ্ৰীহিৰেন কুমাৰ দাসে সুধিছে ঃ

৪৯৬। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে ২০০১ চনৰ পৰা বৰ্তমানলৈকে কিমান গোচৰ চি বি আইক হস্তান্তৰৰ কথা ঘোষণা কৰিছে?
(ঘটনাসমূহৰ সবিশেষ তথ্য দিব)

(খ) ইয়াৰে কিমানটা গোচৰ চি বি আইয়ে তদন্তৰ বাবে গ্ৰহণ কৰিছে আৰু কিমানটা প্ৰত্যাখ্যান কৰিছে? (গোচৰ গ্ৰহণৰ আৰু প্ৰত্যাখ্যানৰ সবিশেষ তালিকা দিব)

(গ) উক্ত গোচৰসমূহ চি বি আইক হস্তান্তৰ কৰাৰ বাবে চৰকাৰে পত্ৰ প্ৰেৰণ কৰিছিলনে? (পত্ৰৰ প্ৰতিলিপি প্ৰতিটো গোচৰৰ সদনত দাখিল কৰিব)

(ঘ) চি বি আইয়ে প্ৰত্যাখ্যান কৰা গোচৰ পুনৰ বিবেচনৰ বাবে অনুৰোধ জনাই পত্ৰ পঠিওৱা হৈছে নেকি?

(ঙ) চি বি আইয়ে প্ৰত্যাখ্যান কৰা গোচৰৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) ৰাজ্য চৰকাৰে ২০০১ চনৰ পৰা বর্তমানলৈকে ২৮টা ঘটনা চি বি আইৰ দ্বাৰা তদন্ত কৰিবৰ বাবে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। ঘটনাসমূহৰ সবিশেষ তথ্য অনুবদ্ধ 'ক'ত দিয়া হ'ল।

(খ) ইয়াৰে ১৪টা গোচৰ কেন্দ্রীয় চৰকাৰে চি বি আইৰ দ্বাৰা অনুসন্ধানৰ বাবে গ্রহণ কৰিছে। ৭টা ঘটনা চি বি আইৰ দ্বাৰা তদন্ত সন্দর্ভত কেন্দ্রীয় চৰকাৰে প্রত্যাখ্যান কৰিছে। বাকী ৭টা ঘটনা সন্দর্ভত কেন্দ্রীয় চৰকাৰৰ পৰা বর্তমানলৈকে অনুমতি পোৱা নাই। গোচৰ গ্রহণ আৰু প্রত্যাখ্যানৰ তালিকা অনুবদ্ধ 'ক'ত দিয়া হ'ল।

(গ) প্রেৰণ কৰা পত্রৰ প্রতিলিপি সদনৰ মজিয়াত (অনুবদ্ধ-'খ')ত দাখিল কৰা হ'ল।

(ঘ) কিছুমান গোচৰৰ ক্ষেত্রত পুনৰ বিবেচনাৰ বাবে অনুৰোধ কৰা হৈছে।

(ঙ) চি বি আইৰ দ্বাৰা অনুসন্ধানৰ বিষয়টো কেন্দ্রীয় চৰকাৰে প্রত্যাখ্যান কৰা ঘটনাসমূহৰ ওপৰত ৰাজ্য চৰকাৰে ঘটনাৰ গুৰুত্ব নির্ভৰ কৰি কিছুমান গোচৰ অসম চৰকাৰৰ অপৰাধ অনুসন্ধান বিভাগ আৰু অন্যান্য কিছুমান গোচৰ সংশ্লিষ্ট থানাৰ দ্বাৰা তদন্ত কৰাৰ নির্দেশ দিয়া হৈছে।

বিষয় ঃ পকী ৰাস্তাৰ কাম।

শ্রীলিয়াকত আলী খানে সুধিছে ঃ

৪৯৭। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্রীৰ পকী পথ আঁচনিৰ অধীনস্থ ৰৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত ভেল্লা-তাৰাবাৰী PWD ৰাস্তাৰ পৰা শিলা-সুহা PWD

ৰাস্তা নির্মাণৰ কাম কোন ঠিকাদাৰক দিয়া হৈছিল?

(খ) উক্ত কামটো চৰকাৰী আঁচনি মতে হৈছেনে?

(গ) যদি হোৱা নাই, উপযুক্ত তদন্ত কৰি আঁচনি মতে কামটো কৰাৰ ব্যৱস্থা ল'বনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে গড়কাপ্টানি বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্রী পকীপথ নির্মাণৰ আঁচনিৰ অধীনস্থ বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত ভেল্লা তাৰাবাৰী PWD ৰাস্তাৰ পৰা শিলা-সুহা PWD ৰাস্তা নির্মাণৰ কাম শ্রীগোলাপ হুছেইন খানক দিয়া হৈছিল। (Package No MPNA-II 47)

(খ) উক্ত কামটো চৰকাৰী আঁচনিমতে কৰা হৈছে।

(গ) প্রযোজ্য নহয়।

Subject : Accommodation of Staff & Infrastructure for SDPO.

Shri Maheswar Boro asked :

498. Will the Minister of Home be pleased to state :-

(a) Whether the Government is aware of the fact that the Sub-Divisional Police Officer (SDPO) within BTC areas have been unable to give services in respective

fields for non-availability of staff member and adequate Infrastructure for holding offices ?

(b) If so, what are the steps being taken by the Government for filling-up of staff members as well as adequate Infrastructure for Sub-Divisional Police Offices within BTC area ?

(c) What are its latest progress ?

Shri Rockybul Hussain (Minister of Forest etc.) replied on behalf of Hon'ble Minister, Home.

(a) Yes.

(b) Necessary steps are being taken for filling up of posts of supporting staff as well as creation of infrastructure for SDPOs within BTC area.

(c) The latest progress regarding staff and creation of infrastructures are as follows –

Sl. No.	SDP Office cum residence	Staff	Infrastructure	Mobility
1.	Gossaigaon (Kokrajhar)	SI - 1 ASI - 2 Constable- 2	Govt. accommodation available	LMV-1
2.	Parbatijora (Kokrajhar)	ASI - 1 UBC - 4 Sweeper - 1	Rented House at Bagaribari	LMV - 1

Sl. No.	SDP Office cum residence	Staff	Infrastructure	Mobility
3.	Bijni (Chirang)	Staff not available	Govt. accommodation	LMV - 1
4.	Salbari (Baksa)	ASI - 1 UBC - 4 Cook - 1 Sweeper - 1	Permanent Building under construction	M/Cycle-1
5.	Tamulpur (Baksa)	Staff not available	Govt. accommodation available	M/Cycle-1
6.	Bhergaon (Udalguri)	SI - 1 UBC - 4 Cook - 1 Sweeper - 1	Temporary functioning from Tangla occupying a house of PWD IB	LMV - 1

বিষয় ঃ ন্যায়িক প্রশাসনিক তদন্ত।

শ্রীপ্রবীণ গগৈয়ে সুধিছে ঃ

৪৯৯। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত সংঘটিত কি কি ঘটনাৱলীৰ বাবে কি কি ন্যায়িক তদন্ত আয়োগ ২০০১ চনৰ পৰা এতিয়ালৈ গঠন কৰা হ'ল?

(খ) আয়োগসমূহে তদন্তৰ প্রতিবেদন দাখিল কৰিছেনে? যদি কৰিছে, কোন কেইখন আয়োগে প্রতিবেদন দাখিল কৰিবলৈ বাকী আছে? (বছৰ অনুসৰি কি কি প্রতিবেদন দাখিল কৰিলে বিতং তথ্য দিব)

(গ) অসমত সংঘটিত কি কি ঘটনাৱলীৰ বাবে কিমান সংখ্যক প্রশাসনিক তদন্ত আয়োগ গঠন কৰা হ'ল? (বছৰ অনুসৰি তদন্ত আয়োগে দাখিল কৰা প্রতিবেদনৰ সংখ্যা জনাব)

(ঘ) প্রতিবেদন দাখিল কৰা ন্যায়িক তদন্ত আয়োগৰ বাবদ হোৱা ব্যয়ৰ পৰিমাণ আয়োগ অনুসৰি পৃথকে পৃথকে দাখিল কৰিবনে?

(ঙ) যি সমূহ আয়োগৰ তদন্ত চলি আছে, সেই আয়োগৰ বাবদ এতিয়ালৈ কিমান টকা ব্যয় হৈছে? (আয়োগ অনুসৰি পৃথকে প্রদর্শন কৰিব)

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে ৰাজনৈতিক বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) আৰু (খ) ৰাজ্যখনত সংঘটিত বিভিন্ন ঘটনাৱলীৰ তদন্তৰ বাবে ২০০১ চনৰ পৰা বর্তমানলৈ ৰাজ্য চৰকাৰে ১৩ খন তদন্ত আয়োগ গঠন কৰিছে। ইয়াৰে ৯ খন আয়োগে প্রতিবেদন দাখিল কৰিছে আৰু ৩ খন আয়োগে প্রতিবেদন দাখিল কৰিবলৈ আছে। উল্লেখ্য যে ন্যায়াধীশ শ্রীমতী মীৰা শর্মাই ব্যক্তিগত কাৰণত তেওঁৰ অধীনত গঠন হোৱা আয়োগৰ পৰা অব্যাহতি লোৱাত প্রতিবেদন দাখিল কৰা নাছিল। প্রতিবেদন দাখিল কৰা আৰু নকৰা তদন্ত আয়োগৰ সবিশেষ 'অনুবদ্ধ-ক'ত দিয়া হ'ল।

(গ) ২০০১ চনৰ পৰা বর্তমানলৈ ৰাজ্যখনত সংঘটিত বিভিন্ন ঘটনা সংঘর্ষৰ বাবে ৩০ খন প্রশাসনিক তদন্ত সমিতি গঠন কৰা হৈছে। তদন্ত সমিতিসমূহৰ সবিশেষ 'অনুবদ্ধ-খ' দিয়া হ'ল ঃ

(ঘ) প্রতিবেদন দাখিল কৰা নাইবা অব্যাহতি লোৱা ন্যায়িক তদন্ত আয়োগৰ বাবদ হোৱা বর্তমানলৈকে ব্যয়ৰ পৰিমাণ তলত দিয়া হ'ল ঃ-

১) শ্রীমতী মীৰা শর্মা তদন্ত আয়োগ - ১০.৪৭ লাখ টকা

২) ন্যায়াধীশ পি চি ফুকন তদন্ত আয়োগ - ৫.৮৪ লাখ টকা

৩) ন্যায়াধীশ জে, এন, শর্মা তদন্ত আয়োগ - ১০.২২ লাখ টকা

৪) ন্যায়াধীশ কে.এন.শইকীয়া তদন্ত আয়োগ- ৩৯.৩২ লাখ টকা

৫) ন্যায়াধীশ এচ.কে. কৰ তদন্ত আয়োগ - ১৯.১৬ লাখ টকা

৬) ন্যায়াধীশ এচ পি ৰাজখোৱা তদন্ত আয়োগ-১৪.৪৭ লাখ টকা

৭) ন্যায়াধীশ মনিচানা সিং তদন্ত আয়োগ - ২.৪২ লাখ টকা (বেলতলা ঘটনা)

৮) ন্যায়াধীশ পি জি আগৰৱালা তদন্ত আয়োগ- ৮.১০ লাখ টকা

৯) ন্যায়াধীশ পি জি আগৰৱালা তদন্ত আয়োগ- ২.২৪ লাখ টকা (বিধায়ক পদ্ম হাজৰিকাৰ ওপৰত গুলী বর্ষণৰ ঘটনা)

১০) ন্যায়াধীশ মনিচানা সিং তদন্ত আয়োগ - ৫.০৩ লাখ টকা (উত্তৰ কাছাৰ জিলাৰ স্বায়ত্ত পৰিষদ আৰু ডি এইচ ডি (জে) মাজৰ সম্পর্কৰ তদন্ত)

(ঙ) তদন্ত চলি থকা আয়োগসমূহৰ এতিয়ালৈকে হোৱা ব্যয়ৰ পৰিমাণ তলত দিয়া হ'ল —

১) এছ এন ফুকন তদন্ত আয়োগ - ২.৮৬ লাখ টকা

২) এছ চি নেওগ তদন্ত আয়োগ - ---

৩) পি চি ফুকন তদন্ত আয়োগ - ২.৫৭ লাখ টকা

বিষয় ঃ বৰপেটা জিলাৰ মানাহ আৰু বেকী নদীৰ দলং।

শ্রীগুণীন্দ্র নাথ দাসে সুধিছে ঃ

৫০০। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্রী মহোদয়ে আধাৰশিলা স্থাপন কৰা বৰপেটা জিলাৰ মানাহ আৰু বেকী নদীৰ দলঙৰ নির্মাণ কার্য্য কেতিয়ালৈ আৰম্ভ কৰিব?

(খ) উত্তৰ শালমাৰাৰ পৰা বৰপেটা হৈ গুৱাহাটীলৈ বিকল্প ৰাষ্ট্রীয় ঘাই পথৰ নির্মাণৰ কাম কি পর্য্যায়ত আছে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে গড়কাপ্টানি বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) নিবিদা প্রক্রিয়া চলি আছে। অতি সোনকালে কাম আৰম্ভ কৰিব পৰা যাব।

(খ) উক্ত পথটি বিকল্প ৰাষ্ট্রীয় ঘাই পথ হিচাপে উন্নতিকৰণৰ কোনো আঁচনি বর্তমানলৈকে নাই। কিন্তু আমিনগাওঁৰ পৰা বৰপেটা পর্য্যন্ত পথটো উন্নতিকৰণৰ বাবে ADB আঁচনিৰ অধীনত DONER লৈ DPR প্রেৰণ কৰা হৈছে।

বিষয় ঃ PMGSY ৰ ৰাস্তা।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৫০১। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৯-২০১০ চনৰ বাবে PMGSYৰ নামত কেন্দ্রীয় চৰকাৰৰ পৰা অসম চৰকাৰে কিমান টকা পাইছে?

(খ) ২০০৮-২০০৯ চনত দুলীয়াজান সমষ্টিত কিমানটা PMGSYৰ অধীনত ৰাস্তা ধৰা হৈছে আৰু ৰাস্তাসমূহৰ কাম আৰম্ভ কৰা হৈছেনে?

(গ) ২০০৯-২০১০ চনত উক্ত সমষ্টিৰ কিমানটা ৰাস্তা PMGSYৰ অধীনত ধৰা হৈছে? (ৰাস্তাসমূহৰ নাম জনাব)

(ঘ) ২০০২-২০০৩ চনত PMGSYৰ অধীনত নির্মাণ কৰা যিবোৰ ৰাস্তা বর্তমান ভাঙিছে সেই ৰাস্তাসমূহ পুনৰ নির্মাণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

শ্রীভৰত চন্দ্র নৰহ (সমবায় ও সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০০৯-২০১০ চনৰ বাবে PMGSYৰ নামত কেন্দ্রীয় চৰকাৰৰ পৰা অসম চৰকাৰে এতিয়ালৈকে ৩০০ (তিনিশ) কোটি টকা পাইছে।

(খ) ২০০৮-২০০৯ চনত দুলীয়াজান সমষ্টিত PMGSYৰ অধীনত কোনো ৰাস্তা ধৰা হোৱা নাই।

(গ) ২০০৯-২০১০ চনত PMGSYৰ অধীনৰ কামৰ ক্ষেত্রত কোনো প্রস্তাৱ এতিয়ালৈকে দাখিল কৰা হোৱা নাই।

(ঘ) ২০০২-২০০৩ চনত PMGSYৰ অধীনত নির্মাণ কৰা ৰাস্তাসমূহৰ ক্ষেত্রত পুনৰ নির্মাণৰ প্রয়োজন হোৱা নাই কিন্তু প্রয়োজন সাপেক্ষে ভঙা পথসমূহৰ মেৰামতিৰ ব্যৱস্থা লোৱা হৈছে।

Subject : Creation of Treasury.

Shri Maneswar Brahma asked :

502. Will the Minister of Finance be pleased to state :-

(a) Whether the Government is aware about the fact that the Government Employees and Citizens in general are suffering a lot for not having a Treasury Office in Baksa District ?

(b) Whether the Government is planning to create and establish the Treasury Office at Mushalpur in Baksa District shortly?

(c) If so, what is the present status relating to the creation and establishment of new Treasury Office at Mushalpur in Baksa District and when the process will be completed?

Shri Tarun Gogoi (Chief Minister of Assam In-Charge of Finance) replied :

(a) Yes,

(b) Yes,

(c) The process of establishment of a Treasury at Mushalpur in Baska District has already been initiated, and it may take some time to complete the entire process.

বিষয় ঃ কৰ অধীক্ষকৰ কার্য্যালয় নামকৰণ।

শ্রীআবু তাহেৰ ব্যাপাৰীয়ে সুধিছে ঃ

৫০৩। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম পশ্চিমবংগ ছাগলীয়া সীমান্তত অৱস্থিত কৰ বিভাগৰ চেক গেটখন বক্সীৰহাট কৰ অধীক্ষকৰ কার্য্যালয় নামেৰে নামকৰণ হোৱাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, "বক্সীৰহাট" পশ্চিমবংগৰ অসম সীমান্তৱৰ্ত্তী এখন গাঁও পঞ্চায়তৰ নাম, তেনে ক্ষেত্ৰত অসমৰ কৰ অধীক্ষকৰ কার্য্যালয় উক্ত নামে নামকৰণ কৰা সমীচিন নে?

(গ) অসমৰ ছাগলীয়াত অৱস্থিত কৰ অধীক্ষকৰ কার্য্যালয় "বক্সীৰহাট" নামটো পৰিৱর্তন কৰিবনে?

(ঘ) যদি কৰে, কেতিয়া কৰিব?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্রী)য়ে বিত্ত বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ মহোদয়ৰ হৈউত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অৱগত।

(খ)
(গ)
(ঘ) } নীতিগত দিশটো বিচাৰ কৰি চাব লাগিব।

Subject : Disaster Management & Fire Services, Assam.

Shri Kartik Sena Sinha asked :

504. Will the Minister of Home be pleased to state :-

(a) Whether Disaster Management is also considered as an emergency service like Fire Service ?

(b) If is true, What steps have been taken with the help of the fund of Disaster Management to improve the equipments and the infrastructures of the fire Services? (Please give details)

(c) Whether any funds are earmarked by the Government for Disaster Management?

(d) If yes, please give details and its allotment status upto 31.3.2009?

(e) How many fire Service Stations are there already in Assam?

(f) What steps have been taken by the Government for the overall development of this emergency services? (Please give details)

Shri Rockybul Hussain (Forest Minister) replied on behalf of Home Minister :

(a) Yes,

(b) Proposal for procurement of sophisticated equipments like hazmat van, search and rescue equipments etc. to deal with natural and man made disaster is under consideration of the State Govt.

(c) The budget head for the State Disaster Management Authority has only been created in 2009-10 Fund for activities/Schemes is yet to be earmarked. Currently, the requirement of fund is meet from existing Budget Provisions of the concerned Departments.

(d) Does not arise.

(e) There are 70 Nos. sanctioned Fire Station and 20 Nos. Ad-hoc Fire Station is Assam. Out of the total 70 sanctioned Fire Station 5 Nos. sanctioned Fire Stations are yet to be opened. At present 65 Nos. of sanctioned Fire Stations and 20 Nos. of Ad-hoc Fire Station i.e total 85 Fire Station are functioning throughout the State of Assam.

(f) The Govt. of Assam has already sent a proposal vide No. HMB. 115/2006/29, did. 28.9.2006 to Govt. of India for allocation of fund for converting the Fire Service into hazards emergency response unit. Also a Govt. of India-UNDP programme called the Disaster Risk Management Programme is being implemented in 12 Districts where training, capacity building, sensitization of line Department's etc., is being given.

বিষয় ঃ দলং সম্পূৰ্ণকৰণ।

শ্ৰীভূপেন কুমাৰ বৰাই সুধিছে ঃ

৫০৫। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া বিধান সভা সমষ্টিৰ AS 15/23 (ভোগপুৰ, বৰবালী) PMGSY পথত থকা দলং দুখনৰ কাম পূৰ্বনিৰ্দ্ধাৰিত মতে কোন চনত কোন তাৰিখে সম্পূৰ্ণ হ'ব লাগিছিল?

(খ) চৰকাৰে দলং দুখন সম্পূৰ্ণ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে? যদিহে কৰে, কিমান দিনৰ ভিতৰত কৰিব?

শ্ৰী ভৰত চন্দ্ৰ নৰহ(সমবায় ও সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈউত্তৰ দিছে ঃ

(ক) পেকেজ নং AS-15-23ৰ অন্তৰ্গত বিহপুৰীয়া বিধানসভা সমষ্টিৰ দলং দুখনৰ নিৰ্মাণৰ কাম সংশ্লিষ্ট ঠিকাদাৰৰ লগত ৰাজ্যৰ গড়কাপ্তানী বিভাগে কৰা চুক্তি মৰ্মে যোৱা ইং ২০০৬ চনৰ নবেম্বৰ মাহৰ ১২ তাৰিখে সম্পূৰ্ণ হ'ব লাগিছিল।

(খ) হয়, চৰকাৰে দলং দুখন সম্পূৰ্ণ কৰিবৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। উক্ত কামটো পূৰ্ব্বে আৱণ্টন দিয়া সংশ্লিষ্ট ঠিকাদাৰৰ পৰা বাতিল কৰা হৈছে আৰু অসম্পূৰ্ণ দলং আৰু পথৰ কাম নতুনকৈ ঠিকাদাৰক আৱণ্টন দিবৰ বাবে ব্যৱস্থা লোৱা হৈছে। অহা ২০১০ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে সময়সীমা নিৰ্দ্ধাৰণ কৰা হৈছে।

Subject : Construction of R.C.C. Bridge.

Shri Mission Ranjan Das asked :

506. Will the Minister of Planning & Development be pleased to state :-

(a) Whether the Government has collected the revised DPR as sought form the Chief Engineer, P.W.D.(R), Chandmari vide letter No. PDP (PP)PWD.19/2009/4,

dated 24th March, 2009 and whether the Government has the comments on the DPR, made by the DONER Ministry, for project "Construction of RCC Br. No.2/2 & 2/3 or Shyamaprasadpur - Dasgram via Supnargul road over stream single-Katakal" ?

(b) If yes, when works of the side project is expected to be started ?

Shri Prithivi Majhi (Minister for Labour & Employment etc) replied on behalf of Minister for Planning & Development Department :

(a) No, the revised DPR is yet to be received for PW Department.

(b) Does not arise.

বিষয় ঃ অগ্নি নির্বাপক বাহিনীৰ গৃহ নির্মাণ।

শ্রীউদ্ধৱ বর্মনে সুধিছে ঃ

৫০৭। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এই কথা সঁচানে, সৱভোগত অগ্নি নির্বাপক বাহিনীৰ নামত নিজস্ব মাটি আছে? যদি সঁচা, এই মাটিৰ পৰিমাণ কিমান?

(খ) এই মাটিত অগ্নি নির্বাপক বাহিনীৰ নিজস্ব গৃহ নির্মাণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি?

(গ) যদি লৈছে, কেতিয়াকৈ এই গৃহ নির্মাণ কৰা হ'ব?

শ্রী ৰকিবুল হুছেইন(বনমন্ত্রী)য়ে গৃহ মন্ত্রী মহোদয়ৰ হৈউত্তৰ দিছে ঃ

(ক) সঁচা। ৪ (চাৰি) বিঘা।

(খ) যাৱতীয় ব্যৱস্থা হাতত লোৱা হৈছে।

(গ) পুঁজি সাপেক্ষে গৃহ নির্মাণৰ কাম হাতত লোৱা হ'ব।

বিষয় ঃ হিংসাত্মক ঘটনা।

শ্রীশন্তু সিং মাল্লাহে সুধিছে ঃ

৫০৮। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমান চৰকাৰৰ কার্য্যকালত মুঠ কিমানটা হিংসাত্মক ঘটনা সংঘটিত হ'ল?

(খ) উক্ত সময়ছোৱাত কিমানজন নিৰীহ লোকে হিংসাৰ বলি হৈ প্রাণ হেৰুৱাবলগীয়া হ'ল? (জিলা ভিত্তিক তালিকা দিব)

(গ) উক্ত সময়ছোৱাত কিমানজন নিৰাপত্তাৰক্ষী নিহত আৰু আহত হ'ল?

(ঘ) যোৱা জুন মাহত N. C. Hiils আৰু কার্বি আংলং জিলাত হোৱা হিংসাত্মক ঘটনাটো ৰাজনৈতিক উদ্দেশ্য প্রণোদিতভাৱে হৈছিল নেকি? (চৰকাৰৰ তদন্তৰ প্রতিবেদন সদনৰ মেজত দিব)

শ্রী ৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে গৃহ মন্ত্রী মহোদয়ৰ হৈউত্তৰ দিছে ঃ

(ক) যোৱা ১৪-০৬-০৬ ৰ পৰা ১০-০৭-০৯ লৈ বর্তমান চৰকাৰৰ কার্য্যকালত মুঠতে ১৬২৯টা হিংসাত্মক ঘটনা ৰাজ্যখনত সংঘটিত হৈছে।

(খ) উক্ত সময়ছোৱাত মুঠতে ৭৭৩ জন নিৰীহ লোক হিংসাৰ বলি হৈ প্ৰাণ হেৰুৱাবলগীয়া হৈছে। জিলা ভিত্তিক তালিকা ইয়াৰ লগত গাঁঠি দিয়া হ'ল।

(গ) উক্ত সময়ছোৱাত মুঠ ৮৬ জন নিৰাপত্তাৰক্ষী নিহত হয় আৰু ২১৪ জন আহত হয়।

(ঘ) উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলাৰ হিংসাত্মক কাৰ্য্যাৱলীত কোনো ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত হোৱাৰ তথ্য চৰকাৰৰ হাতত নাই। কিন্তু উক্ত ঘটনাসমূহত উগ্ৰপন্থী সংগঠন জড়িত থকাৰ প্ৰমাণ চৰকাৰৰ হাতত আছে।

বিষয় ঃ ধৰ্ণাকাৰী ধৰাশায়ী।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৫০৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে সদ্য সমাপ্ত লোকসভা নিৰ্বাচনৰ প্ৰাক্ মূহুৰ্তত গুৱাহাটীৰ কাহিলীপাৰাত থকা শিক্ষা সঞ্চালকৰ কাৰ্য্যালয় সন্মুখত সম্পূৰ্ণ গণতান্ত্ৰিকভাৱে শিক্ষকসকলে ধৰ্ণা দিবলৈ আহি পুলিচ, চি আৰ, পি, এফৰ লাঠিৰ কোবত বহু কেইগৰাকী শিক্ষক ধৰাশায়ী হৈছিল?

(খ) যদি অৱগত, তেন্তে উক্ত অমানুষিক ঘটনাৰ কিবা তদন্ত কৰি দোষী আৰক্ষীক শাস্তিৰ ব্যৱস্থা লোৱা হৈছিলনে?

(গ) যদি হৈছিল, সদনত প্ৰকাশ কৰিবনে?

শ্রী ৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে গৃহ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ঘটনাটো সংঘটিত হোৱাৰ বিষয়ে চৰকাৰ অৱগত কিন্তু এই বিষয়ে সঠিক তথ্য নিৰূপণ কৰিবৰ বাবে নামনি অসমৰ আয়ুক্ত মহোদয়ক তদন্ত কৰিব দিয়া হৈছে।

(খ) উক্ত ঘটনা সম্পর্কে অসম মানৰ অধিকাৰ আয়োগে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি মূখ্য সচিবক এই ঘটনাৰ তদন্ত এজন আয়ুক্তৰ সহায়ত কৰিবলৈ নির্দেশ দিছিল। এই নির্দেশ মর্মে অসম চৰকাৰে নামনি অসমৰ আয়ুক্তক তদন্তৰ নির্দেশ দিছে আৰু তদন্তৰ প্রতিবেদনৰ ভিত্তিত বিহিত ব্যৱস্থা লোৱা হ'ব।

(গ) যিহেতু এতিয়ালৈকে প্রতিবেদন পোৱা হোৱা নাই, গতিকে সদনত এই মুহূর্তত প্রকাশ কৰাৰ প্রশ্ন নুঠে।

Subject : Setting up of Fire Brigade Centre.

Dr. Rumi Nath asked :

510. Will the Minister of Home be pleased to state :-

(a) Whether it is true that as per earlier answers of short Notice Question No. 105, dated 30.3.2007 of the Questioner the Government is aware of the problems of the public for its urgently need of setting up of a Fire Brigade Centre at Barkhola and Katigorah Subject to the availability of fund ?

(b) If so, what steps have been taken by the Government for allocation of fund ? (Please furnish details steps so far been taken up with specific date and time of starting of the Centre on the table of the House)

Shri Rockybul Hussain (Minister Forest etc) replied :

(a) Subject to availability of fund, the Govt. proposes to set-up a full-fledged fire Station at Katigorah during the next financial year 2010-2011 considering the problems of the public of katigorah area. As regards a fire station at Borkhola, the fire station cannot be opened as distance between Borkhola and Katigorah is only 17 K.M. approximately.

(b) At present does not arise in view of reply at (a) above.

Subject : 'D' Voter.

Dr. Aditya Langthasa asked :

511. Will the Hon'ble Chief Minister be pleased to state :-

(a) What are the criterias of a D-Voter as per the Government law ?

(b) How many D-Voters are there in Assam till date ? (Please give details District-wise)

(c) Can an Indian Citizen become a D-Voter ?

Shri Bharat Chandra Narah (Minister In-Charge Election Department) replied :

(a) There are as such, no criteria of a 'D' voter as per government laws. The Election Commission has laid down an elaborate procedure for determining against which of the electors in the Electoral Roll the letter 'D' is to be marked. As per the guidelines of the Election Commission of India, after the intensive revision of Electoral rolls, the letter 'D' is to be marked against the names of all those electors whose names appear in the Electoral Rolls and whose citizenship status, in the assessment of the Electoral Registration Officer (ERO) concerned is found to be under reasonable doubt. This assessment is made by the Electoral Registration Officer after verification/enquiry caused through local Verification officers, who, in turn, are required to fill detailed forms about their findings and submit them to the ERO of the LAC concerned. The ERO then decides, based on the material placed before him/her, as to whether a particular case needs to be forwarded to the Competent Authority (Police) for further reference to

the appropriate Tribunal constituted under various Acts for determination of citizenship or not. The letter 'D' is marked against the names of all those electors whose cases are forwarded to the competent Authority for further reference to the Tribunal concerned to denote that the nationality status of such electors is under reasonable doubt/disputed. This also allows the electors and opportunity to seek restoration of their status as Indian citizens by contesting in the Tribunal rather than having their claims rejected straight away at the level of the ERO. The function of the ERO in the matter of deciding whether the case of an elector requires reference to the appropriate Tribunal through the competent authority is quasi-judicial and therefore the decision as to what documents are relied upon for determining the status is purely subjective. It is not possible to pinpoint the specific documents on the basis of which the ERO drew a conclusion about the status of an elector. The ECI had provided a list of documents that could be used to determine an elector's citizenship status. The list of documents that the ECI recommended in however only illustrative and not exhaustive.

A list of the documents that the Election

Commission of India has recommended for consideration at the ti'me of intensive revision in 1997 is shown below:

(i) Certified copy/extract of electoral rolls of 1966 or ant previous year.

(ii) Patta (land holding record)

(iii) Rent receipt issued by any revenue authority

(iv) Certified copy of entry in NRC (National Register for Citizenship)

(v) Birth Certificate certifying place and date of birth issued by the competent authority under the Registration of Births and Deaths Act, 1969 and the Assam Registration of Births and Deaths Rules, 1978

(vi) Citizenship Certificate issued by any competent authority in the State of Assam

(vii) Citizenship Certificate issued form outside the State (Which all should be got verified from the issuing authority)

(viii) Refugee Registration Certificate

(ix) Passport issued by the Government of India

(x) Insurance policy

(xi) Any licence issued by the Government authority (other than ration cards)

(xii) Document showing service/employment under Government/Public Sector Undertaking

(xiii) Citizenship issued by the Secretary of village panchayat countersigned by the local revenue official in respect of females who have migrated to other villages after marriage

(xiv) Any other document relevant and admissible under the India Evidence Act that the Electoral Registration Officer may consider fit to dwell upon to make up his mind on the question of citizenship.

(b) The total number of 'D' voters in Assam is 153398. Statement showing district-wise 'D' voter figures is enclosed as Annexure I

(c) Theoritically, this is possible, If any elector whose name is included in the Electoral Roll cannot substantiate claims of being an Indian citizen through documentary evidence at the time of local verification, caused by the Electoral Registration Officer, during the course of Intensive Revision of Electoral Rolls, the letter 'D' is required to be marked against such elector's name in the Electoral Roll to denote that the

nationality status of such electors is under reasonable doubt disputed. Once a reference is made to the Tribunal through to Competent Authority, the letter 'D' cannot be deleted from against the name of the elector until and unless the Tribunal specifically rules in favour of the elector.

বিষয় ঃ উপ-কোষাগাৰ স্থাপন।

শ্রীসুশীল দত্তই সুধিছে ঃ

৫১২। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) লামডিংৰ Sub-Treasury Office স্থাপনৰ বাবে চৰকাৰে কিবা পৰিকল্পনা গ্রহণ কৰিছেনে?

(খ) যদি কৰিছে, কেতিয়াৰ পৰা আৰম্ভ হ'ব জনাবনে?

(গ) যদি নহয়, নকৰাৰ কাৰণ কি?

(ঘ) লামডিং, হোজাই, লংকা আৰু ডবকাৰ কোন কোন ঠাইৰ পৰা ৰাজ্য চৰকাৰে বছৰি কিমান টকা কৰ পায়?

শ্রীতৰুণ গগৈ (বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্য মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক), (খ) আৰু (গ) ঃ বর্তমান চৰকাৰে, অসমৰ যিবোৰ জিলা সদৰ আৰু মহকুমা সদৰ কোষাগাৰ/উপ-কোষাগাৰ বিহীনভাৱে চলি আছে, সেইবোৰ সদৰতহে, অগ্রাধিকাৰ ভিত্তিত কোষাগাৰ/উপ-কোষাগাৰ স্থাপন কৰাত গুৰুত্ব দিছে। লামডিং মহকুমা বা জিলা সদৰ নহয়। সেয়েহে, তাত কোষাগাৰ/উপ কোষাগাৰ স্থাপন কৰাৰ বাবে বর্তমান চিন্তা কৰা হোৱা নাই।

(ঘ) ২০০৯-০৯ বিত্তীয় বর্ষত সংগৃহীত মুঠ কৰৰ পৰিমাণ হ'ল ১৮০৩.০৩ লাখ টকা ঃ

লামডিং	—	৭২২.১০ লাখ
হোজাই	—	৮৮১.৮৩ লাখ
লংকা	—	১৫০.৯৬ লাখ
ডবকা	—	৪৮.১৪ লাখ

বিষয় ঃ নির্মাণ শ্রমিকৰ কল্যাণ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৫১৩। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কেন্দ্রীয় চৰকাৰে নির্মাণ শ্রমিকসকলৰ কল্যাণৰ হকে Building and other construction (Regulation of employment and condition of Service) Act 1996– এতিয়ালৈ প্রয়োগ নোহোৱাটো সত্যনে?

(খ) যদি সত্য হয়, ওপৰোক্ত আইনখন ৰাজ্যত বলবৎ কৰাৰ বাবে ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে আৰু নির্মাণ শ্রমিকসকলৰ কল্যাণৰ কাৰণে কি কি পদক্ষেপ গ্রহণ কৰিছে?

শ্রীপৃথিৰী মাঝি (শ্রম ও নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সত্য নহয়। এই আইনখন প্রয়োগ কৰি হিতাধিকাৰী ৰেজিষ্ট্রেচন, চেচ সংগ্রহৰ কাম চলি আছে।

(খ) ওপৰোক্ত (ক) ৰ উত্তৰৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

বিষয় ঃ পি এম জি এচ ওৱাইৰ আঁচনি।

মোঃ মহিবুল হকে সুধিছে ঃ

৫১৪। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিত সৰ্বমুঠ কিমানটা PMGSYৰ অধীনত আলিবাটৰ আঁচনি গ্রহণ কৰা হৈছিল?

(খ) ইয়াৰে কোন কোন আঁচনি কিমান টকাৰ আৰু কেতিয়া আৰম্ভ কৰা হৈছিল?

(গ) আঁচনিসমূহ নির্দ্ধাৰিত সময়ত সম্পূর্ণ হৈছেনে?

(ঘ) কেবাটাও আঁচনি নির্দ্ধাৰিত সময়ত সম্পূর্ণ নোহোৱাৰ বাবে চৰকাৰে প্রয়োজনীয় ব্যৱস্থা হাতত ল'বনে?

(ঙ) অলপতে স্থানীয় বিধায়ক হিচাপে প্রশ্নকর্ত্তাই PMGSY ৰ ৰাস্তাসমূহ পৰিদর্শন কৰাৰ সময়ত Sub-Contractor ৰ জৰিয়তে কাম কৰি থকাৰ বাবে কামৰ Quality বহুতো Low হৈছে বুলি স্থানীয় ৰাইজে উত্থাপন কৰা অভিযোগৰ বিষয়ে চৰকাৰে এক উচ্চ পর্য্যায়ৰ তদন্ত কৰি সদনৰ মেজত প্রতিবেদন দাখিল কৰিবনে?

(চ) কোন কোন PMGSY ৰাস্তাত Sub-Contractor নিয়োগ কৰা হৈছে আৰু কিমান টকাত Sub-Contract দিয়া হৈছে?

শ্রী ভৰত চন্দ্র নৰহ (সমবায় ও সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ সমষ্টিত PMGSY আঁচনিৰ জৰিয়তে ২০০০-০১ চনৰ

পৰা ২০০৮-০৯ চনলৈ সৰ্বমুঠ ৩৬টা পথ নিৰ্মাণৰ আঁচনি লোৱা হৈছে।

(খ) আঁচনিসমূহত পথৰ নাম, আৱণ্টিত ধনৰ পৰিমাণ আৰু কাম আৰম্ভ কৰা তাৰিখৰ সবিশেষ প্ৰ-পত্ৰ 'ক'ত দিয়া হ'ল।

(গ) আঁচনিসমূহ নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ চেষ্টা কৰা হৈছিল যদিও বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ বাবে কিছুমান আঁচনি সময়মতে সম্পূৰ্ণ হোৱা নাই।

(ঘ) নিবিদা চুক্তি অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঙ) ধুবুৰী গ্ৰামীণ পথ সংমণ্ডলিত ৰূপায়ণ হোৱা PMGSYৰ আঁচনিসমূহ নিৰ্মাণত Sub-Contractor নিয়োজিত হোৱা বিভাগৰ দৃষ্টিগোচৰ হোৱা নাই। বিভাগীয় নিয়ম মতে নিৰ্মাণৰ কাম চলি আছে। গতিকে এই কামসমূহৰ সন্দৰ্ভত সদ্যহতে উচ্চ পৰ্য্যায়ত তদন্তৰ প্ৰয়োজন হোৱা নাই।

(চ) কোনো PMGSY ৰাস্তাত পথ নিৰ্মাণৰ পৰা বাবে Sub-Contractor নিয়োগ কৰা নাই।

বিষয় ঃ মনোজ ডেকাৰ Case।

শ্ৰীদ্ৰুপদ বৰগোহাঁইয়ে সুধিছে ঃ

৫১৫। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁৰ মনোজ হত্যাকাণ্ডৰ পৰা উদ্ভৱ হোৱা Case-টো মাননীয় হাইকোৰ্টৰ প্ৰধান বিচাৰপতিৰ ৰায়ৰ ভিত্তিত Police Accountability কমিচনলৈ পঠিওৱা হ'লনে?

(খ) যদি পঠিওৱা হ'ল; বিচাৰ কেতিয়া আৰম্ভ হ'ব? উক্ত গোচৰটো বৰ্ত্তমানে কি পৰ্য্যায়ত আছে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, হ'ল।

(খ) বিচাৰ আৰম্ভ হৈছে। এই ক্ষেত্ৰত Police Accountability কমিচনৰ পৰা কিছুমান তথ্য চৰকাৰৰ পৰা বিচৰা হৈছে। এই তথ্যসমূহ Police Accountability কমিচনলৈ ইতিমধ্যে পঠোৱা হৈছে।

বিষয় ঃ কাম সম্পূৰ্ণ কৰা দিন।

শ্ৰীমোবাৰক আলী পাঠানে সুধিছে ঃ

৫১৬। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পি এম জি ওৱাইৰ অধীনত নিৰ্মাণ কৰিবলগীয়া আলিবাটসমূহৰ কামৰ আৱণ্টন কি ভিত্তিত ঠিকাদাৰক দিয়া হয় আৰু আৱণ্টন দিয়াৰ কিমান দিনৰ ভিতৰত উক্ত কাম সম্পূৰ্ণ হ'ব লাগে?

(খ) ৮৩ নং ধিং বিধান সভা সমষ্টিত উক্ত আঁচনিৰ অধীনত কোন কোন আলিবাট নিৰ্মাণ কৰা হৈছে?
(সম্পূৰ্ণ তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্ৰীভৰত চন্দ্ৰ নৰহ (সমবায় ও সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) –পি,এম, জি, এচ, ওৱাই আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া পথসমূহ

ৰাষ্ট্ৰীয় গ্ৰামীণ পথ উন্নয়ন অভিকৰণ (NRRDA)ৰ অনুমোদিত নিৰ্দ্ধাৰিত নিবিদা প্ৰ-পত্ৰ (Standard Bidding Document)ৰ নিয়মাৱলীৰ ওপৰত ভিত্তি কৰি নিবিদা আহ্বান কৰি আ�ৱণ্টন দিয়া হয়। আৰু উক্ত কামসমূহ সম্পূৰ্ণ কৰাৰ সময়সীমা কামৰ আয়তনৰ ওপৰত নিৰ্ভৰ কৰে।

(খ) ৮৩ নং ধিং বিধান সভা সমষ্টিত উক্ত আঁচনিৰ অধীনত নিৰ্মাণ কৰা, নিৰ্মাণ কাৰ্য্য চলি থকা আলিবাটৰ তালিকা 'ক' আৰু নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিবলৈ ব্যৱস্থা লোৱা আলিবাটৰ তালিকা 'খ'ত দেখুৱা হৈছে।

বিষয় ঃ ভৱানীপুৰ কয়াকুছি পথ।

ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ

৫১৭। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভৱানীপুৰ কয়াকুছি পথৰ দুৰৱস্থা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে এই পথটিৰ উন্নয়নৰ বাবে চৰকাৰে কি ক্ষীপ্ৰ ব্যৱস্থা লৈছে?

(গ) এই পথটিৰ ভৱানীপুৰৰ ওচৰৰ দঙাৰপাৰৰ দলংখন যোৱা ৩১ মাৰ্চতে সম্পূৰ্ণ কৰাৰ কথা আছিল যদিও ঠিকাদাৰজনৰ হেমাহিৰ বাবে সম্পূৰ্ণ হৈ নুঠিল বুলি উঠা অভিযোগ সত্যনে? যদি সত্য, ইয়াৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?

(ঘ) এই পথটিত থকা আটাইবোৰ দলং কেতিয়া সম্পূৰ্ণ কৰা হ'ব?

(ঙ) দঙাৰপাৰৰ দলংখন নিৰ্মাণৰ বাবে ভৱানীপুৰ গুৱাহাটীৰ গাৱঁলীয়া

ৰাস্তাটি উপ পথ হিচাপে ব্যৱহাৰ কৰিবলৈ মেৰামতি কৰাৰ কথা আছিল যদিও আজিলৈকে সম্পূৰ্ণকৈ মেৰামতি নকৰাৰ কাৰণ কি?

(চ) অতি শীঘ্রে এই উপ-পথটি সম্পূৰ্ণকৈ মেৰামতি কৰাৰ ব্যৱস্থা কৰিবনে?

(ছ) দঙাৰপাৰৰ দলংখনৰ কিছু দক্ষিণ দিশে মূল ৰাস্তাটোৰ ওপৰত প্রতি বছৰ বানপানীয়ে ক্ষতি কৰা হেতু উক্ত ঠাইত এটি পকী কালভার্ট তৈয়াৰ কৰাৰ ব্যৱস্থা কৰি সাধাৰণ জনসাধাৰণক আৰু কৃষক ৰাইজক উপকৃত কৰিবনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) ভৱানীপুৰ কয়াকুছি পথৰ দুৰবস্থা সম্পর্কে চৰকাৰ আৱগত।

(খ) উক্ত পথটোৰ উন্নয়ণৰ বাবে চৰকাৰে AACP ৰ অধীনত পথটোৰ ৮.৮৫ কিঃমিঃ অংশ পকীকৰণৰ লগতে এই পথত থকা পাঁচখন কাঠৰ দলঙৰ পকীকৰণৰ কাম ২৯/১২/০৯ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। বর্ত্তমান ইয়াৰ নির্মাণ কার্য্য চলি আছে।

(গ) মূল চুক্তিমতে কামটো যোৱা ৩১ মার্চত সম্পূৰ্ণ কৰাৰ কথা আছিল যদিও বিগত বর্ষত বানপানী আদি কাৰণৰ বাবে কামটো নির্দ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিব পৰা নহ'ল। ঠিকাদাৰৰ হেমাহিৰ বাবে নহয়।

(ঘ) এই পথটোত থকা পাঁচখন দলঙৰ ভিতৰত এখন দলঙৰ ওপৰেদি ইতিমধ্যে যান-বাহনৰ যাতায়ত মুকলি কৰি দিয়া হৈছে, বাকী থকা চাৰিখন দলঙৰ নির্মাণ কার্য্য ইং ২৯/১২/০৯ তাৰিখৰ ভিতৰতেই সম্পূৰ্ণ কৰিবলৈ সময় নির্দ্ধাৰণ কৰা হৈছে।

(ঙ) উপৰোক্ত উপ-পথটিত ইতিমধ্যে Sand Gravel দি মেৰামতি কৰা হৈছে আৰু প্ৰয়োজন সাপেক্ষে পথটিৰ পুনঃমেৰামতি কৰি থকা হৈছে।

(চ) পুঁজি আৱণ্টন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(ছ) বিষয়টো বিভাগীয়ভাৱে পৰীক্ষা কৰি প্ৰয়োজন সাপেক্ষে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

বিষয় ঃ পূৰ্ণ পৰ্য্যায়ৰ থানা, তহলদাৰী চকী, Out Post ৰ সংখ্যা।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

৫১৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান ৰাজ্যখনত কিমানখন পূৰ্ণ পৰ্য্যায়ৰ থানা, তহলদাৰী চকী, Out Post ইত্যাদি আছে? (জিলা ভিত্তিত বিতং তথ্য পৃথকে পৃথকে দাখিল কৰিব)

(খ) বৰ্ধিত জনসংখ্যাৰ ভিত্তিত ৰাজ্যখনত নতুনকৈ থানা, তহলদাৰী চকী, Out Post আদি স্থাপন কৰাৰ বাবে কিবা পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

(গ) যদি কৰিছে, এই প্ৰস্তাৱিত থানা, তহলদাৰী চকী, Out Post আদিৰ স্থাপনৰ ক্ষেত্ৰত ৰৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টি অন্তৰ্ভূক্ত হৈছেনে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু অন্যান্য বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) পূৰ্ণ পৰ্য্যায়ৰ থানা — ৩১২ খন

আৰক্ষী চকী (Out Post) — ২০৩ খন

তহলদাৰী চকী — ৯২ খন

জিলা ভিত্তিত বিতং তথ্য

জিলা	পূৰ্ণ পৰ্য্যায়ৰ থানা	আৰক্ষী চকী	তহলদাৰী চকী
ধুবুৰী	৯ খন	৮ খন	—
গোৱালপাৰা	১০ খন	৫ খন	৬ খন
কোকৰাঝাৰ	১৩ খন	১৪ খন	৩ খন
বঙ্গাঁইগাওঁ	৫ খন	৭ খন	১ খন
বৰপেটা	১১ খন	৭ খন	৫ খন
নলবাৰী	৭ খন	৬ খন	২ খন
কামৰূপ	১২ খন	৫ খন	৭ খন
গুৱাহাটী মহানগৰ	২১ খন	৭ খন	৪ খন
নগাওঁ	২২ খন	৮ খন	২৫ খন
মৰিগাওঁ	৯ খন	২ খন	২ খন
দৰং	৫ খন	৩ খন	—
শোণিতপুৰ	১৩ খন	৯ খন	২ খন
লক্ষীমপুৰ	৭ খন	৪ খন	২ খন
ধেমাজী	৬ খন	৪ খন	৫ খন
ডিব্রুগড়	১৩ খন	৬ খন	—
তিনিচুকীয়া	১৮ খন	৯ খন	১ খন

জিলা	পূর্ণ পর্য্যায়ৰ থানা	আৰক্ষী চকী	তহলদাৰী চকী
শিৱসাগৰ	১৯ খন	৭ খন	১ খন
যোৰহাট	১১ খন	১০ খন	১ খন
গোলাঘাট	১২ খন	৬ খন	—
কার্বিআংলং	১৬ খন	৩ খন	—
হামৰেণ	৪ খন	৫ খন	—
উত্তৰ কাছাৰ পার্বত্য জিলা	৮ খন	৮ খন	—
কাছাৰ	৯ খন	৯ খন	৬ খন
কৰিমগঞ্জ	৫ খন	৩ খন	৬ খন
হাইলাকান্দি	৪ খন	২ খন	৫ খন
চিৰাং	৯ খন	১০ খন	—
বাগ্‌চা	১০ খন	১১ খন	—
ওদালগুৰি	৭ খন	৭ খন	—
অন্যান্য			
জি, আৰ, পি	১৩ খন	১৮ খন	—
চি, আই, ডি	১ খন	—	—
বি, আই, ই, ও	১ খন	—	—
এচ, বি	১ খন	—	—
এচ, টি, এফ	১ খন	—	—
এচ, আৰ, পি	—	—	৮ খন
মুঠ-	৩১২ খন	২০৩ খন	৯২ খন

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) যিহেতু চৰকাৰে এই সম্পর্কত এতিয়াও চূড়ান্ত সিদ্ধান্ত লোৱা নাই, এই বিষয়ে অৱগত কৰিব পৰা নগ'ল।

বিষয় ঃ পথ উন্নয়ণৰ ব্যৱস্থা

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৫১৮। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভৰলুমুখৰ পৰা ফটাশিল আমবাৰী হৈ গড়চুকলৈ যোৱা পথ, নেপালী মন্দিৰৰ পৰা কালাপাহাৰ লালগণেশ হৈ লখৰালৈকে আৰু সাতমাইলৰ পৰা গাড়ীগাওঁ শদিলাপুৰ হৈ জালুকবাৰী পইণ্টলৈ যোৱা পথকেইটাৰ অৱস্থা যাতায়তৰ বাবে যে একেবাৰে অনুপযোগী হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহলে উক্ত পথকেইটাৰ উন্নয়নৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(গ) ২০০৯-১০ চনত উক্ত পথকেইটাৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিবনে?

(ঘ) গুৱাহাটী যান-জ'টৰ সমস্যা লাঘৱ কৰাৰ উদ্দেশ্যেৰে আমবাৰী ফটাশিলৰ পৰা চেগুনবাৰী আদিংগিৰি হৈ মালিগাওঁ নেপালী স্কুললৈ অর্থাৎ কনকলতা পথটো এটা বিকল্প পথ হিচাবে নির্মাণৰ ক্ষেত্রত মাননীয় মুখ্যমন্ত্রীয়ে গড়কাপ্টানি বিষয়াৰ উচ্চ পর্য্যায়ৰ বৈঠকত সন্মতি প্রদান কৰাৰ পিছতো উক্ত পথটোৰ উন্নয়নৰ

ক্ষেত্রত চৰকাৰে এতিয়ালৈকে ব্যৱস্থা নোলোৱাৰ কাৰণ কি?

(ঙ) ২০০৯-১০ চনত উক্ত পথটোৰ কাম আৰম্ভ কৰাৰ ব্যৱস্থা ল'বনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) প্রশ্নত উল্লেখিত আটাইকেইটা পথৰ অৱস্থা যাতায়তৰ বাবে অসুবিধা হৈ পৰাৰ বিষয়ে ৰাজ্যৰ গড়কাপ্টানি বিভাগ অৱগত। কিন্তু সাতমাইলৰ পৰা গাড়ীগাওঁ হৈ শদিলাপুৱলৈ যোৱা পথ যাতায়তৰ বাবে একেবাৰে অনুপযোগী হোৱাটো সঁচা নহয়।

(খ) ওপৰোক্ত পথকেইটাত বৰষুণৰ ফলত ঠায়ে ঠায়ে দুই-এঠাইত গাঁতৰ সৃষ্টি হৈছে আৰু এই গাঁতসমূহ সময়ে সময়ে মেৰামতি কৰি থকা হৈছে।

গুৱাহাটী উন্নয়ণ বিভাগৰ বার্ষিক পৰিকল্পনা ২০০৮-০৯ৰ অধীনত গুৱাহাটী গড়ভাঙ্গা (নেপালী মন্দিৰৰ পৰা লখৰালৈ যোৱা) পথটোৰ বাবে মুঠ ১৪.০০ কৌটি টকাৰ অনুমোদন দিয়া হৈছে। ফটাশিল আমবাৰীৰ পৰা গড়চুকলৈ যোৱা পথটোৰ বাবে বার্ষিক পৰিকল্পনা শিতানত ২০০৮-০৯ চনত মুঠ ৫.৯৮ কৌটি টকা অনুমোদন দিয়া হৈছে।

কাম পুঁজি সাপেক্ষে গ্রহণ কৰা হ'ব।

(গ) ২০০৯-১০ চনৰ ভিতৰত উক্ত পথকেইটাৰ উন্নয়ণৰ কাম পুঁজি সাপেক্ষে গ্রহণ কৰা হ'ব।

(ঘ) বৈঠকত সন্মতি প্রদানৰ বিষয়ে জনা নাযায়। অৱশ্যে ২২-১১-০৭ তাৰিখৰ DRSC কমিটিৰ Meeting-ত বিষয়টো মৌখিকভাৱে আলোচনা হৈছিল।

(ঙ) পুঁজি সাপেক্ষে ব্যৱস্থা গ্রহণ কৰা হ'ব।

বিষয় ঃ অঙ্গনবাদী কেন্দ্র নির্মাণ।

শ্রীৰাজু চাহুৰে সুধিছে ঃ

৫২০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগলৈ কেন্দ্রীয় চৰকাৰে নতুনকৈ অনুমোদন জনোৱা কিমানটা অঙ্গনবাদী কেন্দ্র ডিব্রুগড় আৰু তিনিচুকীয়া জিলাৰ বাবে অনুমোদন দিয়া হৈছে?

(খ) চাবুৱা সমষ্টিৰ বাবে কিমানটা নতুন অঙ্গনবাদী কেন্দ্র অনুমোদন কৰা হৈছে আৰু এই কেন্দ্র ক'ত ক'ত দিয়া হৈছে?

শ্রীঅকন বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় জিলাৰ বিভিন্ন সংহত শিশু উন্নয়ন প্রকল্পৰ বাবে ৭২১টা অঙ্গনবাদী কেন্দ্র, ১০৩টা মিনি অঙ্গনবাদী কেন্দ্র, তিনিচুকীয়া জিলাৰ বিভিন্ন প্রকল্পৰ বাবে ৫৬২টা অঙ্গনবাদী কেন্দ্র আৰু ১১৬টা মিলি অঙ্গনবাদী কেন্দ্র নতুনকৈ কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদন পোৱা হৈছে।

(খ) অঙ্গনবাদী কেন্দ্রসমূহ সমষ্টিভিত্তিত অনুমোদন কৰা নহয়।

বিষয় ঃ মুখ্যমন্ত্রীৰ পকী পথ যোজনা।

শ্রীজ্যোতি প্রসাদ দাসে সুধিছে ঃ

৫২১। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো বিধান সভা সমষ্টিত ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত মুখ্যমন্ত্রীৰ পকী পথ যোজনা আঁচনিৰ জৰিয়তে কি কি কাম কৰা হ'ল?

(খ) কামৰূপ জিলাৰ অধীনৰ অন্যান্য বিধান সভা সমষ্টিত এই আঁচনিৰ অধীনত কি কি কাম উক্ত বৰ্ষসমূহত কৰা হ'ল?
(বিশদ বিৱৰণ সদনৰ মেজত দিব)

(গ) উক্ত আঁচনিৰ জৰিয়তে যদি উক্ত বিধান সভা সমষ্টিত কাম কৰা হোৱা নাই, তেন্তে ইয়াৰ কাৰণ কি?

(ঘ) বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত ছমৰীয়া-সোণতলী পথত থকা ৬/২ নং দলংখন নির্মাণৰ বাবে ২০০৮-০৯ বিত্তীয় বৰ্ষৰ বাবে চৰকাৰে প্রস্তুত কৰা ৫২০.৭৪ লাখ টকাৰ Project concept paper প্রস্তাৱটো অনুমোদন হ'লনে?

(ঙ) যদি নাই হোৱা, তেন্তে তাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগ মহোদয়াৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০০৬-০৭ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত মুখ্যমন্ত্রী পকী পথ যোজনা আঁচনি নাছিল, সেয়েহে কামৰূপ জিলাৰ বকো সমষ্টিতও

কোনো আঁচনি নাই, কিন্তু ২০০৭-০৮ বিত্তীয় বর্ষত এই আঁচনিৰ জৰিয়তে "শিঙৰা ৰেলৱে ষ্টেচন এপ্ৰ'চ পথ"ৰ কাম কৰা হয়।

(খ) কামৰূপ জিলাৰ অন্তর্গত অন্যান্য বিধান সভা সমষ্টিত এই আঁচনিৰ জৰিয়তে হোৱা কামৰ তালিকা অনুৱদ্ধ 'ক'ত সংলগ্ন কৰা হ'ল।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ছমৰীয়া সোণতলী পথৰ ৬/২ নং দলংখন নির্মাণৰ বাবে ২০০৮-০৯ বিত্তীয় বর্ষত Minority Development Scheme ত ৫২০.৭৪ লাখটকাৰ Project concept paper প্ৰস্তাৱটো বর্তমানলৈ অনুমোদন পোৱা হোৱা নাই।

(ঙ) ছমৰীয়া সোণতলী পথত থকা ৬/২ নং দলংখন নির্মাণৰ বাবে পুঁজি সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

Subject : Implementation of Act, 1994;

Shri Sirajuddin Ajmal asked :

522. Will the Minister of personnel be pleased to state :

(a) Whether an Act titled "Assam District-wise Population Pattern`` reflection in Services (Class-III & IV) was Passed by the Assam Legislative Assembly in 1994?

(b) If so, whether the said Act has been implemented till date ?

(c) What is the present status of the said Act ?

Dr. Bhumidhar Barman (Minister, Revenue) replied on behalf of Chief Minister, Personnel Department .

(a) Yes .

(b) No . The said Act has not yet been implemented.

(c) On receipt of the recommendation from High Power Officer, framing of Rules under the Act will be examined.

SHORT NOTICE QUESTIONS AND ANSWERS

Mr. Speaker : Now, Short Notice Question No, 39 Hon'ble Member, Shri Uddhab Barman.

বিষয ঃ অসম পণ্যাগাৰ নিগম।

শ্রীউদ্ধৱ বর্মনে সুধিছে ঃ

৩৯। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম পণ্যাগাৰ নিগমৰ নামত গুৱাহাটীকে ধৰি বিভিন্ন ঠাইত মাটি থকা কথাটো সঁচানে? যদি সঁচা, কোন ঠাইত কিমান মাটি আছে বিতংকৈ জনাব?

(খ) বিভিন্ন ঠাইত থকা অসম পণ্যাগাৰ নিগমৰ মাটি বে-আইনীভাৱে ক'ত কিমান বেদখল হৈ আছে? বেদখলমুক্ত কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে?

(গ) আজাৰাত থকা অসম পণ্যাগাৰ নিগমৰ মাটি বিক্ৰী কৰাটো সঁচানে? যদি সঁচা, কিমান টকাত মাটি বিক্ৰী কৰা হ'ল? মাটি বিক্ৰী কৰি পোৱা টকাৰে কি কাম কৰা হ'ল?

(ঘ) অসম পণ্যাগাৰ নিগমৰ মাটিত নতুন গুডাম ঘৰ আদি নিৰ্মাণ কৰাৰ কিবা আঁচনি লৈছে নেকি?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা। অসম পণ্যাগাৰ নিগমৰ, গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন ঠাইত থকা মাটিৰ বিতং তালিকা পৰিশিষ্ট-'১' ত গাঠি দিয়া হ'ল।

(খ) অসম পণ্যাগাৰ নিগমৰ মাটি বেআইনীভাৱে বিভিন্ন বিভাগ আৰু অনুষ্ঠানে বেদখল কৰি আছে। তাৰ ভিতৰত—

১) নলবাৰী জিলাত পণ্যাগাৰ নিগমৰ ৭ বিঘা ৪ কঠা ১ লেচা মাটি অসম আৰক্ষী বিভাগে ১৯৯৯ চনৰ পৰাই দখল কৰি আছে। এই মাটি দখলমুক্ত কৰিবৰ বাবে নলবাৰী জিলাৰ উপায়ুক্তৰ লগত নিগমে যাৱতীয় যোগাযোগ কৰিছে যদিও উক্ত ভূমি এতিয়াও দখলমুক্ত হোৱা নাই। আনহাতে, কামৰূপ জিলাৰ গৌৰীপুৰ আমিনগাঁওত নিগমৰ নামত ১৯৭৯ চনত আৱণ্টিত হোৱা ২০ বিঘা মাটিৰ ১২ বিঘাই চৌপাশৰ কল-কাৰখানা আৰু প্ৰতিষ্ঠানসমূহে বেদখল কৰি আছে। উক্ত মাটি বেদখলমুক্ত কৰাৰ বাবে কামৰূপ জিলাৰ উপায়ুক্ত আৰু উত্তৰ গুৱাহাটী ৰাজহ-চক্ৰ বিষয়াক আবেদন-নিবেদন কৰি থকা হৈছে যদিও মাটিখিনি বেদখলমুক্ত এতিয়াও হোৱা নাই।

(গ) হয়, সঁচা। মুঠ ৮০ লাখ টকাত উক্ত মাটিখিনি বিক্ৰী কৰা হৈছিল।

মাটি বিক্রী কৰি পোৱা টকাখিনিৰে অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ প্রস্তাৱিত আমিনগাওঁ কেন্দ্রৰ উন্নয়ণ কৰাৰ বাবে আৰু ইয়াৰ সৈতে কৰিবলগীয়া যাৱতীয় নক্সা, প্লেন, চার্ভে আদিৰ বাবদ হ'বলগীয়া খৰচসমূহ কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। এই নক্সা, প্লেন অসম অভিযান্ত্রিক মহাবিদ্যালয়ৰ পৰা তৈয়াৰ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) হয়, আঁচনি লোৱা হৈছে। বর্তমান কামৰূপ জিলাৰ আমিনগাওঁত গুডাম ঘৰ নির্মাণ কৰাৰ বাবে আঁচনি হাতত লৈ যাৱতীয় কাম-কাজ আৰম্ভ কৰা হৈছে।

Mr. Speaker : Now, Short Notice Question No. 40, Hon'ble Member, Shri Brindabon Goswami.

বিষয় ঃ তেজপুৰ গড়দৌল সংৰক্ষণৰ সম্পর্কে।

শ্রীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৪০। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তেজপুৰ গড়দৌল সংৰক্ষণৰ বাবে এখন সমিতি গঠন কৰাটো হয়নে? যদি হয়, সমিতিৰ বৈঠক এবাৰো অনুষ্ঠিত কৰা নাই কিয়?

(খ) তেজপুৰ গড়দৌলটো সংৰক্ষণৰ বাবে চৰকাৰে ধন মোকলাই দিয়াটো সত্যনে? এই ধনৰাশি কি দৰে, কাষ দ্বাৰা ব্যৱহাৰ কৰা হৈছে আৰু কি কি কাম কৰা হৈছে?

শ্রীভৰত চন্দ্র নৰহ (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তেজপুৰ গড়দৌল প্রত্নতাত্বিক স্থান সংৰক্ষণৰ বাবে এখন সমিতি

যোৱা ২০০৭ চনৰ ২০ মাৰ্চত গঠন কৰা হয়। এই সমিতিৰ বৈঠক এতিয়ালৈকে অনুষ্ঠিত হোৱা নাই সঁচা। কিন্তু ইতিমধ্যে এই সমিতিখন আহ্বান কৰাৰ বাবে শোণিতপুৰ জিলাৰ উপায়ুক্তক অনুৰোধ জনোৱা হৈছে। এই বিভাগে অতি যত্নসহকাৰে এই স্থানৰ চাফ-চিকুণ কৰা, পদ পথ আদিৰ কাম নিবিদা গ্ৰহণৰ যোগেদি পর্য্যায়ক্ৰমে সমাধান কৰা হৈ আছে আৰু অতি শীঘ্ৰে বাকী থকা কামখিনি বাৰিষা কালৰ অন্তত খনন-কার্য্যৰ কাম পুনৰ হাতত লোৱা হ'ব আৰু এই কাম হাতত লোৱাৰ পূৰ্বে স্থানীয় গড়দৌল সংৰক্ষণ সমিতিক আহ্বান জনাই গড়দৌল স্থানৰ উন্নয়ণৰ কাম সম্পাদন কৰা হ'ব।

(খ) চৰকাৰৰ পৰা দ্বাদশ বিত্তীয় আয়োগৰ অধীনত ৪০.০০ (চল্লিশ) লাখ টকা গড়দৌল প্ৰত্নতাত্বিক স্থানৰ সংৰক্ষণৰ বাবে পোৱা হৈছে। এই ধন খৰচৰ বাবে প্ৰাক্কলন অনুসৰি ব্যৱহাৰিক (Civil work) কামৰ বাবে নিবিদা আহ্বান কৰি নিবিদা কমিটিৰ (Tender Committee) অনুমোদন সাপেক্ষে এই বিভাগৰ তত্বাৱধানত কাম-কার্য্যৰ কাম বিভাগীয় বিষয়াৰ জৰিয়তে পর্য্যায়ক্ৰমে হৈ আছে। বর্তমান বাৰিষাৰ কাৰণেহে বন্ধ ৰখা হৈছে। বৰষুণৰ প্ৰকোপ কমিলেই চেপ্তেম্বৰ মাহৰ আৰম্ভণিৰ পৰা কাম পুনৰ আৰম্ভ কৰি খনন কার্য্য সম্পূর্ণ হোৱাৰ পিছত সম্পূর্ণৰূপে উদ্ধাৰ হোৱা ইটাৰ পুৰণি স্থাপত্যৰ গাঠনিমূলক সংৰক্ষণৰ কাম আৰম্ভ কৰা হ'ব।

বিষয় ঃ অসমীয়া ছবিজগতখনক পুনৰজীৱিতকৰণ সম্পর্কত।

শ্ৰীমহিবুল হকে সুধিছে ঃ

৪১। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৬ মার্চত Cine Revival an Development Association of Assam ৰ অনুষ্ঠিত অধিবেশনত মাননীয় মুখ্যমন্ত্রীয়ে ৰাজ্যখনৰ ১০০টা চিত্রগৃহ জ্যোতি চিত্রবনৰ অধীনলৈ আনি ছবি প্রদর্শন কৰাৰ যি প্রতিশ্রুতি দিছিল সেয়া কি পর্য্যায়ত আছে জনাবনে?

(খ) কি কাৰণত মুখ্যমন্ত্রীৰ প্রতিশ্রুতি কার্য্যকৰী নহ'ল তথা কেতিয়াৰ ভিতৰত কার্য্যকৰী কৰা হ'ব জনাবনে?

(গ) ৰাজ্যখনৰ মৃতপ্রায় ছবি জগতখনক পুনৰুজীৱিত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(ঘ) জ্যোতি চিত্রবনত কেবাকোটি টকাৰে Film City নির্মাণৰ দ্বাৰাই মৃতপ্রায় Film Industry-টো পুনৰুজ্জীৱিত হ'ব বুলি ভাবেনে?

(ঙ) এতিয়াও কোন কোন প্রযোজকে Amusement Tax ৰ পইচা উভতাই পাবলৈ বাকী আছে জনাবনে?

(চ) কেতিয়াৰ ভিতৰত উক্ত কৰৰ পইচা উভতাই দিব?

শ্রীভৰত চন্দ্র নৰহ (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) Cine Revival an Development Association of Assamৰ পৰা অসমৰ চিনেমা উদ্যোগৰ পুনৰুজীৱিতকৰণৰ বাবে এটা সামগ্রিক প্রস্তাৱ পোৱা হৈছে। সেই প্রস্তাৱ বর্তমানে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) এই প্রস্তাৱৰ ওপৰত গুৰুত্বসহকাৰে বিবেচনা কৰি থকা হৈছে।

(গ) জ্যোতি চিত্রবনৰ উন্নয়ন কৰা হৈছে আৰু অসম ৰাজ্যিক চলচ্চিত্র (বিত্ত ও উন্নয়ন) নিগমকো সঞ্জীৱিত কৰা হৈছে।

(ঘ) Film City নির্মাণে Film Industry-টো পুনৰ প্ৰাণ পাই উঠিবলৈ সহায়ক হ'ব।

(ঙ) বিভাগত থকা তথ্যমতে মুঠ ৬ (ছয়) জন প্ৰযোজকে তলত উল্লেখ কৰা ধৰণে Amusement Tax ৰ পইচা উভতাই পাবলৈ বাকী আছে ঃ

	কথাছবিৰ নাম	প্ৰযোজকৰ নাম
১)	জীৱন নদীৰ দুটি পাৰ	শ্ৰীসবিতা বৰা
২)	এয়া জোনাক বিহীন জীৱন	শ্ৰীসবিতা বৰা
৩)	চেনাই মোৰ ঢুলীয়া	শ্ৰীঅশোক কুমাৰ বিষয়া
৪)	চুৰেণ চোৰৰ পুতেক	শ্ৰীপ্ৰাঞ্জল কুমাৰ ভৰালী
৫)	হিয়াৰ দাপোনত তোমাৰ ছবি	শ্ৰীচন্দ্ৰ বালা দাস
৬)	বন্ধন	শ্ৰীজে. এন. দাস
৭)	দীনবন্ধু	শ্ৰীকৃষ্ণ ৰয়

(চ) যিহেতু ইয়াৰ অনুমোদন বিত্ত বিভাগৰ পৰা হয়, অনুমোদন পালে উক্ত কৰৰ পইচা উভতাই দিয়া হ'ব। ইতিমধ্যে প্ৰযোজকসকলৰ পৰা প্ৰয়োজনীয় নথি-পত্ৰ সংমোদনৰ প্ৰস্তাৱ দাখিলৰ বাবে বিচৰা হৈছে।

বিষয় ঃ কৰিমগঞ্জ জিলাৰ লাতু দাসগ্ৰাম সমবায় সমিতিৰ চেয়াৰমেনৰ বিৰুদ্ধে FIR দাখিল।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

৪২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৰিমগঞ্জ লাতু-দাসগ্রাম সমবায় সমিতিৰ চেয়াৰম্যান আব্দুল আজাদ চৌধুৰীৰ বিৰুদ্ধে কৰিমগঞ্জ প্রশাসনে কৰিমগঞ্জ থানাত FIR দাখিল কৰাটো সত্যনে? তেওঁৰ বিৰুদ্ধে থকা দুর্নীতিৰ অভিযোগৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) চেয়াৰম্যান গৰাকীৰ বিৰুদ্ধে জামিনবিহীন গ্রেপ্তাৰী পৰোৱানা জাৰি হোৱাটো সত্যনে? যদি সত্য হয়, চৰকাৰে তেওঁৰ বিৰুদ্ধে কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীভৰত চন্দ্র নৰহ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) লাতু-দাসগ্রাম সমবায় সমিতিৰ কৰিমগঞ্জৰ সভাপতি আব্দুল আহাদ চৌধুৰীৰ বিৰুদ্ধে কৰিমগঞ্জ থানাত FIR দাখিল হোৱাটো সত্য। কৰিমগঞ্জ জিলাৰ আৰক্ষী অধীক্ষকে জনোৱা মতে উক্ত আব্দুল আহাদ চৌধুৰীৰ বিৰুদ্ধে কৰিমগঞ্জ থানাত FIR দাখিল হোৱাটো সত্য। কৰিমগঞ্জ জিলাৰ আৰক্ষী অধীক্ষকে জনোৱা মতে উক্ত আব্দুল আহাদ চৌধুৰীৰ বিৰুদ্ধে কৰিমগঞ্জ P.S.Case No.115/09 under Sec. 420 IPC পঞ্জীয়ন কৰা হৈছে।

ইয়াৰোপৰি বিভাগীয় তদন্তৰ ভিত্তিত সমবায় আইন, উপবিধি আৰু নির্দেশনা ভঙ্গৰ অপৰাধত তেওঁক সমবায় সমিতিখনৰ সভাপতি পদৰ পৰা কিয় অপসাৰণ কৰা নহ'ব তাৰ কাৰণে দর্শাবলৈ বিধিমতে জাননী (Show Cause) জাৰী কৰা হৈছে। এই জাননী No.Coop.46/2009/185, dt.13.7.09 চিঠিৰ যোগে জনোৱা হৈছে।

(খ) কৰিমগঞ্জ জিলাৰ আৰক্ষী অধীক্ষকে জনোৱা মতে আব্দুল আহাদ চৌধুৰীৰ বিপক্ষে মিজোৰাম ৰাজ্যৰ আইজালৰ মাননীয় অতিৰিক্ত জিলা আৰু চেচন জজ (Addl. District and Session Judge, Aizal)ৰ আদালতে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰি ৬ মে', ২০০৯ তাৰিখৰ ভিতৰত আদালতত হাজিৰ কৰিবলৈ কৰিমগঞ্জ জিলাৰ পুলিচ অধীক্ষকক নিৰ্দেশ দিছিল। কিন্তু ব্যক্তিগৰাকী পলাতক অৱস্থাত থকাত কৰিমগঞ্জ পুলিচে সেই গ্ৰেপ্তাৰী পৰোৱানা কাৰ্য্যকৰী কৰিব নোৱাৰি ন্যায়ালয়ক সময় বঢ়াই দিবলৈ আবেদন কৰিছে।

বিষয় ঃ অসম পলিষ্টাৰ উদ্যোগ লিমিটেডৰ শ্ৰমিক কৰ্মচাৰীৰ সমস্যা সম্পৰ্কত।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

৪৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম পলিষ্টাৰ উদ্যোগ লিমিটেডৰ শ্ৰমিক কৰ্মচাৰীসকলৰ প্ৰতিষ্ঠানৰ পৰা এতিয়ালৈ কিমান মাহৰ ভৱিষ্যনিধিৰ ধন জমা হোৱা নাই? এই ধন পি এফত জমা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(খ) এপ'ল' উদ্যোগত নিয়োজিত নোহোৱা শ্ৰমিক কৰ্মচাৰীসকলক চৰকাৰে ডি আৰ এচ দিয়াৰ আঁচনি গ্ৰহণ কৰিছেনে?

(গ) সমবায় খণ্ডত প্ৰতিষ্ঠিত এই উদ্যোগটোৰ শ্ৰমিক কৰ্মচাৰীসকলে সমবায় খণ্ডৰ বিধিমতে দা-দৰমহা পাই আছেনে? যদি পোৱা নাই দিয়া হ'বনে?

(ঘ) কেইবছৰ ধৰি এ বি এম হোৱা নাই, এ বি এম অনুষ্ঠিত কৰিবনে?

(ঙ) ৰাজ্যৰ য'ত য'ত কপাহী সূতাৰ উদ্যোগৰ যেনেকৈ ডি এ টি নাই তেনেকৈ এই উদ্যোগটোকো ভেটৰ পৰা ৰেহাই দিবনে?

শ্রীভৰত চন্দ্র নৰহ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম পলিয়েষ্টাৰ উদ্যোগ লিমিটেডৰ কর্মচাৰীসকলৰ ১৬৭ মাহৰ ভৱিষ্যনিধিৰ ধন জমা হোৱা নাই। এই পি এফৰ ধন মিলটোৰ হাতত থকা ধনৰ দ্বাৰা পর্য্যায়ক্রমে আদায় দিয়াৰ কাৰণে মিল কর্ত্তৃপক্ষই ব্যৱস্থা গ্রহণ কৰিব। ইতিমধ্যে মিলটোত বর্তমান নিয়োগ কৰা কর্মচাৰীসকলৰ ভৱিষ্যনিধিৰ সম্পূর্ণ ধন জমা দি থকা হৈছে।

(খ) এপ'ল' উদ্যোগত নিয়োজিত নোহোৱা শ্রমিক কর্মচাৰীসকলক বর্তমানে চৰকাৰে VRS দিয়া সিদ্ধান্ত লোৱা নাই।

(গ) সমবায় খণ্ডত প্রতিষ্ঠিত উদ্যোগ/প্রতিষ্ঠানৰ শ্রমিক কর্মচাৰীৰ দা-দর্মহা আদায়ৰ ক্ষেত্রত সমবায় বিধিত কোনো ধাৰা সন্নিবিষ্ট কৰা হোৱা নাই। সমবায়খনৰ আয়ৰ ওপৰত ভিত্তি কৰি মিলটোত বর্তমান কর্মৰত কর্মচাৰীসকলৰ দা-দর্মহা নিয়মীয়াকৈ দি থকা হৈছে।

(ঘ) ৫ (পাঁচ) বছৰ ধৰি বছৰেকীয়া সাধাৰণ সভা হোৱা নাই। সাধাৰণ সভা পতাৰ নির্দেশ মিল কর্ত্তৃপক্ষক অতি সোনকালে দিয়া হ'ব।

(ঙ) ৰাজ্য চৰকাৰে বিত্ত বিভাগে এই ক্ষেত্রত বিবেচনা কৰিব পাৰে।

Subject : Traditional Kings system in Karbi-Anglong & North Cachar Dist.

Shri Prafulla Kumar Mahanta asked :

44. Will the Hon'ble Minister, Hill Areas Department be pleased to state :-

(a) Whether the traditional kings system is Karbi-Anglong and N. C. Hills districts are still existing ?

(b) If so please state the name of the Traditional Kings and thier Traditional states ?

(c) Whether any Honorarium has been provided to the Traditional King ?

(d) If so, please mentioned the amount of Honorarium. If not, whether Govt. will make any provision of Honorarium for the Kings of both the districts ?

(e) What steps may be going to take to protect and preserve the culture and Traditional Kingdom of Kings?

Shri Khor Sing Engti (Minister, Hill Areas Deptt.) replied :

(a) Yes, the Traditional King system in Karbi-Anglong is still Existing. But at present there is no Traditional King system in N.C. Hills Autonomous Council.

(b) The name of the present traditional King is Sri Harsing Ronghang and his traditional state are (Ser Hongthom)

viz, Rong Khang, Chingthong and Amri. The kingdom Chief is known as Lindokpo (King). The Lindokpo is the Traditional Administrator and social chief. In the Rongkhang Kingdom, there are four Artu (Branch) viz. Ronghang Artu, Rongpi Artu, Killing Artu and Rongcheicho Artu. In the Chingthong Kingdom, there are three Artu and three Lindokpo, viz. Chingthong, Nongkeda and Nongpli Artu. In the Amri Kingdom, there are two Artu and two Lindokpo viz. Durong and Nongkirla Artu.

In respect of N.C. Hills Autonomous Council question does not arise.

(c) No.

(d) Does not arise.

(e) In order to protect and preserve the culture and traditional Kingdom of Karbi-Traditional Kings the following Schemes implemented.

(i) Construction of "Dorbar Hall" at Ronghang Rongbong, Hamren.

(ii) Construction of "Riso Aterang" at Ronghang Rongbong.

(iii) Construction of "Biri Arnam" (A RCC platform

of worship) alongwith boundary wall.

(iv) For protection and preservation of "Rong Arak" a decorated Historical wooden post of Karbi Kingdom has been erected at Ronghang Rongbong.

(v) Consrtuction of permanent urinal and latrine shed completed.

But at present, no steps have so far been taken by the N.C. Hills Autonomous Council.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৪৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ বাবে বিগত ৭ (সাত) বছৰত কিমান আঁচনি লোৱা হৈছিল? আঁচনিসমূহৰ বিৱৰণ দিব।

(খ) আঁচনিসমূহৰ বিপৰীতে কিমান ধন আৱণ্টন দিয়া হ'ল?

(গ) আঁচনিসমূহ কেনেদৰে ৰূপায়ণ কৰা হৈছে সবিশেষ জনাবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ বাবে বিগত ৭ (সাত) বছৰত মুঠ ৭ (সাত) খন আঁচনি লোৱা হৈছিল।

আঁচনিসমূহৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল—

Sl. No.	Name of Scheme	Source of Fund	Amount
1.	Construction of Maternity Ward Ground Floor (two storied provision, External Water supply and R.C.C. stagging).	United Fund	Rs. 19,54,576.00
2.	Construction of RCC Sick New Born Care Unit (25 Bedded)	Untied the fund of National Rural Health Mission, Assam.	Rs. 30,00,000.00
3.	Upgradation of Kanaklata Civil Hospital, Tezpur to IPHS Level of District Hospital.	Under the fund of National Rural Health Mission, Assam.	Rs. 1,40,00,000.00
4.	(a) Repair / Renovation / Extension of A.T. GNM Hostel etc. under NRHM at Kanaklata Civil Hospital, Tezpur. (Civil Work)	Under the fund of National Rural Health Mission, Assam.	Rs. 1,37,68,800.00
	(b) Repair / Renovation / Extension of A.T. GNM Hostel etc. Under NRHM at Kanaklata Civil Hospital, Tezpur (Electricall)	Under the fund of National Rural Health Mission, Assam.	Rs. 16,08,533.00
5.	Repair / Renovation of ANM Hostel at Kanaklata Civil Hospital, Tezpur.	Under the fund of National Rural Health Mission, Assam.	Rs. 22,51,300.00

Sl. No.	Name of Scheme	Source of Fund	Amount
6.	Construction of Assam Type AYUSH Wings	Ministry of Health & F.W. Govt. of India (Department of AYUSH)	Rs. 10,00,000.00
7.	Construction of Morgue with Body Cabin	Under the Award of 12th Finance Commission	Rs. 63,81,000.00
		Total	**Rs. 4,39,64,209.00**

(খ) আঁচনিসমূহৰ বিপৰীতে মুঠ ৪,৩৯,৬৪,২০৯.০০ টকা (চাৰি কোটি উনচল্লিশ লাখ চৌষষ্ঠি হাজাৰ দুশ ন টকা) আৱণ্টন দিয়া হৈছে। আঁচনিৰ বিপৰীতে ধনৰ পৰিমাণ উত্তৰ 'ক' অংশত সবিশেষ দেখুওৱা হৈছে।

(গ) আঁচনিসমূহ গড়কাপ্তানী (গৃহ) তেজপুৰ সংমণ্ডল আৰু কনকলতা অসামৰিক চিকিৎসালয়ৰ ৰূপায়ণ সমিতি আৰু জিলা স্বাস্থ্য সমিতিৰ দ্বাৰা পূৰ্বৰ অনুমোদিত প্ৰাক্-কলন অনুসৰি বিভাগীয় ব্যৱস্থা অনুযায়ী ৰূপায়ণ কৰা হৈছে।

Subject : Payment of Arrear Salaries.

Shri Mission Ranjan Das asked :

46. Will the Minister of Health and Family Welfare be pleased to state :-

(a) Whether the Govt. will arrange to make payment of arrear salaries of (1) Dr. Sudarshan Das (R.K. Nagar P.HC.), (2) Dr. Bidyut Paul (Nilambazar P.H.E) (3) Dr. Dhanraj Rava (Dasgram M.S.C.) and (4) Mubaswir Ali Peon in Karimganj District who have not got salaries due to Non-availability of Budget allotment of salaries ?

(b) Is it true that a proposal for same has been sent by the then Joint Director of Health Service, Karimganj, Dr. Ashutosh Das? If yes, please state in it details?

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare) replied :

(a) The Joint Director of Health Services, Karimganj has already submitted proposal to the Director of Health Services, Assam in respect of Dr. Sudarshan Das and Dr. Bidyut Paul. He has been asked to submit proposal for remaining two officials namely Dr. Dhanraj Rava & Mubaswir Ali, so as to take action in consultation with Finance Deptt.

(b) The proposals for allocation of fund in the respective Head of Account as received was taken up with Finance (Budget) Deptt. But due to non-availability of fund in the respective Head of Account the same could not be released.

বিষয় ঃ NRHM আঁচনিৰ টকা আৱণ্টন।

শ্রীআব্দুল আজিজে সুধিছে ঃ

৪৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৮-০৯ বর্ষৰ বাবে নগাওঁ জিলাত NRHM আঁচনিৰ বাবে কিমান টকা আৱণ্টন দিছে?

(খ) উক্ত টকাৰে নগাওঁ জিলাত কি কি আঁচনিৰ বিপৰীতে কিমান কিমান টকা আৱণ্টন দিছে আঁচনিসমূহৰ নাম উল্লেখ কৰি সমষ্টিভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিবনে?

(গ) উক্ত আঁচনিৰ কাম কোন কোন ঠিকাদাৰৰ নামত আৱণ্টন দিছে? ঠিকাদাৰসকলৰ নাম আৰু আঁচনিসমূহৰ প্রাক্কলনৰ কপি সদনৰ মেজত জমা দিবনে?

(ঘ) উক্ত আঁচনিসমূহৰ কাম কোন সমষ্টিত কিমান অগ্রগতি হৈছে? (বিতং তথ্য সদনৰ মেজত জমা দিব)।

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৮-০৯ বিত্তীয় বর্ষত নগাওঁ জিলাত NRHMৰ অধীনত বিভিন্ন আঁচনিৰ বিপৰীতে সর্বমুঠ ৫৭৮.৯০ (পাঁচশ আঠসত্তৰ লাখ নব্বৈ হাজাৰ) লাখ টকা আৱণ্টন দিয়া হৈছে।

(খ) উক্ত আঁচনিসমূহৰ নাম আৰু প্রত্যেক আঁচনিৰ বিপৰীতে আৱণ্টন দিয়া ধনৰ পৰিমাণৰ সমষ্টি ভিত্তিত তালিকা Annexure-I ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) উক্ত আঁচনিৰ কাম NRHM-ৰ মুখ্য কার্য্যালয়ৰ পৰা কোনো ঠিকাদাৰক আৱণ্টন দিয়া হোৱা নাই। অৱশ্যে নগাওঁ জিলা স্বাস্থ্য সমিতি কর্ত্তৃপক্ষৰ তৰফৰ পৰা প্রচাৰ সম্পর্কীয় কাম-কাজ (BCC) Behaviour Change Communication / (IEC) Information Education Communication কাম-কাজসমূহ নিম্নলিখিত ঠিকাদাৰ, যোগনিয়াৰ আৰু স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ দ্বাৰা কৰা হৈছে।

(1) Kartik Sarma, (2) Dream Wood Advertising,
(3) Ananda Purkayastha, (4) Bora Enterprise,
(5) Quality Printers, (6) NGO – Green Earth,
(7) NGO – Moon Light Creative Foundation,
(8) NGO – Gypsy's Care, (9) NGO – Pahar,
(10) NGO – Mahatma Gandhi Trust.

Repairing of Quarter আঁচনিৰ বাহিৰে বাকী আঁচনিসমূহৰ Model প্রাক্কলনৰ কপি Annexure-II ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) 'খ' প্রশ্ন উত্তৰ দ্রষ্টব্য। তথ্যসমূহ Annexure-I ত সন্নিবিষ্ট কৰা হৈছে।

বিষয় ঃ হিলচ্ প্লেনিং ব'র্ড সম্পর্কে।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪৮। মাননীয় পার্বত্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) হিলচ্ প্লেনিং ব'র্ডখন কি কাৰণত গঠন কৰা হয় আৰু বছৰত কেইবাৰ এই ব'র্ডৰ বৈঠক বহে?

(খ) ২০০৬ চনৰ পৰা এতিয়ালৈকে এই ব'ৰ্ডৰ বৈঠক কেইবাৰ বহিছে? যদি বহা নাই, কি কাৰণত বহা নাই জনাবনে?

(গ) কাক কাক লৈ এই হিলচ্ প্লেনিং ব'ৰ্ডখন গঠন কৰা হৈছে আৰু ইয়াৰ সদস্যসকলৰ নামবোৰ জনাবনে?

(ঘ) পার্বত্য এলেকাৰ জিলা দুখনৰ উন্নয়নমূলক আঁচনিৰাশি এই ব'ৰ্ডৰ সভাত আলোচনা কৰা হয়নে?

(ঙ) যদি কৰা হয়— আলোচনা অবিহনে জিলা দুখনৰ কাম-কাজ চলি থকাটো সত্যনে?

শ্রীখৰছিং ইংতি (পার্বত্য উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ পার্বত্য জিলা দুখন— কার্বিআংলং আৰু উত্তৰ কাছাৰ পার্বত্য জিলাৰ উন্নয়ন আৰু জিলা দুখনৰ বিশেষ সমস্যাসমূহ উপলব্ধি কৰি পাহাৰীয়া জিলা দুখনৰ পৰিকল্পিত উন্নয়ণৰ দিশত পৰামর্শ আৰু সংশ্লিষ্টসকলৰ মাজত মত-বিনিময়ৰ বাবে এই "হিল প্লেনিং ব'ৰ্ড" গঠন কৰা হয়।

হিল প্লেনিং ব'ৰ্ডৰ বৈঠকৰ বাবে কোনো নির্দিষ্ট সময় নির্দ্ধাৰিত নাই। প্রয়োজন অনুসৰি ইয়াৰ বৈঠক অনুষ্ঠিত কৰা হয়।

(খ) ২০০৬ চনৰ পৰা এতিয়ালৈকে হিল প্লেনিং ব'ৰ্ডৰ বৈঠক বহা নাই। অসমৰ মাননীয় মুখ্য মন্ত্রী মহোদয় এই হিল প্লেনিং ব'ৰ্ডৰ অধ্যক্ষ। মাননীয় অধ্যক্ষ মহোদয়ৰ সময়-সুবিধা অনুযায়ীহে এই ব'ৰ্ডৰ বৈঠকসমূহ সাধাৰণতে অনুষ্ঠিত কৰা হয়। ব'ৰ্ডৰ পৰৱর্ত্তী বৈঠকৰ বাবে প্রস্তুতি চলাই থকা হৈছে।

(গ) মাননীয় অসমৰ মুখ্য মন্ত্রী মহোদয়ৰ সভাপতিত্বত দুজন উপ-সভাপতি আৰু কেইজনমান সদস্যক লৈ "হিল প্লেনিং ব'ৰ্ড" গঠন কৰা হয়। মাননীয় পার্বত্য এলেকাৰ বিভাগৰ মন্ত্রী মহোদয়ে ব'ৰ্ডৰ এজন উপ-সভাপতি (উপাধ্যক্ষ) হিচাপে থাকে আৰু আনজন উপ-সভাপতি (উপাধ্যক্ষ) চৰকাৰে মনোনীত কৰে।

ব'ৰ্ডৰ সদস্য তালিকা (Annexure-I) সংলগ্ন কৰা হ'ল।

(ঘ) পার্বত্য এলেকাৰ জিলা দুখনৰ উন্নয়নমূলক আঁচনিবাশি এই ব'ৰ্ডৰ সভাত আলোচনা কৰা হয়।

(ঙ) হিল প্লেনিং ব'ৰ্ড জিলা দুখনৰ পৰিকল্পনাৰ দিশত এক পৰামর্শদাতা ব'ৰ্ড। এই ব'ৰ্ডৰ পৰামর্শসমূহ বার্ষিক পৰিকল্পনাৰ আঁচনিসমূহ ৰূপায়িত কৰাৰ ক্ষেত্রত গুৰুত্ব সহকাৰে বিবেচনা কৰা হয়, যদিও বার্ষিক পৰিকল্পনাৰ আঁচনিসমূহ সচৰাচৰ ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগৰ নির্দিষ্ট নীতি-নির্দেশনাৰ জৰিয়তেহে ৰূপায়িত কৰা হয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪৯। মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পশুপালন বিভাগৰ দ্বাৰা পৰিচালিত কামপুৰ পশুপালন ফার্মখনৰ শোচনীয় অৱস্থাৰ বাবে দায়ী কোন? এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত ফার্মখনৰ উন্নয়নৰ বাবে বর্তমান চৰকাৰে কি কি ব্যৱস্থা হাতত

লৈছে জনাৰনে? বৰ্তমান বছৰত উক্ত ফাৰ্মখনৰ উন্নয়নৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে জনাবনে?

(গ) উক্ত ফাৰ্মখনৰ মাটিকালি কিমান? সমুদায় মাটিখিনি চৰকাৰৰ হাতত আছেনে?

(ঘ) বৰ্তমান ফাৰ্মখনত কিমান ম'হ আছে আৰু প্ৰতিপালনৰ বাবে কিমানজন চাকৰিয়াল আছে?

(ঙ) বৰ্তমান উক্ত ফাৰ্মখন চোৱা-চিতা কৰিবৰ বাবে কোন বিষয়াক দায়িত্ব দিয়া হৈছে আৰু তেওঁ কামসমূহ সূচাৰুৰূপে সম্পাদন কৰি আছেনে?

(চ) ২০০১-২০০২ বিত্তীয় বছৰৰ পৰা বৰ্তমানলৈকে কিমান টকা আৱণ্টন কৰা হৈছিল/হৈছে? (বিতং তথ্য জনাব)

শ্ৰীখৰছিং ইংতি (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পশুপালন বিভাগৰ দ্বাৰা পৰিচালিত কামপুৰত কোনো পশুপালন ফাৰ্ম নাই। কিন্তু বঢ়মপুৰতহে পশুপালন বিভাগৰ দ্বাৰা পৰিচালিত এখন পশুপালন ফাৰ্ম আছে।

(খ) বঢ়মপুৰ ফাৰ্মখনৰ উন্নয়নৰ বাবে চৰকাৰে তলত উল্লেখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে—

১/ ২০০৮-০৯ বছৰত ৰাষ্ট্ৰীয় কৃষি বিকাশ আঁচনিৰ অধীনত ফাৰ্মখনত সমূহীয়া ঘাঁহনি পথাৰ স্থাপনৰ বাবে ৫৫ হাজাৰ টকাৰ এখন আঁচনি হাতত লোৱা হৈছে আৰু এই ধন

নগাওঁ জিলাৰ পশুপালন আৰু পশুচিকিৎসা বিষয়ক মোকলাই দিয়া হৈছে।

২/ ফাৰ্মখনত পশুধনৰ প্ৰয়োজনীয় ঘাঁহখেতি কৰাৰ অৰ্থে মাটি চহাবৰ বাবে ট্ৰেক্টৰত ব্যৱহাৰ হোৱা তেল-ম'বিল আদিৰ বাবদ ১.৬ লাখ টকাৰ মঞ্জুৰী জিলা পশুপালন আৰু পশুচিকিৎসা বিষয়াক দিয়া হৈছে।

৩/ ঘাঁহখেতিৰ বাবে ঘাঁহৰ বীজ আৰু সাৰ কিনাৰ বাবদ ৩ লাখ টকা জিলা পশুপালন বিষয়াক আৱণ্টন দিয়া হৈছে।

৪/ ঘাঁহখেতিত প্ৰয়োজনীয় জলসিঞ্চনৰ সুবিধাৰ বাবদ ১.২৫ লাখ টকা জিলা পশুপালন বিষয়াক মোকলাই দিয়া হৈছে।

৫/ ফাৰ্মখনৰ উন্নয়নৰ কাৰণে ৫ লাখ টকাৰে এখন নতুন ট্ৰেক্টৰ কিনাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(গ) বঢ়মপুৰ ফাৰ্মখনত বৰ্তমান ৩৮৫ বিঘা মাটি আছে। এই সমুদায় মাটি ফাৰ্মৰ হাতত আছে।

(ঘ) বঢ়মপুৰ ফাৰ্মত বৰ্তমান ৩৩ জনী ম'হ আৰু ৩০ জনী গৰু আছে। আৰু ফাৰ্মখন পৰিচালনাৰ বাবে মুঠ ৪২ জন কৰ্মচাৰী কৰ্মৰত আছে।

(ঙ) বৰ্তমান ফাৰ্মখন চোৱা-চিতা কৰাৰ বাবে ফাৰ্ম পৰিচালকক দায়িত্ব অৰ্পন কৰা হৈছে। পৰিচালকগৰাকীয়েও সূচাৰুৰূপে ফাৰ্মৰ কাম-কাজ সম্পাদন কৰি আছে।

(চ) ২০০১-০২ বিত্তীয় বছৰৰ পৰা বৰ্তমানলৈ ফাৰ্মখনত আৱণ্টন দিয়া ধনৰ তথ্য তলত দিয়া হ'ল—

বিত্তীয় বর্ষ	কর্মচাৰীৰ দৰমহা	শ্রমিকৰ মজুৰী	যাতায়ত/ কার্যালয়ৰ খৰচ	মুঠ
২০০১-০২	৯,৫০,০০০,০০	৭,৯৩,০০০,০০	২৫,০০০.০০	১৭,৬৮,০০০,০০
২০০২-০৩	৯,৫০,০০০,০০	৭,৯২,০০০,০০	১৮,০০০.০০	১৭,৬০,০০০,০০
২০০৩-০৪	৯,৬০,০০০,০০	৯,০০,০০০,০০	৩৪,০০০,০০	১৮,৯৪,০০০,০০
২০০৪-০৫	১১,৪০,০০০,০০	৯,১২,০০০,০০	৩৪,০০০,০০	২০,৮৬,০০০,০০
২০০৫-০৬	২০,৫০,০০০,০০	৭,৬২,০০০,০০	৬২,০০০,০০	২৮,৭৪,০০০,০০
২০০৬-০৭	৩৬,০০,০০০,০০	—	২০,০০০,০০	৩৬,২০,০০০,০০
২০০৭-০৮	৩৯,০০,০০০,০০	—	৩১,০০০,০০	৩৯,৩১,০০০,০০
২০০৮-০৯	৪৪,০০,০০০,০০	—	১১,০০০,০০	৪৪,১১,০০০,০০
২০০৯-১০	১২,০০,০০০,০০	—	—	১২,০০,০০০,০০

(জুলাই' ০৯ পর্য্যন্ত)

বিষয় ঃ পুথিভঁৰাল সঞ্চালকালয়লৈ পুঁজি মুকলি কৰা সন্দর্ভত।

শ্রীউদ্ধৱ বর্মনে সুধিছে ঃ

৫০। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম পুথিভঁড়াল সেৱা সঞ্চালকালয়ে কেন্দ্রীয়ভাৱে গ্রন্থ ক্রয় কৰাৰ বাবে কিমান পুঁজি আৱণ্টন পাইছে বিংতকৈ জনাবনে?

(খ) কিমানগৰাকী প্রকাশকে এই গ্রন্থ যোগানৰ আদেশ লাভ কৰিছে?

(গ) এই গ্রন্থযোগান প্রতিষ্ঠানবোৰৰ কোন প্রতিষ্ঠানে কিমান টকাৰ কি কি গ্রন্থ যোগানৰ আদেশ পাইছে বিতংকৈ জনাবনে?

(ঘ) এই গ্ৰন্থ যোগানৰ কোন কোন প্ৰতিষ্ঠানক কিমান টকাৰ বিল আদায় দিয়া হৈছে বিতংকৈ জনাবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম পুথিভঁৰাল সেৱা সঞ্চালকালয়ে কেন্দ্ৰীয়ভাৱে গ্ৰন্থ ক্ৰয় কৰাৰ বাবে বাৰ্ষিক পৰিকল্পনাত ৩৮.০০ লাখ টকা আৰু দ্বাদশ বিত্তীয় আয়োগত ৫৭.৯০ লাখ টকাৰ আৱণ্টন পাইছে।

(খ) ১৮ গৰাকী প্ৰকাশকে এই গ্ৰন্থ যোগানৰ আদেশ লাভ কৰিছে।

(গ) এই গ্ৰন্থ যোগানৰ বিতং তথ্য ইয়াৰ লগত সংলগ্ন কৰা হ'ল।

(ঘ) গ্ৰন্থ যোগানকাৰী প্ৰতিষ্ঠানসমূহৰ নাম আৰু বিল আদায়ৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

কিতাপ যোগানকাৰী প্ৰতিষ্ঠান		বিল আদায়ৰ পৰিমাণ
১) চন্দ্ৰ প্ৰকাশ	—	১২,০০,৬৯০,০০ টকা
২) এন এল পাব্লিকেছন	—	৪,০০০,০০ টকা
৩) কিৰণ প্ৰকাশন	—	২,৮৪৮.০০ টকা
৪) বাণী মন্দিৰ	—	৮,৬৫,৫০৫,০০ টকা
৫) জ্যোতি প্ৰকাশন	—	৩,০৩,৭৫০,০০ টকা
৬) ধেমাজী বুকষ্টল	—	২,০৪,৭৫০,০০ টকা
৭) অন্বেষা	—	২,০০,০০০,০০ টকা
৮) এল বি এছ	—	৫,০৫,১২৫,০০ টকা
৯) ষ্টুডেণ্টছ ষ্টোৰ্ছ	—	৪,০৮,০৮২,০০ টকা

১০) বনলতা	—	২,০৭,২৭০,০০ টকা
১১) পেপিৰাছ	—	২,২৫,৫০৪,০০ টকা
১২) ইষ্টার্ণ হাউছ	—	৫৯,০০০,০০ টকা
	মুঠ —	৪১,৮৬,৫৪৪,০০ টকা

Subject : Short Notice Question.

Dr. Aditya Langthasa asked :

51. Will the Minister of Health and Family Welfare be pleased to state :-

(a) How many Civil Hospitals F.R.U and C.H.C are there in Nagaon District ?

(b) How many of the above hospitals the facilities like full electrification, water supply and boundary wall ?

(c) How many of the above hospitals are equipped with X-ray and Ultrasound facilities ?

(d) Since when X-ray and Ultrasound machines of Hojai F.R.U have been functioning ?

(e) Whether the Department of health & Family Welfare is aware of that the lack of Adequate power supply at Hojai F.R.U Ultrasound machine could not functioning due to non instalment of transformer ?

Dr. Himanta Biswa Sarma (Minister Health & Family Welfare) replied :

(a) Civil Hospital ——— 1
F.R.U ——— 6
C.H.C ——— 5.

(b) Hospitals in Nagaon District have full Electrification - 12 Nos. One of them Raharanthali C.H.C. is in a defunct state and Bamuni C.H.C need repairing.

Hospital in Nagaon District have full water supply - 12 Nos. Out of them Raharanthali C.H.C though partial, it has been provided with inverter & Bamuni C.H.C is in a defunct state.

Hospital in Nagaon District having :

Full boundary wall	7.
Partial	2 (Kawaimari F.R.U & Bebezia C.H.C).
Needs repairing	2 (Doboka C.H.C & Raharanthali CHC)

Only front yard portion -1 (Lumding F.R.U)

(c) Hospitals equipped with X-ray machine 7 (Seven)
Ultrasound machine 7 (Seven)
Out of them 1 (one) X-ray machine & 1 (one) ultrasound machine at Lumding F.R.U are out of Order.

(d) The X-ray machines is functioning form 14.02.09
Ultrasound machine is not yet functioning.

(e) Department is aware of non installation of transformer. But Ultrasound machines is not functioning due to lack of trained personal.

বিষয় ঃ কার্বি আংলংৰ স্বায়ত্ব পৰিষদৰ ভূমি নীতি সম্পর্কে।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫২। মাননীয় পার্বত্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কার্বি আংলং স্বায়ত্ব পৰিষদে ষষ্ঠ অনুসূচীৰ বিধি-বিধান সাৰোগত কৰি জিলাখনত ভূমি নীতি কার্য্যকৰী কৰি আহিছেনে?

(খ) ষষ্ঠ অনুসূচীৰ অন্তর্গত এই স্বায়ত্ব পৰিষদখনত কি কি ভূমিকা নীতি বর্তমান কার্য্যকৰী হৈ আছেনে?

(গ) ষষ্ঠ অনুসূচীৰ অন্তর্গত এই স্বায়ত্ব পৰিষদখনত কি কি ভূমি নীতি ন্যস্ত হৈ আছে বিতংকৈ জনাবনে?

(ঘ) কার্বি আংলংৰ ভূমি খণ্ডৰ (স্বায়ত্ব পৰিষদ অন্তর্গত) প্রকৃত দখলদাৰ কোন?

(ঙ) অনা কার্বিৰ হাতত কিমান ভূমি বর্তমানলৈকে হস্তান্তৰ হৈ আছে জনাবনে?

শ্রীখৰছিং ইংতি (পার্বত্য অঞ্চল বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ষষ্ঠ অনুসূচীৰ অন্তর্গত কার্বি আংলং স্বায়ত্ব শাসিত পৰিষদত "The Mikir Hills Act No. 1 of 1953. The Mikir Hills (Land

and Revenue) Act, 1953" ভূমি নীতি কার্যকৰী হৈ আছে।

(গ) Mikir Hills Act No. 1 of 1953.

The Mikir Hills (Land and Revenue) Act, 1953" মূল নীতিৰ আধাৰত সংশোধিত ঃ-

(a) Act No. V of 1958, The Mikir Hill District (Land and Revenue (Amendment) Act, 1958.

(b) Act No. III of 1960 Amendment of the Mikir Hill District (Land Revenue) Act, 1953 (Mikir Hills) Act No. I)

(c) Mikir Hill Act No.II of 1956 (The Mikir Hill District (Land and Revenue) Third Amendment) Act, 1956.

(d) Act No. I of 1973, the Mikir Hills (Land and Revenue) (Fourth Amendment) Act, 1973.

(e) Act No. I of 1975, the Mikir Hills District (Land and Revenue) (Fifth Amendment) Act, 1975.

(f) Act No. II of 1959, the Mikir Hills District (Transfer of Land) Act, 1959.

(g) Mikir Hills Act, 1966. The Mikir Hills District (Transfer of Land) Act, 1966.

এই সংশোধিত ভূমিনীতি বর্তমানেও কার্যকৰী হৈ আছে।

(ঘ) স্বায়ত্ত শাসিত পৰিষদৰ অন্তর্গত বসবাস কৰা অনুসূচীত

জনজাতি/অনুসূচীত জাতিৰ বাহিৰেও কার্বি আংলংত বসবাস কৰা সকলো জনগোষ্ঠীয়েই প্রকৃত ভূমি দখলদাৰ।

(ঙ) ১৯৫১ চনৰ পৰা বর্ত্তমানলৈকে অনাকাৰবিলৈ ভূমি হস্তান্তৰ হৈ আছে। ১৯৫১ চনৰ পৰা অনাকাৰবিলৈ কিমান ভূমি হস্তান্তৰ হৈ আছে, তাৰ নথিপত্র জিলাখনৰ ৪টা চক্রবিষয়াৰ পৰা বিচৰা হৈছে।

বিষয় ঃ কার্বি আংলং স্বায়ত্ত পৰিষদৰ বাবে ২০০৮-২০০৯ আৰু ২০০৯-২০১০ বিত্তীয় বর্ষৰ পুঁজি আৱণ্টন সম্পর্কে।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫৩। মাননীয় পার্বত্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কার্বি আংলং স্বায়ত্ব পৰিষদৰ বাবে ২০০৮-২০০৯ আৰু ২০০৯-২০১০ বিত্তীয় বর্ষৰ বাবে কিমান কিমান পুঁজি নির্দ্ধাৰণ কৰিছিল?

(খ) ২০০৮-২০০৯ বিত্তীয় বর্ষৰ আৱণ্টিত পুঁজি কোন কোন বিভাগত কিমান কিমান ধন এই পৰিষদত নির্দ্ধাৰণ কৰিছিল?

(গ) প্রধান মন্ত্রীৰ বিশেষ পেকেজ (Prime Minister Special Package) শিতানত এই স্বায়ত্ব পৰিষদৰ বাবে ৩৫০ কোটি টকা আৱণ্টন কৰা কথাটো সত্যনে?

(ঘ) এই ৩৫০ কোটি বিশেষ পেকেজৰ পুঁজি কোন কোন শিতানত কিমান কিমানকৈ নির্দ্ধাৰণ কৰা হৈছিল?

(ঙ) এই পুঁজি স্বায়ত্ব পৰিষদে ইতিমধ্যে পাইছে নেকি? যদি পাইছে কি কি আঁচনি ৰূপায়ণ কৰিছে?

(চ) যদি পোৱা নাই — কি পর্য্যায়ত আছে জনাবনে?

(ছ) কার্বি আংলং স্বায়ত্ব পৰিষদৰ বাবে কেন্দ্রীয় চৰকৰৰ পৰা বিশেষ পুঁজি পাইছে নেকি?

শ্রীখৰছিং ইংতি (পার্বত্য অঞ্চল বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কার্বি আংলং স্বায়ত্ব শাষিত পৰিষদৰ বাবে ২০০৮-২০০৯ বিত্তীয় বর্ষৰ ১৮,৯৭৩,০০ লাখ টকা আৰু ২০০৯-২০১০ বর্ষত ১৮,৬৩০,০০ লাখ টকা পুঁজি নির্দ্ধাৰণ কৰা হয়।

(খ) ২০০৮-২০০৯ দ্বিতীয় বর্ষৰ আৱণ্টিত পুঁজি কোন বিভাগত কিমান ধন নির্দ্ধাৰিত কৰিছিল তাৰে এখন Sectoral Break upৰ প্রতিলিপি (Annexure–A) গাঁঠি দিয়া হ'ল।

(গ) প্রধান মন্ত্রীৰ বিশেষ পেকেজ (Prime Minister Special Package)ৰ শিতানত কার্বি আংলং আৰু উত্তৰ কাছাৰ স্বঃপৰিষদৰ বাবে ৩০ কোটি টকা আৱণ্টন কৰা হৈছে।

(ঘ) এই ৩০ কোটি বিশেষ পেকেজৰ পুঁজি পথ আৰু আনুসাংগিক আঁচনিৰ বাবে ধার্য্য কৰা হৈছে।

(ঙ) এই পুঁজি বর্তমানলৈকে স্বায়ত্ব পৰিষদে পোৱা নাই, গতিকে আঁচনি ৰূপায়ণৰ প্রশ্ন নুঠে।

(চ) আঁচনিসমূহৰ Concept Note বিভাগৰ পৰা সংগ্রহ কৰি P&D Deptt.ৰ জৰিয়তে কেন্দ্রীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে।

(ছ) কার্বি আংলং পার্বত্য জিলা পৰিষদখনে মাজে সময়ে বিশেষ কেন্দ্রীয় পুঁজি (Special Central Assistannce) লাভ কৰি আহিছে।

বিষয় ঃ কার্বি আংলং স্বায়ত্ব পৰিষদৰ ডেভেলপমেণ্ট ব্লকৰ সংখ্যা।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫৪। মাননীয় পার্বত্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কার্বি আংলং স্বায়ত্ব পৰিষদত কিমানটা ডেভেলপমেণ্ট ব্লক আছে? (ব্লকবোৰৰ নাম দিব)

(খ) এই ডেভেলপমেণ্ট ব্লকবোৰৰ সকলো ব্লক কার্য্যক্ষম হৈ আছেনে?

(গ) এই ব্লকবোৰৰ মুখ্যকার্য্যালয়বোৰ ক'ত ক'ত আছে আৰু কেতিয়াৰ পৰা এই কার্য্যালয়বোৰ স্থাপন হৈছে?

(ঘ) এই কথা সত্য নেকি যে— চামেলাংচু, ৰংমংবে, আমৰি, চিনথং, ৰংখাং আদি উন্নয়ন ব্লকবোৰ প্রকৃত কার্য্যনির্বাহ নকৰি বেলেগ ঠাইত কার্য্যালয় পাতি কার্য্যনির্বাহ কৰি আছে?

(ঙ) এই ডেভেলপমেণ্ট ব্লকবোৰত থকা বিষয়াবোৰৰ কোনে কেতিয়াৰ পৰা কার্য্যনির্বাহ কৰি আছে? (এই সন্দর্ভত বিতং তথ্য দিব)

(চ) অধিক কাল কার্য্যনির্বাহ কৰি থকা বিষয়াবোৰক শীঘ্রে বদলিৰ ব্যৱস্থা কৰিবনে?

শ্রীখৰছিং ইংতি (পার্বত্য অঞ্চল বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কার্বি আংলং জিলাত ১১ (এঘাৰ) টা ডেভেলমেণ্ট ব্লক আছে। (১) লুম্বাজং, (২) লাংচমেপি, (৩) চামেলাংচ', (৪) হাওৰাঘাট, (৫) বোকাজান, (৬) নিলিপ, (৭) ৰংমংৰে, (৮) ৰংখাং, (৯) চিনঠং, (১০) আম্ৰি, (১১) চ'ছেং।

(খ) হয়, সকলোবোৰ কার্য্যক্ষম হৈ আছে।

(গ) ১) লুম্বাজং —— মাঞ্জা
২) লাংচমেপি —— বকলীয়া
৩) চামেলাংচ' —— ডকমকা
৪) হাওৰাঘাট —— হাওৰাঘাট
৫) বোকাজান —— বোকাজান
৬) নিলিপ —— চিলনীজান
৭) ৰংমংৰে —— কাটটেৰণ
৮) ৰংখাং —— ডংকামকাম
৯) চিনঠং —— হামৰেণ
১০) আমৰি —— জাগীৰোড
১১) চ'ছেং —— খেৰনি

(ঘ) লাংচমেপি, চামেলাংচ', চ'ছেং, নিলিপ, আমেৰিব্লক বেলেগ ঠাইত কার্য্যলয় পাতি কার্য্যনির্বাহ কৰি আছে।

(ঙ) উন্নয়ন ব্লকবোৰত থকা সকলোবিলাক বিষয়াকে যোৱা লোকসভা নির্বাচনৰ আগতে বদলি কৰা হয়। এই সন্দর্ভত লোকসভা নির্বাচনৰ কিছুদিন আগতে কামত যোগদান কৰা উন্নয়ন ব্লক বিষয়াসকলৰ নাম উল্লেখ কৰা হ'ল।

উন্নয়ন ব্লকৰ নাম		উন্নয়ন ব্লক বিষয়াৰ নাম
১) লুম্বাজং ব্লক	——	বর্তমান কোনো বিষয়া দিয়া নাই।
২) লাংচ্‌মেগী ব্লক	——	ঐ
৩) চামেলাংচ ব্লক	——	বর্তমান কোনো বিষয়া দিয়া নাই।
৪) হাওৰাঘাট ব্লক	——	শ্রী এন. শর্মা
৫) বোকাজান ব্লক	——	বর্তমান কোনো বিষয়া দিয়া নাই।

উন্নয়ন ব্লকৰ নাম		উন্নয়ন ব্লক বিষয়াৰ নাম
৬) নিলিপ ব্লক	——	বর্তমান কোনো বিষয়া দিয়া নাই।
৭) ৰংমংৰে ব্লক	——	শ্রী এন. ইচলাম
৮) ৰংখাং ব্লক	——	শ্রী বি. ৰৰা
৯) চিনঠং ব্লক	——	শ্রী এ. গগৈ
১০) আম্ৰি ব্লক	——	শ্রী বি. জে. ৰৰা
১১) চ'ছেং ব্লক	——	শ্রী এন. কে. দলে

(ঙ) প্রশ্ন নুঠে।

বিষয় ঃ কার্বি আংলং স্বায়ত্ব পৰিষদ আৰু উত্তৰ কাছাৰ জিলা স্বায়ত্ব পৰিষদৰ অন্তর্গত জনজাতি ঝুমীয়া উন্নয়ন প্রকল্প সংম্পর্কে।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫৫। মাননীয় পার্বত্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কার্বি আংলং স্বায়ত্ব পৰিষদ আৰু উত্তৰ কাছাৰ জিলা স্বায়ত্ব পৰিষদৰ অন্তর্গত কিমানখন সমন্বিত জনজাতি ঝুমীয়া উন্নয়ন প্রকল্প আছে?

(খ) এই ঝুমীয়া প্রকল্প (ITJDP) সমূহলৈ ২০০১ চনৰ পৰা বর্তমানলৈকে কিমান পুঁজি যোগান ধৰিছে? (বিতংকৈ তথ্য দাখিল কৰিব)

(গ) এই ঝুমীয়া প্রকল্পই কি কি কাম কৰে আৰু এই প্রকল্পৰ দ্বাৰা কিমান লোক উপকৃত হৈছে? ২০০১ চনৰ পৰা সেই উপভোক্তাসকলৰ নাম-ঠিকনা দাখিল কৰিবনে?

(ঘ) এই প্রকল্পসমূহৰ তদাৰক কোনে কৰে? কি পদ্ধতিৰে এই প্রকল্পৰ পুঁজি আৱণ্টন কৰা হয় জনাবনে?

শ্রীখৰছিং ইংতি (পার্বত্য অঞ্চল বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কার্বি আংলং স্বায়ত্ব পৰিষদ আৰু উত্তৰ কাছাৰ জিলা স্বায়ত্ব পৰিষদৰ অন্তর্গত ১৯৯৫ চনৰ পূর্বলৈ চলি থকা কেন্দ্রীয় সাহার্য্য প্রাপ্ত কেন্দ্র ভিত্তিক সম্বন্ধিত ঝুমীয়া উন্নয়ন প্রকল্প (Integrated Jhumia Development Project) ৰ পৰিৱর্তে সাম্প্রতিক সময়ছোৱাত জলচ্ছেদ উন্নয়ন ভিত্তিক সম্বন্ধিত ঝুমীয়া উন্নয়ন কার্য্যসূচী (Integrated Jhumia Development Programme) প্রৱর্ত্তিত হৈছে আৰু এই কার্য্যসূচীৰ অধিনত বিগত বর্ষটোত কার্বি আংলং জিলাত মুঠ ২৬খন গাঁৱৰ ৪০৪টা পৰিয়াল আৰু উত্তৰ কাছাৰ পার্বত্য জিলাত মুঠ ১০ খন গাওঁৰ ৭৪০ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছে।

(খ) (লাখ টকা হিচাপত)

বর্ষ	কার্বি আংলং জিলা	উত্তৰ কাছাৰ পার্বত্য জিলা
২০০১-২০০২	৭৫.০০	৭৫.০০
২০০২-২০০৩	৬৭.০০	৬৭.০০
২০০৩-২০০৪	১৭৫.০০	১৭৫.০০
২০০৪-২০০৫	১৭৫.০০	১৭৫.০০
২০০৫-২০০৬	১৭৫.০০	১৭৫.০০
২০০৬-২০০৭	২০০.০০	২০০.০০
২০০৭-২০০৮	২০০.০০	২০০.০০
২০০৮-২০০৯	২০০.০০	২০০.০০
২০০৯-২০১০	২০০.০০ (ধার্য্য কৰা হৈছে)	২০০.০০ (ধার্য্য কৰা হৈছে)

(গ) এই আঁচনিৰ অধীনত নিম্ন উল্লেখিত কামসমূহ কৰা হয়।

১) ভূমি উন্নয়ন

২) ক্ষুদ্র জলসিঞ্চন

৩) জল বিতৰণ আঁচনি

৪) ৰাটাৰ হাৰভেষ্টিং ষ্ট্রস্কাৰ নির্মাণ

৫) পৰি গাঁঠনিৰ উন্নয়ন

৬) ৰবৰ বাগিছা (সৃষ্টি আৰু ভৰণ-পোষণ)

৭) চাহ বাগিছা (ক্ষুদ্র)

৮) কফি বাগিছা

৯) পানী সংগ্রহ টেংকী নির্মাণ

১০) বাঁহ বাগিছা

১১) ফল-মূল বাগিছা

১২) ৰেচম বাগিছা

১৩) মীন মহল নির্মাণ

১৪) কুটীৰ শিল্প আৰু হস্ততাঁত বস্ত্র-শিল্পৰ উন্নয়ন

১৫) ঝাৰু বাগিছা

১৬) কুঁহিয়াৰ খেতি

১৭) ক্ষুদ্র জলচ্ছেদ প্রকল্প

১৮) ভূমি আবাদকৰণ আঁচনি

১৯) বেঞ্চ টেৰেচিং

২০) চাহ্ পুলি গুটি পচোৱা কেন্দ্র

২১) কফি পুলি গুটি পচোৱা কেন্দ্র

২২) ৰবৰ পুলি গুটি পচোৱা কেন্দ্র

২৩) হিতাধিকাৰীৰ সজাগতা সৃষ্টি কর্ম, প্রশিক্ষণ আদি

২৪) হিতাধিকাৰী পুনৰ সংস্থাপন ইত্যাদি

২৫) কৃষি সঁজুলি, ক্ষুদ্র শিল্প সঁজুলি, তাঁত শাল, পানী যোগান নলী ইত্যাদি বিতৰণ।

এই আঁচনিৰ জৰিয়তে এতিয়ালৈকে কার্বি আংলং জিলাত মুঠ ৫৫০০ আৰু উত্তৰ কাছাৰ পার্বত্য জিলাৰ মুঠ ৪৮০০ জন লোক উপকৃত হৈছে। কার্বি আংলং জিলাৰ উপভোক্তাসকলৰ নাম ঠিকনা Annexure–I ত সংলগ্ন কৰি দিয়া হ'ল। উত্তৰ কাছাৰ স্বায়ত্ব পৰিষদৰ সম্পর্কত বর্তমানৰ সামগ্রীক পৰিস্থিতিৰ পৰিপ্রেক্ষিতত হিতাধিকাৰৰ নাম-ঠিকনা দিব পৰা নহ'ল।

(ঘ) সমন্বিত ঝুমীয়া উন্নয়ন কার্য্যসূচীৰ অধীনৰ আঁচনিসমূহ তদাৰক কৰাৰ বাবে দুয়োখন জিলা পৰিষদৰ অন্তর্গত অসম প্রশাসনীয় সেৱাৰ একোজনকৈ প্রকল্প বিষয়াৰ অধীনত একোটাকৈ সুকীয়া কোষ আছে।

দুয়ো জিলাৰ পৰা প্রেৰণ কৰা প্রস্তাৱৰ ভিত্তিত অসম পার্বত্য অঞ্চল উন্নয়ন আয়ুক্তৰ পৰামর্শ অনুসৰি পার্বত্য অঞ্চল বিভাগৰ জৰিয়তে আঁচনিসমূহৰ বাবে জিলা পৰিষদ দুখনলৈ পোনপতীয়াকৈ পুঁজি আৱণ্টন কৰা হয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৫৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ এলেকাধীন প্ৰত্যেকটো স্বাস্থ্য কেন্দ্ৰত ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত জন্ম হোৱা শিশুৰ সবিশেষ তথ্য সদনত দাখিল কৰিবনে? (PHE ভিত্তিত List দাখিল কৰিব)

(খ) যি বিলাক শিশু ঘৰতে বা নাৰ্চিংহোমত জন্ম গ্ৰহণ কৰিছে তাৰ Sub-center wise সদনত দাখিল কৰিবনে?

(গ) ৰপহীহাট সমষ্টিত ২০০৭-০৮ আৰু ২০০৮-০৯ চনৰ ভিতৰত কিমান শিশু ঘৰতে জন্ম গ্ৰহণ কৰিছে তাৰ তালিকা সদনত দিবনে?

(ঘ) উক্ত সময়খিনিত ঘৰতে জন্মগ্ৰহণ কৰা শিশুৰ নামত ASHAৰ জৰিয়তে বিভাগৰ পৰা টকা লোৱা অভিযোগ চৰকাৰৰ জ্ঞাতনে? যদি জ্ঞাত তেনে তালিকা সদনত দিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ এলেকাধীন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত, ২০০৭-০৮ আৰু ২০০৮-০৯ এই দুটা বৰ্ষত জন্ম হোৱা শিশুৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

ক্ৰ. নং	প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ/ চিকিৎসানুষ্ঠানত	জন্ম হোৱা শিশু সংখ্যা	
		২০০৭-২০০৮	২০০৮-২০০৯
১)	দগাওঁ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	২৭৩৬ টা	৩০৩২ টা
২)	ধিং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	২৪০৯ টা	৩০৪৯ টা

ক্ৰ. নং	প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ/ চিকিৎসানুষ্ঠানত	জন্ম হোৱা শিশু সংখ্যা	
		২০০৭-২০০৮	২০০৮-২০০৯
৩)	শিমনাবস্তি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	৫০৫ টা	৮৬৪ টা
৪)	যোগীজান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	২৬৩১ টা	৩০৩৬ টা
৫)	জখলাবন্ধা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	১৫১৪ টা	১৮১৯ টা
৬)	বাৰপুজীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	১০৫৫ টা	৯২৫ টা
৭)	বুঢ়াগোঁহাই থান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	৫৫০ টা	১৩২১ টা
৮)	চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	২৭৩৬ টা	৩৪৬১ টা
৯)	কঠীয়াতলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	৩৯৮৩ টা	৫০৮১ টা
১০)	লংকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	২৩৬৭ টা	২৭২৬ টা
১১)	শিঙীমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ	১৮০০ টা	১৯৬১ টা
১২)	বিঃ পিঃ চিভিল হস্পিতাল	৪৮২৬ টা	৫৩৪৯ টা
১৩)	নগাওঁ নাচিং মেটাৰনীতি হোম	৮৩৩ টা	—
১৪)	ৰেলৱে হস্পিতাল	৭২ টা	—
	মুঠ	২৮০৪৪ টা	৩২৬৫১ টা

(খ) নগাওঁ জিলাৰ উপস্বাস্থ্য কেন্দ্ৰ ভিত্তিক ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত ঘৰত জন্ম হোৱা শিশুৰ সংখ্যা প্ৰপত্ৰ 'ক' ত আৰু নার্চিং হোমত জন্ম হোৱা শিশুৰ সংখ্যা প্ৰপত্ৰ 'খ' ত দেখুৱাই সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) ৰূপহীহাট সমষ্টিৰ অন্তর্গত উপস্বাস্থ্য কেন্দ্র ভিত্তিক ২০০৭-০৮ আৰু ২০০৮-০৯ বর্ষৰ ঘৰত জন্ম হোৱা শিশুৰ সংখ্যা প্রপত্র 'গ' দেখুৱাই সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) স্বাস্থ্য বিভাগৰ হাতত তেনে কোনো অভিযোগৰ তথ্য নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রীআব্দুল আজিজে সুধিছে ঃ

৫৭। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৯ চনলৈ বৰাক আৰু ব্রহ্মপুত্র নদীৰ গৰাখহনীয়াই অসমত কিমান বিঘা মাটি কৃষিৰ অনুপযোগী কৰিছে? (জিলা ভিত্তিত সদনত জনাব)

(খ) এই গৰাখহনীয়াত ক্ষতিগ্রস্ত পৰিয়ালৰ সংখ্যা আৰু গাওঁৰ সংখ্যা কিমান? (সমষ্টি ভিত্তিত জনাব)

(গ) উক্ত গৰাখহনীয়া প্রতিৰোধৰ বাবে ৰাজ্য চৰকাৰে কি ধৰণৰ আঁচনি গ্রহণ কৰিছে আৰু তাৰ দ্বাৰা কোন কোন অঞ্চল লাভৱান হৈছে বিতংভাৱে জনাবনে?

শ্রীনুৰজামাল সৰকাৰ (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগ জ্ঞাত নহয়।

(খ) ভূমি সংৰক্ষণ বিভাগ জ্ঞাত নহয়।

(গ) ভূমি সংৰক্ষণ বিভাগ জ্ঞাত নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৫৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰূপহীহাট সমষ্টিত বৰ্তমানে কোন কেইখন জলসিঞ্চল আঁচনি কাৰ্য্যক্ষম হৈ আছে? আঁচনিৰ নামসমূহ উল্লেখ কৰি সদনত জনাবনে?

(খ) ৰাজহ গাওঁ অনুযায়ী আঁচনিসমূহৰ নাম কি কি?

(গ) কোনকেইটা আঁচনি কিমান চনৰ পৰা অচলাৱস্থাত আছে? (আঁচনিকেইটাৰ নাম উল্লেখ কৰিব)

(ঘ) বৰ্তমানে বন্ধ হৈ থকা আঁচনিসমূহ ৰাইজৰ সুবিধাৰ বাবে কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা বিভাগে গ্ৰহণ কৰিবনে?

শ্ৰীনুৰজামাল চৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰূপহীহাট বিধানসভা সমষ্টিত বৰ্তমান কাৰ্য্যক্ষম হৈ থকা আঁচনি হ'ল—

১। ৰূপহীবিল উত্তোলিত জলসিঞ্চন আঁচনি (বৰঘাট)

<u>আংশিকভাৱে কাৰ্য্যক্ষম হৈ থকা আঁচনিবোৰ ঃ</u>

১। পুথিখাইটি উত্তোলিত জলসিঞ্চন আঁচনি, পুথিখাইটী।

২। পুথিখাইটি বৈদ্যুতিক উত্তোলিত জলসিঞ্চন আঁচনি। পইণ্ট নং-১, ২, (সংযোজিত)

(খ) ৰাজহ গাওঁ অনুযায়ী আঁচনিসমূহৰ নাম ও প্ৰপত্ৰ-১ত দিয়া হৈছে।

(গ) <u>অচলাৱস্থাত থকা আঁচনিকেইটাৰ নাম</u> ঃ

১। পুথিখাইটি বৈদ্যুতিক উত্তোলিত জলসিঞ্চন আঁচনিৰ

(ক) পইণ্ট নং ৩ আৰু ৪ (সংযোজিত) — ১৯৯৭ চনৰ পৰা।

(খ) পইণ্ট নং ৫ আৰু ৬ (সংযোজিত) — ১৯৯৭ চনৰ পৰা।

(গ) পইণ্ট নং ৭ (”) — ২০০৩ চনৰ পৰা।

২। পুথিখাইটী বিলৰ উত্তোলিত জলসিঞ্চন আঁচনি (তেলিয়া চাপৰিটুপ) — ১৯৯১ চনৰ পৰা।

৩। সোনাই নদীৰ উত্তোলিত জলসিঞ্চন আঁচনি (চতিয়াল গাওঁ) — ১৯৯০ চনৰ পৰা অচল অৱস্থাত আছে।

৪। গভীৰ নলী-নাদ আঁচনি, লাওখোৱা খাটোৱাল মৌজা (ভকত গাওঁ) নির্মীয়মান অৱস্থাত আছে।

(ঘ) বর্তমান বন্ধ হৈ থকা (১) পুথিখাইটী উত্তোলিত জলসিঞ্চন আঁচনিৰ্ অধীনত ৰূপহীহাট সমষ্টিৰ অন্তর্গত ৪ (চাৰিটা) পইণ্টৰ (১ আৰু ২), (৩ আৰু ৪), (৫ আৰু ৬) সংযোজিত আৰু পইণ্ট নং-৭ৰ A.I.B.P. ২০০৯-১০ বর্ষৰ বাবে প্রশাসনিক অনুমোদন দিয়া হৈছে। ২০১০ৰ মার্চৰ ভিতৰত আঁচনিৰ কামখিনি সম্পূর্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

নিম্নলিখিত আঁচনি তিনিখন পর্য্যায়ক্রমে আর্থিক অনুদান পালেই কার্য্যকৰী কৰা হ'ব।

১) পুথিখাইটী বিলৰ উত্তোলিত জলসিঞ্চন আঁচনি তেলিয়াচাপৰিটুপ।

২) গভীৰ নলী-নাদ আঁচনি (লাওখোৱা খাটোৱাল মৌজা) ভকতগাওঁ।

৩) সোনাই নদীৰ উত্তোলিত জলসিঞ্চন আঁচনি (চতিয়াল গাওঁ)।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৫৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ৮৫ নং ৰূপহীহাট সমষ্টিত যোৱা ২০০৫ চনৰ পৰা ২০০৮-০৯ চনলৈ কি কি আঁচনিৰে উক্ত সমষ্টিৰ কৃষক ৰাইজৰ উন্নয়নকল্পে কাম কৰিছে তাৰ সঠিক তথ্য সদনৰ মেজত দিবনে?

(খ) ১৯৯১ চনৰ পৰা অচলাৱস্থাত থকা point কেইটা মেৰামতি কৰাৰ বাবে বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে তথ্যসহকাৰে জনাব।

শ্ৰীনুৰজামাল চৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ ৮৫ নং ৰূপহীহাট সমষ্টিৰ যোৱা ২০০৫ চনৰ পৰা ২০০৮-০৯ চনলৈ তলত উল্লেখ কৰা আঁচনিকেইখনৰ দ্বাৰা কৃষক ৰাইজৰ উন্নয়নৰকল্পে কাম কৰি থকা হৈছে।

১) পুথিখাইতি বিলৰ পৰা উত্তোলিত জলসিঞ্চন আঁচনি (পুথিখাইতি)

২) পুথিখাইতি উত্তোলিত জলসিঞ্চন আঁচনিৰ অধীনত পইণ্ট নং আৰু ২ (আংশিকভাৱে)

৩) ৰূপহী বিলৰ পৰা উত্তোলিত জলসিঞ্চন আঁচনি (বৰঘাট)

(খ) ১৯৯১ চনৰ পৰা অচল হৈ থকা একমাত্ৰ আঁচনিখন হ'ল ঃ

পুথিখাইতি বিলৰ উত্তোলিত জলসিঞ্চন আঁচনিৰ (তেলিয়াচাপৰি

টুপ) আৰু ১৯৯৭ চনৰ পৰা আংশিকভাৱে অচল হৈ থকা আঁচনিখন হ'ল - পুথিখাইতি উত্তোলিত জলসিঞ্চন আঁচনিৰ সাত পইণ্টৰ ভিতৰত ৰূপহী সংমণ্ডলৰ অন্তর্গত পইণ্টকেইটা (৩, ৪) (৫, ৬) আৰু ৭। উক্ত আঁচনিখনৰ উন্নতিৰ কাৰণে ২০০৮-০৯ চনত A.I.B.P.ৰ অধীনত প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল আৰু ইয়াৰে পুথিখাইতি উত্তোলিত জলসিঞ্চন আঁচনিখন ২০০৯-১০ বৰ্ষৰ বাবে প্ৰশাসনিক অনুমোদন দিয়া হৈছে। ২০১০ মার্চৰ ভিতৰত পুথখাইতি উত্তোলিত জলসিঞ্চন আঁচনিখনৰ পইণ্ট নং (১,২) (৩,৪) (৫,৬) আৰু ৭ৰ কার্য্যক্ষম কৰিব পৰা যাব বুলি আশা কৰা হৈছে। (বিতং তথ্য প্ৰ-পত্ৰ-১ত দিয়া হ'ল)

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৬০। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৯ চনলৈ অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগে নগাওঁ জিলাত কোন শিতানত কিমান টকা খৰচ কৰিছে? বছৰ ভিত্তিত আঁচনিৰ নাম উল্লেখ কৰি সমষ্টি ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিবনে?

শ্ৰীনুৰজামাল সৰকাৰ (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৯ চনলৈ (বিত্তীয় বর্ষ হিচাবত) অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগে নগাওঁ জিলাত বিধান সভাৰ সমষ্টি ভিত্তিত বিভিন্ন শিতানত আঁচনিৰ বিপৰীতে খৰচ কৰা ধনৰ পৰিমাণৰ তালিকা বিতংভাৱে সদনত দাখিল কৰা হ'ল।

Subject : Short Notice Question.

Dr. Rumi Nath asked :

61. Will the Minister of Irrigation be pleased to State :

(a) Whather the Govt. aware of that complains have been submitted to the E.E. Irrigation (Civil) and D.C. Cachar by the local public for Departmental Enquiry regarding the quality work of the canal scheme at Hatirhar village ? If so, what steps have so far being taken – up by the Govt. in this regards ?

(b) Will be Govt. be pleased to furnish copy of all details of the plan and estimate, work order, bills, name of contractors, technical officer in-charge, side incharge, with detail addresses etc. regarding the works of the canal scheme at Hatirhar village.

(c) Is it true, that the Govt. is formulating a policy for installation of shallow tube wells (S.T.W) in the three district of Barak Valley as per the report of the Central Ground Water Board (C.G.W.B) to overcome the farmer's irrigation problems especially during the month of December to April ? If so, what is the Policy ? Will the Govt. be pleased to furnish details of the policy on the table of the house ?

(d) Is it true, that the Government is planning to install 31,450 Nos. of S.T.W. in the District of Cachar, 21,857 Nos. in Karimganj and 13,850 Nos. in Hailakandi ? If so, what is the present position till date ? Please furnish details in this regards ?

Sri Nurjamal Sarkar (Minister, Irrigation) replied :

(a) All unspecified work of Hatirhar L.I.S. have been rejected by the Department, Contractors have reconstructed work in question as per direction of the department and as per specification.

(b) i) The amount of T.S. is Rs. 16.40 Lakhs.

ii) Technical Officer in-charge : Shri A.H. Choudhury, Asstt. Executive Engineer.

iii) Name of Site Incharge : Shri J.A. Choudhury, A.E., Shri H.A. Laskar, Sr. Grade, J.E. (Civil).

iv) Names of Contractors with work order number and value of work are furnished in a separate statement at Annexure-I.

(c) Irrigation Department is not aware of such move and the same relates to Agriculture Department.

(d) Irrigation Department is not aware of such scheme and the same relates to Agriculture Department.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৬২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৯ চনলৈ নগাওঁ জিলাৰ ৮৫ নং ৰূপহীহাট সমষ্টিৰ কৃষক ৰাইজৰ উন্নয়নৰ বাবে কি কি আঁচনি জলসিঞ্চন বিভাগে অনুমোদন জনাইছে সদনত তথ্য সহকাৰে জনাবনে?

(খ) ৮০ শতাংশ কৃষিজীৱি ৰাইজৰ হকে গ্ৰহণ কৰা আঁচনিসমূহ উল্লেখ কৰি ক্ৰমে অনুসৰি সদনক জনাবনে?

শ্ৰীনুৰজামাল সৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৯ চনলৈ সময়ছোৱাত ৰূপহীহাট সমষ্টিৰ উন্নয়নৰ বাবে কোনো ধৰণৰ নতুন আঁচনি অনুমোদন জনোৱা নাই। অৱশ্যে ২০০৮-০৯ বৰ্ষত A.I.B.P.ৰ অধীনত ৰূপহী বিল উত্তোলিত জলসিঞ্চন আঁচনিখন পুনৰজীৱিত কৰিবৰ কাৰণে অনুমোদন জনায় আৰু আঁচনিখন উক্ত বৰ্ষত কাৰ্য্যক্ষম কৰি তোলা হয়।

(খ) ৮০ শতাংশ কৃষিজীৱি ৰাইজৰ হকে গ্ৰহণ কৰা ৰূপহীহাট সমষ্টিৰ অন্তৰ্গত জলসিঞ্চন আঁচনিসমূহ হ'ল ঃ-

১। পুথিখাইটি উত্তোলিত জলসিঞ্চন আঁচনি।

২। পুথিখাইটি বিলৰ উত্তোলিত জলসিঞ্চন (তেলিয়া চাপৰিটুপ আঁচনি)।

৩। পুথিখাইটি বিলৰ উত্তোলিত জলসিঞ্চন আঁচনি পুথিখাইটি (N.L.C.P.)

৪। ৰূপহী বিল উত্তোলিত জলসিঞ্চন আঁচনি (বৰঘাট)

৫। গভীৰ নলী-নাদ আঁচনি লাওখোৱা খাটোৱাল মৌজা (ভকতগাওঁ)

৬। সোনাই নদীৰ উত্তোলিত জলসিঞ্চন আঁচনি (চতিয়াল গাওঁ)।

(বিতং তথ্য প্ৰ-পত্ৰ ১ত দিয়া হ'ল)

বিষয় ঃ অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয় আৰু নগাঁও জিলাৰ Civil Hospital আৰু জিলাখনত থকা PHC, CHC আৰু State Dispensary ত পঞ্জীয়ন কৰা ৰোগীসকলৰ সংখ্যা আৰু বিভিন্ন বেমাৰত বৃদ্ধি পোৱা বেমাৰীৰ সংখ্যা।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৬৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০০৯ চনৰ জানুৱাৰী মাহৰ পৰা মে' মাহলৈকে অসমৰ কোন কোন মেডিকেল কলেজত দৈনিক কিমানকৈ বেমাৰীৰ নাম পঞ্জীয়ন কৰা হৈছে, তাৰ তালিকা সদনত দাখিল কৰিবনে?

(খ) কোন কোন বেমাৰত বেমাৰীৰ সংখ্যা বৃদ্ধি পাইছে?

(গ) ২০০৯ চনৰ জানুৱাৰীৰ পৰা মে' মাহলৈ নগাওঁ জিলাৰ Civil Hospital আৰু জিলাখনত থকা PHC, CHC আৰু State Dispensary ত দৈনিক কিমানকৈ বেমাৰীৰ নাম পঞ্জীয়ন কৰা হৈছে? তাৰ তালিকা এখন সদনত দাখিল কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৯ চনৰ জানুৱাৰী মাহৰ পৰা মে' মাহলৈ অসম মেডিকেল কলেজ ডিব্ৰুগড়, গুৱাহাটী মেডিকেল কলেজ, গুৱাহাটী আৰু শিলচৰ

মেডিকেল কলেজ, শিলচৰত প্ৰঞ্জীয়ন কৰা ৰোগীৰ তালিকা (Annexure–A) (দহ পৃষ্ঠা), & Annexure– B (পাঁচ পৃষ্ঠা) আৰু Annexure–C (এক পৃষ্ঠা) সংলগ্ন কৰা হৈছে।

(খ) গুৱাহাটী মেডিকেল কলেজ, গুৱাহাটী আৰু শিলচৰ মেডিকেল কলেজ, শিলচৰৰ পৰা পোৱা তথ্য অনুসৰি তলত দিয়া ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে।

<u>গুৱাহাটী মেডিকেল কলেজ হস্পিটেল, গুৱাহাটী ঃ-</u>

জ্বৰ, কাঁহ, যকৃত ৰোগ, পাকস্থালীৰ ৰোগ, Gastro-Enteritis, নিউমোনিয়া আৰু আঘাতজনিত।

<u>শিলচৰ মেডিকেল কলেজ হস্পিটেল, শিলচৰ ঃ-</u>

ভাইৰেল ফিভাৰ, Gastro-Enteritis, ভাইৰেল হেপাটাইটিচ, কেন্সাৰ, কেটাৰেক্ট, থায়ৰইড জনিত ৰোগ, C.V.A.।

অৱশ্যে অসম চিকিৎসা মহাবিদ্যালয় ডিব্রুগড়ত তুলনামূলকভাৱে কোনো ৰোগৰ বিশেষভাৱে বৃদ্ধি পৰিলক্ষিত হোৱা নাই।

(গ) <u>অসামৰিক চিকিৎসালয়, নগাও (মাহেকীয়া হিচাবত) ঃ-</u>

মাহ	বহিঃ বিভাগ	আন্তঃ বিভাগ
জানুৱাৰী, ২০০৯	৫৩৮১ টা	১১৯২ টা
ফেব্রুৱাৰী, ২০০৯	৬৭০৯ টা	১৩৭৩ টা
মার্চ, ২০০৯	৭০৭৫ টা	১৫৭২ টা
এপ্রিল, ২০০৯	১৩১০৫ টা	১৬৬৫ টা
মে', ২০০৯	১২২৯১ টা	১৮২৬ টা
মুঠ সংখ্যা ঃ	৪৪৫৬১ টা	৭৬২৮ টা

প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ / সমূহীয়া স্বাস্থ্য কেন্দ্ৰ / ৰাজ্যিক চিকিৎসালয়ত পঞ্জীভুত হোৱা ৰোগীৰ সংখ্যা—

জানুৱাৰী, ২০০৯	১৯৬৪৭ টা
ফেব্ৰুৱাৰী, ২০০৯	২১৫৭২ টা
মাৰ্চ, ২০০৯	২২৩০৬ টা
এপ্ৰিল, ২০০৯	১৯৯৭৬ টা
মে', ২০০৯	২৩৪০৬ টা
মুঠ সংখ্যা ঃ	১০৬৯০৭ টা

Subject : CABG Surgery at CTVS Department of G.M.C.

Dr. Aditya Langthasa asked :

64. Will the Minister of Health & Family Welfare be pleased to state :-

(a) Since when CABG Surgery is being done at CTVS Department of Guwahati Medical College ?

(b) How many patients have undergone CABG Surgery by Max Health Care Hospital at Guwahati Medical College so far ?

(c) What is the cost of above mentioned surgery Charged by the Government ?

(d) How many of the above patients have been operated at free of cost and how many of them have been charged till date?

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare) replied :

(a) CABG Surgery at CTVS Department of guwahati Medical College has been started w.e.f. August, 2008.

(b) A total No. of 36 (thirty six) patients have undergone CABG Surgery at Guwahati Medical College so far with the Technical support of Max Health Care Hospital, New Delhi.

(c) The charges for CABG Surgery for BPL Cases are free. Rs. 80,000/- (Rupees Eighty Thousand) only is charged per case for such Surgery. However, it is free of charge for members of BPL Family.

(d) 34 (thirty four) numbers of cases heave been done so far free of cost; and only 2 (two) cases have been charged for CABG Surgery.

* * *

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ তলত উল্লেখ কৰা মাননীয় সদস্যসকলৰ পৰা সৰ্বমুঠ ৮ খন শূন্যকালীন জাননী প্ৰাপ্তি হৈছে।

১। শ্ৰী ৰাজীৱ লোচন পেগু
২। ডাঃ আদিত্য লাংথাছা
৩। ডাঃ কমলা কান্ত কলিতা
৪। শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত
৫। শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত
৬। ডাঃ কমলা কান্ত কলিতা
৭। শ্ৰীবিনোদ গোৱালা
৮। মোঃ মহিবুল হক

উক্ত জাননীসমূহৰ পৰা নিয়ামানুসৰি মই ৩ খন শূন্যকালীন ঘণ্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলো।

১। এতিয়া মই, মাননীয় সদস্য শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তক ইং ১৮-০৭-২০০৯ তাৰিখে "দৈনিক অসম" বাতৰি কাকতত প্ৰকাশিত—

"মৰিয়নি পালেহি বেদখলী নগা"

শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ১৮/৭/০৯ তাৰিখৰ 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশিত "মৰিয়নি পালেহি বেদখলী নগা" শীৰ্ষক বাতৰিটো সম্পৰ্কত মাননীয় সদনৰ দৃষ্টি

---

* Speech not corrected

আকর্ষণ কৰি মই ক'বলৈ ওলাইছো। নাগালেণ্ডে অসমৰ সীমামূৰীয়া জিলা কেইখনৰ গাওঁ-ভূইৰ লোকক সততে জুলুম কৰি আহিছে। মাননীয় অধ্যক্ষ মহোদয়, মই ভাবিবলৈ বাধ্য হৈছো ডিমাপুৰ নাগালেণ্ডৰ লগত থকাটো অসমৰ কাৰণে ভাল হৈছেনে বেয়া হৈছে? কাৰণ অসম-নাগালেণ্ডৰ মাজত শান্তি বাহাল থকাৰ স্বাৰ্থতে ডিমাপুৰক নাগালেণ্ডৰ লগত দিয়া হৈছিল। কিন্তু এতিয়া দেখা গৈছে তেওঁলোকে অসমৰ সীমান্তত সদায়ে অশান্তি কৰি আছে। এতিয়া দেখা গৈছে অসমৰ সীমামূৰীয়া ৰাজ্য অৰুণাচল, নাগালেণ্ডে অসমৰ ভূমিত বেদখল কৰি গাওঁ-ভূই স্থাপন কৰি অসমৰ গাওঁ-ভূইৰ লোকসকলক তাৰ পৰা খেদি পঠাই সেই ঠাইবোৰ তেওঁলোকে দখল কৰি লৈছে। আৰু অসমৰ লোকসকলক বহুতো অত্যাচাৰ কৰিছে। ইয়াৰ ফলত উচ্চতম ন্যায়ালয়ে ৰায় দিব লগা হৈছে। বৰ্ডাৰ কমিচন বহাব লগা হৈছে। এই কমিচনৰ মতে যিবিলাক নথি-পত্ৰ অসম চৰকাৰে দিব লাগে সেইবোৰ উপযুক্তভাৱে ঠিকমতে যোগান ধৰা নাই। কিন্তু অসমৰ সীমামূৰীয়া ৰাজ্যই সকলোবোৰ নথি-পত্ৰ বৰ্ডাৰ কমিচনক সঠিক মতে যোগান ধৰিছে। গতিকে বিষয়টোৰ গুৰুত্ব বুজি অসম চৰকাৰে উপযুক্ত বলিষ্ঠ পদক্ষেপ ল'ব লাগে। নাগালেণ্ডৰ আগ্ৰাসনে অসমৰ সীমামূৰীয়া গাঁৱৰ ৰাইজক হাৰাশাস্তি কৰি আছে। তাৰ লগত এন এচ চিত্ৰনো জড়িত হৈ পৰিছে। তেওঁলোকে আমাৰ লোকসকলক খেদাই গাওঁ পাতিছে আৰু মৰিয়নি আদি অঞ্চলত মহকুমা পাতিবলৈয়ো যো-জা কৰিছে। নাগালেণ্ড অৰুণাচলৰ আগ্ৰাসনৰ প্ৰতি মই

মাননীয় সদনৰ দৃষ্টি আকর্ষণ কৰিছো, লগতে মাননীয় মুখ্যমন্ত্রী তৰুণ গগৈ ডাঙৰীয়াৰো দৃষ্টি আকর্ষণ কৰিছো, কাৰণ তেওঁৰ প্রতিনিধিত্ব থকা জিলাৰে এক বৃহৎ অংশ নাগালেণ্ড আগ্রাসনৰ জৰিয়তে দখল কৰিছে। এন্‌এচিয়েনৰ বৃহৎ নাগালিমৰ মানচিত্রৰ ভিতৰত অসমৰ বৃহৎ এক সীমামূৰীয়া অঞ্চলো সোমাইছে। গতিকে চৰকাৰে এই ক্ষেত্রত এক বলিষ্ঠ পদক্ষেপ লৈ এই সমস্যা সমাধান কৰিব লাগে। অসমত নাগালেণ্ড-অৰুণাচলৰ লোক আহি থাকিব পাৰে তাত আপত্তি থাকিব নোৱাৰে। আমাৰ অসমীয়া মানুহ দিল্লীত আছে, তাত থাকিব পাৰে। কিন্তু থাকিল বুলি দিল্লীত আগ্রাসন কৰিব নোৱাৰে, ঠিক তেনেকৈ অসমতো নোৱাৰে। এটা পৰিসীমা থাকিব লাগে। ৰাজহ মন্ত্রী মহোদয়ে এই ক্ষেত্রত কি কয়। আৰু তেওঁ উপযুক্ত ব্যৱস্থা লৈছেনে জনাব। মই আৰু বেছি দীঘলীয়া নকৰো। এই ক্ষেত্রত শ-শ সীমাৰ পৰা পলাই অহা অসমীয়া লোক সংস্থাপন কৰি তেওঁলোকৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা দি এই অসম নাগালেণ্ডৰ সীমা সমস্যাটো সমাধান কৰিবৰ বাবে বলিষ্ঠ পদক্ষেপ লোৱাৰ বাবে দৃষ্টি আকর্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্রীদ্রুপদ বৰগোঁহাই ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্তদেৱে অসমৰ সীমা সমস্যাৰ ওপৰত কোৱা কথাৰ লগত একমত হৈ তাৰ লগত আৰু কেইটামান কথা ক'বলৈ ওলাইছো। আমাৰ অসমৰ বাতৰি কাকতবিলাকত প্রকাশ পাইছে

---

* Speech not corrected

কেনেকৈ নাগালেণ্ডে অসমৰ শ-শ লোকক গাওঁ-ভূইৰ পৰা খেদাই সেই ভূমিবিলাক দখল কৰি তেখেতসকলৰ কবললৈ নিছে। মই প্ৰথমতে সুধিব খুজিছো এই যে নাগালেণ্ডে অসমৰ সীমা দখল কৰিছে তাৰ বিপক্ষে চৰকাৰে আলোচনাৰ জৰিয়তে কিবা ব্যৱস্থা লৈছে নেকি? দ্বিতীয়তে চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই বিষয়ে জনাই দুয়োখন চৰকাৰৰ মাজত আলোচনাৰ জৰিয়তে এই সমস্যা সমাধানৰ বাবে কিবা প্ৰচেষ্টাৰ আশা কৰিব পাৰো নেকি? তৃতীয়তে, বৰ্ডাৰত এন্‌এচিয়েনে যিখন নাগালিমৰ সীমাৰ মেপ উলিয়াইছে তাত অসমৰ বৃহৎ সীমা সোমাই আছে। এই ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপ কি? যিবিলাক সীমামূৰীয়া ৰাস্তা বনাইছে তাত অসমৰ সীমাতে নাগালেণ্ডৰ জেগাৰ ফলক আঁৰি থোৱা আছে। মোৰ সমষ্টি নাজিৰাৰ নাগিনীমাৰাৰ যিটো ৰাস্তা, তাতো নামফলক নাগালেণ্ডৰ ঠাইত মৰা আছিল। পিছত অৱশ্যে লিখা-লিখি হোৱাৰ পিছত এই ফলক আঁতৰাই দিয়ে। এই কথাটো মই ভাল পাইছো। ঠিক তেনেদৰে অন্য সীমামূৰীয়া ঠাইতো নাগালেণ্ডৰ নামফলক আছে। এইটো চাব লাগে। বৰ্ডাৰ সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি সীমা সমস্যা সমধানৰ বাবে কিবা ব্যৱস্থা লোৱাৰ উদ্যোগ লৈছে নেকি জানিব বিচাৰিছো। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ১৮ জুলাই ২০০৯ চনৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত "মৰিয়নী পালেহি বেদখলী

---

* Speech not corrected

নগা" শীর্ষক বাতৰি অসম চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। প্রসঙ্গত উল্লেখ থাকে যে অসম আৰু নাগালেণ্ডৰ মাজত ১৯৭২, ১৯৭৯ চনৰ চুক্তি অনুসাৰে ১৯৭৯ চনৰ ২ জানুৱাৰীৰ স্থিতাৱস্থা বাহাল ৰখা উচিত। অসমৰ ফালৰ পৰা চুক্তিৰ প্রতি সন্মান কৰি চুক্তি মানি চলা হৈছে যদিও নাগালেণ্ডে এই ক্ষেত্রত বাৰম্বাৰ চুক্তি ভঙ্গ কৰি আহিছে। ২০০৫ চনৰ ২২ মার্চত অসম বিধান সভাৰ সর্বদলীয় প্রতিনিধি দলে সেয়েহে ভাৰতৰ প্রধানমন্ত্রীৰ ওচৰত এখন স্মাৰক-পত্রও প্রদান কৰিছিল অসম চৰকাৰে নাগালেণ্ড চৰকাৰৰ বিৰুদ্ধে ২/৮৮ গোচৰ তৰি Supreme Court ৰ জৰিয়তে দুই ৰাজ্যৰ সীমা সমস্যা সমাধানৰ বাবে Constitutional boundary মতে অসম আৰু নাগালেণ্ডৰ মাজৰ সীমা নির্দ্ধাৰণ হ'ব লাগে বুলি আর্জি পেচ কৰিছে। Supreme Court ৰ আদেশানুযায়ী চুপ্রিম ক'র্টৰ Retd. Justice S.N, Variava ৰ অধ্যক্ষতাত গঠিত Local Commission এ শুনানী লৈ আছে আৰু অসম চৰকাৰৰ ফালৰ পৰা সহযোগ আগবঢ়োৱা হৈছে।

সমগ্র বিষয়টোৱেই হ'ল নাগালেণ্ডে অসম আৰু নাগালেণ্ডৰ মাজৰ Constitutional boundary মানিব নোখোজে। নগালেণ্ডে বৃহত্তৰ নাগালিম গঠনৰ বাবে অসমৰ বহু অঞ্চল দখলত আনিব বিছাৰে।

যোৰহাট জিলাৰ দিচৈ ভেলি, দিচৈ, আৰু Tiru Hills Resume Forest ত নগালেণ্ডৰ দ্বাৰা বেদখল হৈছে। এই

তিনিওখন সংৰক্ষিত বনাঞ্চল নাগালেণ্ড-অসম সীমাত অৱস্থিত। নগা লোকসকলে এই বনাঞ্চলসমূহত Jhum Cultivation কৰি থাকে আৰু বনাঞ্চলসমূহ ধংস কৰে। এই অবৈধ কার্য্যবোৰ প্রতিৰোধ কৰিবলৈ অসম চৰকাৰে eviction কৰি অঞ্চলবোৰ বেদখলমুক্ত কৰি আহিছে যদিও ১৯৬৩ চনত নাগালেণ্ড ৰাজ্য গঠন হোৱাৰ পিছত নাগালেণ্ডে এই বনাঞ্চলসমূহ নিজ দখললৈ আনিবৰ কাৰণে শৃঙ্খলিত আৰু পৰিকল্পিতভাৱে আগবাঢ়িছে। নগালেণ্ডে অবৈধ বেদখলকাৰীসকলক দি Protection দি আহিছে। যদিও বেদখলকাৰীসকলক উচ্ছেদ কৰি অহা হৈছে বনাঞ্চলসমূহ বেদখলমুক্ত কৰিব পৰা নাই। ১৯৭০ চনতেই দিচৈ ভেলি Resume Forest-ত ১৩ খন নগাগাওঁ আৰু Tiru Hills R.F ত ৪ খন নগাগাওঁ স্থাপিত হৈছিল। সহযোগ পৰোক্ষভাৱেও আগবঢ়াইছিল নগালেণ্ড চৰকাৰে। পিছত প্রত্যক্ষভাৱেই এইবিলাক গাৱঁত নগালেণ্ড চৰকাৰে পানী যোগান, বিজুলী যোগান, Health Centre, Anganwadi Centre, brick field, Saw mill, Petrol Pump স্থাপনত সহায় কৰিছে। এই গাওঁবিলাক স্থাপন recent past ত হোৱা নাই।

বর্তমান চৰকাৰৰ দিনতে কিছু মাটিত Dessoi Valley R.F.ত বেদখল হৈছিল যদিও উক্ত মাটিৰ পৰা বেদখল উচ্ছেদ কৰা হৈছে। NREGA আঁচনিত নগালেণ্ডে Dessoi Valley R.F ত এটা ৰাস্তা নির্মাণ কৰিবলৈ লৈছিল কিন্তু বন বিভাগে এই ৰাস্তা নির্মাণ বন্ধ কৰিবলৈ বাধ্য কৰায়। এই

সংক্রান্তত মৰিয়নী থানাত এটি গোচৰো তৰা হয়। ২০০৬ চনত নগালেণ্ডে Chunthia অঞ্চলত এটা Petrol Pump আৰু এখন Hospital বনাবলৈ যো-জা কৰিছিল। যোৰহাট জিলা প্ৰশাসন আৰু বন বিভাগে এই কাৰ্য্যত বাধা দি বন্ধ কৰিবলৈ সমৰ্থ হয়।

'দৈনিক অসম' বাতৰি কাকতত ওলোৱাৰ দৰে বৰ্তমান মৰিয়নি-মোকৰচাং ৰাস্তাত অসমৰ মাটিত কোনো Sign board নাই, য'ত লিখা আছে- "BROS welcome you to the land of Nagas".

অসম চৰকাৰে Preventive action হিচাবে চুবুৰীয়া নগালেণ্ড ৰাজ্যৰ বেদখল প্ৰতিৰোধ কৰিবৰ কাৰণে অসমৰ সীমামূৰীয়া জিলা কেইখনৰ জিলা প্ৰশাসন, পুলিচ প্ৰশাসন আৰু বনবিভাগক যি কোনো বেদখল দেখিলেই উচ্ছেদ কৰিবলৈ চৰকাৰে নিৰ্দেশনা জাৰি কৰিছে।

ইয়াৰ উপৰিও জিলা উপাযুক্ত, DIG, আয়ুক্ত পৰ্য্যায়ত আৰু মুখ্য সচিব পৰ্য্যায়তো অসম আৰু চুবুৰীয়া নগালেণ্ডৰ মাজত আলোচনা চলাই ৰখা হৈছে যাতে নগালেণ্ডৰ ফালৰ পৰা হোৱা আগ্ৰাসন প্ৰতিৰোধ কৰিব পৰা যায়। মুখ্যমন্ত্ৰী পৰ্য্যায়তো সময়ে সময়ে আলোচনা দুই ৰাজ্যৰ মাজত অনুষ্ঠিত হৈ আহিছে।

সীমান্ত অঞ্চলত থকা BOP বিলাকো শক্তিশালী কৰি

অনা হৈছে। ঘৰ-দুৱাৰবোৰ মেৰামতি কৰা হৈছে। প্ৰতিটো BOP ত চাৰিখনকৈ মটৰ চাইকেল দিয়া হৈছে। সীমান্ত অঞ্চলত থকা গাওঁসমূহৰ যাতায়ত ব্যৱস্থা, পানীযোগান আৰু বিজুলী যোগান ব্যৱস্থা, অসম বিকাশ যোজনা Specit fund for backward areas development আঁচনিৰ অধীনত সামৰি লোৱা হৈছে।

যোৰহাট জিলাৰ বেদখলকৃত অঞ্চল সামৰি এটি প্ৰশাসনীয় মহকুমা গঠনৰ যো-জা কৰা বুলি পৰিবেশন কৰা বাতৰিটোৰ সন্দৰ্ভত চৰকাৰ অৱগত নহয় যদিও সত্যতা থাকিলে বিহিত ব্যৱস্থা লোৱা হ'ব।

অধ্যক্ষ মহোদয়, প্ৰধান সমস্যাটো হৈছে নগালেণ্ডে অসম আৰু নগালেণ্ডৰ মাজত কনচ্‌টিটিউচনেল বাউণ্ডাৰী মানিব নোখোজে। তাৰোপৰি সীমান্তত যিবোৰ সংৰক্ষিত বনাঞ্চল আছে সেইবোৰত নাগালেণ্ডৰ মানুহ আহি বহি যায় আৰু পিছত নগালেণ্ড চৰকাৰে সেইবোৰ গাওঁত পানী যোগান, বিজুলী যোগান, স্কুল ঘৰ সাজি তেওঁলোকক প্ৰত্যক্ষভাৱে সহায়-সহযোগ কৰি আহিছে। কিন্তু বৰ্তমান আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত বেদখল কমি আহিছে। ইয়াৰোপৰি সীমান্ত অঞ্চল উন্নয়নৰ বাবে আমাৰ চৰকাৰে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে। এতিয়াও আমাৰ ৪০ কোটি টকাৰ অধিক বাজেট আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰয়োজন হ'লে আৰু অধিক বাজেট দিয়াৰ কথা কৈছে। গতিকে এই ক্ষেত্ৰত

আপোনালোকে আমাক ক্রিটিচাইজ কৰি লাভ নাই। আজি আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই এই বিষয়টো উত্থাপন কৰাৰ বাবে আমি তেওঁক ধন্যবাদ জনাইছো।

* **শ্ৰীবিনোদ গোৱালা ঃ-** ছাৰ, ছাৰ্ মই অলপমান ক'ৰ বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ জিৰ' আৱাৰত ডিবেট কৰিব নোৱাৰে। প্লিজ আপুনি বহক।

* **শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ-** আপুনি বোৰ্ডাৰ মন্ত্ৰী আছিল, কিন্তু আপুনি একো কৰিব নোৱাৰিলে।

* **শ্ৰীবিনোদ গোৱালা ঃ-** আপুনি বোৰ্ডাৰৰ ক'ত ক'ত গৈছে।

মাননীয় অধ্যক্ষ ঃ জিৰ' আৱাৰত ডিবেট কৰিব নোৱাৰে। এইটো নিয়ম নহয়। তাৰোপৰি যদি বিষয়টো ইমান জৰুৰী আছিল আপুনি আগতে বিষয়টো আনিব লাগিছিল। আপুনি বিষয়টো নিজে অনা নাই। প্লিজ আপুনি বহক। সদনৰ সময় নষ্ট নকৰিব। যদি সদন বঢ়াই দিয়া হয় তেতিয়াহ'লে লোকচান কাৰ হ'ব, আপোনালোকৰে লোকচান হ'ব। প্লিজ বহক, মোক বাধ্য নকৰিব।

* **শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বৰ্ডাৰৰ প্ৰশ্নটো মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ ওচৰতো অনা হৈছিল। এই বিষয়ে চুপ্ৰিম কোৰ্টত কেচ চলি আছে। বৰ্ডাৰৰ কথাটো আমি পাতি আছো - আপোনালোকৰ কি কি স্কীম আছে আপোনালোকে আমাক ক'ব। মাননীয় সদস্য বিনোদ গোৱালাদেৱৰ খং উঠিছে। খং

---

* Speech not corrected

কৰি লাভ নাই। অসম নাগালেণ্ড সীমান্ত অঞ্চলত নাগাসকলে স্কুলঘৰ পাতিছে, অফিচ পাতিছে, ইলেকট্রিচিটি হৈছে, ইয়াত আলোচনা কৰা কথাখিনি কিমান সত্য আমি তাত গৈ চাম।

* **শ্রীতৰুণ গগৈ (মুখ্য মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য, প্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই কোৱা কথাখিনি আমি গুৰুত্ব সহকাৰে লৈছো। যিহেতু মেটাৰটো চিৰিয়াচ এই বিষয়ে কেন্দ্রীয় চৰকাৰক জনাইছো। আগতেও পেপাৰত এই বিষয়ে ওলাইছে, আমি কৈছো নহয় এইটো আগৰ কমিশ্যচনৰ দিনৰ। এইটো বাইনডিং নহ'ব ...They are very much interested to solve. আমি কি কৈ আছো Historically আমাৰ আৰু নাগালেণ্ডৰ মাজত আছে, মেঘালয় আছে মিজোৰাম আছে আৰু বহুত আছে মই নাই বুলি নকওঁ। সমস্যা আছে। তেওঁলোকে আগৰ বুৰঞ্জীমূলক দিনবোৰলৈ যাব বিচৰা নাই। যেতিয়া এন.এচ চি.এনৰ কথা ওলাইছে তেতিয়াই তেওঁলোকে এক্সটেনচন কৰিব বিচাৰিছে। তেতিয়া মই অপজ কৰিছো। আমি নাগালেণ্ডক কৈছো কেনেকৈ এক্সটেণ্ড কৰিব? এন.এচ.চি.এন বা বেলেগ বেলেগ সংগঠন আছে, কেৱল খাপলাং নহয়, আৰু কিবা-কিবি সংগঠন আছে, সেইকাৰণে এইবিলাক আমি ছিৰিয়াচলি লৈছো। হয়, আমাৰ নেগলিজেঞ্চ আছে। মেঘালয় বর্ডাৰ, অৰুণাচল বর্ডাৰ, মিজোৰাম বর্ডাৰ আদি বর্ডাৰবিলাকত ডেভলপ কৰা

---

* Speech not corrected

কাৰণে আমি গুৰুত্ব দিছো। চুপ্ৰিম কোৰ্টত কেচটো বিচাৰাধীন হৈ আছে, কোৰ্টৰ ৰায়লৈ বাট চাব লাগিব। তেওঁলোক আটাইকেইখন ৰাজ্যৰ ককাই-ভাই, তেওঁলোকে মোকহে ওলোটাই ধৰিছে আমিহে তেওঁলোকৰ মাটিত বহি আছো বুলি আমাক কৈ আছে। আমি কৈছো সেইটো হ'বই নোৱাৰে।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, বৃহত্তৰ নাগালেণ্ড এৰিয়া বৃদ্ধি কৰা চেষ্টাৰ বাবে আমি চুপ্ৰিম কোৰ্টৰ ৰায় বিচাৰিছো।

* **শ্ৰীতৰুণ গগৈ (মুখ্য মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কৈছো যে নাগালেণ্ডে অসমৰ মাটি দখল কৰি বৃহত্তৰ এৰিয়া কৰিছে। তাৰ কাৰণে আমি অপজ কৰিছো।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো কেতিয়াও সত্য নহয়। আমি ডিবেট কৰিছো নাগালেণ্ডে নিজৰ এৰিয়া এৰি দিয়াটো সত্য নহয়।

* **শ্ৰীতৰুণ গগৈ (মুখ্য মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া Extention to the Nagaland area তেওঁলোকে যদি অসত্য কথা কৈছে মোৰ ক'বলগীয়া নাই।

* **শ্ৰীভূৰন পেগু** ঃ- মাননীয় অধ্যক্ষ মহোদয়, নগা বুলি কেইবাবাৰো উচ্চাৰণ কৰা হৈছে, আচলতে নগা বুলি নকৈ নাগা বুলি ক'ব লাগে।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যদি তেনেকুৱাই হৈছে

---

* Speech not corrected

আগৰ চৰকাৰৰ দিনত হৈছে। আদৰানি আৰু বাজপেয়ীৰ দিনত হোৱা নাই।

* **শ্রীতৰুণ গগৈ (মুখ্য মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিষয়টো অপজ কৰা বুলি আগতে পেপাৰত ওলাইছে, আপোনালোকে পিছতহে কৈছে।

* **ডঃ হিমন্ত বিশ্ব শর্মা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, Cease fire will be extendent. I have given detailed Press reports Point by Point হৈছিল। এই গোটেই বস্তুটো অপজ কৰি এখন চিঠি অসম চৰকাৰে দিয়া ৰেকর্ড নাই, যদিহে দিছে কোন তাৰিখে কি কি পেপাৰত দিছে জনালে ভাল হয়।

* **শ্রী প্রফুল্ল কুমাৰ মহন্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি আগতেও অপজ কৰিছো অসমৰ মাটি নাগালেণ্ডে নিব নোৱাৰিব। তেনেস্থলত আপোনালোকে আজি অসত্য ছবি দাঙি ধৰিছে।

* **ডঃ হিমন্ত বিশ্ব শর্মা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য প্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই "মাছ বুলি নকৈ জিজি বুলি কৈছে"।

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, সীমা ঠেলা বিষয়টো আমাৰ চৰকাৰৰ দিনত বিৰোধিতা কৰিছিলো আৰু এতিয়া এইখন চৰকাৰৰ দিনতো কৰিছো। সোনকালে সমস্যাটো সমাধান কৰিব পাৰিলে ভাল হয়।

---

* Speech not corrected

* ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি কাকো মিচলেট কৰিব বিচৰা নাই ...We are ready for one hour discussion on this matter. সেই সময়ত অসম চৰকাৰে সেইখনৰ বিৰুদ্ধে বিৰোধিতা কৰা নাছিল। ভৌগলিক দিশটো ইমান ডাঙৰ যে সেই সময়ত অসম চৰকাৰে বিৰোধিতা নকৰিলে। তাৰ মানে ইয়াকে বুজা যায় অসম চৰকাৰে সেই সময়ত চাপর্ট কৰিছিল।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ- মাননীয় অধ্যক্ষ মহোদয়, এ, জি, পি চৰকাৰৰ দিনত আমি বৃহত্তৰ নাগালেণ্ডৰ কথাটো সমর্থন কৰা নাছিলো। কিবা ডকুমেণ্ট আছে যদি হাউচত প্লেচ কৰক। আপোনালোকে সময় এটা ফিক্স কৰক।

* ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে বিষয়টো মোভ কৰক।

মাননীয় অধ্যক্ষ ঃ ৰুল ৫০ত আলোচনাটো আনে যদি আমি এলাও কৰিব পাৰিম। কালি আমাৰ শূন্যকালীন ঘণ্টা নাই। তেতিয়া আমি এই বিষয়টোৰ ওপৰত আলোচনা কৰিব পাৰিম।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ- মাননীয় অধ্যক্ষ মহোদয়, এইটো সদনত আলোচনা হ'ব লাগে আৰু নথি-পত্রবিলাক সদনত দাখিল কৰিব লাগে।

ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, Let there be one

---

* Speech not corrected

Hour discussion. We are ready to discuss. আমি ৰিপ্লাই দিম।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই, মাননীয় সদস্য শ্রীৰাজীৰ লোচন পেগুক ইং ১৭/৭/০৯ তাৰিখৰ "দি টাইমচ অফ ইণ্ডিয়া" বাতৰি কাকতত প্রকাশিত "The Times of India" dated 17-7-2009 under the caption "Fear of erosion looms large over Majuli Island" শীৰ্ষক বিষয়টো উৎত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

*** শ্রীৰাজীৰ লোচন পেগু ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ শূন্যকালীন ঘণ্টাত এটা গুৰুত্বপূর্ণ বিষয় উত্থাপন কৰিবলৈ অনুমতি দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আজি শদিয়াৰ পৰা ধুবুৰীলৈ অসমৰ যি বিলাক নদী-উপনদী আছে সেই নদী-উপনদীবিলাক খহনীয়া হৈ আজি শ শ বিঘা মাটি খহনীয়াৰ কবলত পৰিছে। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া পণ্ডিত জৱাহৰলাল নেহৰু ভাৰতবর্ষৰ প্রধান মন্ত্রী আছিল তেতিয়া ডিব্রুগড়ত প্রৱল গৰাখহনীয়া হৈছিল, তেতিয়া মাননীয় প্রধানমন্ত্রী গৰাকীয়ে কৈছিল তাত গৰা-খহনীয়া কিয় হ'ল। আজিৰ পৰা ইয়াত আৰু গৰা-খহনীয়া হ'ব নোৱাৰে বুলি এটা ঘোষণা কৰিছিল আৰু তেতিয়াৰে পৰা সেই অঞ্চলটোত গৰা-খহনীয়া বন্ধ হৈ হৈছিল। মাননীয় প্রধান মন্ত্রীগৰাকীৰ

---

* Speech not corrected

কোনো ঐশ্বৰিক শক্তি নাছিল যে তেওঁ গৰা-খহনীয়া বন্ধ হৈ যাব বুলি ক'লে হৈ যাব। তেতিয়াৰ দিনত মই সেই বিভাগটোৰ যিখিনি কর্ম-সংস্কৃতি আছিল সেই কথাবিলাকহে উনুকিয়াব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, বর্তমান অসমৰ ৰাইজৰ কাৰণে এটা ধৰ ডাঙৰ সমস্যা হৈছে, য'ত হাজাৰ হাজাৰ খেতি মাটি নদীৰ বুকুত জাহ গৈছে। যাৰ ফলস্বৰূপে আজি আমাৰ খেতি মাটিৰ কালি ক্রমান্বয়ে কমি আহিছে। সেই অনুপাতে চৰ অঞ্চলবিলাক বাঢ়ি আহিছে। মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ ক্ষতিগ্রস্ত অঞ্চল আৰু গৰা-খহনীয়া অঞ্চল মাননীয় কেন্দ্রীয় জলসম্পদ মন্ত্রী আৰু ভাৰতবর্ষৰ প্রধানমন্ত্রী মাননীয় মনমোহন সিং ডাঙৰীয়াই নিজে যোৰহাটৰ ভ্রমণকালত এই অঞ্চলবিলাকৰ বুজ লৈছে। তেওঁলোকে নিজে পৰিদর্শন কৰি অহাৰ পিছত মাজুলীৰ ক্ষতিগ্রস্ত অঞ্চলসমূহৰ গৰা-খহনীয়া ৰোধ কৰাৰ কাৰণে কেন্দ্রীয় টকা-পইচাৰ অভাৱ নহয় বুলি ঘোষণা কৰিছিল। কিন্তু তাৰ পিছত আজিও মাজুলীৰ চাৰিওফালে খহনীয়া হৈয়ে আছে। মাজুলীৰ মাটি ভূমি লাহে লাহে কমি আহিছে। মাননীয় অধ্যক্ষ মহোদয়, ২০০৩-০৪ মান হ'ব, সঠিক চনটো মোৰ মনত নাই, ব্রহ্মপুত্র ব'র্ডক গৰা-খহনীয়া প্রতিৰোধ আঁচনি ৰূপায়ণ কৰিবৰ কাৰণে কার্য্যকৰী কৰিবৰ কাৰণে অসম চৰকাৰে এন.অ.চি. দিছিল। আৰু তেতিয়াৰ পৰাই ব্রহ্মপুত্র ব'র্ডে গৰা-খহনীয়াৰ কাম কৰি আছে। এইক্ষেত্রত কেন্দ্রৰ পৰা কোটি কোটি টকা আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱাবছৰ বানপানীত আমাৰ মাজুলীত দুটা ৰাস্তা ছিগিছিল। ব্ৰহ্মপুত্ৰ বোৰ্ডে টেণ্ডাৰ কল কৰিছিল। এই কামটো কৰিবলৈ যোৱা জুন মাহৰ ৫ তাৰিখে ঠিকাদৰক দিয়া হৈছিল। জুলাই মাহত ৰাস্তাকেইটা আকৌ ছিগিল। ঠিকাদাৰে মাত্ৰ ২০ দিন সময় পালে। গতিকে ফেব্ৰুৱাৰীত টেণ্ডাৰ কল কৰিলে, জুনৰ ৫ তাৰিখে ৱৰ্ক অৰ্ডাৰ দিলে, কামৰ দায়িত্ব কোনে ল'ব? এতিয়া বাৰিষা আহিব বুলি জানিও মাজুলীত গৰাখহনীয়া হ'ব বুলি জানিও বেঙেনাআটিত পাৰ্কুপাইনৰ ব্যৱস্থা কৰা নাই। ব্ৰহ্মপুত্ৰ বোৰ্ডক দায়িত্ব দিয়াৰ পিছত পাৰ্কুপাইন নিৰ্মাণ নকৰাৰ বাবে ভয়ানক সমস্যাৰ সৃষ্টি হৈছে। আজি এনেকুৱা এটা পৰিস্থিতি হৈছে যে সত্ৰৰ সত্ৰাধিকাৰ সকলে মাজুলী ৰক্ষাৰ বাবে ৰাস্তাত আন্দোলন কৰিবলৈ ওলাই আহিব লগা হৈছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি উত্তৰ দিব আমি জানো। সেই উত্তৰ মই বিচৰা নাই। কেন্দ্ৰীয় চৰকাৰে আজিয়েই কোটি কোটি টকা মাজুলীৰ ৰক্ষণাবেক্ষণৰ কাৰণে দিয়াৰ পিছতো ব্ৰহ্মপুত্ৰ বোৰ্ডে দায়িত্বহীনভাৱে আৰু কোনো কৰ্ম-সংস্কৃতি নোহোৱাকৈ কাম কৰি আছে। এইক্ষেত্ৰত অসম চৰকাৰৰ কিবা দায়িত্ব আছে নে নাই? এন,বি,চি,চিৰ ক্ষেত্ৰত যি হৈছিল, ইমপ্লিমেণ্টেশ্যনৰ ক্ষেত্ৰত অসম চৰকাৰৰ দায়িত্ব নাই কাৰণে এইবোৰ হৈ আছে। সৌ সিদিনা পাগলাদিয়াত কোনো কাম নকৰাকৈ গুচি গ'ল। কাইলৈ ক'ব, মাজুলীক ৰক্ষণাবেক্ষণ দিব নোৱাৰো। ৰৌ-মূৰীয়াক ৰক্ষা কৰিব নোৱাৰো। এনেকৈয়ে

দায়িত্বহীনভাৱে কামবোৰ চলে। অসম চৰকাৰে এই ক্ষেত্ৰত মণিটৰিংৰ ব্যৱস্থা কৰিব নোৱাৰে নেকি? আমাৰ মাটি ভূমি গৈ আছে, খহনীয়াত জাহ গৈছে, ব্ৰহ্মপুত্ৰ বোৰ্ডক দায়িত্ব দিছে যদিও তেওঁলোকৰ কামখিনি আমাৰ চৰকাৰে মণিটৰিং কৰা উচিত। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নৰ্থ ইষ্ট ৰাটাৰ ৰিচার্চ এজেন্সি সম্পৰ্কত এটা প্ৰস্তাৱ আনিছে। মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ কাম-কাজৰ ওপৰত অসম চৰকাৰৰ মণিটৰিং হ'ব লাগে। তেওঁলোকৰ মেন পাৱাৰ নাই। আমাৰ জলসম্পদ বিভাগৰ যথেষ্ট মেন পাৱাৰ আছে। অভিজ্ঞ অভিযন্তা আছে। গতিকে ব্ৰহ্মপুত্ৰ বোৰ্ড আৰু জলসম্পদ বিভাগে একেলগে কামবিলাক কৰিব লাগে। তাৰ উপৰিও যোৱা বছৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাজুলী ভ্ৰমণ কৰাৰ সময়ত ব্ৰহ্মপুত্ৰ বোৰ্ড আৰু জলসম্পদ বিভাগৰ মাজত কামবোৰ ভগাই ল'বলৈ কৈছিল। মাজুলীৰ ইমূৰৰ পৰা সিমূৰলৈ খহনীয়া চলি আছে। তাত জলসম্পদ বিভাগে কোনো আঁচনি প্ৰস্তুত কৰা নাই। অধ্যক্ষ মহোদয়, মোৰ ঘৰৰ ওচৰতে খহনীয়া হৈ আছে অথচ মই ৰক্ষণাবেক্ষণ দিব পৰা নাই। কি এটা এসহনীয় অৱস্থাৰ সৃষ্টি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা সাধুৰ চমু উদাহৰণ দি মোৰ বক্তব্যৰ সামৰণি মাৰিব খুজিছো। এদিন এজন ৰজাই এগৰাকী মহিলাক ৰাস্তাত কান্দি থকা দেখি সুধিলে, কিয় কান্দি আছা বুলি। মহিলাগৰাকীয়ে ক'লে আমাৰ ৰাজ্যৰ পৰা লক্ষী যাবলৈ ওলাইছে। ৰজাই যদি আত্মবলিদান দিয়ে তেন্তে লক্ষী

থাকিব। ৰজাই তেতিয়া নিজৰ ডিঙি কাটি আত্মবলিদান দিলে। অৱশ্যে দেৱীয়ে পিছত ৰজাক জীয়াই তুলিলে। আজি এইটো হ'ব নোৱাৰে। জনগণ যেতিয়া নাথাকিব তেতিয়া প্রতিনিধি কিহৰ? মই আত্মবলিদান দিব নোৱাৰো। কিন্তু ডেৰ লক্ষ মানুহে মোৰ ওপৰত আস্থা ৰাখি মোক এই পৱিত্র সদনলৈ পঠিয়াইছে। তেওঁলোকক ৰক্ষা কৰাটো মোৰ দায়িত্ব। গতিকেই মই অনুৰোধ কৰিম মাজুলীৰ ৰক্ষণাবেক্ষণৰ কাৰণে ভূমিহীন মানুহক মাটি দিবৰ কাৰণে চৰকাৰে ব্যৱস্থা লওক। আত্মবলিদান দিব নোৱাৰিলেও অন্ততঃ আমৰণ অনশন কৰিবলৈ মই বাধ্য হ'ম।

* **শ্রীপৃথিৱী মাঝি (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ১৭ জুন ২০০৯ তাৰিখে 'টাইমচ অৱ ইণ্ডিয়া' বাতৰি কাকতত প্রকাশিত "Fear of erosion looms large over Majuli Island" শীর্ষক বাতৰিটোৰ প্রতি মোৰ দৃষ্টি আকর্ষণ কৰাৰ কাৰণে মই মাননীয় বিধায়ক শ্রীৰাজীৱ লোচন পেগু ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাজুলীৰ সমস্যাটো অতি গুৰুত্বৰ সমস্যা বুলি আমি বুজি পাইছো। তেখেতে উল্লেখ কৰা মতে অকল মাজুলীয়েই নহয়, গোটেই ব্রহ্মপুত্রই বানপানী আৰু গড়াখহনীয়াৰ প্রকোপত পৰিছে। হিষ্টৰি চালেই সকলোৱে বুজিব পাৰিব যে অসমত ১৯৫০ চনত যিটো বৰ ভূমিকম্প হৈছিল তাৰ পিছতেই ইয়াত গড়াখহনীয়া আৰু বানপানীৰ প্রকোপ বেছি হৈছে। নদীবোৰ

* Speech not corrected

দ' হৈ গৈছে। ইয়াৰ ফলত ছিল্টিং হৈছে। অৰুণাচল আদিৰ পৰা মাটি, শিল খহি আহি গছ-গছনি উটি আহি আমাৰ নদীবিলাকত পৰে। বহু নদী ৭,৮ মিঃ লৈ উঠি আহিছে। নদীবিলাকৰ কেৰিং কেপাচিটি নোহোৱা হৈছে। সেই কাৰণে ইৰোচন হৈ আছে।

অধ্যক্ষ মহোদয়, ইৰোশ্বন হৈ আছে, এইটো এটা ডাঙৰ সমস্যা। এইটো ৰাজনৈতিক সমস্যা নহয়। ই গোটেই অসমৰ সমস্যা হৈ আছে। ব্ৰহ্মপুত্ৰ যদি ডেজিং কৰা নহয়, তেতিয়া হ'লে অসুবিধা আছে। ১৯৫০ চনৰ ভূমিকম্পৰ পিছত ৩.৫ হেক্টৰ মাটি ব্ৰহ্মপুত্ৰই লৈ গৈছে। ব্ৰহ্মপুত্ৰ বা নদীবিলাক যদি ড্ৰেজিং কৰা নহয়, এই সমস্যা থাকিব। মাজুলীৰ অৱস্থা বেয়া হৈছে, ইয়াক ৰক্ষা কৰিব লাগিব, ই পৃথিৱীৰ ভিতৰত ডাঙৰ নদী দ্বীপ। ব্ৰহ্মপুত্ৰই যিখিনি মাটি খহাই লৈ গৈছে, তাক ড্ৰেজিং কৰাৰ ব্যৱস্থা কৰিব লাগিব। বেঙেনাআটিৰ খহনীয়া, চৰ্ণৰিৰি খহনীয়া ব্ৰহ্মপুত্ৰ বোৰ্ডে চাই আছে। তেওঁলোকে ইয়াৰ দায়িত্ব বহন কৰিছে। ২০০১ চনত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এখন সভাত মাষ্টাৰপ্লেন কৰা হৈছে। গতিকে তেওঁলোকে গুৰুত্বপূৰ্ণ কাম হাতত লৈছে। এই ক্ষেত্ৰত কো-অৰডিনেশ্বন সভা হৈছিল। ব্ৰহ্মপুত্ৰ বোৰ্ডে কৈছিল যে এই কাম আমাক দিয়ক। আমাৰ কো-অৰডিনেশ্বনত হ'ব লাগিব। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক কোৱা হৈছিল যে মাজুলীৰ দায়িত্ব ব্ৰহ্মপুত্ৰ বোৰ্ডক ল'বলৈ অনুৰোধ কৰা হৈছে। আপোনাৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ লগত আমি আলোচনা কৰিম। যোৱাকালি মাজুলী সুৰক্ষা

সমিতিৰ সদস্যসকলে মোক লগ ধৰিছিল। তেওঁলোকে গোটেই কথাবিলাক ফহিয়াই কৈছে, মই এই ক্ষেত্ৰত তেখেতসকলক আশ্বাস দিছো। মাজুলী অসমৰ গৌৰৱ, আমি ইয়াক হেৰাই যাব দিব নোৱাৰো। এই বিষয়ে অহাকালি মোৰ চেম্বাৰত চেয়াৰম্যান, চীফ ইঞ্জিনিয়াৰ আদি কৰি বিষয়াসকলৰ লগত আলোচনা কৰিম। ইয়াৰ পিছত মাননীয় মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰিম। আমি কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰী মহোদয়ৰ লগতো এই বিষয়ে আলোচনা কৰিম। চুণচিল, জেংৰাইৰ বাবে এঘাৰ কোটি টকা ৰিকোমেন্ডেশ্ন হৈছে। স্কীম প্ৰস্তুত কৰা হৈছে, টি,এ, চি,য়ে কৰিছে। ইতিমধ্যে যি খহনীয়া হৈছে, সেইটো ভয়ানক ভাবে হৈছে। পঁচিশ্ লাখ টকা ইতিমধ্যে দিবলৈ বিচৰা হৈছে। অন্তত প্ৰটেকশ্ননৰ যাতে ব্যৱস্থা হয়। ওৱাটাৰ ৰিৰ্চোচে কৈছে প্ৰটেকশ্ন কৰিব লাগিব। এই সমস্যা ভয়ানক, ইয়াক ৰক্ষা কৰিব লাগিব। যদি মৰ্ডান টেক্নোল'জি আনিব নোৱাৰে, এই ইৰোশ্ন থাকিব। বোল্ডাৰৰ ব্যৱস্থা কৰা হৈছে। ওৱাটাৰ ৰিচোৰ্চ ডিপাৰ্টমেণ্টে ১১ কোটি টকা দিব। ওৱৰ্ল্ড হাইয়েছ্ট টেকনোল'জি কৰিব পৰা যায়, সেইটো আঁচনি আমাৰ বিভাগে কৰিছে। ৰিক্লেমেশ্ন কৰিব লাগিব, যি মাটি খহাই নিছে, সেই মাটিখিনি ক্লিয়াৰ কৰিব পাৰি, তাৰ বাবে আধুনিক টেকনোল'জি কৰিব লাগিব। মাতমৰাত মালএচিয়াৰ কোম্পেনীয়ে 'জিয়ো ফেব্ৰিক টিউক' স্কীম ১৪০ কোটি টকাৰে আৰম্ভ কৰিছিল। সেইটো কাম

* Speech not corrected

শেষত বেয়া হ'ল। পানী যোৱাৰ পিছত আকৌ আৰম্ভ কৰা হ'ব। ২০১০ চনৰ পিছত এই সমস্যা নাথাকিব। মাজুলীৰ ক্ষেত্রতো এনেকুৱা ধৰণে টেকনোল'জীৰ ব্যৱস্থা কৰা হ'ব। এইক্ষেত্রত চৰকাৰৰ সদ্‌ইচ্ছা আছে। এই বিষয়টো চৰকাৰে গুৰুত্ব সহকাৰে লৈছে। মাজুলীৰ কাৰণে যি ব্যৱস্থাৰ দৰকাৰ হয়, সেইটো সম্পূর্ণ ব্যৱস্থা লোৱা হ'ব। এই ক্ষেত্রত যি আলোচনা কৰিব লাগে, সেইটো কৰা হ'ব।

* **শ্রীৰাজীৰ লোচন পেগু** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই গৰাখহনীয়া সমস্যাটো অকল মাজুলীৰে নহয়, ব্রহ্মপুত্র ভেলী, বৰাক ভেলীৰো হৈছে। অসম চৰকাৰ বা কেন্দ্রীয় চৰকাৰে নতুন টেক্‌নোল'জীৰে লাখ লাখ কোটি কোটি টকা ইন্‌ভেষ্ট কৰিব। কিন্তু সোৱনশিৰি, বগীবিল আদিত বোল্ডাৰ নাই। যিহেতু বোল্ডাৰ নাই, সেইবাবে নতুন পদ্ধতি প্রয়োগ কৰি প্রটেক্‌শ্বন কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছো। এইটো অসমৰ ভিতৰতে কৰিব লাগে।

* **শ্রীপৃথিৰী মাঝি (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাতয়ৰা সম্পূর্ণ হোৱাৰ পিছত আমি এইটো ল'ম। এই টেক্‌নোল'জী ডিচাংমুখ, নলবাৰীত কৰা হৈছে, যথেষ্ট কৃতকার্য হৈছে। নদীৰ বালি কপ্‌পেক্ট কৰি কাম কৰিব লাগিব। আমি এই ক্ষেত্রত নিশ্চয় উদ্যোগ ল'ম। নতুন টেক্‌ন'লোজী ভাৰত চৰকাৰে কৰি আছে, আমি তেওঁলোকৰ লগত যোগাযোগ কৰি আছো। অসমৰ ভিতৰতে নতুন টেক্‌নোল'জী কৰিব পৰা হ'ব।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ এতিয়া মই মাননীয় সদস্য ডাঃ আদিত্য লাংথাছাক ইং ১৪/০৭/২০০৯ তাৰিখৰ "অসমীয়া প্ৰতিদিন" বাতৰি কাকতত প্ৰকাশিত "মাইবঙত জ্বলিল ১৫ ডিমাচা গৃহ" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

*** শ্ৰীআদিত্য লাংথাছা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ উক্ত শিৰোনামাৰ ওপৰত আজিৰ শূন্যকালীন ঘণ্টাত গুৰুত্ব সহকাৰে দুআষাৰ ক'বলৈ দিয়াৰ বাবে আপোনাক অশেষ ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৪ জুলাই "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "মাইবঙত জ্বলিল ১৫ ডিমাচা গৃহ"— বিষয়টো অতিকৈ গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ বিষয়। ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমত এই সন্দৰ্ভত বহুতো বাতৰি আৰু তথ্য প্ৰচাৰিত হৈছে। উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ শেহতীয়া আইন-শৃঙ্খলা আৰু ৰাজনৈতিক পৰিস্থিতিয়ে এক ভয়াৱহ ৰূপ লৈছে। অসমৰ প্ৰতিজন সচেতন ব্যক্তিক জিলাখনৰ ঘটনাৰাজিয়ে সচকিত কৰি তুলিছে। ছাৰ, অসমৰ প্ৰতিজন নাগৰিকে দেখিবলৈ পাইছে যে N.C. Hills খন বৰ্তমান উগ্ৰপন্থীসকলৰ চৰণীয়া পথাৰত পৰিণত হৈছে। ইয়াৰ ফলত জিলাখনত যুগ-যুগ বছৰ-বছৰ ধৰি ভাই-ককাইৰ দৰে বাস কৰি অহা ডিমাচা আৰু জেমি নগাসকল প্ৰত্যক্ষভাৱে জড়িত হৈছে আৰু সীমাহীনভাৱে ক্ষতিগ্ৰস্ত হৈছে। এই অঞ্চলটোত আজি প্ৰায় ৭-৮ টা উগ্ৰপন্থী

---

* Speech not corrected

সক্রিয় হৈ আছে। তাৰ ভিতৰত এন,এচ,চি,এন (আই.এম), এন,এচ,চি,এন (কে), কে,এন,এল,এফ, ডি,এইচ,ডি, মাৰ পিপুলচ্ ভলণ্টিয়ার্চ, কুকি লিবাৰেচন আর্মিকে আদি ধৰি আলফাও আছে। প্রকৃতার্থত যোৱা ২০০৬ চনৰ পৰাই এই পাহাৰীয়া জিলাখন বিভিন্ন কুটাঘাতমূলক কার্য, অপহৰণ, ধনদাবী, হত্যা আৰু অন্যান্য হিংসাত্মক ঘটনা ঘটি আহিছে। যোৱা ২০০৯ চনৰ মার্চ মাহৰ পৰা এই ঘটনাবিলাকৰ ব্যাপক বৃদ্ধি হৈছে আৰু বর্তমান ই এক গোষ্ঠীগত সংঘর্ষৰ ৰূপ লোৱাৰ উপক্রম হৈছে। যোৱা ছমাহত জিলাখনত (আমাৰ হাতত পৰা তথ্যৰ মতে) প্রায় ৪৪টা হিংসাত্মক ঘটনা ঘটিছে য'ত ৫০০ৰো অধিক ঘৰ জ্বলি ভস্মীভূত হৈছে, প্রায় ১০০ৰো অধিক লোকৰ হত্যা হৈছে য'ত ১৩ জন নিৰাপত্তাৰক্ষীও আছে। আনকি শিশু আৰু মহিলাসকলকো হত্যা কৰা হৈছে। জিলাখনত অৰাজকতাৰ সৃষ্টি হৈছে। মানৱ অধিকাৰ উলঙঘন হৈছে। আজি জিলাখনত শিক্ষা, স্বাস্থ্য সেৱা আৰু উন্নয়ন স্তব্ধ হৈ গৈছে। স্কুল-কলেজ বন্ধ হৈ গৈছে। স্বাস্থ্য সেৱা ব্যাহত হৈছে। ছাৰ, জিলাখনত ব্রডগেজ ৰেলপথৰ নির্মাণ বন্ধ হৈ আছে, ফ'ৰলেন ৰাস্তাৰ কাম বন্ধ কৰি নির্মাণ কোম্পানী উভতি গৈছে। NREGS আঁচনিৰ ঋণ আৱণ্টন বন্ধ হৈ গৈছে। প্রায় সকলোবোৰ চৰকাৰী বিভাগ আজি N.C. Hills ত অস্তিত্বহীন। অধ্যক্ষ মহোদয়, আটাইতকৈ উদ্বেগজনক কথাটো হ'ল- কোনোবা অদৃশ্য তৃতীয় শক্তিয়ে

জিলাখনৰ শান্তিপ্রিয় ডিমাছা আৰু জেমি নগাসকলৰ মাজত গোষ্ঠীগত সংঘর্ষ লগোৱাৰ আপ্রাণ চেষ্টা চলোৱাটো। যোৱা ২০০৫ চনৰ কার্বি আংলং জিলাৰ কার্বি-ডিমাচাৰ ভাতৃঘাতী সংঘর্ষৰ কথা আমি আজিও পাহৰি যোৱা নাই। য'ত তৃতীয় শক্তিৰ প্রত্যক্ষ উচটনিৰ হাত আছিল। ছাৰ, তাত হাজাৰ-হাজাৰ লোক শৰণার্থী শিবিৰত অনাহাৰে-অনিদ্রাই দিন কটাইছে। আচৰিত কথা N.C. Hills ত আজি প্রতি ৫০ মিটাৰৰ দূৰত্বত একোজন বন্দুকধাৰী নিৰাপত্তাৰক্ষীয়ে অৱস্থান কৰিছে। জিলাখনত বর্তমান ৫২টা আর্মি কলামনসহ ৭৩টা অর্দ্ধ সামৰিক পুলিচ তথা চি,আৰ,পি, প্লাটুন মুঠ প্রায় ৮০০০ জন নিৰাপত্তাৰক্ষী কর্ত্তব্যৰত হৈ আছে। আজি নিৰাপত্তাৰক্ষীৰে জিলাখন গিজ্-গিজাই থকা সত্বেও তাত ঘৰৰ পিছত ঘৰ জ্বলিছে, সংঘর্ষ হৈছে, এজনৰ পিছত এজনৰ হত্যা হৈছে। আজি ডিমাচা কালি জেমি নগা। গতিকে আমি আজি ভাবিবলৈ বাধ্য হৈছো, ক'বলৈ বাধ্য হৈছো। অধ্যক্ষ মহোদয়, জিলাখনৰ সামগ্রিক পৰিস্থিতি নিয়ন্ত্রণ কৰাত চৰকাৰৰ সদিচ্ছা নাই, গুৰুত্ব দিয়া নাই। ৰাজনৈতিক পৰিস্থিতি যিয়েই নহওক কিয়, আজি অসম চৰকাৰৰ দায়িত্ব আৰু কর্তব্য জিলাখনৰ জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰা। এইক্ষেত্রত অসম চৰকাৰ সম্পূর্ণ ব্যর্থ হৈছে। চৰকাৰে বহুবাৰ জিলাখনৰ ভৌগলিক অৱস্থান আৰু দুর্গমতাৰ অচিলা লৈছে, সেয়া আমি মানি ল'ব পৰা নাই। মাইবং অঞ্চল দুর্গম নহয়। আজি হাফলঙৰ টাউনৰ

ভিতৰত ঘটনাবোৰ সংঘটিত হৈ আছে। ইয়াত চৰকাৰৰ সদিচ্ছাৰ অভাৱ আৰু চৰকাৰৰ নির্লিপ্ততা সুস্পষ্ট।

অধ্যক্ষ মহোদয়, এই গুৰুত্বপূর্ণ বিষয়টো উত্থাপন কৰিবলৈ দিয়া বাবে আপোনাক পুনৰবাৰ ধন্যবাদ জনাইছো আৰু চৰকাৰৰ পৰা সদুত্তৰ বিচাৰি সামৰিছো। ধন্যবাদ।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পৰামর্শ আছিল চাৰ। উত্তৰ কাছাৰত ডিমাচা আৰু জেমি নগাসকলৰ মাজলৈ মাননীয় অধ্যক্ষৰ নেতৃত্বত সদনৰ ফালৰ পৰা এটা সর্ব্বদলীয় প্রতিনিধি দল গৈ পর্য্যবেক্ষণ কৰিবৰ কাৰণে মই অনুৰোধ জনালো।

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী)** ঃ- যোৱা ইং ১৪/৭/০৯ তাৰিখৰ "অসমীয়া প্রতিদিন" বাতৰি কাকতত প্রকাশিত ১৫টা ডিমাছা লোকৰ ঘৰত অগ্নিসংযোগ কৰা ঘটনা আমাৰ দৃষ্টিগোচৰ হৈছে।

মাইবঙৰ পৰা প্রায় ১৫ কিঃমিঃ দূৰত অৱস্থিত নতুন নবদী (হাদিভমা) গাঁৱৰ ১৫টা পৰিত্যক্ত ডিমাছা লোকৰ ঘৰ দুবৃর্ত্তই জ্বলাই দিয়া ঘটনাটো নিশ্চিত কৰা হৈছে।

ডিমাছা জনগোষ্ঠী আৰু জেমি নগাৰ মাজত যোৱা ১৯/৩/০৯ ইং তাৰিখৰ পৰা হিংসাত্মক ঘটনা সংঘটিত হৈ আছে। এই হিংসাত্মক কার্য্য ৰোধ কৰিবৰ বাবে চৰকাৰে যথোপযুক্ত ব্যৱস্থা লৈছে। ইউনিফাইড কমাণ্ড ষ্ট্রাকচাৰৰ অধীনত

---

* Speech not corrected

জিলাখনত বর্তমান থকা সামৰিক বাহিনীৰ উপৰিও অসম আৰক্ষী আৰু কেন্দ্রীয় অৰ্দ্ধসামৰিক বাহিনীৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে। এই জিলাৰ আইন-শৃঙ্খলাজনিত পৰিস্থিতি নিয়ন্ত্রণৰ বাবে বিশেষ টাস্ক ফোৰ্চৰ আই.জি.পি পর্য্যায়ৰ এজন বিষয়াই জিলাখনত বাহৰ পাতি আছে।

ইয়াৰ উপৰিও অত্যন্ত আওঁহতীয়া (Isolated) আৰু সংবেদনশীল ডিমাছা আৰু জেমী নগা বসতিপ্রধান এলেকাসমূহ চিনাক্তকৰণ কৰি ১২টা থুপ বা Cluster কৰি প্রত্যেকটোকে কেন্দ্রীয়ভাৱে নিৰাপত্তা দিবলৈ এটা প্রস্তাৱ বিবেচনাধীন হৈ আছে। বর্তমান আইন-শৃঙ্খলাজনিত পৰিস্থিতি নিয়ন্ত্রণৰ বাবে যথোপযুক্ত কার্য্যব্যৱস্থা লোৱাৰ ফলত জিলাখনৰ পৰিস্থিতিৰ যথেষ্ট উন্নতি হৈছে।

হিংসাত্মক ঘটনাত বর্তমানলৈকে ৫৪৩টা ঘৰত দুর্বৃত্তই অগ্নিসংযোগ কৰিছে। ইয়াৰ ভিতৰত যোৱা পৰহি সন্দেহযুক্ত নগা উগ্রপন্থীয়ে কাছাৰ জিলাত ডিমাছা লোকৰ ২৫টা ঘৰত অগ্নিসংযোগ কৰে।

উত্তৰ কাছাৰ জিলাৰ হিংসাত্মক ঘটনাত ক্ষতিগ্রস্ত লোকসকলক ৩২টা আশ্রয় শিবিৰত ১২৯৮১ জন লোকক ৰাখি ৰিলিফ মেনুৱেলমতে খাদ্য সামগ্রী যোগান দি থকা হৈছে।

বর্তমানলৈকে হিংসাত্মক ঘটনাত ৬৩ জন লোক নিহত হৈছে। আৰু নিহত লোকসকলক এককালীন সাহার্য্য মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰা হৈছে। যিসকল পৰিয়ালৰ ঘৰ-দুৱাৰ জ্বলি গৈছে, তেনে পৰিয়ালৰ পুনৰ সংস্থাপনৰ বাবে ৩ বান্দিলকৈ

টিনপাত আৰু দহ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি ক্ষতিগ্রস্ত লোকসকলক NREGA আঁচনিত সামৰি ল'বৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

জিলাখনত শান্তি-সম্প্রীতি ঘূৰাই আনিবলৈ সকলো প্রচেষ্টা অব্যাহত ৰখা হৈছে। দুয়োটা জনগোষ্ঠীৰে Apex Body-ৰ লগত আৰু মুখিয়াল লোকসকলৰ লগত সময়ে সময়ে আলোচনা কৰি শান্তি-সম্প্রীতি ঘূৰাই অনাৰ বিষয়ে আলোচনা-বিলোচনাও চলাই থকা হৈছে।

আশাকৰো অতি সোনকালে জিলাখনলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য লাংথাছা ডাঙৰীয়াই কেবাটাও প্রশ্ন উত্থাপন কৰিছে। আমি এই বিষয়ে কেনেধৰণে ব্যৱস্থা লৈছো বিধানসভাৰ পিছত বা মাজত আপোনালোকক জনাব পাৰিম। মাননীয় সদস্যগৰাকীয়ে ৩য় শক্তি জড়িত থকাৰ কথা যিটো চিন্তা-ভাৱনা কৰিছে সেইটো আমাক ক'লে আমি আন্তৰিকতাৰে এই সমস্যাটো সমাধান কৰাৰ কাৰণে ব্যৱস্থা ল'ম।

* **শ্রীভুবন পেগু** ঃ- চাৰ, ষ্টেটমেণ্টত সংযুক্ত নগা উগ্রপন্থী বুলি উল্লেখ কৰিছে। নগা শব্দটো বাদ দি উগ্রপন্থী বুলি ক'লে ভাল হয়।

* * *

* Speech not corrected

MISCELLANEOUS

* **শ্রীবৃন্দাবন গোস্বামী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই ৩০১ নং নিয়মৰ অধীনত আজি ২০ জুলাই তাৰিখে 'এদিন' কাকতত "সোৱণশিৰিৰ ওপৰত ১৯ টাকৈ বৃহৎ নদী বান্ধৰ অনুমতি দিলে ন্যায়ালয়ে ভয়ংকৰ সংকটত পৰিব অসম" শীৰ্ষক বাতৰিটো আপোনাৰ আৰু চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। অৰুণাচলৰ বৃহৎ নদীসমূহৰ বিষয়ে সদনত যথেষ্ট আলোচনা কৰা হৈছে আৰু সদন কমিটি গঠন কৰাৰ কথা কোৱা হৈছে। যিহেতু সদন কমিটি গঠন কৰা হ'ব সেয়েহে এই বিষয়টো আলোচনা কৰা প্ৰয়োজন নাছিল। কিন্তু এই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি মই এই বিষয়টো সন্দৰ্ভত আঙুলিয়াই দিব বিচাৰিছো। এই কাৰণেই মই ক'ব বিচাৰিছো যে আজিৰ এদিন কাকতত "ফুটুকাৰ ফেন হ'ব বিধানসভাৰ সদন সমিতি, জলনীতিত বৃহৎ নদী বান্ধক সমর্থন কৰিছে চৰকাৰে" আৰু "অৰুণাচলত হ'ব ১০৩টা বৃহৎ নদী বান্ধ, মৌনতাৰে সন্মতি জনালে ৰাজ্য চৰকাৰে" এই শীৰ্ষক বাতৰিটো প্ৰকাশ পাইছে।

মাননীয় অধ্যক্ষ ঃ আপুনি ৩০১ নং নিয়মৰ অধীনত মেটাৰটো আনিছে। "300 (1) A Point of order shall relates to the interpretation of enforcement of these Rules or

---

* Speech not corrected

such Articles of the Constitution as regulate the business of the House and shall raise a question which is within the cognizance of the Speaker". যদি হাউচ চলাওঁতে ৰুলচ এণ্ড ৰেগুলেচনৰ ক্ষেত্ৰত কিবা ডিবেইট হয় তাক লাইনত আনিবৰ কাৰণে পইণ্ট অৱ অর্ডাৰ ৩০০ শত আনিব পাৰে।

300 (2) A Point of order may be raised in relation to the business before the House at the moment."

* **শ্রীবৃন্দাবন গোস্বামী** ঃ- চাৰ, বিধান সভাৰ সীমাবদ্ধতাৰ কথা আছে।

মাননীয় অধ্যক্ষ ঃ ৰুল ৩০০শ আছে, ৰুল ৫০ আছে, ৰুল ৪৯ আছে ইত্যাদি ৰুলত আপুনি আনিব পাৰে।

* **শ্রীবৃন্দাবন গোস্বামী** ঃ- চাৰ, ৫০ৰ যিটো বিজনেছ, মোৰ সেই প্রশ্নটো তাত অহা নাই। আমাৰ এখন সদন কমিতি কৰিছে আৰু সদন কমিতি গঠন কৰাৰ অধিকাৰ আছে। কিন্তু অৰুণাচল চৰকাৰৰ ওপৰত আমাৰ অধিকাৰ নাথাকে। আমাৰ সীমাবদ্ধতাৰ কথাটো চাব লাগিব।

মাননীয় অধ্যক্ষ ঃ- আপুনি ৰুল কোট কৰি দিয়ক।

* **শ্রীবৃন্দাবন গোস্বামী** ঃ- চাৰ, যিখন সদন কমিতি গঠন কৰিছে, ৰুলমতে সেই

---

* Speech not corrected

সদন কমিতিৰ বিষয়ে কোৱাৰ অধিকাৰ আছে। যিটো উদ্দেশ্যত এই সদন কমিতি গঠন কৰা হৈছে সেইটো উদ্দেশ্যত আমাৰ কিবা লাভালাভ হ'বনে নাই? সদন কমিতি গঠন কৰিব পাৰেনে নাই সেইটো মই ৰেইজ কৰিব বিচৰা নাই। এই বৃহৎ বান্ধসমূহ নির্মাণৰ ক্ষেত্রত টার্মচ এণ্ড কন্ডিচনৰ ক্ষেত্রত যদি আমাৰ চৰকাৰে প্রধান মন্ত্রী বা কেন্দ্রীয় চৰকাৰক অনুমতি দিছে সেইটো বন্ধ কৰিব লাগে। আপোনালোকে যিহেতু সদন কমিতি গঠন কৰিছে সেয়েহে সদন কমিতিৰ ৰিপোর্ট নিদিয়ালৈকে এই বৃহৎ বান্ধসমূহ নির্মাণৰ ক্ষেত্রত টার্মচ এণ্ড কণ্ডিচনৰ ক্ষেত্রত যদি আমাৰ চৰকাৰে প্রধান মন্ত্রী বা কেন্দ্রীয় চৰকাৰক অনুমতি দিছে সেইটো বন্ধ কৰিব লাগে। আপোনালোকে যিহেতু সদন সমিতি গঠন কৰিছে সেয়েহে সদন সমিতিৰ ৰিপোর্ট নিদিয়ালৈকে এই বৃহৎ বান্ধসমূহৰ নির্মাণ কার্য্য বন্ধ কৰিব লাগে বুলি কেন্দ্রীয় চৰকাৰক আৰু প্রধান মন্ত্রীক ক'ব লাগে।

মাননীয় অধ্যক্ষ ঃ- সদন কমিতি এতিয়ালৈকে এনাউন্স হোৱা নাই। এই মুহূর্তলৈকে আমি সদন কমিটি গঠন কৰা নাই।

*** শ্রীবৃন্দাবন গোস্বামী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে মই এই বিষয়টো অন্তর্ভূক্ত কৰিবলৈ দিছো।

মাননীয় অধ্যক্ষ ঃ- সদন কমিটি গঠন হোৱাৰ পিছতহে এইটো হ'ব।

---

* Speech not corrected

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ- মাননীয় আধ্যক্ষ মহোদয়, উত্তৰ কাছাৰ পাহাৰ জিলাত আপোনাৰ নেতৃত্বত সর্বদলীয় প্রতিনিধি দল গৈ তাৰ গোটেই পৰিস্থিতি অধ্যয়ন কৰি যদি শান্তি-সম্প্রীতি প্রতিষ্ঠাৰ কাৰণে কাম কৰা হয় তেতিয়া হ'লে ভাল হ'ব বুলি মই ভাবিছো। গতিকে এইক্ষেত্রত আপুনি সন্মতি দিলে ভাল হয়।

* **শ্রীদ্রুপদ বৰগোহাঁই** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি কি কাৰণত সদন কমিতি কৰিম সেইটো সম্পর্কত চেণ্টেল গভর্ণমেণ্টে ডিচাইড কৰিছে। পিছত সদন কমিতি গঠন কৰিলে কিবা লাভ হ'ব নেকি? ইতিমধ্যে ১০৩টা বৃহৎ নদী বান্ধ নির্মাণ কৰাৰ কথা ঘোষণা কৰিছেই। আমাৰ সদন কমিতিয়ে এইটো বন্ধ কৰিব পাৰিম নে নোৱাৰিম?

* * *

REPORT OF THE BUSINESS ADVISORY COMMITTIEE

মাননীয় অধ্যক্ষ ঃ- এতিয়া কার্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কার্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিবেশনৰ বাকী থকা দিনকেইটাৰ কার্য্যসূচীৰ গুৰুত্বপূর্ণ বিষয়সমূহৰ ওপৰত আলোচনা কৰাৰ বাবে যোৱা ১৭ জুলাই, ২০০৯ তাৰিখে অধিবেশনৰ দিনটোৰ কার্য্যসূচী সমাপ্ত হোৱাৰ লগে লগে মোৰ কার্য্যালয়ৰ সন্মিলন কক্ষত অসম বিধান সভাৰ কার্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়।

বৈঠকত সমিতিয়ে সর্ব্বসন্মতিক্ৰমে অধিবেশনৰ পূর্ব্বে নির্দ্ধাৰিত কার্য্যসূচীৰ সামান্য সাল-সলনি ঘটাই ২০ জুলাই আৰু ২১ জুলাই, ২০০৯ তাৰিখে সদনৰ কার্য্যসূচী দুয়োবেলা পুৱা ৯ বজাৰ পৰা ১-৩০ বজালৈ আৰু বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

সমিতিয়ে বৈঠকত চৰকাৰী বিধেয়কসমূহৰ সংশোধনীৰ বাবে জাননী গ্ৰহণৰ বাবে নির্দ্ধাৰিত সময় ১৭ জুলাই, ২০০৯ তাৰিখৰ ৫-০০ বজাৰ পৰিৱর্তে ১৮ জুলাই, ২০০৯ তাৰিখৰ ৫-০০ বজালৈকে বৃদ্ধি কৰাৰ সন্মতি প্ৰকাশ কৰে।

সভাত সর্ব্বসন্মতিক্ৰমে সংশোধনীৰ জাননী নথকা আৰু

অতি কম সংখ্যক সংশোধনী থকা চৰকাৰী বিধেয়কসমূহ আজি অর্থাৎ ২০ জুলাই, ২০০৯ তাৰিখে আলোচনা আৰু পাৰিতকৰণ কৰাৰ বাবে সন্মতি প্রকাশ কৰে। তদুপৰি অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৫০ৰ অধীনত এখন জাননী আজি ২০ জুলাইত সদনত আলোচনাৰ বাবে গ্রহণ কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে।

তদুপৰি অহা ২১ জুলাই, ২০০৯ তাৰিখে শূন্যকালৰ প্রশ্নোত্তৰ, নিয়ম ৫৪, নিয়ম ৩০১ অধীনৰ কার্য্যসূচীসমূহ সদনৰ কার্য্য তালিকাত অন্তর্ভূক্ত নকৰি কেৱল চৰকাৰী বিধেয়কসমূহৰ আলোচনা আৰু পাৰিতকৰণৰ বাবে সভাই সর্ব্বসন্মতিক্রমে সিদ্ধান্ত গ্রহণ কৰে।

আশাকৰো মাননীয় সদনৰ এই প্রতিবেদনৰ ওপৰত সন্মতি আছে।

* * *

CALL ATTENTION NOTICE

Mr. Speaker : Now, item No.3. Shri Hiren Kumar Das to call the attention of the Minister Education under Rule 54 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to the news item appearing in the "Asomiya Pratidin" dated the 24th June 2009 under the Caption– **"চিৰদিনলৈ হেৰাই যাব কটনৰ দুই ঐতিহ্যমণ্ডিত ছাত্রাবাসৰ স্মৃতি।"**

*** শ্রীহীৰেন কুমাৰ দাস ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ ৫৪ নং নিয়মৰ অধীনত ২০০৯ চনৰ ২৪ তাৰিখৰ 'অসমীয়া প্রতিদিন' কাকতত প্রকাশিত "চিৰদিনলৈ হেৰাই যাব কটনৰ দুই ঐতিহ্যমণ্ডিত ছাত্রাবাসৰ স্মৃতি" শীর্ষক বাতৰিটোৰ প্রতি মই শিক্ষা মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা প্রায় ১০৮ বছৰ পুৰণি এই ছাত্রাবাস দুটা অসমৰ পৰা নাইকিয়া হৈ যাব। এই প্রসঙ্গত দুটা ছাত্রাবাস ১নং আৰু ২নং ছাত্রাবাস দুটা আছে। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ৰ শ্বহীদ হোৱা ৰঞ্জিত ববপূজাৰীৰ নাম আজিও তাত জিলিকি আছে। আনটো ছাত্রাবাস তৰুণৰাম ফুকনৰ নামত। এই দুটা ঐতিহ্যমণ্ডিত ছাত্রাবাস যদি ভাঙি

---

* Speech not corrected

দিয়া হয় আৰু তাত যদি নতুনকৈ বনোৱা হয় নতুন ছাত্রাবাস। তাত আমাৰ কোনো আপত্তি নাই। কিন্তু বহুতো মণিষীয়ে, বহুতো সাহিত্যিকে, বুদ্ধিজীৱিয়ে লিখিছে। গতিকে এই ছাত্রাবাস দুটাৰ প্রতি মই মন্ত্রী ডাঙৰীয়াৰ মনোযোগ আকর্ষণ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিষয়টো উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ কাৰণে মই ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্রীগৌতম বৰা (শিক্ষা মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, ২০০৯ চনৰ ২৪ জুন তাৰিখে অসমীয়া প্রতিদিন কাকতত প্রকাশিত "চিৰদিনলৈ হেৰাই যায় কটনৰ দুই ঐতিহ্যমণ্ডিত ছাত্রাবাসৰ স্মৃতি" বাতৰিটোৰ প্রতি আমাৰ দৃষ্টি আকর্ষণ হৈছে। এই ছাত্রাবাস দুটা ভঙাৰ কথা ময়ো আগতে ভবা নাছিলো। কিন্তু এদিন শিক্ষা বিষয়া আৰু গড়কাপ্তানি বিভাগৰ বিষয়াৰ লগত তালৈ যাওঁতে, মই দেখিলো এনেকৈনো মানুহে পঢ়ে নে, এনেকৈনো থাকিব পাৰি নে? সেই তেতিয়াই মই সিদ্ধান্ত ল'লো ছাত্রাবাস দুটা ভঙাৰ কথাটো।

১৯১৩ চনত সাজি ওলোৱা "ছেকেণ্ড মেচ" বর্তমান (শ্বহীদ ৰঞ্জিত বৰপুজাৰী) ছাত্রাবাস আৰু "থার্ডমেচ" (বর্তমান আনন্দৰাম বৰুৱা ছাত্রাবাস দুটাৰ অৱস্থা অতি শোচনীয় হৈ পৰাত কটন কলেজ কর্ত্তৃপক্ষই মূৰব্বী অধ্যাপকা মণ্ডলী, কলেজ

* Speech not corrected

ছাত্র একতা সভা আৰু এই দুই ছাত্রাবাসৰ বৰ্তমানৰ আৱাসীসকলৰ আলোচনা কৰি ওচৰত দুটা আধুনিক, বাস উপযোগী ছাত্রাবাস নির্মাণৰ প্রস্তাৱ মর্মে দ্বাদশ বিত্তীয় আয়োগৰ পৰা প্রায় ৭.৪০ কৌটি টকা আৱণ্টন দিয়া হয়।

বৰ্তমান আৱাস দুটাৰ প্রতিটো কোঠালীত ৩/৪ জন আৱাসিক থাকিবলৈ দিয়া হয়। আৱাস দুটাত যদিও প্রায় ১৮০ জন আৱাসী থকাৰ ব্যৱস্থা আছে কিন্তু ইয়াৰ অতি শোচনীয় আৰু অস্বাস্থ্যকৰ পৰিবেশৰ বাবে বেছিভাগ অভিভাৱক/ অভিভাৱিকাই ল'ৰা ইয়াত ৰাখিবলৈ ইচ্ছা নকৰাত যথেষ্ট সংখ্যক আসন যোৱা কেইবাবছৰ ধৰি খালী হৈ আছে। সেয়েহে দুটা নতুন আৱাসৰ নিত্যান্ত প্রয়োজন হৈছে। গড়কাপ্তানি বিভাগে নতুনকৈ পৰিকল্পিত আৱাস দুটাৰ আৰ্হি প্রস্তুত কৰিছে আৰু প্রতিটো কোঠাত দুজনকৈ আৱাসী ৰাখিলে প্রায় ২৮৪ জন আৱাসী ৰখাৰ ব্যৱস্থা হ'ব। তাৰোপৰি কটন কলেজৰ নিজা খেল পথাৰ নোহোৱা হেতুকে বৰ্তমানৰ কটনিয়ান সকলৰ খেলা-ধূলাৰ পৰা বঞ্চিত হৈ আছে, আনকি কটন কলেজৰ বার্ষিক সপ্তাহৰ কিছু খেল দহ কিলোমিটাৰ দূৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ খেল পথাৰত পাতিবলগীয়া হৈছে। গড়কাপ্তানি বিভাগে প্রস্তুত কৰা আৱাস দুটাৰ সন্মুখত এখন ডাঙৰ ফুটবল/ ক্রিকেট খেলৰ বাবে খেলপথাৰ, ভলীবল/বাস্কেটবল কোর্ট সংযুক্ত কৰিছে আৰু এইটোৰে কটন কলেজৰ বহুদিনীয়া অভাৱ পূৰণ কৰিব বুলি ভবা হৈছে।

ভাষা আন্দোলনৰ শ্বহীদ ৰঞ্জিত ৰৰপুজাৰীৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰ বাবে বৰ্তমান থকা শ্বহীদবেদীটো সম্পূৰ্ণভাৱে সুৰক্ষিত কৰিবলৈ নতুনকৈ নিৰ্মাণ কৰিবলগীয়া আৱাস দুটাৰ আৰ্হিত সন্নিবিষ্ট কৰা হৈছে ইয়াৰ উপৰিও কলেজ কৰ্ত্তৃপক্ষই শ্বহীদবেদীটো সুন্দৰভাৱে নিৰ্মাণ কৰাৰ প্ৰচেষ্টা লৈছে। শ্বহীদ ৰঞ্জিত ৰৰপুজাৰী আৰু আনন্দৰাম বৰুৱা ছাত্ৰাবাস দুটাৰ স্মৃতি ৰক্ষাৰ্থে বৰ্তমান পৰিকল্পিত আৱাস গৃহৰ মূধচবোৰ পুৰণিৰ আৰ্হিত নিৰ্মাণ কৰিবলৈ স্থিৰ কৰা হৈছে। ইয়াৰ উপৰিও নতুনকৈ নিৰ্মাণ কৰিবলগীয়া আৱাস দুটাক পুৰণি নামাকৰণেৰে নামাকৰণ কৰা হ'ব। কিন্তু বৰ্তমান মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কটন মহাবিদ্যালয়ৰ শিক্ষক সমাজ আৰু ছাত্ৰ সমাজৰ লগত আলোচনা কৰিবৰ বাবে নিৰ্দেশ দিছে। আমি সোনকালে তেখেতসকলৰ লগত আলোচনা কৰি সিদ্ধান্ত ল'ম।

(Mr. Speaker vacated the Chair and Madam Dy. Speaker occupied the Chair)

* * *

MATTER UNDER RULE – 301

মাননীয়া উপাধ্যক্ষা ঃ- এতিয়া তিনি নং কার্য্যসূচী মতে শ্রীমিশ্যন ৰঞ্জন দাসে অসম বিধান সভাৰ প্রক্রিয়া কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০০৯ চনৰ ১৫ জুন তাৰিখৰ 'সাময়িক প্রসঙ্গ' কাকতত প্রকাশিত "ৰাজ্যৰ ২১৯ টি তথ্যকেন্দ্র বন্ধ বিপাকে ছাত্র-ছাত্রী ও জনসাধাৰণ" শীর্ষক বাতৰিৰ বিষয়টো উত্থাপনৰ জৰিয়তে তথ্য প্রযুক্তি মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব।

(শ্রীমিশ্যন ৰঞ্জন দাসৰ হৈ ডাঃ ৰুমী নাথে বক্তব্য আগবঢ়াই)

*** ডাঃ রুমি নাথ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমার বিধান সভার জনসাধারণ আজকে আমাকে সুযোগ দিয়েছেন এর জন্য আপনাকে ধন্যবাদ। আজকাল হচ্ছে তথ্য প্রযুক্তির যুগ, গ্রামাঞ্চলেব জনসাধারণের কাছে বিভিন্ন সরকারী বেসরকারী তথ্য পৌছে দেওয়ার লক্ষ্য ২০০২ সালে ২১৯ উন্নয়ন খণ্ডের অধীনে তথ্যকেন্দ্রর স্থাপন করা হয়েছিল। C.I.C (Comunity Information Center) ঐ তথ্যকেন্দ্রগুলির মাধ্যমে বিদ্যালয় এবং কলেজের ছাত্র-ছাত্রীরা, কৃষক, ব্যবসায়ী ইত্যাদি স্তরের মানুষ উপকৃত হয়েছিল। ঐ তথ্যকেন্দ্রগুলিতে অস্থায়ীভাবে হলেও রাজ্যের ৪৩৮ জন নিযুক্তি পেয়েছিল। কিন্তু ১ জানুয়ারী থেকে ঐ তথ্যকেন্দ্রগুলিতে Internet Connection বিচ্ছিন্ন হওয়ায় গ্রামাঞ্চলের এইসকল

---

* Speech not corrected

তথ্যকেন্দ্রের অস্তিত্বের সংকট হয়ে পরেছে। তাছাড়া কর্মরত ৪৩৮ জন কৃষক এবং ছাত্র-ছাত্রীর ভবিষ্যৎও অন্ধকার হয়ে পড়লো। লক্ষ লক্ষ তথ্য কেন্দ্রগুলো অচল হয়ে পড়েছে। বাক্সা জেলার উন্নয়ন খণ্ড অচল হয়ে পড়েছে। ছাত্র-ছাত্রীর লক্ষ লক্ষ টাকা সমস্ত কিছু প্রায় অকেজো হয়েছে। এবং বেকার যুবক-যুবতীর সমস্যা হয়েছে। এবং ওদেৰকে যাতে প্রযুক্তি দেওয়া হয় এবং খালি জায়গাগুলি পূরণ করা হয়, এবং ওদের সমস্যাগুলি যাতে সমাধান হয় তার জন্য অনুরোধ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

* ড° হিমন্ত বিশ্ব শর্মা ঃ- মাননীয় উপাধ্যক্ষা মহোদয়া, আজি মাননীয় সদস্যা ডাঃ ৰুমী নাথে তথ্য প্রযুক্তিৰ ওপৰত যি প্রশ্ন উত্থাপন কৰিছে তাৰ ওপৰত মই সংক্ষেপে দুটামান কথা ক'ব বিচাৰিছো। ভাৰত চৰকাৰৰ তথ্যপ্রযুক্তি আঁচনিৰ অধীনত অসমতো এটা তথ্য প্রযুক্তি কেন্দ্র স্থাপন কৰা হৈছিল। আৰু এইটো এটা নির্দিষ্ট সময়ৰ বাবেহে স্থাপন কৰা হৈছিল। পৰৱর্ত্তী সময়ত ইয়াক কমিউনিটী চার্ভিচ চেণ্টাৰৰ লগত সংলগ্ন কৰা হয়। এইটো আগতে চি, এচ, চি আছিল ৪০০ In Assam CICS are established under the Central Govt. scheme. It was for a certain in period. আৰু আমি এতিয়া অৰুণোদয় নাম দি আমি এটা কেন্দ্র আৰম্ভ কৰিছো। য'ত ১৫০০ ইতিমধ্যে এক্টিভেট কৰা হৈছে আৰু ১৫০০ এক্টিভেট

* Speech not corrected

কৰিবলৈ লোৱা হৈছে। Now CICS are merged with Common Service Centre (CSC). CICs are now become CSC. 1500 CSC have already activated. Employees of CIC will get pay from CSC. ইয়াত কাম কৰি থকা ল'ৰাবোৰে এই কমিউনিটী চার্ভিচ চেণ্টাৰৰ পৰাই দৰমহা পাব। আগতে এই কেন্দ্রবোৰত ফিক্সড্ পেৰ ব্যৱস্থা আছিল। কাৰণ কমিউনিটী চার্ভিচ চেণ্টাৰবিলাক এটা পি পি পি আৰ্হিত তৈয়াৰ কৰা হৈছিল। তাত মিনিমাম যিটো ইনকাম সেইটো দি বাকী বেছি আয় কৰিব পাৰিলে সেইখিনি নিজে ৰাখিব পাৰে তেনে কথা আছিল। আমাৰ ল'ৰাবিলাকে পিছত এইটো আপত্তি কৰিছিল। তেওঁলোকে ত্রিপুৰাৰ চৰকাৰৰ নটিফিকেশ্যন এখন আনি দেখুৱাইছিল যে ত্রিপুৰা চৰকাৰে চৰকাৰী চেক্টৰত এই ল'ৰাবোৰক নিযুক্তি দিছে। কিন্তু আমাৰ ক্ষেত্রত কথাটো বেলেগ, কাৰণ আমাৰ যি চুক্তি হৈছিল সেই চুক্তি মতে Employees of CIC will get pay from CSC. কিন্তু পিছত আমাৰ ল'ৰা কিজনে আপত্তি কৰাত আমি গোটেই বিষয়টো বিত্ত বিভাগলৈ প্রেৰণ কৰিছো। বিত্ত বিভাগে কি সিদ্ধান্ত দিয়ে তালৈ বাট চাইছো। তাৰ পিছতহে আমি সেই মর্মে কি কৰিব পাৰি চোৱা যাব। কিন্তু এইটো আজি বাঢ়িছেহে এক্সপাণ্ড কৰিছে, লিমিটেড হোৱা নাই। আজি ৩ হাজাৰ ৪ শ' চি আই চি যিটো অৰুণোদয় নাম দি কৰা হৈছে সেইটো গাৱেঁ-ভূঞে কৰিছো। দ্বিতীয়তে, বিশেষকৈ ল'ৰা-ছোৱালীবিলাকৰ

ভৱিষ্যত সুৰক্ষা কৰিবৰ কাৰণে বিত্ত বিভাগৰ লগত যোগাযোগ কৰিছো। বিত্ত বিভাগৰ পৰা উত্তৰ পোৱাৰ পিছত স্পষ্ট নীতি ল'ব পৰা যাব।

* **শ্রীকার্ত্তিক সেনা সিন্‌হা** ঃ- মাননীয় উপাধ্যক্ষা মহোদয়, মাননীয় মন্ত্রীয়ে কমিউনিটী চাৰ্ভিচ চেণ্টাৰ হোৱাৰ কথা কৈছে তাৰ কাৰণে মই মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। তেখেতে এটা নতুন কথা জনাইছে যে এম, জি, বিক দৰমহা দিব। তাৰ কাৰণেও তেখেতক ধন্যবাদ জনাইছো। মন্ত্রী মহোদয়ে অৰুণোদয় আঁচনিৰ কথা কৈছে। ইয়াত প্রায় ৪২ হাজাৰ টকাৰ দৰকাৰ হ'ব। কমিউনিটী চাৰ্ভিচ চেণ্টাৰত কম্পিউটাৰৰ অভাৱ আছে। তাৰোপৰি নেটওৱৰ্কিংৰ অসুবিধা আছে। এই ক্ষেত্রত ৪০০ নিবনুৱাৰ সমস্যা সমাধান হোৱাৰ কথাই নহয় তাৰ লগতে একটিভিটিও জড়িত হৈ আছে। অৰুণোদয়ৰ কামত ৰেচপনচিবিলিটি দিয়া হ'ব। তেওঁলোকে ৰিলেটেড কাম কৰিবলৈ আগবাঢ়িব লাগিব। তেখেতসকলে ২-১ মাহৰ ভিতৰত কাম নহ'লে কমিউনিটী চাৰ্ভিচ চেণ্টাৰবিলাক মানুহে ভাঙি দিব। এই কথাটো মন্ত্রী মহোদয়ৰ দৃষ্টি-গোচৰ কৰিছো। এই ক্ষেত্রত আমাক বিধায়ক সকলকো নলেজত ৰাখিব লাগে যাতে আমিও সহায় কৰিব পাৰো।

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, কমিউনিটী চাৰ্ভিচ চেণ্টাৰৰ প্রব্লেম আছে। As per this four hundred

* Speech not corrected

CIC also be the part of the centre. ফিক্স কৰিব পৰা নাছিলো। পি, আৰ চি আৰু বাৰ্থ চার্টিফিকেটৰ কাম চলি আছে। যোৱা কেবিনেটত ডিচিচন কৰিছো। নেটওৱর্কিংৰ জৰিয়তে প্রচাৰৰ কাৰণে সময় লাগিব। ডি, চি কোর্টবিলাক ডিজিটেল নোহোৱাৰ কাৰণে অসুবিধা হৈছে। অসম সচিবালয় ডিজিটেল কৰা হৈছে। ডিজিটেল হোৱাৰ লগে লগে কমিউনিটি চার্ভিচ চেণ্টাৰবিলাক কার্য্যক্ষম হ'ব। তেখেতৰ পৰামর্শৰ কাৰণে ধন্যবাদ দিছো।

MATTER UNDER RULE - 49

মাননীয়া উপাধ্যক্ষা ঃ- আইটেম নং ৫। এতিয়া শ্রীকার্ত্তিক সেনা সিংহই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৪৯ নং নিয়মৰ অধীনত ২০০৯ চনৰ ১৫ জুলাই তাৰিখৰ তৰাচিহ্নিত প্রশ্ন নং ১৪৪ৰ জৰিয়তে "লিংগুইষ্টিক মাইনৰিটি কমিউনিটী"ৰ বিষয়ে সোধা প্রশ্নৰ উত্তৰৰ পৰা উদ্ভৱ হোৱা বিষয় উত্থাপন কৰিব।

*** শ্রীকার্ত্তিক সেনা সিন্‌হা ঃ-** মাননীয়া উপাধ্যক্ষা মহোদয়া, যোৱা ১৫ জুলাই তাৰিখে তৰাচিহ্নিত প্রশ্নৰ জৰিয়তে জানিব বিচাৰিছিলো যে বিষ্ণুপূৰীয়া মণিপুৰীসকল লিংগুইষ্টিক মাইনৰিটি কমিউনিটীৰ হয় নে নহয়? ইয়াৰ উপৰিও অসমৰ আন যি বিলাক লিংগুইষ্টিক

* Speech not corrected

মাইনৰিটি আছে সেইসকলৰ ক্ষেত্ৰত চৰকাৰে কি ষ্টেপ লৈছে। আৰু তেওঁলোকৰ ডেভেলপমেণ্টৰ কাৰণে কি পদক্ষেপ লৈছে। এই ক্ষেত্ৰত এটা উত্তৰ দিছিল আৰু তাৰ কাৰণে পাব্লিকৰ মাজত হিউ এণ্ড ক্ৰাই হৈছিল।

উপাধ্যক্ষ মহোদয়া, সেই কাৰণে এই গুৰুত্বপূৰ্ণ বিষয়টো সদনত অনাৰ সুযোগ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। প্ৰশ্ন (ক) আছিল যে বিষ্ণুপ্ৰিয়া মণিপুৰী লিংগুইষ্টিক মাইনৰিটি কমিউনিটী হয় নে নহয়। এই ক্ষেত্ৰত নহয় বুলি ভবা মন্ত্ৰী মহোদয়াই উত্তৰত ক'লে নটিফিকেচন হোৱা নাই বুলি। ইয়াত স্পষ্ট গভৰ্ণমেণ্ট অৰ্ডাৰ আছে Under Government Notification No. A (1) 154/95/18-A dated 25-5-1999, ...Government is pleased to approve the Proposal introduction of Bishnupriya Monipuri Language in the Primary stage of Education. এইটো আমাৰ ২৫ মে, ১৯৯৯ৰ। এইটো আকৌ প্ৰাইমাৰী ষ্টেজত এডুকেচন আৰম্ভ হোৱা কাৰণে। ২ জুলাই ১৯৯৯ত নটিফিকেচন চৰকাৰৰ ফালৰ পৰা দিয়া হয়। মই আপোনৰ জৰিয়তে মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে অসমত বিভিন্ন ভাষাৰ মাইনৰিটি লিংগুইষ্টিক কমিউনিটী আছে সেইবিলাকৰ নটিফাই কৰাৰ কাৰণে কি পদক্ষেপ লৈছে? যি বিলাকৰ নটিফিকেচন হৈছে সেইবিলাকৰ আৰু নোহোৱাবিলাকৰ কোনে ৰিপ্ৰেজেণ্ট কৰিব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিব বিচাৰিছো যাতে এটা বলিষ্ঠ

পদক্ষেপ লৈ মাইনৰিটি লিংগুইষ্টিক কমিউনিটীৰ মানুহক সু-খবৰ দিব বুলি। আনহাতে বোর্ড কেতিয়া হ'ব? এই বোর্ডত ৰিপ্রেজেণ্টেটিভ বিভিন্ন লিংগুইষ্টিক মাইনৰিটিৰ ফালৰ পৰা কেনেকৈ দিয়া হ'ব। সৰু সৰু বিভিন্ন জনগোষ্ঠী অসমত আছে। তেওঁলোকৰ ওৱেলফেয়াৰৰ কাৰণে বলিষ্ঠ পদক্ষেপ ল'বৰ কাৰণেও অনুৰোধ কৰিলো। ডেভেলাপমেণ্ট ৰার্ড যে দিয়া হ'ব আমাৰ সৰু যিবিলাক লিংগুইষ্টিক মাইনৰিটি কমিউনিটী আছে সেইবিলাকে যাতে ৰিপ্রেজেণ্ট কৰিব পাৰে তাৰ কাৰণে আবেদন ৰাখিছো। ইমানখিনিয়ে মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্রীদ্রুপদ বৰগোহাঁই** ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, ইতিমধ্যে যিটো বিষয় ইয়াত উত্থাপন হৈছে সেইটো এটা সৰু জনগোষ্ঠী সম্পর্কীয় বিষয়। অসম বিভিন্ন জনগোষ্ঠীয় সমস্যা আছে। সৰুৱেই হওক বা ডাঙৰেই হওক আপোনালোকে এই জনগোষ্ঠীসমূহৰ সমস্যাসমূহ সমাধান কৰিবৰ কাৰণে চেষ্টা চলাইছে। এই জনগোষ্ঠীসমূহৰ ভাষা সংৰক্ষণৰ বাবে ব্যৱস্থা কৰা হৈছে। বিষ্ণুপ্রিয়া মণিপুৰীসকল এটা সৰু জনগোষ্ঠী যদিও তেওঁলোকৰো আশা-আকাংশা আছে। গতিকে তেওঁলোকৰ কাৰণে তেওঁলোকৰ ভাষাটো গুৰুত্বপূর্ণ। আজি আন আন ভাষাৰ দৰে বা আন আন সৰু সৰু জনগোষ্ঠীৰ দৰে এই বিষ্ণুপ্রিয়া মণিপুৰী সকলকো যদি স্বীকৃতি দিয়া নাই তেন্তে স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অসমত ব্রহ্মপুত্র আৰু বৰাক দুটা উপত্যকা আছে। এই দুয়োটা

* Speech not corrected

উপত্যকাতে বহুতো সৰু সৰু জনগোষ্ঠীয়ে বাস কৰে। ইতিমধ্যে বহুতো সৰু সৰু জনগোষ্ঠীয় ভাষাক স্বীকৃতি দিয়া হৈছে। মই বৰাক ভেলী অঞ্চলত থকা বিষ্ণুপ্রিয়া মণিপুৰী ভাষাটো স্বীকৃতি দিয়াৰ সমর্থন জনাইছো আৰু এইটো কৰাৰ কাৰণে অনুৰোধ জনাইছো।

* **শ্রীআব্দুল আজিজ** ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, তেখেতসকলক প্রাথমিক পর্য্যায়ত বিষ্ণুপ্রিয়া মণিপুৰী ভাষাত শিক্ষা গ্রহণ কৰিবলৈ সুবিধা দিয়া হৈছে। ভাষিক সংখ্যালঘু হিচাবে বিষ্ণুপ্রিয়া মণিপুৰী লোক ব্রহ্মপুত্র উপত্যকাত কম আছে যদিও বৰাক উপত্যকাত বেছি আছে। আমাৰ অসমত হিন্দু, মুছলমান, খ্রীষ্টান বিভিন্ন ধর্মাৱলম্বী মানুহ আৰু বিভিন্ন জনগোষ্ঠীৰ মানুহ বাস কৰে। অন্যান্য ভাষিক সংখ্যালঘুৰ দৰে বিষ্ণুপ্রিয়া মণিপুৰী ভাষিক সংখ্যালঘু মানুহখিনিকো ইনক্লুড কৰিব লাগে। অন্যান্য সৰু সৰু জনগোষ্ঠীৰ নিচিনাকৈ যদি বিষ্ণুপ্রিয়া মণিপুৰী ভাষিক সংখ্যালঘু জনগোষ্ঠীৰ ক্ষেত্রত প্রভিজন নাই তাৰ ব্যৱস্থা কৰাৰ কাৰণে মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো।

* **শ্রীসুশীল দত্ত** ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ বঙালী হিন্দুসকল ভাষিক সংখ্যালঘুত পৰে নেকি? বঙালী হিন্দুসকলৰ ক্ষেত্রত অন্যান্য সংখ্যালঘু সম্প্রদায়ৰ নিচিনাকৈ অর্থনীতি, সমাজনীতি আদিৰ ক্ষেত্রত কি কি ব্যৱস্থা গ্রহণ কৰা হৈছে? বৰাক উপত্যকাতেই হওক বা ব্রহ্মপুত্র উপত্যকাতেই হওক বিষ্ণুপ্রিয়া

* Speech not corrected

মণিপুৰীকে ধৰি যি বিলাক ভাষিক সংখ্যালঘু জনগোষ্ঠী আছে সেই জনগোষ্ঠীসকলৰ আর্থিক আৰু ৰাজনৈতিক দিশটোও বিশ্লেষণ কৰি চাব লাগে। বিষ্ণুপ্রিয়া মণিপুৰী, নেপালী আদি বিভিন্ন ভাষিক সংখ্যালঘু জনগোষ্ঠীৰ কাৰণে বিশেষ ব্যৱস্থা গ্রহণ কৰিব লাগে।

*** শ্রীমহিবুল হক** ঃ- চাৰ, অন্যান্য ভাষিক সংখ্যালঘু জনগোষ্ঠীৰ দৰে বিষ্ণুপ্রিয়া মণিপুৰীসকলকো সকলো ধৰণৰ সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

*** ডাঃ নজৰুল ইছলাম (সংখ্যালঘু উন্নয়ন ইত্যাদি মন্ত্রী)** ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, বিষ্ণুপ্রিয়া মণিপুৰী ভাষাক অসম চৰকাৰে ৰিকগনাইজ কৰিছে আৰু বৰাক ভেলীক যি বিলাক বিষ্ণুপ্রিয়া মণিপুৰী এলেকাত এল.পি. স্কুল আছে তাত বিষ্ণুপ্রিয়া মণিপুৰী ভাষাত শিক্ষা দিয়াৰ কাৰণে শিক্ষক নিযুক্তি দিয়া হৈছে। অসমত বহুত ভাষিক সংখ্যালঘু জনগোষ্ঠীৰ মানুহ আছে। আমি অসমৰ এই ভাষিক সংখ্যালঘু বিভিন্ন জনগোষ্ঠীৰ আর্থিক, সামাজিক উন্নয়নৰ কাৰণে অসম ভাষিক সংখ্যালঘু উন্নয়ন বোর্ড গঠন কৰা হৈছে আৰু এই বোর্ডখন চচাইটি অৱ ৰেজিষ্ট্রেশ্যনৰ আণ্ডাৰত ৰেজিষ্ট্রেশ্যন কৰা হৈছে। এই বোর্ডখন আমি সোনকালে নটিফাই কৰিম। আপোনালোকে দিয়া পৰামর্শমতে আমি যি বিলাক উন্নয়নমূলক আঁচনি ল'ব লাগে সেই আঁচনি বিলাক ল'ম।

---

* Speech not corrected

* শ্রীসুশীল দত্ত ঃ- চাৰ, ভাষিক সংখ্যালঘুৰ আওাৰত কোন কোন পৰে?

* ডাঃ নজৰুল ইছলাম (সংখ্যালঘু উন্নয়ন ইত্যাদি মন্ত্রী) ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, ভাষিক সংখ্যালঘুৰ বিভিন্ন জনগোষ্ঠী আছে। বিশেষকৈ বঙালী, হিন্দী, উৰিয়া, বড়ো, নেপালী, মিকিৰ, মিচিং, বিষ্ণুপ্রিয়া, ডিমাচা, গাড়ো, হিমৰ, খাছী, ওৰাং, মেইথে, মুণ্ডা, ৰাভা, চুনতালি, ত্রিপুৰা আদি বিভিন্ন জনগোষ্ঠী অসমত আছে।

MATTER UNDER RULE - 50

মাননীয় উপাধ্যক্ষ ঃ- আইটেম নং ৬।

* শ্রীকেশৰ মহন্ত ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, মই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত "The foreigners problem in Assam is a National Problem. It can not be solved unless the Central Govt interferes on it" সম্পর্কীয় ৰাজহুৱা গুৰুত্বপূর্ণ বিষয় এটা আলোচনাৰ বাবে উত্থাপন কৰিছো। এই বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। এইটো এটা গুৰুত্বপূর্ণ বিষয়। যিটো বিষয় অসমেই নহয় ভাৰতবর্ষৰ সার্বভৌমত্বৰ কাৰণেও ভাবুকি হৈ পৰিছে। তেনেকুৱা এটা গুৰুত্বপূর্ণ বিষয় আজি সদনত আলোচনা হোৱাটো জৰুৰী আছিল। এই ক্ষেত্রত আমাৰ আৰু বক্তা আছে, তেখেত

* Speech not corrected

সকলেও তেখেতসকলৰ বক্তব্য ৰাখিব। পোনপ্ৰথমতে, মই বিদেশী নাগৰিকৰ সমস্যাটোৰ বিষয়ে ক'ব বিচাৰিছো। এই বিদেশী নাগৰিকৰ সমস্যাটো বহু বছৰ ধৰি চলি আছে যদিও এইটো আমাৰ সকলোৰে জ্ঞাত নাছিল আৰু এইটো বাহিৰত আছিল। ১৯৭৮ চনত মঙ্গলদৈ লোকসভাৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুত উপনিৰ্বাচনৰ কাৰণে ভোটাৰ তালিকা যেতিয়া সংশোধন কৰিবলগীয়া হ'ল তেতিয়াহে এই কথাটো পোহৰলৈ আহিল। সেই বিষয়টো পোহৰলৈ অহাৰ পিছত এই গোটেই সমস্যাটো সমাধান কৰাৰ কাৰণে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ নেতৃতত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ আন্দোলন চলিল। ১৯৮৫ চনত অসম চুক্তি হ'ল। এই কথা আমি সকলোৱে জানো। কিন্তু অসম চুক্তি হ'ল যদিও বিদেশী নাগৰিকৰ সমস্যাটো আজিও সমস্যা হৈয়ে আছে। ইয়াৰ বিভিন্ন ভয়ানক দিশ আমাৰ চকুৰ আগত আহি পৰিছে। আজিও বিদেশী নাগৰিকৰ প্ৰব্রজন ৰোধ হোৱা নাই। বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ কৰা হোৱা নাই। এই সমস্যাটো সমাধান হোৱা নাই। এই বিষয়টোৰ ক্ষেত্রত আমি যদি এটা কথা চাওঁ তেতিয়াহ'লে ইয়াৰ কিছুমান ভয়াবহ দিশ দেখা পাওঁ। আই এম ডি টি এক্টখন বাতিল কৰাৰ কাৰণে চুপ্রিম কোৰ্টে ৰায় দিছিল।

If being the situation there can be no doubt that the state of Assam is facing external aggression and internal disturbance on account

of large scale illegal migrants of Bangladeshies, Therefore it becomes the duty of union of India to take all measures for the protection of state of Assam for such external aggression and internal disturbance as enjoyed in Article 355 of the India Constitution.

মাননীয়া উপাধ্যক্ষা মহোদয়া, মই বেছি কথা নপঢ়ো। "This being the situation there can be no manner of doubt that state of Assam is facing "external aggression and internal disturbance" on account of large scale illegal migration of Bangiadeshi nations. It therefore, becomes the duty of union of India to take all measures for protection of the state of Assam from such external aggression and internal disturbance as enjoyed in Article 355 of the Constitution"। ভাৰতবৰ্ষৰ সংবিধানৰ ৩৫৫ নং ধাৰা অনুযায়ী অসমৰ খিলঞ্জীয়া লোকসকল সুৰক্ষা দি বিদেশীসকলক বহিষ্কাৰ কৰিব লাগে। আই.এম.ডি.টি আইন বাতিল হোৱাৰ পিছত এই ব্যৱস্থা আছিল। আমাৰ যিটো বিদেশী সমস্যা তাৰ বুৰঞ্জীমূলক ভিত্তিয়ো কিছু আছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ত যি কাৰণত হিন্দুস্থান আৰু পাকিস্থান গঠন হৈছিল তাৰো আঁৰত প্ৰব্রজনৰ সমস্যা আছিল। আমাৰ বিদেশী নাগৰিকৰ সমস্যাটো ভাৰতবৰ্ষৰ ১৯৪৭ চনৰ দেশ স্বাধীনতাৰ বিভাজনৰেই এটা

ফল। এই কথা পাকিস্থানৰ প্ৰধানমন্ত্ৰী জুলফিকৰ আলী ভুট্টোয়ে লিখা কিতাপখনতে উল্লেখ আছিল। মই পঢ়ি দিছো— "It would be wrong that Kashmir is the only dispute that devides India and Pakistan, though undoubtedly the most significant. One at least is nearly as important as the Kashmir dispute, that of Assam and some districts of India adjacent to East Pakistan. To these Pakistan has very good claims." এই কথাটো কিতাপৰ 'কমাৰ' ভিতৰত আনিছে। পাকিস্থান, হিন্দুস্থান গঠনৰ মূলতে পাকিস্থানে অসমৰ কিছুমান জিলা পাকিস্থানৰ ভিতৰত সোমোৱাৰ এটা গভীৰ ষড়যন্ত্ৰ কৰিছিলে, সেই কথাখিনি কিতাপখনত পঢ়িলে ভালদৰে ওলাই পৰে। আৰু এজন ভাৰতপ্ৰেমী শ্ৰেখ মুজিবুৰ ৰহমানে তেখেতৰ কিতাপত ইষ্টাৰ্ন পাকিস্থান সম্পৰ্কে লিখিছে- Zulfikar Ali Bhutto in his book "Myths of Independence" Even a pro-India leader like Sheikh Mujibur Rahman in his book "Eastern Pakistan, its population & economics" observed that "Because Eastern Pakistan must have sufficient land for its expansion and because Assam has abundant forests and mineral resources, coal, Petroleum etc. Eastern Pakistan must include Assam to be financially and economically strong". প্ৰব্ৰজন অৰ্থাৎ বিদেশী নাগৰিকৰ

অবাধ বেদখলে অসমবাসীৰ অধিকাৰ কাঢ়ি লৈছে। খিলঞ্জীয়াৰ অস্তিত্ব বিপন্ন হৈছে। এই অসমত বিদেশী প্ৰব্ৰজনৰ কথা তেওঁলোকৰ কিতাপ কেইখনতে ওলাই পৰিছে। বিদেশী লোক অসমত প্ৰৱেশ কৰি সোনকালেই অসমৰ নাগৰিকত্ব লাভ কৰে। কিন্তু চৰকাৰে তেওঁলোকক বহিষ্কাৰ কৰিব নোৱাৰে। ইয়াত এটা উদাহৰণ দিছো মাজতে কেইজনমান বিদেশীক ট্ৰাইবুনেলৰ জৰিয়তে বহিষ্কাৰ কৰা হয়, তেতিয়া তেওঁলোকৰ কেইজনমানে হাইক'ৰ্ট কৰে। অৱশ্যে হাইক'ৰ্টত দুইজনমান বিদেশী বুলি প্ৰমাণিত হয়। কালামুদ্দিনৰ কথাটো সকলোৱে জানে। তেওঁ বহিষ্কাৰৰ পিছতো আকৌ আহি যায়। এই ক্ষেত্ৰত গুৱাহাটী হাইক'ৰ্টে এটা জাজমেণ্ট দিছিল। "The influx of Bangladeshi national who have illegally migrated into Assam pose a threat to the integrity and security of north-eastern region. Their presence has changed the demographic character of that region and the local people of Assam have been reduced to a status of minority in certain districts". আব্দুল হাচিম নামৰ এজন বিদেশীয়ে হাইক'ৰ্টত কেচ কৰোতে হাইক'ৰ্টে এটা জাজমেণ্ট দিছিল। তাত হাইক'ৰ্টে অসমৰ কেবাখনো জিলাত খিলঞ্জীয়াৰ অস্তিত্ব বিপন্ন হৈছে বুলি উদ্বেগ প্ৰকাশ কৰিছে। ভাৰতবৰ্ষৰ ইতিহাসত প্ৰথম অসমত ১৯৯৬ চনত এটা ডাঙৰ ঘটনা হৈছিল। অসমৰ যমুনামুখ সমষ্টিৰ পৰা কালামুদ্দিনে পাকিস্থানৰ পৰা বাংলাদেশ হৈ অসমত প্ৰৱেশ কৰিছিল। আৰু সেই কালামুদ্দিনে অসমৰ প্ৰতিনিধি হ'বলৈ আগবাঢ়িছিল।

Md– Kamaluddin after successfully, but illegally entering into Assam from Pakistan through Banglandesh not only freely roamed around the Indian soil, but also contested the 1996 election from No. 60 Jamunamukh Legislative Assembly Constituency. He was in possession of a passport issued by the Pakistan Government for his travel to Bangladesh. After coming to Bangladesh, he stealthily came to Assam, stayed back and even contested the election. This can happen only in Assam."

মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমি কেতিয়াও ৰাজনীতিকৰণ কৰিবলৈ নিবিচাৰো। এনেকুৱা এটা বিষয় ৰাজনীতিকৰণ নকৰাকৈও সমাধানৰ বাবে শাসক আৰু বিৰোধী পক্ষই আগবাঢ়ি আহিব লাগে। আজি পাচপোৰ্টৰ ক্ষেত্ৰত কি হৈছে? আজি বাংলাদেশী লোকে অসমৰ পাচপোৰ্ট পায়। এইটো মই কোৱা নাই, হাইকোৰ্টৰ জাজমেণ্টত আছে।

Hon'ble High Court Judgement : Bangladeshi National who can get the Passport with the self declaration with solemn declaration for every Indian Citizens and he owes allegience souvereignty, unity and integrity of India. This is how the souvereignty and integrity of India is being protected by the Authority.

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা উনুকিয়াই দিব বিচাৰিছো যে বাংলাদেশী লোকৰ প্ৰব্ৰজনৰ ফলত আমাৰ ভবিষ্যত কি হ'ব পাৰে। ভবিষ্যত কি হ'ব পাৰে সেইটো পিছৰ কথা, বৰ্তমান কি হৈছে এই বিষয়ে গুৱাহাটী হাইকোৰ্টে ৰায় দিছে এনেধৰণে A very large number of Banladeshi persons in the state of Assam has a major role to play in electing the representatives of both the Legislative Assembly and parliament and consequently in decision making process towards building the nation. They have become the king makers. বিদেশী নাগৰিক নহয় বুলি পিটিচন কৰিবলৈ গৈছিল। ইয়াত কৈছে যে এতিয়া তেওঁলোকে অসমৰ সাংসদ আৰু বিধান সভাৰ সদস্যসকলক নিৰ্বাচিত কৰাৰ ক্ষেত্ৰত 'কিং মেকাৰ' হৈছে। এইটো হাইকোৰ্টৰ ৰায়ত কোৱা হৈছে। গতিকে এই কথাখিনি তথ্য সহকাৰে উনুকিয়াই দিছো। অধ্যক্ষ মহোদয়, মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো যে এই বিষয়টো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়টো অন্য বিষয়ৰ দৰে এৰি দিলে আমাৰ ভৱিষ্যত প্ৰজন্মই আমাক দূষিব। সেয়েহে চৰকাৰে এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু ইয়াৰ এটা সমাধান উলিয়াব লাগে। আজি এটা সময়ত এই বিষয়টোক লৈ আমাৰ মাজত বিবাদ আছিল। শাসকীয় পক্ষই আই এম ডি টি আইন বাহাল ৰখাটো বিচাৰিছিল আৰু আমি বাকীসকলে কৈছিলো যে এইখন আইন বাতিল হ'ব লাগে। ঠিক তেনেধৰণে আমিও

ক্ষেত্রতো বিৰোধ আছিল। আমি বিৰোধী পক্ষৰ সকলোৱে কৈছিলো যে ১৯৭১ চনৰ ২৫ মার্চ তাৰিখটো এটা নির্দ্ধাৰণৰ দিন হওঁক। সেইটো সময়সীমাৰ পিছত কোনো বাংলাদেশী লোক অসমত থাকিব নোৱাৰিব। সদনৰ বাহিৰতো সদৌ অসম ছাত্রসন্থা, জাতীয়তাবাদী যুৱ ছাত্র পৰিষদ, বিভিন্ন জনজাতীয় সংগঠন ইত্যাদিয়ে এটা সিদ্ধান্তত উপনীত হ'ল যে ১৯৭১ চনৰ ২৫ মার্চ তাৰিখটো শেষ সময় সীমা হিচাপে ৰাখিলে কাৰো আপত্তি নাই। এই সময়সীমাৰ ক্ষেত্রত চৰকাৰৰো আপত্তি নাই, বিৰোধীৰো আপত্তি নাই আৰু সদনৰ বাহিৰত যিবোৰ জাতীয়তাবাদী সংগঠন আছে তেওঁলোকৰো আপত্তি নাই। গতিকে এই চৰকাৰৰ হাতলৈ এটা ডাঙৰ সুযোগ আহিল। অধ্যক্ষ মহোদয়, আই এম ডি টি আইন বাতিল হৈছিল ২০০৫ চনত। আইনখন বাতিল হোৱাৰ পিছত পুনৰ ট্রিবুনেলৰ সংশোধনী আনিলে। পুনৰ বাংলাদেশী লোকসকলক ৰক্ষণা-বেক্ষণা দিয়াৰ বাবে ট্রিবুনেলখনৰ সংশোধনী আনিলে। যিখনৰ বাবে আকৌ চুপ্রিম কোর্টত গোচৰ তৰিব লগা হ'ল। আজি কিছুদিন আগতে চুপ্রিম কোর্টে পুনৰ সেইখনি বাতিল কৰিছে। ১৯৬৪ চনৰ ফৰেইনাৰচ্ আইনখন ভাৰতবর্ষৰ সকলোতে আছে। সেই আইন অনুসৰি পুলিচে বিদেশী নাগৰিকক কৰায়ত্ব কৰিব পাৰে আৰু বহিষ্কাৰ কৰিব পাৰে। কিন্তু অসমৰ ক্ষেত্রত এই আইনখন বেলেগ। আমাৰ অসমত পুলিচে বিদেশী নাগৰিক চিনাক্তকৰণ কৰাৰ পিছত ট্রিবুনেললৈ পঠিয়াব লাগে আৰু ট্রিবুনেলে ৰায় দিয়াৰ পিছতহে পুলিচে গোচৰ ৰুজু কৰিব পাৰে। গতিকে ভাৰতবর্ষৰ বেলেগ ৰাজ্যত এইটো নাই। অধ্যক্ষ

মহোদয়, যোৱা ৩০ জুন তাৰিখে আমাৰ মাননীয় সদস্যা অলকা শর্মা ডাঙৰীয়ানীয়ে এই বিষয়ে এটা প্রশ্ন কৰিছিল আৰু তেতিয়া মন্ত্রী মহোদয়ে উত্তৰ দিছিল যে বিদেশী চিনাক্তকৰণ বা বহিষ্কৰণৰ বিষয়টো কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰক দিছে। এই বিষয়ৰ চিঠি-পত্রও সদনত অসম চুক্তি ৰূপায়ণ মন্ত্রী মহোদয়ে দাখিল কৰিছিল। এইখিনি কাম ৰাজ্য চৰকাৰৰ হাতলৈ আহিছে। ন্যায়াধিকৰণৰ যিখন আইন সেই আইন অনুসৰি অসম চুক্তি হ'ল, অসম চুক্তি হোৱাৰ লগে লগে ১৯৮৫ চনত তাত এটা ধাৰা সন্নিবিষ্ট কৰা হ'ল ৬ (এ) সংশোধনী। তাৰ পিছত ১৯৮৬ চনত সংশোধনী আহিল ৩১ (এ), তাৰ পিছত সংশোধনী আহিল ২০০৩ চনত ৩১ (বি চি)। এই গোটেই কেইটাৰ অর্থ হ'ল যে যিসকলে বৈধভাৱে ভিছা পাচপোর্ট লৈ আহিব আৰু অহাৰ পিছত যদি তেওঁলোকৰ সতি-সন্তান জন্ম পায় তেতিয়াহ'লে তেওঁলোকে জন্মসূত্রে নাগৰিকত্ব পাব। অধ্যক্ষ মহোদয়, জন্মসূত্রে নাগৰিকত্ব পোৱাটো উন্নত দেশসমূহতো আছে। কিন্তু আমাৰ অসমত দেখা গৈছে যে ভিছা পাচপোর্ট লৈ আহিলেও সতি-সন্তান জন্ম পালে তেওঁলোকে জন্মসূত্রে নাগৰিকত্ব পাব আৰু অবৈধভাৱে লাখ লাখ প্রব্রজনৰ ফলত ইয়াত জন্ম হোৱা সকলেও নাগৰিকত্ব পাব, এইটো কিমানদূৰ সমীচীন হৈছে এই কথা চিন্তাৰ বিষয় হৈ পৰিছে। গতিকে এই ক্ষেত্রত ১৯৭১ চনৰ সময়সীমা বাহাল থাকিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এতিয়া ব'র্ডাৰৰ কথালৈ আহো ২০০৫ চনৰ ৫ মে' তাৰিখে ভাৰতৰ প্রধানমন্ত্রী, গৃহমন্ত্রী,

অসমৰ মুখ্যমন্ত্রীকে আদি কৰি সদৌ অসম ছাত্র সন্থাৰ প্রতিনিধিসকল আলোচনাৰ বাবে মিলিত হৈছিল। তাত কিছুমান কথা কৈছিল আৰু ভাৰতৰ প্রধানমন্ত্রী মহোদয়ে প্রতিশ্রুতি দিছিল, খুউব ৰঙীন ৰঙীন ভাৱত এড্‌ভাৰটাইজ দিছিল। প্রাক্তন প্রধানমন্ত্রী ৰাজীৱ গান্ধীৰ সপোন বাস্তৱায়িত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। সীমা সুৰক্ষিত কৰিবলৈ এবছৰতে ভাৰত, বাংলাদেশৰ ব্যৱস্থা লোৱা হ'ব কিন্তু ২০০৫, ২০০৬, ২০০৭, ২০০৮ আৰু আজি ২০০৯ চন পালেহি। আমি যেতিয়া প্রশ্ন কৰো তেতিয়া উত্তৰ আহে আপোনালোকে বাজেট চেচনত কওঁক। ৩১ ডিচেম্বৰত হৈ যাব। যদি উইনটাৰ চেচনত কওঁ তেতিয়া ক'ব ৩১ মার্চত হৈ যাব। আমাৰ মাননীয় মন্ত্রী মহোদয়ৰ পৰা উত্তৰ সেইদিন দুটাত পাব। ভাৰতবর্ষৰ প্রধানমন্ত্রীয়ে যিটো কমিট কৰিলে সেইটো থাকিল। এই ব'র্ডাৰ চুক্তি ৰূপায়ণ মন্ত্রীৰ লগত আলোচনা কৰা হৈছে আৰু কেইবাটাও ব'র্ডাৰত গৈছো ক'ৰবাত ভাল হৈছে, ক'ৰবাত বেয়া হৈছে। শিলচৰৰ বানৰ কাম চাবলৈ যাওঁতে দেখিছো ইমান বেয়া হোৱা নাই।

* শ্রীগৌতম ৰায় (মন্ত্রী) ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, পইণ্ট অব অর্ডাৰ এটা আছে।

* শ্রীকেশৰ মহন্ত ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, আপোনালোকৰ কাম বেয়া হোৱা বুলি কোৱা নাই আৰু আপোনাক উদ্দেশ্য কৰি একেবাৰে কোৱা নাই। মই কেইটামান উদাহৰণ দিছো। পি ডব্লিউ ডিৰ

* Speech not corrected

কামখিনি ভাল। য'ত নদী আছে তাত আঁচনিৰ কাম হোৱা নাই। তাত প্ৰটেকচন দিলে কি হ'ব? য'ত বানপানী হয়, পানী বেছিকৈ আহে তাত ফেনচিং দিব নোৱাৰি তাত প্ৰটেকটেড এৰিয়া হৈ আছে। মই ব্যাখ্যা দিব বিচৰা নাই। ফেনচিং দিয়া আৰু প্ৰটেকটেড এৰিয়া হিচাবে ভাৰত চৰকাৰ আৰু বাংলাদেশ চৰকাৰে কৰিব লাগিব নহ'লে বেয়া হ'ব। কৰিমগঞ্জ টাউনৰ প্ৰটেকচন দিয়ক নহ'লে নহ'ব। ভৌগলিক অধিক অংশ কমি আহিছে। ধুবুৰীত আমি দেখিছো সীমান্ত অঞ্চলত হেজাৰ হেজাৰ গৰুক লৈ চোৰাং ব্যৱসায় কৰিছে। ব'ৰ্ডাৰ চিকিউৰিটি ফোৰ্চ আৰু আসাম বেটেলিয়ন যথেষ্ট সংখ্যক মোতায়েন কৰক। Flood light দিব লাগে। গতিকে আমাৰ ইয়াৰ পৰা বিদেশী বহিষ্কাৰ কৰা অসম চুক্তি ৰূপায়ণ কৰা বাদেই এইখিনি কথা গুৰুত্ব দিব বুলি সদনত দাঙি ধৰিছো। যিসকল অসমীয়া লোক অসমত স্থায়ীভাৱে থাকিব সেইসকলক সুৰক্ষা দিব লাগে। তেওঁলোকৰ সুৰক্ষা ব্যৱস্থা হোৱা নাই। বানপানী সমস্যাটো ৰাষ্ট্ৰীয় সমস্যাৰূপে আজিলৈকে স্বীকৃতি নিদিলে। স্বাধীনতা পোৱা সুদীৰ্ঘ ৫৭ বছৰ হ'ল অসমৰ বানপানী সমস্যাটো সমাধান নহ'ল। ইয়াত ছোনিয়া গান্ধী ভাৰতৰ প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিং, ৰাজীৱ গান্ধী আৰু অসমৰ মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈদেৱে ভাষণত কৈছিল যে ২০০৫ চনৰ ৫ মে' তাৰিখৰ পিছত অসমৰ বানপানী সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাবে স্বীকৃতি দিয়া হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিং দেৱক নেচনেল প্ৰগ্ৰেমত দেখুৱাইছে। এইখিনি আপোনালোকে যদি চায় বানপানীৰ পৰা অসম সুৰক্ষিত নহয়। Time frame action Plan হ'ব

লাগে। অশোক পেপাৰ মিলটোকে আজিলৈকে মুকলি কৰিব পৰা নাই।

(Madam Deputy Speaker vacated the Chair and Mr. Speaker occupied the Chair).

মাননীয় অধ্যক্ষ মহোদয়, ক্লজ-৭ মতে ভাৰতবৰ্ষৰ ৮খন ষ্টেটৰ দৰে 'ইণ্ডিয়ান ইনষ্টিটিউট অৱ চায়েন্স এডুকেশ্যন এণ্ড ৰিচার্ছ চেণ্টাৰ' এখন অসমত দিয়াৰ কথা আছিল। নৰ্থ-ইষ্টৰ কাৰণে দিয়াৰ কথা আছিল, কিন্তু এইক্ষেত্ৰত ইয়াত কোনো ধৰণৰ উল্লেখ নাই। এই গোটেই কথাখিনিৰ পৰা আমি আজি বিমুখ হৈছো। ক্লজ-৭ মতে উন্নয়ন হ'ব লাগে, কিন্তু হোৱা নাই। ক্লজ-৬ মতে প্ৰটেকশ্যন পাব লাগে কিন্তু পোৱা নাই, ব'ৰ্ডাৰ আজিলৈকে চীল হোৱা নাই। আজিৰ যিটো চিটুৱেশ্যন, এই চিটুৱেশ্যনে আমাৰ ভৱিষ্যৎ অন্ধকাৰলৈ ঠেলি দিছে। এই ক্ষেত্ৰত মই এটা কথা বিচাৰিছো যে ইয়াত এটা সময় নিৰ্দ্ধাৰিত কাৰ্য্যসূচী হ'ব লাগে। মাইনুট্‌ত আছে যে এমাহৰ ভিতৰত ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু সদৌ অসম ছাত্ৰসন্থা একেলগে বহি সময় নিৰ্দ্ধাৰণ কাৰ্য্যসূচী এটা ঠিক কৰিব। কিন্তু আজি এমাহ নহয়, কেইবামাহো গ'ল কেইবা বছৰো গ'ল কিন্তু সময় নিৰ্দ্ধাৰিত কাৰ্য্যসূচী আৰু নহ'ল। সেইটো কেন্দ্ৰীয় চৰকাৰে ৰক্ষা কৰিব লাগে। তেতিয়া এ,জি,পি চৰকাৰ আছিল। তেতিয়া ভি,পি, সিং কেইদিনমানৰ কাৰণে প্ৰধানমন্ত্ৰী আছিল। তেতিয়া অসমৰ মুখ্য সচিব আছিল শ্ৰী এ,পি, চাৰোৱান আৰু গৃহ সচিব আছিল

শ্রীশিৱোমণি শর্মা। কোনটো ক্লজ কেতিয়া শেষ কৰা হ'ব। এখন চুক্তিৰ পিছত চুক্তি হৈছে। টাইম প্লেন আৰু একশ্যন প্লেন তেতিয়া অসম চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰৰ গৃহ সচিবৰ মাজত স্বাক্ষৰিত হৈছে এতিয়া কিন্তু ৰাজ্য চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰ কোনেও কিন্তু এইটো ৰক্ষা কৰিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, এন,আৰ,চিৰ ক্ষেত্রত এটা সঞ্চালকালয় কৰাৰ কথা আছিল দুবছৰৰ ভিতৰত। ২০০৫ চনত এটা সঞ্চালকালয় খুলিছে কিন্তু তাত ভাৰত চৰকাৰৰ এপ্রুভেল আছে নে নাই? ইয়াত এখন লিষ্ট দেখিছো সঞ্চালকালয়ত সঞ্চালক এজন দিছে, এজন বিষয়া দিছে, এজন উচ্চবর্গৰ সহায়ক দিছে আৰু এজন পিয়ন দিছে। ৪-৫ জন বিষয়া-কর্মচাৰী লৈ ইমান ডাঙৰ এটা সঞ্চালকালয় কেনেকৈ চলিব। সন্মানীয় এগৰাকী মাননীয় সদস্যই এই বিষয়াটোলৈ সদনত এটা প্রশ্ন উত্থাপন কৰিছিল। ৰাজ্য চৰকাৰৰ এই ক্ষেত্রত সদিচ্ছা ক'ত। এইক্ষেত্রত সদিচ্ছা প্রকাশ কৰা দেখা পোৱা নাই। মই আৰু বেছি দীঘলীয়া নকৰো। শেষত মই এটা কথা ক'ব বিচাৰিছো যে এই গোটেই বিষয়টোৱে ভয়াবহভাৱে গোটেই অসমখনক এক অন্ধকাৰৰ মাজলৈ ঠেলি দিছে। এই বিষয়টো আলোচনাৰ বাবে অসম বিধান সভাত আজি মাননীয় অধ্যক্ষ মহোদয়ে যিটো সুবিধা দিছে তাৰ বাবে মই তেখেতক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো। এই বিষয়টো বিধানসভাত প্রথম বাৰৰ কাৰণে আলোচনা কৰিবলৈ সুবিধা পাইছো। মাননীয় অধ্যক্ষ মহোদয়, এখন সময় নির্দ্ধাৰিত কর্মসূচী চৰকাৰৰ ফালৰ পৰা ইয়াত ঘোষণা কৰিব লাগে আৰু কিমান দিনৰ ভিতৰত

একশ্যন প্লেন সদনত দাখিল কৰিব, কিমান দিনৰ ভিতৰত সমাধান হ'ব এই বিষয়ে কিবা এটা উত্তৰ ৰাজ্য চৰকাৰৰ পৰা আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ- মাননীয়া সদস্যা ডঃ অলকা শর্মা।

*** ডঃ অলকা শর্মা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, Foreigner Problem in Assam is a national problem. It can not be solved unless the Central Govt. interferes on its. মোচনটোৰ ওপৰত মই কেইটামান কথা উনুকিয়াব খুজিছো। প্ৰথম কথা হ'ল চাৰিটা ক্লিয়াৰ জ'ন আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অবিহনে আমি আগবাঢ়ি নোৱাৰো। প্ৰথম কথা হ'ল Categories. কিছুমান ডিচপুটেড প্লেন্ত আছে। ইন্দো-বাংলা ব'ৰ্ডাৰৰ কিছুমান লেণ্ড আছে, য'ত ইণ্ডিয়া-মুজিব চুক্তি মতে ভাৰত চৰকাৰ আৰু বাংলাদেশ চৰকাৰৰ লগত আলোচনা কৰি সমাধান কৰা দৰকাৰ। দ্বিতীয় কথা হ'ল, এন,আৰ,চিৰ ক্ষেত্ৰত আমাক ভাৰত চৰকাৰৰ সহযোগিতা লাগিব। তৃতীয় কথাটো হ'ল, যিসকল মানুহক বাংলাদেশী হিচাবে চিনাক্তকৰণ কৰা হৈছে, সেইসকল লোকক বাংলাদেশ চৰকাৰে গ্ৰহণ কৰিব নে নকৰে? এই ক্ষেত্ৰত আমাক ভাৰত চৰকাৰৰ সহযোগিতা লাগিব। চাৰি নম্বৰত হ'ল, ৱেচটার্ণ চেক্টৰত যিখিনি প্ৰটেক্শ্যন আছে তাৰ তুলনাত ইচটার্নত একেবাৰে নেগলেক্ট কৰা হৈছে। এই ক্ষেত্ৰত অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি ইষ্টৰ ক্ষেত্ৰত যাতে সমান চকুৰে চায় তাৰ

---

* Speech not corrected

ব্যৱস্থা ল'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, গাওঁবুঢ়াসকলক কিছুমান তথ্য দিব লাগে। গাওঁবুঢ়া সকললৈ এন,আৰ,চিৰ কপি যাব লাগে। যদি কোনোবা ব্যক্তি বাহিৰৰ পৰা আহি স্থান ল'ব খোজে তেনে ব্যক্তিৰ ওপৰত যাতে গাওঁবুঢ়াই তাৎক্ষণিক ব্যৱস্থা ল'ব পাৰে। চাইম বাউণ্ড একশ্যন প্লেন এটা ল'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আজি ভাৰতবৰ্ষৰ সকলো ঠাইতে বিদেশী সমস্যা হৈছে। মহাৰাষ্ট্ৰত হৈছে, দিল্লীত হৈছে, গুজৰাটত বিদেশী সমস্যা হৈছে। এইটো এটা ৰাষ্ট্ৰীয় সমস্যা হৈছে। গতিকে এইক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি এইক্ষেত্ৰত কিবা এটা ব্যৱস্থা ল'ব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ- এতিয়া শ্ৰীপ্ৰদীপ হাজৰীকা। অলপ চমুৱাই ক'ব।

*** শ্ৰীপ্ৰদীপ হাজৰীকা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, বিদেশী সমস্যাটো আমাৰ অসমৰ এটা ডাঙৰ সমস্যা। সেইটো এতিয়া সকলোৱে গম পাইছে। এই সমস্যা হৈছে আজিও বাংলাদেশৰ অবৈধ প্ৰব্ৰজন কৰি আমাৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলত বাস কৰিবলৈ লোৱা লোকসকলে ইয়াৰ মেলগ্ৰাফি অৰ্থাৎ চছিয়, ইকনমিক পিকচাৰটোৱেই বদলি কৰি দিছে। এইটো সকলোৱে উপলব্ধি কৰিছে। অসমখন ভাৰতৰ এটা অংগ। আজি বিদেশী সমস্যাৰ বাবে অসমৰ জনগনে আন্দোলন কৰিবলগীয়া হৈছে। আজি ভাৰতবৰ্ষই বুজি উঠিছে, আৰু ইয়াক এটা ভয়াবহ সমস্যা বুলি

---

* Speech not corrected

স্বীকাৰ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মই কেইটামান কথা দাঙি ধৰিব খুজিছো। এটা সময়ত গোটেই বিশ্বতে মাইগ্ৰেচনটো ৰেগুলাৰ ফেন'মেনন আছিল। মানুহবিলাকে ভাল ঠাই বিচাৰি পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিছিল। য'ত সুবিধা পাইছিল তাত তেওঁলোকে বাস কৰি এখন সমাজ প্ৰতিষ্ঠা কৰিছিল। আমাৰ উত্তৰ পূৰ্বাঞ্চলতো যিবিলাক জনসাধাৰণ আছে তেওঁলোকো বহু বছৰ আগতে বিভিন্ন জেগাৰ পৰা আহিছিল। ইয়াত চীন দেশৰ মানুহ আছে, ম্যানমাৰৰ মানুহ আছে, ভূটানৰ আছে, নেপালৰ আছে। ভাৰতবৰ্ষৰো বিভিন্ন ঠাইৰ মানুহ ইয়াত আছে। আহোম স্বৰ্গদেউসকলৰ দিনত এইদৰে বিভিন্ন ঠাইৰ পৰা মানুহ আহি আমাৰ মানুহবিলাকৰ লগত একেলগে মিলি এখন সমাজ প্ৰতিষ্ঠা কৰিছিল। তেতিয়া কোনো অসুবিধা হোৱা নাছিল। অধ্যক্ষ মহোদয়, আমাৰ শিৱসাগৰৰ যিটো শিৱদৌল আছে, তাক চোৱা-চিতাৰ বাবে দৌল্লা উপাধিৰ এটা পৰিয়াল আছে। সেইটো হিন্দু পৰিয়াল নহয় ইছলাম পৰিয়াল। আমাৰ বাঘ হাজৰীকাই আহোম ৰজাৰ হৈ মোগলৰ লগত যুদ্ধ কৰিছিল। আজি এই অৱস্থাৰ পটভূমিত কিছু কথা ক'বলগীয়া হৈছে। আজি সেইসকলু মানুহক লৈ কোনো সমস্যা নাই। শিৱসাগৰত আমাৰ নগা গাওঁ আছে, মণিপুৰী গাওঁ আছে, সেইসকল মানুহ অসমীয়া সমাজৰ লগত মিলি গৈছে। বিয়া-বাৰু হৈছে। আমাৰ মানুহৰ লগত। আজি আমাৰ বিধানসভাত এটা কথা উলিয়ালে কিছুমানে আক্ৰমণ কৰিবলৈ অহা দেখা যায়। মাননীয় অধ্যক্ষ মহোদয়,

আজি যিটো বিদেশী সমস্যা; যদি ভাৰত চৰকাৰে ইচ্ছা কৰে ইয়াক সমাধান কৰাটো একো ডাঙৰ নহয়। বিদেশীৰ লগত জড়িত হৈ আছে বাংলাদেশ বিদেশীৰ লগত জড়িত হৈ আছে বাহিৰা দেশ। তেওঁলোকৰ লগত আলোচনা নকৰাকৈ অসম চৰকাৰে ইয়াক সমাধান কৰিব নোৱাৰে। এই সমস্যাটো সমাধান কৰিব পৰা ক্ষমতা আছে কেন্দ্রীয় চৰকাৰৰ। কেন্দ্রীয় চৰকাৰে মন কৰিলে কালিৰ ভিতৰতে সমাধান কৰিব পাৰে। অসমৰ বিদেশী সমস্যা সমাধানৰ ক্ষেত্রত ভাৰত চৰকাৰৰ সদিচ্ছা নাই। মই দুটামান উদাহৰণ দিব খুজিছো। আজি এই সমস্যাই ভয়াবহ ৰূপ লৈছে। ভাৰত চৰকাৰে আমাৰ লগত কথা নপতাকৈ ইয়াক কেনেকৈ সমাধান কৰিব? এন,এছ,চি,এনৰ কাৰণে জেনেভাত আলোচনা পাতিছিল। এইটো অকল প্রব্রজনৰ সমস্যা হৈ থকা নাই। যেতিয়া ১৯৭৫ চনত বাংলাদেশৰ যুদ্ধ হৈছিল বহু মানুহ বাংলাদেশৰ পৰা অসমত সোমাইছিল। তেওঁলোকৰ আগতেও কিছু মানুহ আহিছিল। ভাৰত চৰকাৰৰ লগত নিশ্চয় বুজাপৰা হৈছিল। আজি বহুতে কয়, অকল বাংলাদেশৰ কথা যে কয়, নেপালৰ কথা নকয় কিয়? কিন্তু তেওঁলোকৰ পৰা আমাৰ চছিয়, ইকনমিক সমস্যা হোৱা নাই। প্রথমে আহি আমাৰ মাটিৰ লগত মিলি গ'লে সমস্যা নহ'লহেতেন। ভাত খাবলৈ দিব পাৰি। কিন্তু আঙুলি খাবলৈ দিব নোৱাৰি। মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৫ চনৰে পৰা এজন বাংলাদেশী নাগৰিক নাম উত্তম ভৌমিক। তেওঁক তিনিবাৰকৈ বহিষ্কাৰ কৰা হৈছে। কিন্তু আকৌ আহে। আ,এ,ৰাইৰ ঘৰো লৈছে। মাননীয় অধ্যক্ষ মহোদয়,

আপুনি জানিব, গোটেই হাউছে জানিব অসমৰ চছিয়, ইকনমিৰ ওপৰত এই তথ্য আহিছে।

অধ্যক্ষ মহোদয়, ১৬টা সংগঠন আছে। সেইকেইটা সংগঠন আপুনি বা সদনে জনাটো ভাল হ'ব।

Foreigners issue has become a major problem in Assam. This problem can not be solved by the Assam Government, Govt. of India can solve this problem through discussion. They may come forward any try to solve this problem. In Assam 16 organizations are there viz. Muslim United Tigers of Assam, Muslim united Liberation front of Assam, Islamic Liberation Army of Assam, Islamic Sevak Sangha, Islamic United Reformation, Muslim security Council of Assam, United Liberation Milisia of Assam, Muslim Volunteer Force, Muslim Liberation Army, Muslim Security Force, United Muslim Liberation Front of Assam, Revolutionary Muslim Commando, Muslim Tiger Force, peoples United Liberation Front, Harkat-U1 Muzahiddin and Harkat U1-Jihad.

Therefore, it is true that foreigners problem had become a serious point and real problem in

Assam. এই ১৬টা সংগঠনে কাম কৰি আছে। ছোচিয়েল ইকোন'মি আহিছে। ভাৰতবৰ্ষত ইণ্টাৰনেশ্বনেল চিকিউৰিটিৰ কথা আহি গৈছে। এইটোৱে সৰ্বভাৰতীয় আতংকৰ সৃষ্টি কৰিছে। (এখন পেপাৰ দেখুৱায়) এইখন চাওক, ইয়াত ৭টা মৌলবাদী সংগঠন আছে, গোসাঁই গাওঁত ৩টা কৰিব, ৫টা বোমা উদ্ধাৰ হৈছে। তাতোকৈ ডাঙৰ কথা হৈছে চৰকাৰে বাংলাদেশীৰ ওপৰত গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা নাই। ইয়াত উদ্ধৃতি দিছে। আৰু এটা কথা ইয়াত ভালধৰণে দিছে মৌলবাদী সংগঠনৰ বিষয়ে। আজিৰ দিনত চিংফৌ, মংগলিয়া, এৰিয়ানচ, গোৰ্খা, খুমটাই আদি বিভিন্ন ধৰণৰ মানুহ আছে। চাহ বাগিছাৰ মানুহখিনিও আছে। আজি অসমৰ ভয়াবহ অৱস্থা হৈছে। যিহেতু আমি সকলোৱে আছো, বিধান সভাত এই কথাটো আলোচনা হোৱা ভাল হ'ব। আমি শাসকীয়, বিৰোধী দলৰ সদস্য সকলোৱে একমত হৈছো যে ১৯৭১ চনৰ পিছত অসমলৈ আহিলে সেইটো মানা নহ'ব। We have raised a verb Serious point. যদি অসমত এনেকুৱা অৱস্থা হয়, তেতিয়া হ'লে ভাৰতবৰ্ষত কি হ'ব। আমি এই কথাটোত সকলোৱে চিৰিয়াচ হ'ব লাগিব, হ'ব লাগিব, নহ'লে কোনোধৰণৰ ব্যৱস্থা ল'ব নোৱাৰিম। এই কথাখিনি মই দাঙি ধৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, আগতে ব্ৰহ্মপুত্ৰ জলসম্পদ আছিল, কিন্তু আজি ব্ৰহ্মপুত্ৰ জলসম্পদ নহয়। বাহিৰৰ পৰা নদীৰে বহুত বস্তু আনি বিক্ৰী কৰিছিল। ডিব্ৰুগড়, তেজপুৰ,

যোৰহাট, শিৱসাগৰ আদিত নদী সম্পদ গঢ়ি উঠিছিল। কিন্তু আজি সেইটো গঢ়ি উঠা নাই। বাংলাদেশৰ পৰা মানুহ আহি আছে, বাংলাদেশ বোৰ্ডাৰ খোলা আছে। সীমান্তবিলাক সম্পূৰ্ণভাৱে খোলা আছে। মানকাছাৰ, কৰিমগঞ্জ আদি খোলা আছে। ইয়াৰ কোনো ব্যৱস্থা লোৱা দেখা নাই। সেইকাৰণে আপোনাৰ নেতৃত্বত গভৰ্ণমেণ্টে ৰাজনৈতিকভাৱে প্ৰেচাৰ দিয়া ভাল হ'ব। (বাতৰি কাকত দেখু�ৱাই দি) ...Ethnic people lining in Assam should not be harassed in the name of foreigner. We all agree that foreigners should be detected and deported. But the system followed in Assam is not correct. We must solve the problem. We must take it as a joint mission. Border fencing must be there Govt. should not politicalise the foreigners' issue. I thank Shri Keshab Mahanta to raise the burning issue. গতিকে সমস্যা কৰা হোৱা নাই যদিও ইয়াৰ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিলে সমস্যা সমাধান হ'ব।

অধ্যক্ষ মহোদয়, মই আৰু বেছি নকওঁ, আপুনি মোক ক'ৰলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই এইখিনি দাঙি ধৰি ইয়াতে মই সামৰণি মাৰিলো।

* **শ্ৰীআব্দুল আজিজ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ পিছত অহা

---

* Speech not corrected

মানুহখিনিৰ কথা উত্থাপন কৰা হৈছে। তাৰ পিছত আহিব নোৱাৰে। এই সমস্যাটো সমাধান হ'ব লাগিব।

(সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ- আপোনালোক বহক, মন্ত্রীয়ে উত্তৰ দিব। (সদনত হুলস্থুল চলি থাকে)

(ভইচ ঃ আমাৰ ক'বলগীয়া আছে, ক'বলৈ দিয়ক)

* **শ্রীআব্দুল আজিজ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ পিছত চাব লাগিব, ইয়াত আমাৰ কোনো দ্বিমত নাই। তাৰ পিছত মানুহখিনি থাকিব নোৱাৰিব।

মাননীয় অধ্যক্ষ ঃ- এতিয়া শ্রীহাফিজ বছিৰ আহমেদ ডাঙৰীয়াই ক'ব।

শ্রীহাফিজ বছিৰ আহমদ ঃ- মাননীয় অধ্যক্ষ মহোদয়। মাননীয় বিধায়ক শ্রীকেশৰ মহন্ত ডাঙৰীয়াই অসম বিধানসভাৰ প্রক্রিয়া আৰু কার্য পৰিচালনাৰ নিয়মাৱলীৰ অধীনত 'দা ফৰেনার্চ প্রব্লেম ইন আসাম ইজ এ নেশ্বনাল প্রব্লেম, ইট কেন নট বি চোলভ আনলেচ দি চেণ্ট্রেল গভার্ণমেণ্ট ইণ্টাৰ ফেয়াৰ ইন ইট' সম্পর্কীয় ৰাজহুৱা গুৰুত্বপূর্ণ বিষয় এটা উত্থাপন কৰাৰ বাবে মই তেওঁক ধন্যবাদ জনাই দু-এষাৰ ক'ব বিচাৰিছো। বিদেশী-বিদেশীয়ে। ইয়াত কাৰো দ্বিমত নাই আৰু প্রতিজন বিদেশীক ন্যায়িক প্রক্রিয়াৰে চিনাক্ত কৰি বহিষ্কাৰ কৰাৰ ক্ষেত্রত কাৰো আপত্তি নাই আৰু থাকিব নোৱাৰে। অত্যন্ত আনন্দৰ কথা যে আজি অসমৰ ৰাজনৈতিক অ-ৰাজনৈতিক

---

* Speech not corrected

সকলো দল-সংগঠনে একমত হৈছে যে ১৯৭১ ইং চনৰ ২৫ মার্চ বা তাৰ পিছত অহা সকলো মানুহ বিদেশী। ইয়াত জাত বা ধর্মৰ কথা নাই। উক্ত তাৰিখৰ পিছত অহা প্রতিজন ব্যক্তিকে চিনাক্ত কৰি বহিষ্কাৰ কৰিবই লাগিব। কিন্তু এনে এটি স্পর্শকাতৰ তথা গুৰুত্বপূর্ণ বিষয়টোক চৰকাৰ তথা কিছুমান দল-সংগঠনে যি ধৰণে গুৰুত্ব দিব লাগিছিল সেইধৰণে দিয়া নাই যেন লাগে। কাৰণ আজিলৈকে বাংলাদেশী বা বিদেশীৰ সংখ্যা সম্পর্কে যিবোৰ তথ্য চৰকাৰী তথা বেচৰকাৰীভাৱে দিয়া হৈছে, এই ধৰণৰ দায়িত্বহীন উক্তিৰ বাবে বিষয়টোৰ গুৰুত্ব যথেষ্ট কমি গৈছে। কেতিয়াবা ৩০ লাখ কেতিয়াবা ৪০ লাখ, কেতিয়াবা ৫০ লাখ আনকি কেতিয়াবা এক কোটিৰ অধিক বিদেশী থকাৰ কথা কোৱা হয়। এনেধৰণৰ দায়িত্বহীন উক্তিৰ বাবে বিষয়টোৰ গুৰুত্ব যথেষ্ট কমি গৈছে। আজি প্রকৃত ভাৰতীয় নাগৰিক আনকি খিলঞ্জীয়া অসমীয়া মুছলিম মানুহখিনিও ভাবিবলৈ লৈছে যে যি বিদেশীৰ পৰিসংখ্যা বিভিন্ন সময়ত চৰকাৰী-বেচৰকাৰীভাৱে কোৱা হৈ আছে সেই সংখ্যা খিলঞ্জীয়া মুছলমানখিনিক লৈয়ো পূর্ণ নহয়। সেয়ে তেওঁলোকৰ মনত এইধৰণৰ ভাৱৰ উদ্রেক হোৱাটো স্বাভাৱিক যে আমাকো বিদেশী বুলি কোৱা হ'ব নে কি?

অধ্যক্ষ মহোদয়, আজি অসমত ব্রহ্মপুত্রকে আদি কৰি বিভিন্ন নৈ-উপনৈত গড়াখহনীয়াৰ বলি হৈ শ শ গাওঁ নিশ্চিন্ন হোৱাৰ কথা কোনে নাজানে। এই গড়াখহনীয়াৰ বলি লক্ষ লক্ষ মানুহ উদৰাস্ত জীৱন-যাপন কৰিবলগীয়া হৈছে। জীৱন নির্বাহৰ বাবে আজি অসম তথা ভাৰতবর্ষৰ বিভিন্ন প্রান্তত এই মানুহবোৰ

সিঁচৰিত হৈ পৰিছে। এই সকল মানুহকে হকে বিহকে প্ৰায় সময়ত বাটে-পথে বিদেশীৰ নামত হাৰাশাস্তি হৈ থাকে। অত্যন্ত পৰিতাপৰ কথা যে আমাৰ কিছুমান ৰাজনৈতিক দল-সংগঠনে বিদেশী বিতাড়িত হ'ব লাগে বুলি কয় যদিও তেওঁলোকৰ দায়িত্বহীন উক্তি আৰু কাৰ্য্যকলাপে বিষয়টোক অধিক জটিলহে কৰিছে।

আশ্চৰ্য্যজনক কথা যে গড়াখহনীয়াৰ বলি হৈ অসমত কিমান মানুহ ৰাস্তাহাৰা হৈছে আৰু এই মানুহবোৰ ক'ত ক'ত থিতাপি লৈ আছে তাৰ সঠিক তথ্য চৰকাৰৰ হাতত নাই। মাননীয় বিধায়ক উদ্ধব বৰ্মন ডাঙৰীয়াৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত অসমৰ ২৭ খন জিলাৰ ২২ খনৰহে তথ্য দিব পাৰিছে। গোৱালপাৰা জিলাৰ নিচিনা গড়াখহনীয়াগ্ৰস্ত জিলাখনৰ সঠিক তথ্য চৰকাৰে দিব পৰা নাই। ধুবুৰী, গোৱালপাৰা, বৰপেটা, মৰিগাওঁ আদি জিলাৰ শ শ গাওঁ গড়াখহনীয়াৰ ফলত নিশ্চিহ্ন হৈছে। এইবোৰ অঞ্চলৰ উদৰাস্ত মানুহবোৰ যেতিয়া তেওঁলোকৰ সংশ্লিষ্ট জিলাৰ বাহিৰত কাম কৰিবলৈ যায়, তেওঁলোকক বিদেশী বুলি অপদস্ত কৰা হয়। অধ্যক্ষ মহোদয়, আটাইতকৈ দুখৰ কথা আজি মুছলমান মানুহ দেখিলে বিদেশী বুলি আখ্যায়িত কৰাৰ প্ৰৱণতা গা কৰি উঠা যেন লাগে।

কিছু প্ৰচাৰ মাধ্যমে টুপি, দাড়ি, লুঙি পিন্ধা মগনীয়াৰ ফুটপাথৰ পৰা ফটো তুলি আমি বাংলাদেশী বুলি প্ৰচাৰ কৰি একপক্ষীয়ভাৱে মুছলমান সকলোকে বিদেশী বুলি চিহ্নিত কৰাৰ

দায়িত্বহীন প্ৰৱণতাই আমাৰ মাজত যথেষ্ট ভুল বুজা-বুজিৰ সৃষ্টি কৰিছে। অকল মুছলমান বুলিলেই বিদেশী নহয়। বিদেশী বাংলাদেশী, নেপালী, ভূটীয়া তথা অইন কোনো ঠাইৰো হ'ব পাৰে, যিকোনো ধৰ্মৰ হ'ব পাৰে। অসমক বিদেশীমুক্ত কৰিব লাগিলে ইয়াত বসবাসকাৰী সকলো জনগোষ্ঠীক আস্থা আৰু বিশ্বাসত ল'ব লাগিব। আমাৰ মাজত থকা জাউতি-যুগীয়া সংহতি, সম্প্ৰীতি আৰু ভাতৃত্ববোধ ঘূৰাই আনি আমি সকলোৱে মিলি বিদেশী মুক্তকৰণৰ প্ৰচেষ্টা চলাব লাগিব।

অধ্যক্ষ মহোদয়, গোৱালপাৰাৰ পৰা সুদূৰ মানকাছাৰ বাংলাদেশ সীমালৈকে বিশাল চৰ-চাপৰি অঞ্চলত অ-মুছলিম মানুহ নাই বুলি কলেও ভুল নহ'ব। ইয়াত যদি কোনো বিদেশী আশ্ৰয় লয়, তেন্তে তাক মুছলমানসকলেই উলিয়াই দিব লাগিব।

অধ্যক্ষ মহোদয়, মোৰ এজন বন্ধুয়ে পাচপ'ৰ্ট আৰু ভিচাৰ সৈতে ঢাকালৈ ফুৰিবলৈ আগৰতলা ব'ৰ্ডাৰেৰে যাব ওলাইছিল, তেওঁ মোক কৈছিল যে বাংলাদেশলৈ যোৱাৰ বাবে যিমান মানুহ তাত শাৰী পাতি থিয় হৈছিল তাৰ ভিতৰত মই অকলেই এজন মানুহ যিজনে ন্যায়সংগতভাৱে ভিচা লৈ যাব ওলাইছো। আৰু ভিচা লোৱাটোৱেই মোৰ অপৰাধ আছিল, যাৰ কাৰণে সকলোৰে পিছতহে মোক যাবলৈ দিয়া হৈছিল। যিসকলৰ ভিচা নাই তেওঁলোকক ২০০.০০ টকা লৈ আগতেই যাবলৈ দিয়া হৈছিল। এইটো হ'ল আমাৰ ব'ৰ্ডাৰৰ অৱস্থা। আজি হাজাৰ হাজাৰ পশ্চিমীয়া গৰু বাংলাদেশলৈ সীমান্তয়েদি পাৰ কৰাৰ কথা কোনে নাজানে।

অধ্যক্ষ মহোদয়, এইখিনিতে আৰু এটা কথা মনত পৰিছে, প্ৰয়াত মৌলানা আব্দুল হক চাহাবে এটা সজাতি দলৰ সৈতে প্ৰাক্তন প্ৰধান মন্ত্ৰী শ্ৰীযুত অটল বিহাৰী বাজপেয়ীৰ সৈতে সাক্ষাৎ কৰিছিল। কথা প্ৰসঙ্গত বাজপেয়ীজীয়ে ধেমালিৰে অসম-বাংলাদেশ সীমাৰ কথা সোধাত তেখেতে কৈছিল আপুনিও যাব নেকি? একো কৰিব নালাগে যাওঁতে পাঁচ টকা আহোতে পাঁচ টকা লাগিব মাত্ৰ।

অধ্যক্ষ মহোদয়, বাস্তৱ ক্ষেত্ৰতো সীমান্ত পৰিস্থিতি ইয়াতকৈ ব্যতিক্ৰম নহয়। সেয়ে সীমান্ত চীল হোৱাটো অতি জৰুৰী। মই মোৰ বক্তব্য শেষ কৰিব বিচাৰিছো। এই জ্বলন্ত সমস্যা সমাধান কৰাৰ সকলোৰে সদিচ্ছা আছে, আমি অসমত বসবাসকাৰী সকলো জনগোষ্ঠীক আস্থা আৰু বিশ্বাসত লৈ এই জ্বলন্ত সমস্যাক অগ্ৰাধিকাৰ দি সমাধান কৰি লৈ আগবাঢ়ি আহিব লাগে। মাননীয় বিধায়ক শ্ৰীযুত কেশৱ মহন্তই এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰাৰ বাবে অধ্যক্ষ মহোদয়ে কোৱাৰ সুযোগ দিয়াৰ বাবে উভয়কে ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্য এইখিনিতে সমাপ্ত কৰিলো।

* **শ্ৰীৰঞ্জিত দত্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কেশৱ মহন্ত ডাঙৰীয়াই ৰুল ৫০ৰ অধীনত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। এই বিষয়ে আমাৰ কেবাজনো মাননীয় সদস্যই ইয়াত বক্তব্য ৰাখিছে। মই চমুকৈ অলপ ক'ব বিচাৰিছো। এইটো এটা

---

* Speech not corrected

ৰাষ্ট্ৰীয় সমস্যা আৰু সকলো ৰাজনৈতিক দল, ৰাজনৈতিক সংগঠন, আছু আদি সকলো সংগঠনেই এটাই কথা কৈছে যে ১৯৭১ চনৰ ২৫ মাৰ্চত অসমলৈ অহা বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ ক্ষেত্ৰত দ্বিমত নাই। এই ক্ষেত্ৰত বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ যিটো সদিচ্ছা থাকিব লাগে সেইটোৰ অভাৱ পৰিলক্ষিত হৈছে। অসম-বাংলাদেশ সীমান্তত ফেন্সিং দিয়াৰ কথা কোৱা হৈছিল। কিন্তু অসম তথা ভাৰত-বাংলাদেশ সীমান্ত আজিও উন্মুক্ত হৈয়ে আছে। যাৰ কাৰণে ৫ টকা খৰচ কৰিয়ে ভাৰত আৰু বাংলাদেশৰ মাজত অহা-যোৱা কৰিব পাৰিছে। প্ৰকৃততে যি বিলাকে ভিচা লৈ অহা-যোৱা কৰে তেওঁলোকৰ ৪ ঘণ্টা সময় নষ্ট হয়। ইয়াৰ দ্বাৰা প্ৰমাণ পোৱা গৈছে যে এই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা নাই। প্ৰকৃততে ভিচা লৈ আহিবলৈ হ'লে সময়ো বেছি যায় আৰু টকাও বেছি ভৰিবলগীয়া হয়। কিন্তু দুশ টকা দিলেই বাংলাদেশৰ পৰা ভাৰতলৈ অহা-যোৱা কৰিব পাৰি। মাননীয় সদস্য প্ৰদীপ হাজৰীকা ডাঙৰীয়াই গুৰুত্বপূৰ্ণ বিষয় এটা আলোচনা কৰিছে। এই সমস্যাটোৰ উপৰিও আমাৰ অসম বিভিন্ন ধৰণৰ কূটাঘাতমূলক কাৰ্য্য চলি আছে। আজি অসমত অলফা, এন.ডি.এফ.বি, ডি.এইচ.ডি আদি উগ্ৰপন্থী সংগঠনৰ উপৰিও ১৮টাকৈ মৌলবাদী সংগঠনৰ কাৰ্য্যকলাপ চলি আছে। খবৰ কাকতত প্ৰকাশ পাইছে যে, ক'ৰবাত মালতাৰ উগ্ৰপন্থী সদস্য, ক'ৰবাত বেলেগ উগ্ৰপন্থী সদস্য এৰেষ্ট কৰা হৈছে। মই এই সদনত ক'ব বিচাৰিছো যে আলফাই স্বাধীন অসম বিচাৰিছে

আৰু এন.ডি.এফ.বিয়ে বড়োলেণ্ড বিচাৰিছে। কিন্তু মৌলবাদী সংগঠনসমূহৰ কি ইছ্ছা আছে? তেওঁলোকে অসমত কি বিচাৰিছে? মৌলবাদী কার্য্যকলাপ যে তেখেতসকলে বৃদ্ধি কৰিছে তাৰ জৰিয়তে প্রকৃততে তেওঁলোকে কি বিচাৰিছে? আজি অসমৰ মৌলবাদী সংগঠনসমূহৰ কি কাম আছে। ১৮টা মৌলবাদী সংগঠনৰ কার্য্যকলাপ ইয়াত চলি আছে। গোটেই উত্তৰ পূর্বাঞ্চললৈ বৃহত্তৰ বাংলাদেশ কৰিবৰ কাৰণে এই মৌলবাদী সংগঠনসমূহৰ জন্ম হৈছে। চৰকাৰ এই ক্ষেত্রত নিমাত। আজি কিছুদিন আগতে নগাঁৱত কামালুদ্দিন নামৰ এজন বাংলাদেশী নাগৰিকক অসমৰ পৰা বহিষ্কাৰ কৰা হৈছিল তেওঁক তিনিবাৰকৈ অসমৰ পৰা বহিষ্কাৰ কৰা হৈছিল। কিন্তু আজি খবৰ কাগজত পালো তেওঁ আকৌ অসমলৈ আহিছে। ইয়াত চৰকাৰ নিমাত কিয়? চৰকাৰৰ কৰিবলগীয়া একো নাই নে কি? আমি খবৰ কাগজত পালো যে মাত্র ১৯ টকাতে ভাৰতীয় নাগৰিকত্বৰ চার্টিফিকেট পায়। এন. ই.আই.এচ নামৰ ভুৱা সংগঠন এটাই ভাৰতীয় নাগৰিকত্বৰ চার্টিফিকেট দি কোটি কোটি টকা অর্জন কৰিছে। শেষত এটা এনজিঅ'ই এই ভুৱা সংগঠনটোৰ বিৰুদ্ধে কেচ দিয়াৰ কাৰণে এই ভুৱা প্রতিষ্ঠানটোৰ মুৰব্বী সঞ্জয় সিঙক পুলিচে গ্রেপ্তাৰ কৰিছে। ইয়াত ১৯ টকাতে ভাৰতীয় নাগৰিকত্বৰ চার্টিফিকেট বিক্রী হৈ আছে। ১৯৭১ চনৰ ২৫ মার্চৰ পিছত যি সকল অবৈধ নাগৰিক অসমলৈ আহিছিল সেই অবৈধ নাগৰিকসকলক অসমৰ পৰা যাবলৈ দিব লাগে। এই ক্ষেত্রত সকলো ৰাজনৈতিক দলৰেই সর্বসন্মত সিদ্ধান্ত আছে আৰু সেইটো কৰাটো আমি সকলোৱে

বিচাৰিছো। এই ক্ষেত্ৰত আমি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছা বিচাৰিছো।

* **শ্ৰীদ্ৰুপদ বৰগোহাঁই** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা বৰ গুৰুত্বপূৰ্ণ বিষয়। অসমীয়া জাতিৰ লগত ইয়াৰ সম্পৰ্ক আছে। এই সমস্যাটোৰ ক্ষেত্ৰত সকলো দলেই উদ্বিগ্ন হৈছে। তাৰ কাৰণ কি? এইটো ইমানেই গুৰুত্বপূৰ্ণ বিষয় যে অসমৰ গোটেই ভৱিষ্যত ইয়াৰ ওপৰত নিৰ্ভৰ কৰিছে। সন্মানীয় বিধায়ক হাফিজ বচিৰ আহমেদ চৌধুৰী ডাঙৰীয়াই বিষয়টোৰ ওপৰত গুৰুত্ব উপলব্ধি কৰি কৈছে যে এই ক্ষেত্ৰত সকলোকে বিশ্বাসত ল'ব লাগে। আমি ইয়াত অসমীয়া জাতিৰ কথা কৈছো। স্বাধীনতাৰ পিছত আৰু ১৯৫০ চনৰ পৰা অসমত যিখিনি মানুহ বসবাস কৰি আছে, সেই মানুহখিনি ইয়াত আছে। আৰু সেই মানুহখিনিয়েই অসমৰ জনগণ। সেই মানুহখিনিৰ প্ৰকৃততে অসমৰ জনগণ হৈ আছেনে নাই নে ইয়াত ক'ৰবাৰ পৰা মানুহ আহিছে সেই কথাটো অনুসন্ধান কৰি চাব লাগিব। ১৯৭১ চনত যেতিয়া বাংলাদেশ স্বাধীন হ'ল তেতিয়া তাৰ পিছৰ পৰাই যথেষ্ট মানুহ ইয়ালৈ আহিছিল। পাকিস্তান আৰু বাংলাদেশৰ যুদ্ধৰ সময়ত বহুতো মানুহ ইয়ালৈ আহিছিল। কিন্তু সেই মানুহখিনি ওলাই গ'লনে নাই? মোৰ ধাৰণামতে যথেষ্ট সংখ্যক মানুহ ইয়াত থাকিল। কেন্দ্ৰীয় চৰকাৰে এই গোটেই কথাখিনি আলোচনা কৰি

---

* Speech not corrected

কৈছে যে, ৪০ লাখ বাংলাদেশী ইয়াত থাকি গ'ল। আমাৰ মাননীয় সদস্য কেশৰ মহন্ত ডাঙৰীয়াই এই কথাখিনি উত্থাপন কৰোতে এটা কথা কৈছিল আমাৰ এটা কেচ হাইকোৰ্টত আলোচনা হৈ আছে। সেই কেচটো আলোচনা কৰি থাকোতে এটা ৰিপোৰ্ট দিয়া হৈছে যে বাংলাদেশত যেতিয়া হিচাপ-নিকাচ কৰিলে তেতিয়া বাংলাদেশৰ পৰা ২ কোটি মানুহ নাইকিয়া হ'ল। কিন্তু এই ২ কোটি ক'লৈ গ'ল? এই ২ কোটি মানুহ ভাৰতলৈ আহিছে। এই ২ কোটি মানুহৰ ভিতৰত প্ৰায় ৬০ লাখ মান মানুহ আমাৰ অসমত আছে। বাকীখিনি দিল্লী, মুম্বাই বা অন্যান্য ঠাইত সিঁচৰিত হৈ আছে। এই কথাটো মোৰ কথা নহয়। হাইকোৰ্টে বিচাৰ কৰোতে ৰিপোৰ্ট দিছিল তাৰ পৰা অনা হৈছে। বাংলাদেশী নাগৰিক আমাৰ ইয়াত আছে। আমি ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অহা বিদেশী নাগৰিক চিনাক্তকৰণ কৰি বহিষ্কৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। বিদেশী নাগৰিকৰ ক্ষেত্ৰত হিন্দু মুছলমান বুলি কথা নাহে। হিন্দু মুছলমানকে ধৰি বিভিন্ন ধৰ্মাৱলম্বী লোক অসমত আছে। কিন্তু অকল মুছলমান হ'লেই যে বিদেশী নাগৰিক হ'ব সেইটো কথা ক'ব নোৱাৰি। আজি ভাৰতৰ পৰা কোনোবা নাগৰিক বাংলাদেশ বা পাকিস্তানলৈ ভিচা নোহোৱাকৈ গ'লে জেলত ভৰাই থব। গতিকে পাকিস্তান বা বাংলাদেশৰ পৰা অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিলে জেলত ভৰাই থোৱা ব্যৱস্থা কৰিব লাগে। এইটো নকৰিলে আমাৰ ৰাজ্য তথা দেশখনৰ বিপৰ্য্যয় আহি পৰিব। হিন্দু মুছলমান সকলো ধৰ্মাৱলম্বী লোক আৰু বিভিন্ন জনগোষ্ঠীৰ লোক মিলি আমি অসমীয়া হৈ আছো।

১৯৫১ চনৰ ৰাষ্ট্ৰীয় নগৰিক পঞ্জীত আমাৰ যি সকল লোকৰ নাম আছে সেই নাগৰিক পঞ্জীৰ ওপৰত ভিত্তি কৰি ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছৰ পৰা বিদেশী নাগৰিকখিনিক বহিষ্কাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বাংলাদেশী বুলিলে মুছলমান মানুহকে নুবুজায়। ইয়াত হিন্দু, মুছলমান, খৃষ্টান, জৈন, পার্চী আছে। আমি ১৯৫০ চনৰ পৰা আছো। মাজতে বাংলাদেশত চেনচাচ্ হৈছিল, তাত দেখা গ'ল ৬০ লাখ মানুহ নাই। এই মানুহখিনি ক'ত গ'ল। আমাৰ ইয়াত উজনি অসমত চেনচাচ কৰিলে দেখা যায়, তাত মানুহ কমিছে। নামনি অসমত কৰিলে দেখা যায় যে ইয়াত মানুহ বাঢ়িছে। ইয়াত লাখ লাখ মানুহ বঢ়াটো সম্ভৱ নে? আজি এন.আৰ.চি আপডেট কৰক। ৫০/৬০ চন কৰি থাকোতেই যায়। সেই কাৰণে মই আপোনালোকক কৈছো যে আপোনালোকে কৰিব নোৱাৰে, কেন্দ্ৰীয় চৰকাৰক দিয়ক। শ্বেখ মুজিবুৰ ৰহমান বাংলাদেশৰ, তেওঁৰ কিতাপ আপোনালোকে পঢ়িছে চাগে। তাত উল্লেখ কৰিছে 'বাংলাদেশ' মুক্তি পোৱাৰ পিছত আমাক অসমখন প্ৰয়োজন হ'ব পাৰে।

* **শ্ৰীআব্দুল খালেক** :- মাননীয় অধ্যক্ষ মহোদয়, ইমানবিলাক কথা গভীৰভাৱে আলোচনা হোৱাৰ পিছত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। আজি বাংলাদেশীয়ে অসমৰ ভিতৰত সোমাইছে। আজি সীমান্ত অঞ্চল সুৰক্ষিত হ'ব লাগে।

---

* Speech not corrected

কাইটীয়া তাঁৰৰ বেৰ দিব লাগে। তাৰোপৰি যদি কিবা দিব লাগে সেইখিনিও দিব লাগে। কেন্দ্রীয় চৰকাৰক ক'লে কোনো বিদেশী থাকিব নোৱাৰে বুলি কয়। ইয়াত কোৱা হৈছে যে আমাৰ ইয়াত শাক-পাচলি উৎপাদন কৰা মানুহ আছে, তেওঁলোকে শাক-পাচলি উৎপাদন কৰে। আমি অনাহকত মানুহবিলাকক সন্দেহ কৰি থাকো। কেন্দ্রীয় চৰকাৰেও এই মানুহবিলাকক অনাহকত সন্দেহ কৰে। এই সংক্রান্তত মাননীয় মুখ্যমন্ত্রীৰ এটি বিবৃতি প্রকাশ পাইছিল। ভাৰতীয় নাগৰিকৰ ওপৰত। আজি এই কথা যে কেৱল অসমতহে হৈছে এনে নহয়। আমেৰিকাতো হৈছে। মেক্সিকো দেশৰ মানুহবোৰ আমেৰিকাত সোমাব ধৰিছে। তেওঁলোকেও পাছ নোহোৱাকৈ আহিছে। অসমৰ মুছলমানসকল কিং মেকাৰ নহয়। এইখিনি কথা ক'বলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনালো।

মাননীয় অধ্যক্ষ ঃ- মই অলপ সময় বঢ়াই দিছো। পিছৰ বেলা মন্ত্রী মহোদয়ে উত্তৰ দিব। উত্তৰৰ কাৰণে আধা ঘণ্টা সময় লাগিব।

(ভইচঃ চাৰ আমাক ক'বলৈ সময় দিব লাগিব। অলপ সময় বেছি দিব লাগিব)।

বেছি সময় দিব নোৱাৰিম। আপোনালোকৰ পৰা পাঁচজনক ক'বলৈ দিয়া হ'ব। প্রত্যেকে পাঁচ মিনিটকৈ ক'ব। তেখেতসকল হ'ল চি পি এমৰ শ্রীঅনন্ত ডেকা, বি পি এফৰ শ্রীথানেশ্বৰ বসুমতাৰী, শ্রীভূৰন পেগু, শ্রীমুহিবুল হক, শ্রীছিৰাজুদ্দিন আজমল আৰু শ্রীঅনুপ ফুকন।

আপোনালোকক বহুক বুলি ক'বলৈ মোৰো বেয়া লাগে সেয়ে সময় বান্ধি দিয়া হৈছে আপোনালোকে সময়মতেহে কয় যেন। Announcement এটি ঘোষণা আছে মই পঢ়ি দিছো।

মাননীয় অধ্যক্ষ ঃ- বিধান সভাৰ আজিৰ অধিবেশন যিহেতু দুয়োবেলা অনুষ্ঠিত হ'ব গতিকে আগবেলাৰ কার্য্যসূচীৰ অন্ত পৰাৰ পিছতে বিধানসভাৰ নতুন বিধায়ক আবাসৰ ভোজনালয়ত দুপৰীয়াৰ আহাৰৰ আয়োজন কৰা হৈছে। মই সদনৰ নেতা তথা মাননীয় মুখ্যমন্ত্রী মহোদয়, মন্ত্রী সভাৰ মাননীয় মন্ত্রীসকল, বিধান সভাৰ বিৰোধী দলৰ মাননীয় দলপতি, বিধান সভাৰ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সংসদীয় সচিবসকল, মাননীয় সদস্য/ সদস্যাসকলক সাদৰেৰে দুপৰীয়াৰ আহাৰ গ্রহণ কৰিবলৈ নিমন্ত্রণ জনালো। বিষয়াসকল, জ্যেষ্ঠ চৰকাৰী প্রতিবেদকসকল, সাংবাদিক বীথিকাত উপস্থিত সাংবাদিকসকলক বিধানসভাৰ সদস্যৰ নতুন আৱাসৰ ভোজনালয়ত আয়োজন কৰা দুপৰীয়াৰ আহাৰ গ্রহণ কৰিবলৈ মই নিমন্ত্রণ জনালো।

(সদন ২০-৭-২০০৯ তাৰিখৰ বিয়লি (চাৰি) ৪ বজালৈ স্থগিত ৰখা হ'ল।)

(মধ্যাহ্ন বিৰতিৰ পিছত আবেলি ৪-০০ বজাত পুনৰ সদনত মিলিত হয়)

Mr. Speaker : Md. Mohibul Hoque.

---

* Speech not corrected

* শ্রীমহিবুল হ'ক ঃ মাননীয় অধ্যক্ষ মাহোদয়, আজি এই গুৰুত্বপূর্ণ বিষয়টোৰ ওপৰত ক'বলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, এই গুৰুত্বপূর্ণ বিষয়টো মাননীয় সদস্য শ্রীকেশৰ মহন্ত ডাঙৰীয়াই উপস্থাপন কৰাৰ কাৰণে তেখেতকো ধন্যবাদ জনাইছো আৰু অসম বিধান সভাৰ মজিয়াত আলোচনা কৰাৰ কাৰণে। শ্রীমহন্ত ডাঙৰীয়াই বিদেশীৰ বিষয়টো কৈছে, অসমত বহুত বাংলাদেশী আছে বুলি কৈছে। আমি কৈছো যে বাংলাদেশী বা বিদেশী বহিষ্কাৰ কৰাটো আমাৰ পূর্ণ সমর্থন আছে আৰু ভাৰতীয় নাগৰিক হিচাবেও আমাৰ দায়িত্ব আৰু কর্তব্য আছে। এই সমস্যাটো নিষ্পত্তি কৰাৰ কাৰণে কেন্দ্রীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব লাগে। তাৰ কাৰণে প্রয়োজন হ'লে সদন কমিটিও গঠন কৰা হওঁক। আৰু এই সদন কমিটিয়ে কেন্দ্রীয় চৰকাৰৰ ওচৰলৈ গৈ নিষ্পত্তি কৰাৰ কাৰণে বলিষ্ঠ পদক্ষেপ গ্রহণ কৰিব লাগে। এইখিনি প্রস্তাৱ ৰাখিছো। অকল ভাৰত চৰকাৰে নহয় দৰকাৰ হ'লে এই ক্ষেত্রত ৰাষ্ট্রসংঘৰ জৰিয়তে হ'লেও বাংলাদেশী বা বিদেশী বহিষ্কাৰ হ'ব লাগে। আগৰ বক্তাসকলে যিখিনি কৈছে ভালেই কৈছে। কিন্তু এটা কথাত দুখ পাইছো যে বাংলাদেশীৰ নামত মুছলমান সম্প্রদায় যে নির্য্যাতিত হৈছে আৰু হাৰাশাস্তি হৈছে সেই বিষয়ে কোনো এজন বক্তাই নক'লে। কেৱল দুজন মাননীয় সদস্যৰ বাহিৰে (আব্দুল খালেক আৰু .....) কোনো ভাৰতীয় মুছলমান লোকৰ ওপৰত হাৰাশাস্তি হ'ব নালাগে। তেনেকুৱা মানুহৰ ওপৰত যি বাংলাদেশী নহয় অত্যাচাৰ কৰাটো সহ্য কৰিব নোৱাৰি। চৰকাৰে ইতিমধ্যে পদক্ষেপ

গ্রহণ কৰিছে। আনহাতে বাংলাদেশীৰ নামত শ্রমজীৱি মানুহক অত্যাচাৰ কৰা কথাটো আমি পাহৰা নাই। এটা সময়ত উজনি অসমত শ্রমজীৱি মানুহৰ ওপৰত অত্যাচাৰ হৈছিল বাংলাদেশীৰ নামত। আলফাৰ সভাপতি শ্রীঅৰবিন্দ ৰাজখোৱাই কৈছিল বাংলাদেশীৰ নামত যাতে অন্য নাগৰিকৰ হাৰাশাস্তি নহয়। তেতিয়াৰ পৰা কিছু সংগঠনে এইবিলাক বন্ধ কৰিছিল। অধ্যক্ষ মহোদয়, মই বাংলাদেশ সীমান্ত জিলাৰ পৰা অহা লোক। সেই কাৰণে বাস্তৱ কথাটো উত্থাপন কৰিছো। মূল কথাটো হ'ল বাংলাদেশী যিবিলাক মানুহ তেওঁলোকৰ ভাষা, সাহিত্য, কালচাৰ সকলো আমাৰ লগত একে। তেওঁলোকৰ ৰীতি-নীতিও সকলো মিলে ধুবুৰী জিলাৰ মানুহৰ লগত। কোকৰাঝাৰ বা বঙাইগাওঁ জিলাৰ মানুহৰ লগত নিমিলে। সেই কাৰণে ধুবুৰীৰ মানুহ হ'লেই বহুতে বাংলাদেশী বুলি ভাবে। গতিকে বাংলাদেশী নাগৰিক বহিষ্কাৰ কৰাৰ কাৰণে আমি সর্বতোপ্রকাৰে সহায় কৰিম। তাৰ কাৰণে সদন কমিটি গঠন কৰা হওক। কেন্দ্রীয় চৰকাৰ লাগিলে এই ক্ষেত্রত ৰাষ্ট্রসংঘৰ ওচৰলৈ যাওক। এইখিনি কৈ মোৰ বক্তব্য সামৰিলো।

* **শ্রীভূৱন পেগু ঃ** মাননীয় অধ্যক্ষ মাহোদয়, মই বেছি সময় নকওঁ, মই এটা কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মই ভূৱন পেগু। মোক লৈ কাৰো সন্দেহ নাই। কিন্তু মোৰ নিচিনা বহুতো পেগু

* Speech not corrected

উপাধিৰ লোক অৰুণাচল প্ৰদেশত আছে। তেওঁলোকে তাত চাকৰি-বাকৰি কৰি সা-সম্পত্তি গোটাই অৱসৰৰ সময়ত ঘুৰি আহিবলগীয়া হয় অসমলৈ। কাৰণ টকা-পইচা থাকিলেও তেওঁলোকে তাত মাটিৰ অধিকাৰী হ'ব নোৱাৰে। দ্বিতীয়তে, তেওঁলোকে তাত ভোটাৰ লিষ্টত নাম সোমাব নোৱাৰে। ভোটাৰ লিষ্টত নাম অৰ্ন্তভূক্ত কৰিব নোৱাৰা কাৰণে মাটিৰ অধিকাৰী হ'ব নোৱাৰে। গতিকে তাত থাকি লাভ নাই। সেই কাৰণে নিজৰ জিলাতে মাটি-বাৰী কিনি তাতে থাকে। আজি আমাৰ মানুহ যদি জার্মানীলৈও যায় আৰু তাত টকা-পইচাও গোটাই তেতিয়া হ'লেও তাত মাটি কিনিব নোৱাৰে। ভাৰতবৰ্ষলৈ ঘূৰি আহিব লগীয়া হ'ব। এইটো এটা কথা মই ইয়াত উনুকিয়াইছো। এখন ৰাজ্যত থাকি যদি ভোটাৰ তালিকাত নাম অৰ্ন্তভূক্ত কৰিব নোৱাৰে তেতিয়াহ'লে কোনো মানুহ ইয়াত নাথাকে। মই ইয়াত কোনো কন্ট্রাৰ্ভাচিয়েল কথালৈ যাব বিচৰা নাই। ১৯৫১ চনৰ ৰাষ্ট্রীয় নাগৰিক পঞ্জীৰ ১৯৭১ চনৰ ২৫ মাৰ্চৰ ওপৰত বেচ কৰি এই ৰাষ্ট্রীয় নাগৰিক পঞ্জীখন বনাব লাগে। এইটো এটা কনচেনচাচ হৈছে। ২০০৫ চনত সদৌ অসম ছাত্র সন্থা, ৰাজ্য চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰৰ মাজত ত্রিপাক্ষিক আলোচনা হৈছিল। এই আলোচনাত ৰাষ্ট্রীয় নাগৰিক পঞ্জীখন প্রস্তুত কৰি উলিওৱাৰ কাৰণে এগ্রিমেণ্ট হৈছিল। এইটো ভাল কথা আছিল। কিন্তু ২০০৫ চনৰ পৰা ২০০৯ চনলৈ আজি ৪ বছৰ ধৰি ৰাষ্ট্রীয় নাগৰিক পঞ্জীয়ন প্রস্তুত কৰি উলিওৱা নাই। সকলো দলৰ

বিধায়কেই এই বিষয়ে এগ্রি কৰিছে। বিদেশী নাগৰিকৰ বিষয়টো আৰু কিমান দিন আমি ষ্ট্রেচ কৰিম? ২০১০য়েই হওঁক, ২০১১ চনেই হওঁক ২০১২ চনেই হওঁক, ৰাষ্ট্রীয় নাগৰিক পঞ্জীখন আপগ্রেড কৰি প্রস্তুত কৰাৰ কাৰণে এটা দিৰ্দিষ্ট সময় সীমা ঘোষণা কৰিব লাগে। ইয়াৰ লগতে মাটিক লৈ এখন আইন বনাব লাগে। এই ৰাষ্ট্রীয় নাগৰিক পঞ্জীত যাৰ যাৰ নাম থাকিব তেওঁলোকেহে মাটি কিনিব পাৰিব। বিদেশী নাগৰিক চিনাক্তকৰণ কৰিব লাগে আৰু বিতাড়ণ কৰিব লাগে। বিদেশী নাগৰিক বিতাড়ণ কৰাত মোৰ সন্দেহ আছে। ১০/১৫ লাখ বিদেশী নাগৰিক চিনাক্ত কৰি কেম্পত ৰাখিব পাৰে। কিন্তু খেদি পঠিওৱাটোত সন্দেহ আছে। এই ক্ষেত্রত চেণ্ট্রেল গভর্ণমেণ্টৰ হস্তক্ষেপ লাগিব। অসম তথা ভাৰতবর্ষৰ হাজাৰ হাজাৰ কিলোমিটাৰ ৰাস্তা পকীকৰণ কৰি নির্মাণ কৰিছে আৰু চৰকাৰে বাঃ বাঃ আদায় কৰিছে। কিন্তু ভাৰত বাংলাদেশ সীমান্তত কাটা তাঁৰৰ বেৰ দিয়াত ইমান পলম হ'ল কিয়? এই ক্ষেত্রত চৰকাৰৰ সদিচ্ছা কিমান। সেইটো চিন্তনীয় বিষয়।

* **শ্রীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদেশী নাগৰিকৰ এই সমস্যাটো সমাধানৰ ক্ষেত্রত সকলো ৰাজনৈতিক দল, সকলোবিলাক অৰাজনৈতিক সংগঠন, সংখ্যালঘু, সংখ্যাগুৰু আদি সকলো লোকেই এটা শক্তিশালী স্থিতিত ঐক্যবদ্ধভাৱে থিয় দিছে। সকলোৱে একেলগ হৈ ১৯৭১ চনৰ ২৫ মার্চৰ পিছত অসমলৈ

---

* Speech not corrected

অহা বিদেশী বিলাকক চিনাক্তকৰণ কৰি বহিষ্কৰণ কৰাৰ কথা কৈছে। বিদেশী চিনাক্তকৰণ কৰি বহিষ্কৰণ কৰাৰ যিটো প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াটো সন্দেহ আছে। এই গোটেই প্ৰক্ৰিয়াটোত কেন্দ্ৰীয় চৰকাৰৰ আন্তৰিকতা লাগিব। আজি ২৫ বছৰ ধৰি যি বিদেশী নাগৰিকক চিনাক্তকৰণ কৰা হ'ল মই ভাবো সেই মানুহখিনিৰ বেছি ভাগেই বাংলাদেশী নাগৰিক। কোনোবা কামালুদ্দিন নামৰ এজন বাংলাদেশী নাগৰিকে এবাৰ ইয়ালৈ আৰু এবাৰ তালৈ অহা-যোৱা কৰি থাকে। এই ক্ষেত্ৰত আমি ভাৰত চৰকাৰক ঠিক মতে কনভিন্স কৰাব লাগে। ভৌগলিক অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰাৰ দায়িত্ব ভাৰত চৰকাৰৰ। ভৌগলিক অখণ্ডতা ৰক্ষা কৰাৰ কাৰণে এই বিষয়টো গুৰুত্ব সহকাৰে লোৱা উচিত। নদী পথ, স্থল পথ, আকাশ মাৰ্গ আদি সমস্যাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে অন্ততঃ বাংলাদেশ চৰকাৰৰ লগত এই বিষয়ে আলোচনা-বিলোচনা কৰি নিষ্পত্তি কৰিবৰ কাৰণে আগবাঢ়ি অহাটো উচিত। অবৈধ প্ৰব্ৰজনকাৰী আহি থাকিব আৰু ভোটাৰ তালিকাত নাম সন্নিৱিষ্ট হৈ থাকিব এই কথাটো কোনেও কামনা নকৰে। অতি সোনকালে আমাৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন তৈয়াৰ কৰি উলিয়াব লাগে। এই নাগৰিক পঞ্জীখন প্ৰস্তুত কৰি নুলিওৱাৰ ফলত গড়াখহনীয়াত আক্ৰান্ত ভাৰতীয় নাগৰিক এজন যদি নামনি অসমৰ পৰা উজনি অসমলৈ যায় তেতিয়া তাত বিভিন্ন ধৰণে হাৰাশাস্তি খাবলগীয়া হয়। সকলোকে উৰ্দ্ধত ৰাখি এই সমস্যাটো সমাধান কৰিব লাগে। এই ক্ষেত্ৰত ধৰ্ম, সম্প্ৰদায় বা উগ্ৰ জাতীয়তাবাদক প্ৰশ্ৰয় দিয়া অনুচিত। আমাৰ চুক্তিমতে ৰাষ্ট্ৰীয়

নাগৰিক পঞ্জীখন প্ৰস্তুত কৰি উলিয়াব লাগে আৰু সেই ক্ষেত্ৰত আমি বাৰম্বাৰ আলোচনা কৰা স্বত্তেও পিছুৱাই গৈ আছো। আমাৰ কিছুমান ৰেচপনচিবোল সংগঠন আছে। এই ক্ষেত্ৰত তেখেতসকলো যথেষ্ট উদ্বিগ্ন হৈছে। বিদেশী নাগৰিক সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দুৰ্বলতা আৰু ব্যৰ্থতাৰ কাৰণ কি? এই ক্ষেত্ৰত পলিটিকেল কন্সিয়াচ হ'ব লাগে। এই বিষয়টোৰ ক্ষেত্ৰত সমগ্ৰ অসমবাসী উদ্বিগ্ন হৈ পৰিছে। সেই কাৰণে ভাৰত চৰকাৰে দায়িত্ব পালন কৰাৰ কাৰণে আগবাঢ়ি অহা উচিত। দেশ বিভাজনেই এই সমস্যাৰ সৃষ্টি কৰিছে। এই সময়ত আমাৰ মানুহে জনা নাছিল যে ভাৰত আৰু পাকিস্থানৰ বিভাজনে এই সমস্যাৰ সৃষ্টি কৰিব। পাকিস্তান আৰু বাংলাদেশ বিভাজনৰ সময়ত ইন্দিৰা-মুজিব চুক্তি হৈছিল। আমাৰ ভাৰত বাংলাদেশ সীমান্ত উন্মুক্ত হৈয়ে আছে। ইফালৰ পৰা সিফালে মানুহ অহা-যোৱা কৰি আছে। কোনো এখন স্বাধীন দেশে বোৰ্ডাৰ উন্মুক্ত কৰি ৰাখিব নালাগে। আজি সাৰ্বভৌমত্ব ৰক্ষা কৰাৰ দায়িত্ব হৈছে ভাৰত চৰকাৰৰ। আমি এই সকলো কথা পৰিহাৰ কৰি এই বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰাৰ কাৰণে কামত আগবাঢ়ি যোৱা দৰকাৰ।

* **শ্ৰীথানেশ্বৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক কেশৰ মহন্ত ডাঙৰীয়াই যিটো প্ৰসঙ্গ উৎযাপন কৰিছে এই সম্পৰ্কত বক্তব্য ৰাখিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো।

---

* Speech not corrected

মোৰ ফালৰ পৰা বেছি ক'বলগীয়া নাই। ১৯৭১ চনৰ ২৫ মার্চৰ পিছৰ পৰা বিদেশী বহিষ্কাৰৰ যিটো কথা সকলোৱে কৈছে তাত আমাৰ দলৰ ফালৰ পৰা ক'বলগীয়া নাই। ইয়াৰ উপৰিও আমাৰ অসমত যি বিলাক ট্রাইবেল বেল্ট আৰু ব্লক আছে তাত অজনজাতীয় লোকৰ প্ৰৱেশ ঘটিছে। সেই দিশটোত নজৰ দিয়া প্ৰয়োজন। ঠিক তেনেদৰে গুৱাহাটীকে ধৰি তাৰ ওচৰে-পাজৰে যি ট্রাইবেল বেল্ট আৰু ব্লক এৰিয়া আছে তাতো নজৰ ৰাখিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দিশপুৰতে ট্রাইবেলসকলক উচ্ছেদ কৰি ৰাজধানী স্থাপন হৈছিল। এনেকৈ বহুতো ভূমিৰ পৰা ট্রাইবেলসকলক উচ্ছেদ কৰি অন্য লোকে ভূমি দখল কৰে। ইয়াৰ কিবা প্ৰটেক্চনৰ ব্যৱস্থা চৰকাৰৰ আছেনে? ট্রাইবেল বেল্ট, ব্লকত অকল বিদেশীৰ সমস্যাই নাই তাত অনা-ট্রাইবেলে মাটি দখল কৰি ট্রাইবেল লোকসকলক উচ্ছেদ কৰিছে। ইয়াৰ প্ৰটেকচন কৰিব লাগে। ট্রাইবেল লোকসকল অতি সহজ-সৰল আৰু তেওঁলোকে কৃত্রিমতা নুবুজে। ফলত ৰেভিনিউ ডিপাটমেণ্টৰ বিষয়া-কর্মচাৰীসকল উপাযুক্ত এচডিঅ'য়ে বহুত সময়ত অনা-ট্রাইবেলক ট্রাইবেল বুলি মাটিৰ দখল দিয়ে। ইয়াৰ প্ৰতিৰোধ কৰিবলৈ অনুৰোধ জনাইছো। Assam land and Revenue Regulation 1986. এই এক্টখন ভালদৰে ব্যৱহাৰ হৈছেনে নাই তাক চাবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। আৰু এই এক্ট ভালদৰে বাহাল কৰিবলৈ অনুৰোধ কৰি সদনৰ দৃষ্টি আকর্ষণ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া চিৰাজ উদ্দিন আজমলে ক'ব।

* **Md. Sirajuddin Ajmal :-** Respected Sir, I appreciate Shri Keshab Mahanta, Hon'ble Member to raise a discussion under Rule 50 of the Rules of procedure and conduct of Business in Assam Legislative Assembly on a matter of public importance regarding 'The foreigners' problem in Assam is a National Problem. Sir, how long one community should be subjected to such harassment mentally and physically in every possible manner just in the name of foreigners. Sir, as you know Assam is a flood affected state. Every year people of Assam are facing erosion problem due to flood and landless people become poorer. We have a political will be solve this problem permanently with the help of Foreigners Deportation Law between India and Bangladesh. Because on humanitarian ground, obviously we have taken steps to solve this problem. What was happening in the 17th Century in the name of foreigners harassment still exists. I think political solution is available and I would

---

* Speech not corrected

like to request and humbly submit all party form under your Chairmanship and we will go to Delhi and report Hon'ble prime Minister to take a permanent solution in this regard. Thanking you.

* মওলানা আতাউর রহমান মাঝার ভূইয়া ঃ অধ্যক্ষ মহাশয়, বিদেশী নাগরিক সমস্যা সম্বন্ধে ১৯৭১ সনের ২৫ মার্চ ভিত্তি হিসাচে প্রত্যেকটি রাজনৈতিক দল এবং উল্লেখযোগ্য ছাত্র সংঘটন ঐক্যবদ্ধ হওয়া সত্বেও বিষয়টি অদ্যাবধি সমাধান না হওয়া অত্যন্ত দুর্ভাগ্যজনক। এক্ষেত্রে সরকারের সদিচ্ছার অভাব অথবা দক্ষতার অভাব দায়ী — সেই বিষয়ে বিস্তারিত আলোচনার সময় না থাকায় বিষয়টি অত্যন্ত গুরুত্বপূর্ণ এবং স্পর্শকাতর হওয়ার এই বিষয়টির উপর অধিক গুরুত্ব দিয়ে একটা নির্দিষ্ট সময়সীমার মধ্যে সমাধান করার জন্য আমি সরকারের দৃষ্টি আকর্ষণ করছি।

অধ্যক্ষ মহাশয়, বিদেশী সমস্যা সমাধানের ক্ষেত্রে NRC অত্যন্ত গুরুত্বপূর্ণ। আমরা দেখেছি অতীতে ধর্মীয় ও ভাষিক সংখ্যালঘু সম্প্রদায়ের উপর বিদেশী নাগরিকের অজুহাতে অনেক নির্য্যাতন হয়েছে। সেই ক্ষেত্রে যেসব সংঘটন আইন নিজের হাতে নিয়ে বিদেশীর নামে ভারতীয় নাগরিকদের হয়রানি ও নির্য্যাতন করেছে সেক্ষেত্রে সরকার প্রথমে নীরব দর্শকের ভূমিকা পালন করেছে। পুলিশ প্রশাসন এসব ছাত্র সংগঠনের বিরুদ্ধে কোন ব্যবস্থা নেয়ানি। সুতরাং অধ্যক্ষ মহাশয়, বিদেশী

* Speech not corrected

সমাধানের জন্য NRC (জাতীয় নাগরিক পঞ্জী) সহ বাংলাদেশের সরকারের সঙ্গে প্রত্যার্পণ চুক্তি থাকা প্রয়োজন। এক্ষেত্রে বাংলাদেশ সরকারের সঙ্গে প্রত্যার্পণ চুক্তি না থাকার ফলে নগাঁও এৰ কামালউদ্দিন, উধারবন্ধের কাজল দাস, সম্প্রতি হোজাই থেকে আরও দুইজন দাসকে ইতিপূর্বে দুইবার বহিষ্কার করা সত্বেও পুনরায় গ্রেপ্তার করা হয়েছে। কারণ বাংলাদেশ সরকারের সঙ্গে চুক্তি না থাকার ফলে করিমগঞ্জে মহিষাশন সীমান্ত দিয়ে বি,এস,এমের মাধ্যমে বাংলাদেশে ঠেলে দেওয়া হয়। সরকারীভাবে বাংলাদেশের কোন অধিকারিক গ্রহণ না করার ফলে ঐসব লোক কিছুসময়ের জন্য বাংলাদেশে পিকনিকের মত ঘোরা-ফেরা করে। ৮/১০ কিলোমিটার দূরবর্তী নিলামবাজারের দিকে পূণৰায় অনুপ্রবেশ করতে সক্ষম হয়।

অধ্যক্ষ মহাশয়, এই স্পর্শকাতর বিষয়টি নিয়ে ইতিপূর্বে অসমে অনেক রক্তস্নাত ঘটনা ঘটেছে। সুতরাং ভবিষ্যতে যাতে ধর্মীয় ও অধিক সংখ্যালঘু ভারতীয় নাগরীকদেরে হয়রাণি করা না হয়, অসমে যাতে একজনও বিদেশী অনুপ্রবেশ করতে নাপারে এবং ভবিষ্যতে যাতে এই বিষয়টি নিয়ে কোনধরণের অশান্তি সৃষ্টি না হয় এবং অসমের উন্নতিতে ব্যাঘাত না ঘটে এজন্য বিদেশী সমস্যা সমাধানের জন্য ইতিবাচক দৃষ্টিভঙ্গি নিয়ে সরকারের এগিয়ে আসা প্রয়োজন।

অধ্যক্ষ মহাশয়, আপনার মাধ্যমে সরকারের দৃষ্টি আকর্ষণ করছি।

মাননীয় অধ্যক্ষ ঃ অনুপ ফুকন ডাঙৰীয়াই ক'ব।

* শ্রীঅনুপ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্রীকেশৰ মহন্ত ডাঙৰীয়াই ফৱেনাৰচ সম্পর্কে এই ইছ্যু সম্পর্কে গুৰুত্বপূর্ণ বিষয়টো সদনৰ মজিয়াত গুৰুত্ব সহকাৰে উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো আৰু ইয়াক আলোচনা কৰিবলৈ সদনত দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। এই বিদেশী সমস্যাটোৱে আমাৰ অসমত গুৰুতৰ ৰূপ লৈছে। এই সমস্যাটো সদনৰ ভিতৰে-বাহিৰে আলোচনা কৰোতে অশান্তিকৰ পৰিবেশৰ সৃষ্টি হৈছে। সদনৰ ভিতৰত আলোচনা কৰিলেও কিছুমান সদস্য অসুবিধাত পৰে। গতিকে সাৱধানতা অবলম্বন কৰিব লগা হৈছে। এই সমস্যাটো শুদ্ধভাৱে আলোচনা কৰিব লাগিব। এই বিদেশী সমস্যাটোৰ বাবে হোৱা ৬ বছৰীয়া অসম আন্দোলনৰ পৰিসমাপ্তিৰ এখন চুক্তিৰ জৰিয়তে।

মাননীয় অধ্যক্ষ মহোদয়, কাৰণ এই গোটেইবিলাকৰ লগত বিদেশী নাগৰিকৰ প্রশ্নটো জড়িত হৈ আছে। কাৰণ ছয় বছৰীয়া ঐতিহাসিক আন্দোলনৰ পিছত অসম চুক্তি স্বাক্ষৰিত হৈছিল। অসম চুক্তিৰ সময়তে এই কথাটো কোৱা হৈছিল যে মানুহৰ আর্থিক, সামাজিক, সাংস্কৃতিক দিশটোৰ সাংবিধানিক সুৰক্ষাৰ বাবে বিশেষ ব্যৱস্থা কৰিব লাগে। কিন্তু আজি অসমীয়া বুলি ক'বলৈ যাওঁতে এনেকুৱা এটা পৰিস্থিতি হৈছে যে এই অসমীয়া শব্দটো বিভিন্ন ধৰণৰ বিতর্কত লিপ্ত হ'ব লগা হৈছে।

* Speech not corrected

গোটেই কথাখিনি আজি এনেকুৱা হৈছে যে যিসকলে আন্দোলন কৰিছিল তেওঁলোকৰ ওপৰত গোটেই কথাখিনি জাপি দিব বিচৰা হৈছে আৰু এতিয়া অসমীয়া শব্দটো উচ্চাৰণ কৰিবলৈ মানুহে ভয় কৰা হৈছে। অধ্যক্ষ মহোদয়, ইয়াৰ মূলতে হৈছে বিদেশী নাগৰিকৰ সমস্যা। গতিকে চৰকাৰে আন্তৰিকতাৰে এই সমস্যাটো বিবেচনা কৰি সমাধানৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্রীয় চৰকাৰৰ মধ্যস্থতাত অসম চুক্তি সম্পন্ন হৈছিল যদিও আজি ২০ বছৰ পিছতো প্রকৃতার্থত কার্য্যকৰী নহ'ল। যাৰবাবে আজি আমাৰ মাননীয় সদস্য শ্রীপ্রদীপ হাজৰিকা ডাঙৰীয়াই ইয়াৰ ঐতিহাসিক কথা ক'বলৈ গৈছিল কিন্তু সময়ৰ অভাৱৰ বাবে গোটেই কথাখিনি ক'ব নোৱাৰিলে। অধ্যক্ষ মহোদয়, আজি যদি কেন্দ্রীয় চৰকাৰৰ সদিচ্ছা থাকে তেতিয়াহ'লে ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰি আৰু অন্যান্য যিবোৰ সমস্যাৰ কাৰণে দাবী কৰিছে সেইবোৰ সমাধানৰ বাবে ব্যৱস্থা গ্রহণ কৰিব পাৰে। আজি আমাৰ অসমত যুগ যুগ ধৰি বসবাস কৰি অহা বিভিন্ন জাতি-জনগোষ্ঠী আৰু খিলঞ্জীয়া লোকসকলৰ মাজত বিভিন্ন সময়ত ভুল বুজাবুজিৰ ফলত বিভিন্ন নির্যাতন হৈছে। আজি আলফাকে আদি কৰি বিভিন্ন যিবিলাক উগ্রপন্থী সংগঠন আছে সেইবোৰৰ লক্ষ্য আৰু উদ্দেশ্যক আমি সমর্থন নকৰো। কিন্তু দুর্ভাগ্যজনকভাৱে আজি তেওঁলোক আমাৰ মাজৰ পৰা আঁতৰি যোৱাৰ বাবে আমি তেওঁলোকক বিপথগামী যুৱক বুলি ক'বলৈ বাধ্য হৈছো। আজি এন.ডি.এফ.বি বা অইন বড়ো যিবিলাক উগ্রপন্থী সংগঠন আছে তেওঁলোকৰ ওপৰত চৰকাৰে

যি ধৰণে ব্যৱস্থা লৈছে ঠিক সেইধৰণে বিদেশী নাগৰিকৰ ওপৰত ব্যৱস্থা লোৱা হোৱা নাই। আজি আলফা সমস্যা সমাধানৰ বাবে ঢাকালৈ যোৱাৰ কথা কোৱা হৈছে। কিন্তু বিদেশী নাগৰিকৰ সম্যাটো সমাধানৰ বাবে ৰাজনীতিকৰণ কৰা দেখা পোৱা নাই। আজি অসমৰ ৰাইজৰ নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ যি ধৰণে কার্য্য ব্যৱস্থা গ্রহণ কৰিব লাগিছিল সেই ধৰণে কৰা হোৱা নাই। গতিকে আমি কেন্দ্রীয় চৰকাৰক এই বিদেশী সমস্যাটো সমাধা কৰিবলৈ আমি বাধ্য কৰাবই লাগিব। সেয়েহে আজি আমি এই পবিত্র সদনত ৰাজ্য চৰকাৰক এই সমস্যা সমাধানৰ বাবে আহ্বান জনাইছো আৰু মাননীয় কেশৰ মহন্ত ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো সমর্থন কৰি এই বিষয়টোৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ হস্তক্ষেপ বিচাৰি আহ্বান জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পোন প্রথমে আমাৰ মাননীয় সদস্য শ্রীকেশৰ মহন্ত ডাঙৰীয়াক ধন্যবাদ জনাইছো। আজি তেখেতে এটা ভাল প্রস্তাৱ সদনত উত্থাপন কৰিছে। আজি মই সঁচাকৈ ভাল পাইছো যে সদনৰ সকলো দলৰ সদস্যই একেলগে কৈছে যে ১৯৭১ চনৰ ২৫ মার্চ তাৰিখৰ পিছত যি সকল বাংলাদেশী লোক অসমলৈ আহিছিল তেওঁলোকক বহিষ্কাৰ কৰিব লাগে। এই কথাটোত সকলোৱে একমত হৈছে আৰু লগতে এইটোও কৈছে যে ৰোর্ডাৰ চীল কৰিব লাগে। লগতে

* Speech not corrected

এইটোও কৈছে যে এম আৰ চি আপদেট কৰিব লাগে, সোনকালে কৰিব লাগে আজি আমি এটা ভাল সুবিধা পাইছো। এতিয়া বাংলাদেশৰ প্ৰধান মন্ত্ৰী হৈছে শ্বেখ মজিবুৰ ৰহমানৰ কন্যা শ্বেখ হাচিনা। তেওঁৰ আমাৰ ভাৰতৰ লগত সু-সম্পৰ্ক আছে। তেখেতে এই কথা প্ৰকাশ কৰিছে আৰু কাৰ্য্য কৰিও দেখুৱাইছে। অসমৰ যিবোৰ উগ্ৰপন্থী বাংলাদেশত আছে সেইবোৰ বাহিৰ কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে আমাৰ বিশ্বাস যে যিবোৰ বাংলাদেশী লোক ইয়াৰ পৰা বহিষ্কাৰ কৰি দিয়া হ'ব সেইবোৰ তেওঁলোকে গ্ৰহণ কৰিব। এটা কথা হৈছে যে যেতিয়াই বাংলাদেশী লোকসকলক বহিষ্কাৰৰ বাবে লৈ যোৱা হয় তেতিয়া বি ডি আৰৰ মানুহবিলাকে কয় যে এইবোৰ ক'ৰ মানুহ, আমাৰ মানুহ হয় নে নহয় আমি ভালকৈ চাব লাগিব, তাৰ পিছতহে আমি গ্ৰহণ কৰিব পাৰিম। বহিষ্কাৰ কৰিবলৈ যাওঁতে কেতিয়াবা কিছুমানে পলাই যায় আৰু কিছুমান মিচিং হৈ যায়। এইবিলাক আপোনালোকৰ দিনতো হৈছিল আৰু আমাৰ দিনতো হৈছে। এটা কথা ভাল হৈছে যে মাননীয় মুখ্যমন্ত্ৰীৰ চেষ্টাত কেন্দ্ৰীয় চৰকাৰে দুটা ৰিটেনচন কেম্প মঞ্জুৰ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিশেষ চেষ্টাত দুটা কেম্প ভাৰত চৰকাৰে মঞ্জুৰী দিছে, তেওঁলোকৰ পৰা দিটেইলচ ৰিপোৰ্ট পোৱাৰ পিছত চিনাক্ত কৰি তেওঁলোকক পঠিয়াই দিয়া হয়। তেতিয়া কৰিমগঞ্জ আৰু মানকাছাৰ জিলাত আমি কিছু সকাহ পাম। আমাৰ কিছুমানৰ মতে আমাৰ মুছলমান মানুহক হাৰাশাস্তি কৰিছে বাংলাদেশৰ

বুলি। যিটো দাবী কৰিছে এইটো বন্ধ কৰিব লাগে। হয়, কিছুমান মানুহক অৱগেনাইজেচন বিলাকে ধৰিছে আচুৱে হওক বা অন্য কোনোবাই হওক তেওঁলোকক ধৰিছে। আমাৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই নির্দ্দেশ দিছে যাৰ যি ঠিকনা আছে সেই ঠাইলৈ লৈ যাব লাগে। তাত থানা আছে, সেই থানাত ভেৰিফাই কৰি চাব লাগিব। মানুহবিলাকৰ কষ্ট হৈছে কিবা কামত ক'ৰবাত গৈছে সেইসকলক ধৰি আনি থানাত দিছে, তেওঁলোকৰ কষ্ট হৈছে। মই অস্বীকাৰ নকৰো। আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ক বিশেষ চেষ্টাৰ ফলত সেইটো বন্ধ হৈছে আৰু যদি ক'ৰবাত কিবা হয় মই চাম। আমাৰ মাননীয় সদস্য কেইজনমানে কৈছে খিলঞ্জীয়াৰ কথা। ক্লজ ৬ত আছে। অসমীয়া ৰক্ষা কবচ তাত খিলঞ্জীয়া শব্দটো নাই। বিভিন্ন ধৰণৰ সাহিত্য সভা আছে তাত আলোচনা হৈছে অসমীয়াৰ পৰিবর্তে খিলঞ্জীয়া শব্দটো দিব লাগে। এইটো কন্ট্রিভাৰচিটি আহিছে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ নির্দেশত বিভিন্ন ছাত্র সংগঠন, বিভিন্ন যুৱ সংগঠনৰ লগত, সাহিত্য সভাৰ লগত, বুদ্ধিজীৱি সকলৰ লগত আমি আলোচনা কৰিছো আৰু সেইদৰে মুকাবালা কৰিছো। প্রত্যেক দলৰ পৰা প্রশাসনৰ পৰা মতামত বিচাৰিম। সেই সম্পর্কে আজিলৈকে কোনেও মতামত দিয়া নাই। আপোনালোকৰ পৰা মতামত নোপোৱাৰ কাৰণে এই কথাটো আমি সন্মত কৰিব পৰা নাই। মই আপোনালোকক পুনৰ অনুৰোধ কৰিছো আপোনালোকে মতামত দিয়ক, আমি সকলোৱে একেলগে বহিম। আমাৰ অসমীয়া জীৱনটো ৰক্ষা কৰাটো সমস্যা

হৈছে। আপোনালোকে আমাৰ লগত সহযোগ কৰক। আৰম্ভণিতে কৈছো Those People who have come to Assam after 25th March, 1971 are foreigners. They should be eliminated from the state of Assam. Border of Assam should be sealed. NRC should be updates as soon as possible. Everybody is agree with these problems. Central Government has agrees to set up two detention camps in Assam one at Karimganj district and the other at Mancachar will help us to solve the foreigners problem a lot. হয়, কেন্দ্রীয় চৰকাৰৰ লগত এই ক্ষেত্রত আমি এইটো ক'ব বিচাৰিছো যে কেন্দ্রীয় চৰকাৰে বর্তমান ফেনচিংৰ ক্ষেত্রত তেখেতসকলে বহুত আগবাঢ়ি গৈছে যদিও সম্পূর্ণ হোৱা নাই। এইটো এটা ডাঙৰ কথা, ডাঙৰ এচিভমেণ্ট। প্রাক্তন প্রধানমন্ত্রীয়ে এই কথাটো গুৰুত্ব লৈ আলোচনা কৰা নাছিল, ভি,পি, সিংও নাছিল। তাৰ পিছত গৃহমন্ত্রী তেখেতে এইটো কৈছে। কিছুমান কথা প্রচিডিংচ হৈ আছে সোনকালে শেষ কৰিব লাগে। কিছুমান কাম প্রাথমিক পর্য্যায়ত কৰিব তেতিয়া শেষ নোহোৱালৈকে অসুবিধা হয়। কথাতে কয়— "দূৰ দূৰণিৰ পর্বত দূৰৰ পৰা ধুনীয়া দেখি ওচৰলৈ গ'লে খলা-বমা দেখি"। ব্রহ্মপুত্র নদীখনত পানী আছে যদিং কৰবাত মাটি আৰু কৰবাত পানী আছে। আগতে ধুবুৰীয়েদি গৰুৰ চোৰেং কাৰবাৰ কৰা নাছিল। বেৰ এখন দিলে নদীয়ে

খহাই বেৰখনো লৈ যায় এনেকুৱা কিছুমান সমস্যা আছে। ব'র্ডাৰৰ ওচৰত ৰাস্তা এটা বনাই সেই ৰাস্তাও ভাল নহয়। মই কাৰো পক্ষ হৈ ওকালতি কৰা নাই। পিডাব্লিউডিৰ কাম ভাল হৈছে, এতিয়া তেওঁলোকে গুৰুত্ব দিছে। কৰবাত দলং দিছে বানপানীয়ে উটু�ৱাই নিছে এনেকুৱা কিছুমান হৈছে। পিডাব্লিউডিয়ে কামখিনি শেষ কৰিবলৈ আৰু অলপ বাকী আছে। বানপানীয়ে দলং উটুৱাই নিছে, মাঠউৰি ভাঙিছে। শ্লুইচ গেট খুলি দিয়াৰ লগে লগে বানপানী হৈছে। পি ডাব্লিউ ডিয়ে কামবিলাক ভাল কৰা কাৰণে আমি এই বিভাগটোক ধন্যবাদ দিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, ইন্দিৰা-মুজিব চুক্তি ১৯৭১ চনৰ মার্চ মাহৰ স্থিতাৱস্থা বাহাল থাকিব।

I thank Shri Keshab Mahanta to raise a discussion under Rule 50 of the Rules of procedure and conduct of Business in Assam Legislative Assembly on a matter of Public importance regarding " The foreigners" problem in Assam is a National problem. It cannot be solved unless the central Government interferes on it." A tripartit talks were held under the Chairmanship of the then Home Minister of India Shri Shivraj Patil on 05-05-2005 a tripartite talks were also held under the chairmanship of Dr. Manmohan Singh, prime

Minister of India. Border Fencing Road under taken by Assam PWD. Only 1.33 K.m is yet to be completed. আপোনালোকে ক'ব ফাইনেলাইজ কৰাৰ কাৰণে অসম চৰকাৰে চেষ্টা কৰা নাই বুলি। কিন্তু আমাৰ ফালৰ পৰা আমি সম্পূৰ্ণ চেষ্টা কৰি আছো। আমাৰ এখন কমিটি আছে। ফৰেইন চেক্রেটাৰী এই কমিটিখনৰ চেয়াৰম্যেন। এই কমিটিখনত অসমৰো প্রতিনিধি থাকে আৰু বাংলাদেশৰো প্রতিনিধি থাকে। তেওঁলোকে মাজে মাজে বহে আৰু ব'ৰ্ডাৰৰ পিলাৰ বিলাক মাৰোতে চাই আহে। ৩.৫ কিলোমিটাৰ 25-03-1971 was cut of year, who have come after date all of them should be treated as foreiners.। এই কথাটো আমাৰ মহন্ত ডাহৰীয়াই কৈছে। তেখেতে নিজে চাই আহিছে। সেই কাৰণে তেখেতে আজি বেছি কথা কোৱা নাই। ঠিক তেনেকুৱাকৈ মালেগড়ৰ কথাটো কৈছে, আমি হেমাহি কৰা নাই। তাত ৰাইজে বাধা দিছে। মালেগড়টো ঐতিহাসিক এটা চিন। তাত চিপাহী বিদ্রোহ হৈছিল। এই কথাটোত আমি সকলোৱে একমত। এই ক্ষেত্রত মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত আমি সর্বদলীয় দল এটা একগোট হৈ দিল্লীলৈ গেছিলো। এন, আৰ, চিৰ ক্ষেত্রত আজি আপোনাকে নাকে কৈছে, মই শুনি ভাল পাইছো। ব'ৰ্ডাৰ চীলৰ ক্ষেত্রত আমি ব্যৱস্থা লৈছো। আমি ব'ৰ্ডাৰ চীল কৰিম। আমি ব'ৰ্ডাৰত পহৰা দি আছো। পানী থকা জাগা বিলাকতো আমি পহৰাৰ ব্যৱস্থা কৰিছো। আজি আমি এন, আৰ, চিৰ ক্ষেত্রত যতেষ্ট গুৰুত্ব দিছো। এই ক্ষেত্রত আমাৰ সদিচ্ছা সম্পূৰ্ণ

আছে। এন, আৰ, চিৰ ক্ষেত্ৰত আমি মডেলিটিজ চাৰমিট কৰিছো। তাৰ পিছত কোৱেৰী গ'ব। এইটো অকল বিত্ত বিভাগে কৰিব নোৱাৰে, কেইবাটাও বিভাগৰ অপিনিয়ন লাগিব। এই ক্ষেত্ৰত ৰুল মতে আমি সকলোখিনি কৰিব লাগিব। প্ৰথমতে এন, আৰ, চি ১৯৫১ চনৰ পৰা ১৯৭১ লৈ Is border in Meghalaya and Tripura sealed? NRS is more important. We have submitted modelity. We have to meet up queried. । ইয়াৰ লগত বেচ কৰি এখন লিষ্ট বনোৱা হ'ব। এই ক্ষেত্ৰত ৰাইজৰ পৰা দৰ্খাস্ত বিচৰা হ'ব আৰু দৰ্খাস্ত অহাৰ পিছত আমি কমপ্লিট এখন লিষ্ট বনাম। অফিচাৰ সকলে এই লিষ্টখন ভেৰীফাই কৰিব। এই ক্ষেত্ৰত চৰ অঞ্চলত বা গাৱঁৰ সকলো মানুহে নাজানে। সেইবিলাক ঠাইত আমাৰ অফিচাৰ গৈ মানুহ বিলাকক লগ ধৰি, যদি তেওঁলোকে দখাস্ত দিয়া নাই লৈ আহিব। এই কাৰণে ৰুলটো এমেণ্ডমেণ্ট কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, House to home enumeration is required. We have to amend the Rule. We have to make scanning from 1951. Data entry operations are over. We are not happy become flood problem is not declared as national problem. But Prime Minister stated that most of the state Government received assistance from central Government for taking flood Protection measures in their states. As such, it is a national Problem.

এই ক্ষেত্রত আমি বহি থকা নাই। আমাৰ এই যিটো স্কেনিং সেইটো ইতিমধ্যে হৈছে। এতিয়া ক'ৰবাত ক'ৰবাত আমাৰ এইটো নাই। ভোটাৰ লিষ্টত নতুনকৈ নাম সোমোৱা নাই। এতিয়া আমাৰ দাদা এনট্রি অপাৰেচনৰ কাম সম্পূৰ্ণভাৱে চলি আছে। এই ক্ষেত্রত ভাৰত চৰকাৰে ৩ কোটি ২ লাখ টকা দিছে এইখিনি কাম সম্পূৰ্ণ কৰাৰ কাৰণে। এতিয়া আমি এই ক্ষেত্রত বহুখিনি আগবাঢ়ি আহিছো। ভাৰত চৰকাৰে এই কামখিনি সোনকালে কৰিবলৈ কৈছে। আমাৰ মাননীয় সদস্যসকলে কৈছে আমাৰ বানপানীটো এটা ৰাষ্ট্রীয় সমস্যা হিচাবে ঘোষণা কৰা নাই। এই ক্ষেত্রত ইয়াত যিটো কথা লিখিছে Citizenship by birth, it is a Central Government's Rule. Citizenship by birth will be given to those children to whose parents have come to India with valid Passport. গতিকে এইটো কথা হয়। মাননীয় প্রধানমন্ত্রী মহোদয়ৰ সভাপতিত্বত এইটো হৈছে ট্রাইম ফ্রেমৰ কাৰণে অফিচাৰ লেভেলত এটা আলোচনা হ'ব লাগে। এই ক্ষেত্রত আমাৰ আলোচনা চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, এন, আৰ, চি সম্পূৰ্ণ হোৱাৰ পিছত ত্রিপুৰাৰ পৰা বিদেশী মানুহ আহিলেও ধৰা পৰিব আৰু মেঘালয়ৰ পৰা বিদেশী মানুহ আহিলেও ধৰা পৰিব। তাৰ পিছত মাননীয় সদস্যসকলে আৰু দুটা-এটা কথা কৈছে। আমাৰ কেশৰ মহন্ত ডাঙৰীয়াই যিটো কৈছে ১৯৭১ ত আমাৰ হিৰালাল

পাটোৱাৰীৰ দিনতে তেতিয়াৰ পৰা এইটো ধৰা পৰিছে। এই কথাবোৰ বুজে জন্মসূত্রে, বাই বার্থ। ভাৰত চৰকাৰৰ আইনত এইটো আছে। কিন্তু লগতে তেখেতে কৈছে পাচপর্ট লৈ অহা মানুহৰ ক্ষেত্রত হ'ব আৰু পাচপর্ট লৈ নহা মানুহৰ ক্ষেত্রত নহয়। বাই বার্থ এইটো সকলোতে হ'ব।

* **শ্রীকেশৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ক'ব নেকি পাচপর্ট, ভিচা অবিহনে মানুহ আহিব পাৰে নে নাই ?

* **ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ** এইটো ইন্দিৰা মুজিব চুক্তি ১৯৭৪তে হৈছিল।

মাননীয় অধ্যক্ষ ঃ কেন্দ্রৰ আইনত এমেণ্ডমেণ্ড থাকে। এইটো আমি পিছত আলোচনা কৰিব পাৰিম।

* **ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এন, বি, চি, চিৰ কথা কৈছে। প্রথম অৱস্থাত তেওঁলোক শ্ল' আছিল কিন্তু এতিয়া কাম কৰিবলৈ ধৰিছে। আগতে আমি মাতিলে নাহিছিল, এতিয়া আহে। আমাৰ মহন্ত ডাঙৰীয়াই জানে আমি যেতিয়া গৈছিলো তেখেতসকল আহিছিল। পানী থকা জেগাবিলাকৰ কথা কৈছে। ক্লজ ৬, এইটো হাউচত ইতিমধ্যে কৈছোৱেই। তেখেতে অশোক পেপাৰ মিলৰ কথা কৈছিলে। এই ক্ষেত্রত আমি কিবা এটা কৰো, তেওঁলোকে ক'র্টলৈ যায়। এনেকৈয়ে বহুদিন ক'র্টতে গ'ল। এতিয়া ভার্ডিক্ট হৈছে। আমি জিকিম। ভাৰত চৰকাৰৰ পৰা কোৱা হৈছে এইচ, পি, চিক দিয়াৰ কাৰণে।

---

* Speech not corrected

এতিয়া আলোচনা হৈ আছে। তেওঁলোকৰ মানুহ আহি চাই গৈছে। আমি আৰম্ভ কৰিছো। অশোক পেপাৰ মিলটো কৰিব পাৰিম? এইটো স্পেচিয়েল ইকন'মিক জ'ন, সেইটো হয়। নিযুক্তিৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰখনে বহুতো স্কিম লৈছে। মুখ্যমন্ত্ৰীৰ স্বৰোজগাৰ যোজনা, কে.ভি.আই.চিৰ কাৰণে যথেষ্ট দিছো। আমাৰ মাননীয় পাটোৱাৰী ডাঙৰীয়াই স্বীকাৰ কৰিব, নলবাৰীত ৯০টা দিছো। চাকৰি সকলোকে দিব নোৱাৰো। আমাৰ ফালৰ পৰা যথেষ্ট চেষ্টা কৰা হৈছে। মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিছে। উদ্যোগ হ'লেহে আমাৰ নিযুক্তি বাঢ়িব। ৰেইলৱেত থার্ড গ্ৰেড আৰু ফর্থ গ্ৰেড পদত শতকৰা ১০০শ ভাগ আমাৰ থলুৱা ল'ৰাই পোৱাৰ বাবে আমি চেষ্টা কৰিছো। এই ক্ষেত্ৰত আপোনালোকে আমাক সহায় কৰিব। আমি একেলগে উঠিম। আমি চাহবাগানৰ ক্ষেত্ৰত গুৰুত্ব দিছো। ক্ষুদ্ৰ চাহ বাগিছা খুলিবলৈ ৩০ হেজাৰ বিঘা মাটি দিয়া হৈছে। ১৯১৬ চনৰ পিছত বহুত পাইছে, আপোনালোকে অস্বীকাৰ কৰিব নোৱাৰে। আমাৰ অলকা শর্মা ডাঙৰীয়ানীয়ে একেই কথা কৈছে। কেন্দ্ৰক দায়িত্ব দিয়াৰ কথা কৈছে। গাওঁবুঢ়াৰ ক্ষেত্ৰত যিটো কৈছে সেইটো দিব লাগে ১৮৮৬ চনৰ আছাম লেণ্ড মেনুৱেলৰ মতে। থানা কমিটিৰ ক্ষেত্ৰত আপোনালোকৰ পৰা বিশেষ সঁহাৰি পোৱা নাই।

* **শ্ৰীনুৰুল হুছেইন** ঃ ছাৰ, মই দৃষ্টি আকর্ষণ কৰিব খুজিছো, আছু আৰু যুব ছাত্ৰ পৰিষদৰ কথা কৈ আছে, আছাম পুলিচৰ ব'র্ডাৰ পুলিচ বুলি এটা বিভাগ আছে। তাৰ কাম কি?

---

* Speech not corrected

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ গাওঁবুঢ়া সকলৰ ক্ষেত্রত সেইটো দিব লাগে। আমি প্রত্যেক নাগৰিকে সেইটো কওঁ।

* শ্রীআব্দুল আজিজ ঃ মাননীয় অধ্যক্ষ মাহোদয়, এই বিদেশী ইচ্ছুটোক লৈ আপোনালোকে কিছুমান কথা কৈছে। কথাবোৰ ক'ৰবাৰ পৰা ক'ৰবাত গৈছে। নৰ্থ ইষ্টত য'তেই মাৰ খাইছে মুছলমান মানুহে খাইছে।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, মন্ত্রীক উত্তৰ দিবলৈ দিয়ক। আপুনি বহক। মাননীয় মন্ত্রী, ৫ মিনিটত আপোনাৰ উত্তৰ শেষ কৰক।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ মাননীয় সদস্য প্রদীপ হাজৰীকা ডাঙৰীয়াই কৈছে ১৭টা, নে ১৮টা মৌলবাদী সংগঠন আছে। এক্চন লোৱাৰ কথা কৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্রীপ্রদীপ হাজৰিকাই এটা কথা কৈছিল যে ১৭টা, কোনোবা মাননীয় সদস্যই ১৮টা মৌলবাদী সংগঠন আছে। এইটো সম্পূর্ণ ব্যৱস্থা ল'ব লাগিব, সেইটো লোৱা হৈছে, ইতিমধ্যে মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই এই বিষয়ে কৈছে।

* শ্রীপ্রদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাটোৱে যি ভয়াবহতাৰ সৃষ্টি কৰিছে, আমি সকলোৱে মিলি ব্যৱস্থা ল'ব লাগে।

---

* Speech not corrected

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আপোনালোকে দেখিছেই ব্যৱস্থা লোৱা হৈছে। ক'ৰবাত যদি ব্যৱস্থা লোৱা নাই আপোনালোকে কওঁক।

* **শ্রীপ্রদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এই কথাটো ভুল ধৰণে বুজাইছে। এই বিষয়টো চিৰিয়াচলি ল'ব লাগে। দেশখনৰ অখণ্ডতাৰ প্রতি ভাবুকিৰ সৃষ্টি হৈছে। সেইটো এচেষ্ট কৰিবৰ কাৰণে মই এইটো কৈছো।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি দেশৰ স্বার্থত ব্যৱস্থা লৈ আছো, আৰু ভৱিষ্যতেও ল'ম। যুদ্ধৰ সময়ত কেনেকুৱা লাগিছিল। এই ক্ষেত্রত মাননীয় সদস্যই প্রায় একে কথাই কৈ আছে। (কাগজবোৰ চাই) নতুন কথা আছে নেকি চাই আছো। কোনোবা মাননীয় সদস্যই কৈছে যে দৈনিক ছয় হেজাৰকৈ বিদেশী আহি আছে। যদি এইটোৱে হয়, মাহত কিমান হ'ব, বছৰত কিমান হ'ব।

* **শ্রীপ্রদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে উত্তৰ দিছে, আপোনালোকে হাঁহি আছে। মই বিষয়টো চিৰিয়াচলি কৈছো, আৰু আপোনালোকে হাঁহি হাঁহি উৰুৱাই দিব বিচাৰিছে। এই বিদেশী সমস্যাটো যিহেতু অসম চৰকাৰে একো কৰিব নোৱাৰে, চেণ্ট্রেল গভর্ণমেণ্টৰ লগত আলোচনা কৰি ইনিচিটিভ ল'ব লাগে। ১৯৭১ চন ধৰা হৈছে, কিন্তু চিকুৱেন্সৰ কাৰণে আপোনালোকে সাৱধান হওঁক।

---

* Speech not corrected

* শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যই চিৰিয়াচৰ কথা কৈছে, তেখেততকৈ আমি বেছি চিৰিয়াচ। ফেনচিং দি কি কৰিব? আজি ৰিভাৰ পুলিচ কোনে কৰিব? বার্থদে ৰেজিষ্টাৰ চালে দেখিব দিনক দিনে বাঢ়ি আছে। যদি আইডেনটিটি কার্ড দিব লাগে আমি দিম। মই প্রশ্ন কৰো, এন,আৰ,চি, নোহোৱাকৈ দিলে চিটিজেন নহয় বুলি মই কোৱা নাই। আমি ভোটাৰ আইডেনটিটি কার্ড দিব খুজিছো। তেওঁলোক তাত সোমাব। ১৯৮৫ চনতে সেইটো কৰিব খুজিছিলো, শ্ব সেইটো কৰিব নিদিয়ে। ৰেচিডেন্স দিব লাগে, এই ক্ষেত্রত মই ইমপ্রেচ কৰিব খোজা নাই। আপোনালোকে এগ্রি কৰিলে আপত্তি নাই। এই ক্ষেত্রত ষ্টেপ বাই ষ্টেপ কৰা ভাল হ'ব। ১৯৭১ চনৰ মার্চৰ পিচত কিমান ডিটেক্শ্বন কৰিছে। তাৰ পাৰফৰমেনচৰ কাৰণে ৰিভাৰ পুলিচে হওঁক, ফেন্সিং হওঁক আৰু আছে। এন, আৰ, চি, কৰিলে টকা-পইচা কোনে দিব। আমি অথ'ৰিটি নহয়, আইডেনটিটি কার্ড ওলাব। তাত সকলো লিখা থাকিব। সেইখিনি লিখা থাকিলে বহুত কামত আহিব। পিচত অহা মানুহবিলাক ধৰা পৰিব। এইটো কৈছে পুলিচে ডিউটি নকৰে, তেওঁলোকে চোকা দৃষ্টি নাৰাখে। ইমান পুলিচ দিব নোৱাৰি। পুলিচ বহুত বহুত লাগে। পুলিচ আন ঠাইতো লাগে। এই বিষয়টো চিৰিয়াচ, সকলোৱে সহায় কৰক, এইটো আমি কামনা কৰো।

---

* Speech not corrected

* **শ্রীকেশৱ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, পাৱমানেণ্ট ৰেছিডেণ্টত বিদেশীও হ'ব পাৰে সেই গতিকে এন,আৰ,চি নোহোৱাকৈ কৰা উচিত নহয়।

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ৫০০০ হাজাৰকৈ সোমাল ইত্যাদি ইত্যাদি কথাবোৰ ওলাই কিন্তু যেতিয়া ১৯৮৫ চনৰ ভোটাৰ তালিকামতে প্রভিজনেল আই কার্ড দিয়াৰ কথা ওলাইছিল। সেই সময়ত যদি আইকার্ড দিয়া হ'লহেতেন তেতিয়াহ'লে নতুন মানুহখিনি আহিব নোৱাৰিলে হয়। ভোটৰ পৰিচয় পত্র আৰু প্রভিজনেল আই কার্ডৰ সহায়ত নতুন মানুহখিনিক ধৰিব পাৰিলোহেতেঁন। এন, আৰ, চিৰ এটা প্রক্রিয়া সংশোধনী কৰা হ'লে আমি এই ২০ বছৰত লাখ লাখ মানুহ ধৰিব পাৰিলোহেতেঁন। মই এইটো যুক্তিৰ খাতিৰতহে কৈছো আবেগিক হৈ কোৱা কথা নহয়।

* **শ্রীদ্রুপদ বৰগোহাঁই** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'বলৈ বিচাৰিছো ভোটাৰ পৰিচয় পত্র দিয়াৰ কাৰণে আমাৰ প্রয়াত মুখ্যমন্ত্রী হিতেশ্বৰ দেৱ ডাঙৰীয়াৰ দিনত দিয়া এটা সিদ্ধান্ত হৈছিল পিছত কেনেকৈ সেইটো বাদ পৰিল।

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৪ চনৰ পৰা আই কার্ডৰ ব্যৱস্থা যদি কৰা হ'লহেতেন যোৱা ১৪ বছৰ আমি বহুতো বিদেশী নাগৰিক চিনাক্তকৰণ কৰিব পাৰিলোহেঁতেন

---

* Speech not corrected

কিন্তু সদৌ অসম ছাত্র সন্থাই বাধা আৰোপ কৰিলে। সেই সময়ত এতিয়াৰ মাননীয় অসম চুক্তি ৰূপায়ণ মন্ত্রী সেই সময়তো আছিল। ছাত্র সংস্থাই কৈছিল যে এন,আৰ,চি হোৱাৰ পিছতহে আই কার্ড দিব লাগে। সেই সময়ত এনেয়ে সংঘাত হৈ আছিল আৰু অধিক সংঘাত হ'ব বুলি কথাটো সিমানতে এৰি দিয়া হ'ল। এই ক্ষেত্রত আমাৰ মন্ত্রী বর্মন ডাঙৰীয়াই উত্তৰ দিব।

* **শ্রীদ্রুপদ বুঢ়াগোহাঁই** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে বন্ধ কৰিব নালাগিছিল। চৰকাৰে কিয় বন্ধ কৰিলে?

মাননীয় অধ্যক্ষ ঃ দিনৰ ১২.৩০ ৰ পৰা এইটো আৰম্ভ হৈছে। ডেৰ ঘণ্টা হ'ল। ৫.৩০ ত শেষ কৰাৰ কথা ভবা হৈছিল এতিয়াও শেষ নহ'ল।

* **শ্রীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৪ চনৰ পৰা মই নিজেই বিষয়টোত জড়িত আছিলো। আছুৰে কি কাৰণে অপোজ কৰিলে আমি বুজি পোৱা নাছিলো। ১৯৭১ চনৰ মার্চৰ ২৫ তাৰিখৰ কথা কোৱা হৈছে। এই বস্তুবোৰ আমি আৰু ৰাইজৰ মাজলৈ টানি নিব নালাগে, আমাৰ মাজতে ৰাখিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই নকওঁ বুলি ভাবিছিলো কিন্তু এটা এগ্রি পইণ্টত ইচ্ছু ৰেজিষ্টাৰ কৰিব লাগে। ১৯৭১ চনৰ ২৫ মার্চটো কেনেকৈ পাৰি আমি এইটো বিচাৰিছো। ইয়াৰ লগত বিভিন্ন কথা সাঙুৰ খাই আছে। আমাৰ মিছ আণ্ডাৰচেণ্ডিং হৈছে। বিদেশী নাগৰিক, মৌলবাদী, সন্ত্রাসবাদী সকলোবোৰ সাঙুৰি পেলোৱা হৈছে। সেই কাৰণে বিভ্রান্তিৰ সৃষ্টি হৈছে।

---

* Speech not corrected

আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ভালেখিনি কথা কৈছে। কিছুমান ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও কৈছে। এন,আৰ,চিৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব। আই কার্ডৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব। এই সকলোবোৰ কথাত যদি কিবা অসুবিধা পাইছে তেনেহ'লে অল পার্টি মিটিং পাতি আলোচনা কৰক। তেখেতসকলে চৰকাৰৰ ফালৰ পৰা কিবা সু-ব্যৱস্থা গ্ৰহণ কৰক। আমাৰ ঠেলি নিদি তেখেতসকলে ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়। এইখিনিয়ে মোৰ ক'ব লগা। শেষত ধন্যবাদ জনাই সামৰিছো।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, Md. Kamaluddin after successfully, but illegally entering into Assam from Pakistan through Bangladesh not only freely roamed around the Indian soil, but also contested the 1996 election from No. 60 Jamunamukh Legislative Assembly Constituency. He was in possession of a passport issued by the Pakistan Government for his travel to Bangladesh. After coming to Bangladesh, he stealthily came to Assam, stayed back and even contested the election. This can happen only in Assam. This is a Judgement of the Hon'ble High Court. মূল কথাটো

* Speech not corrected

হৈছে হাইৰ্কোট। মই এটা কথা চৰকাৰক অনুৰোধ জনাওঁ আমি যদি সদনত এটা ভাল সিদ্ধান্ত লওঁ অসমত কোনো বাংলাদেশী থাকিব নোৱাৰে। এই ক্ষেত্ৰত কংগ্ৰছৰো সমৰ্থন আছে, এজিপি, চিপিআই, চিপিএম, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সাহিত্য সভা আদি সকলোৰে সমৰ্থন আছে। ১৯৭১ চনেই হওঁক আমি মানিম। অকল অসম চৰকাৰে এই কাম কৰিব নোৱাৰে। মাননীয় অধ্যক্ষৰ নেতৃত্বত এটা সদন কমিটি গঠন কৰি আৰু সেই কমিটি দিল্লীলৈ গৈ তাত প্ৰধানমন্ত্ৰী ডাঙৰীয়াক লগ ধৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত দুটা কথা কোৱাটো ভাল হ'ল। মাটি বাহিৰা মানুহ দিব নালাগে। এন আৰ চি আৰু দিল্লীলৈ যোৱাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে সিদ্ধান্ত গ্ৰহণ কৰিছে। চেপ্তাৰ ১০ ত যিটো আছে অপ্ৰয়োজনীয় মানুহ যিয়ে আছে তাক বাহিৰ কৰি দিব লাগে। প্ৰধানমন্ত্ৰী আমাৰ স্পেন হাচি নাও ভাৰতৰ বন্ধু। সিহঁতৰ লিবাৰেশ্যনৰ সময়ত মই তাত কাম কৰিছিলো। যেতিয়া অসম চুক্তি হৈছিলে আমি যিটো দিছিলো চুপ্ৰিম কোৰ্টে একেটাই দিলে। আমাৰ চৰকাৰ ভাঙি দিছিলো। কিনো বেয়াটো হ'ল?

* **শ্ৰীকেশৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মই যিটো উত্তৰ বিচাৰিছিলো সেইটো পোৱা নাই। কাৰ্য্য পৰিচালনা নিয়মত লিখা আছে ৰাজ্য চৰকাৰ

---

* Speech not corrected

আৰু কেন্দ্ৰীয় চৰকাৰৰ এমাহৰ ভিতৰত টাইম ফ্ৰেম প্লেন ঘোষণা কৰিব। আজি এমাহৰ ঠাইত চাৰি বছৰ পাৰ হৈ গ'ল, কামৰ একো অগ্ৰগতি নহ'ল। সেয়ে মই কৈছিলো ৰাজ্য চৰকাৰে আৰু কেন্দ্ৰীয় চৰকাৰে টাইম ফ্ৰেম একশ্যন প্লেন কৰি এইটো প্ৰধানমন্ত্ৰী মহোদয়লৈ কমিউনিকেট কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** প্ৰধানমন্ত্ৰী মহোদয়ে ক'লে সেইটো ৰক্ষা কৰিব লাগিব আৰু কৰিবলৈ চাম। এই যিটো টাইম ফ্ৰেমৰ কথা কৈছে সেইটো ৰিষয়া পৰ্য্যায়ত আলোচনা আদি হৈ আছে। এবাৰ নহয় দুবাৰ নহয় তিনিবাৰ আলোচনা হৈছিল আৰু এতিয়াও প্ৰচেষ্টা অব্যাহত আছে।

CONSIDERATION AND PASSING OF GOVERNMENT BILLS

মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্যসূচী ৭ নং (ক)ৰ মতে মুখ্যমন্ত্ৰী মহোদয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব। এই ক্ষেত্ৰত ৰাজভৱনৰ পৰা ৰাজ্যপালৰ বাণী এটা আছে সেইটো মই পঢ়ি দিছো।

RAJ BHAVAN
GUWAHATI
July 12.2009

ORDER

"Under the provision of Article 207 (3) of the constitution of India, I Shri K Sankaranarayan,

* Speech not corrected

Governor of Assam recommend that "the Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2009 be taken into consideration by the Assam Legislative Assembly.

Sd/–
(K. Sankaranarayanan)
Governor of Assam."

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে সদনত বিধেয়কখন উত্থাপন কৰিব।

ড° হিমন্ত বিশ্ব শর্মা (মুখ্যমন্ত্রী মহোদয়ৰ হৈ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ হৈ "দি আসাম ফিচ্‌কেল ৰেচপন্‌চিবিলিটী এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) বিল, ২০০৯" বিবেচনাৰ বাবে সদনত প্রস্তাৱ উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্রস্তাৱটো মই সদনৰ মজিয়াত দাঙি ধৰিলো।

যি সকল প্রস্তাৱৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'।

যি সকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

এতিয়া মই ভাৱো, 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। এইটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ৭ (খ) বিধেয়কখনৰ ২ (V) নং দফাত মাননীয় সদস্যা, ড° অলকা শর্মাৰ নামত এটা সংশোধনী আছে।

---

* Speech not corrected

এতিয়া মই মাননীয়া সদস্যা, ড° অলকা শর্মা ডাঙৰীয়ানীক তেখেতৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য কৰিবলৈ আহ্বান জনালো।

* **ড° অলকা শর্মা ঃ** অধ্যক্ষ মহোদয়, ক্লজটোৰ এটা সংশোধন বিচাৰিছো।

"In clause 2 (V) of the proposed Bill in between the words "reduce" and "fiscal" occurring in line 1 the word "the" shall be inserted, again in line 2 in between the words "of" and "beginning" the words "Five financial years" shall be substituted by words "A year" and the figures "2005" shall be substituted by figures "2009".

৩.৫ ৰিডিউচ দেখুৱাইছে এইটো টাইপিং এৰ'ৰ হ'ব পাৰে। এইটো সংশোধনীত দিছো। এইটো ইনক্ৰিজ হ'ব লাগিছিল। ভাৰত চৰকাৰৰ পৰা যি নির্দেশ আহিছে এইটো ফিচ্‌কেল বাঢ়িব লাগে। অসম চৰকাৰে বাৰম্বাৰ দিবলগীয়া হৈছে ২০০৫ চনৰ ২০০৮ চনলৈ টেক্স বঢ়াব লাগে। ২০০৯-১০ চনত ফিচ্‌কেল বঢ়াব লাগে বুলি মই ভাবো। চৰকাৰে ২০০৫ চনত এটা সংশোধনী আনিছিল। চৰকাৰে ২০০৫ চনত এটা লিমিট ধার্য্য কৰি দিছিল। গতিকে ২০০৯ লৈ চৰকাৰে বিচাৰিব লাগে।

---

* Speech not corrected

* ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, দ্বাদশ বিত্তীয় আয়োগ মতে আমাৰ ফিচ্‌কেল মেনেজমেণ্ট বিল আনিছিল সেই সময়তশতকৰা ৫ ভাগ ডেফিচীট আছিল। সেই সময়ত এই সদনত এইটো প্রত্যাহাৰ কৰা হৈছিল।

Fiscal Responsibility Budget Management Bill.

এই কামটো যেতিয়া কৰা হৈছিল সেই সময়ত গোটেই দেশজুৰি এটা ইকনমিক গ্রথ্‌ আছিল। ভাৰত চৰকাৰে কৈছিল তেতিয়া যে যি সকলে শতকৰা ৩ ভাগলৈ এইটো নমাব পাৰিব তেওঁলোকক এটা ইন্‌চেণ্টিভ দিয়া হ'ব। সেই সময়ত ফিচ্‌কেল মেনেজমেণ্ট কৰা সময় নহ'ল সেই কাৰণে ভাৰত চৰকাৰে ৰাজ্য চৰকাৰৰ নির্দেশ দিলে যে বজাৰৰ পৰা ধাৰ লৈ....

Fical deficit was around 5% by 2005 will reduce 3% to the G.D.P.

আমি শতকৰা তিনিভাগ এষ্টিভেট কৰিলো। কিন্তু ভাৰত চৰকাৰে সেই সময়ত আমালৈ এখন চিঠি দিলে ২০০৯ চনৰ ১৬ মার্চত চিঠি দি ক'লে যে— Govt. of India's letter from Ministry of Finance, Department of Expenditure, dt. 16th March, 09 addressed to Finance Secretary, Govt. of Assam, regarding relaxation of FD target on review of economic stimulus measures taken by the Government, it is felt that there is need to

* Speech not corrected

extend the relaxation in the fiscal deficit target of the states to 2009-10 in order to spur the development infrastructure on employment generation.

* **Dr. Alaka Sarma :** The Bill seeks to amend the provisions relating to raising of Fiscal Deficit limit from existing 3% to 3.5% of GSDP reduce fiscal deficit to 3% of the estimated Gross state Domestic product within a period of five financial years beginning on the 1st day of April, 2005 and ending on 31st March, 2009, Now Govt. of India has increased the time for 2009-10. Govt. of India has said - you increase the time take more loan. In terms of dispensation, the annual borrowing ceiling for your state for financial year 2009-10 has been revised to Rs. 2820 crore.

* ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ২০০৫ চনত এইটো ৰেট্রেপেক্টিভ কৰিব পাৰিলেহেঁতেন। The 12th Finance commission given five years as a period. Ministry of Finance should write to 13th Finance commission for adjustment of the time i.e five years period as six

* Speech not corrected

years period. It was adjusted to show the period. The effective period will be the only current year. In the avarage five years should be 3.5% i.e. 2004-05, 2005-06, 2006-07 has been taken as a gramatical calculation.

এইটো পাঁচবছৰীয়া প্ৰগ্ৰেম। This act will be done as model act. This clause compares inflation rate of 2005 to this year. Next five years it will be reduced to 3% increased to 3.5%.

Today it will be 3.5% overall it is reduction then reason is that we want to put more money. You have to go to 2004, in 2004 it was 4.7.

* **Dr. Alaka Sarma :** It has been reduced but reduction is not to the extent what we have envisaged. We are both gramatically correct.

Reduction target is not to the extent what we thought of. But it is a reduction of 3% .

* ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আগতে আছিল ৫ বছৰ। আমি ২০০৫-০৬ টো এতিয়া কমাব নোৱাৰো, ২০০৮-০৯ কমাব নোৱাৰো। এই বছৰ ফিচকেল ডেফিচিত শতকৰা ৪.৫ পাওঁ।

---

* Speech not corrected

* **ডঃ অলকা শর্মা ঃ** অধ্যক্ষ মহোদয়, মই যিটো স্পিৰিটৰ কথা কৈছিলো সেইটো মানি লৈছে, বাকীটো হয়টো ড্রাফটিংটো আৰু অলপ ভাল হ'ব পাৰিলেহেঁতেন। ইনংক্রিজ ফিচকেল ডেফিচিট মানি লৈছে নে?

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** ২০০৪-২০০৫ চনত এই এক্টখন কৰা হৈছিল। এইখন ৫ বছৰীয়া এক্ট।

অধ্যক্ষ মহোদয়, ইনক্রিজ ফিচকেল ডেফিচিট হ'ব নোৱাৰে। এই ড্রাফট এক্ট আমি কৰা নাই। ইনক্রিজ কৰা হ'ল ৩.৫ শতাংশলৈ। ২০০৪ চনত ৩ শতাংশ আছিল এতিয়া সেইটো ৩.৫ শতাংশ কৰা হ'ল।

* **ডঃ অলকা শর্মা ঃ** অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ষ্টেটমেণ্টত কি লিখা আছে চাওঁক।

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, তেখেতে কোৱাটো সত্য। ২০০৪-০৫ ত এই এক্ট আনিছিল। সেই কাৰণে ইয়াত কৈছে এইটো ইনক্রিজ কৰিব খোজা হৈছে। এই ক্লজ আমি ফ্রেম কৰা নাই।

* **ডঃ অলকা শর্মা ঃ** অধ্যক্ষ মহোদয়, মিনিষ্ট্রিৰ চিঠি চাব পাৰিম নেকি?

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, দ্বাদশ বিত্তীয় আয়োগৰ মেণ্ডেট আছিল এভাৰেজ ২-৩ হ'ব লাগে। গতিকে ৫ বছৰত এভাৰেজ ৩.৫ হ'ব। আমি চিঠি দি দিম। তাত লিখা আছে ৩ৰ পৰা ৩.৫ লৈ বাঢ়িব।

---

* Speech not corrected

অধ্যক্ষ মহোদয়, ২০০৪ৰ ফিচকেল ডেফিচিট মনত আনিব লাগিব। ৪.৭ হোৱা দিনৰ কথা মনত ভাবিব লাগিব। আগতে ৩ কৰিব বিচৰা হৈছিল। এতিয়া ৩.৫ কৰিব বিচৰা হৈছে। এইটো নির্বাচনত জিকাৰ নিচিনা আগতে ৩০ হাজাৰত জিকিছিলো, এতিয়া ৪০ হাজাৰত জিকিব বিচাৰিছো। আপুনি হয়তো ওলোটাই পঢ়িছিল। এইটো গ্রামাটিকেলী মিচটেক নহয়। ২০০৪ চনত ৪.৭ আছিল। এতিয়া ৩.৫ কৰিম। দ্বাদশ বা ত্রয়োদশ বিত্তীয় আয়োগক ক'ব নোৱাৰিম যে ইনক্রিজ কৰিছো। তেওঁলোকক ক'ব লাগিব ২০০৪ তকৈ ৰিডিউচ কৰিছো। আমি ভাবিব লাগিব যে ৩ৰ পৰা ৩.৫ কৰিছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া আপুনি উইড্র কৰিব নেকি?

*** ডঃ অলকা শর্মা ঃ** অধ্যক্ষ মহোদয়, উইড্র কৰিবৰ মন নাই কিন্তু মোৰ কথাখিনি ৰাখিব বুলি আশা কৰি উইড্র কৰিছো।

মাননীয় অধ্যক্ষ ঃ সংশোধনীটো প্রত্যাহাৰ কৰিবলৈ সদন সন্মত আছে নে?

যি সকলে সপক্ষে আছে, কওঁক 'হয়'।

যিসকলে বিপক্ষে আছে কওঁক 'নহয়'। (সদনে হয়ৰ সপক্ষে কয়)

মই ভাবো, 'হয়' সপক্ষে, 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত হ'ল।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ কার্য্যসূচী নং ৭ (গ)। এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ উত্থাপন কৰিব।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ প্রস্তাৱ কৰো যে "দি আসাম ফিচকেল ৰেচপনচিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) বিল, ২০০৯" পাৰিতকৰণ কৰা হওক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ কাৰণে সদনত দাঙি ধৰিলো।

প্রশ্নটো হ'ল —

"দি আসাম ফিচকেল ৰেচপনচিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) বিল, ২০০৯" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই

প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকলে বিপক্ষে আছে, কওঁক 'নহয়';

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৮ (ক)। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০০৯ চনৰ ১২ জুলাই তাৰিখত এটা বাণী পঠিয়াইছে। মই বাণীটো পাঠ কৰি দিছো।

RAJ BHAWAN
GUWAHATI
JULY 12, 2009

ORDER

"Under the provision of Article 207 (3) of the constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam, recommend that "The Assam Entry Tax (Second Amendment) Bill, 2009" be taken into consideration by the Assam Legislative Assembly.

Sd/–
(K. Sankara Narayanan)
Governor of Assam."

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ "দি আসাম এনট্রি টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯ বিবেচনাৰ কাৰণে প্রস্তাৱ উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া "দি আসাম এণ্ট্রী টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',

যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সাপক্ষে;

গতিকে প্রস্তাৱটো গৃহীত হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৮ (খ)

বিধেয়কখনৰ ২ নং দফাটোত সংশোধনীৰ প্রস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রশ্নটো হ'ল— ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'।

যি সকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত সংশোধনীৰ প্রস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো। প্রশ্নটো হ'ল— বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',

যি সকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। কাৰ্য্যসূচী নং ৮ (গ) এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মই প্ৰস্তাৱ কৰিব বিচাৰিছো যে "দি এণ্ট্রি টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯" খন পাৰিতকৰণ কৰা হওঁক।

মাননীয় অধ্যক্ষ ঃ ৰাজভৱনৰ পৰা ৰাজ্যপালৰ বাণী এটা পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো।

ৰাজ ভৱন
গুৱাহাটী
জুলাই ১২, ২০০৯

আদেশ ঃ

"ভাৰতৰ সংবিধানৰ ২০৭(৩) অনুচ্ছেদৰ চর্ত অনুসৰি মই শ্ৰী কে. শংকৰ নাৰায়ণন অসমক ৰাজ্যপাল হিচাপে দি আসাম এণ্ট্রি টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯ অসম বিধান সভাত বিবেচনা কৰিবৰ বাবে অনুমোদন জনালো।

স্বাক্ষৰ/
(কে. শঙ্কৰ নাৰায়ণন)
ৰাজ্যপাল, অসম"

এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রশ্নটো হ'ল "দি আসাম এণ্ট্রিটেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯ পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে। তেখেতসকলে কওঁক 'হয়'।

যিসকল সদস্য/সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে। প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ৯(ক)।

ৰাজ ভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ২০০৯ চনৰ ১২ জুলাই তাৰিখত এটা বাণী আগবঢ়াইছে। বাণীটো মই পঢ়ি দিছো।

ৰাজ ভৱন
গুৱাহাটী
জুলাই ১২, ২০০৯

আদেশ ঃ

ভাৰতৰ সংবিধানৰ ২০৭(৩) অনুচ্ছেদৰ চর্ত অনুসৰি মই শ্রী কে. শংকৰ নাৰায়ণন অসমৰ ৰাজ্যপাল হিচাপে "দি আসাম এগ্রিকালচাৰেল ইনকম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯

অসম বিধান সভাত বিবেচনা কৰিবৰ বাবে অনুমোদন জনালো।

স্বাক্ষৰ/
কে: শঙ্কৰ নাৰায়ণন
ৰাজ্যপাল, অসম

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য মন্ত্রী) ঃ মই প্রস্তাৱ কৰিব বিচাৰিছো যে দি আসাম এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯ খন বিবেচনাৰ বাবে লোৱা হওঁক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল— দি আসাম এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল ২০০৯" বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়',

যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে;। প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ৯ (খ)। বিধেয়কখন ২ নং দফাটোত সংশোধনীৰ প্রস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রশ্নটো হ'ল— ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়';

যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'।

মই ভাবোঁ 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত সংশোধনীৰ প্রস্তাৱ নাই। এতিয়া মই বিধেয়খনৰ ১নং দফা, প্রস্তাৱনা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো। প্রশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে

তেখেতসকলে কওক 'হয়';

যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে;

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

কার্য্যসূচী নং ৯ (গ)। এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মই প্রস্তাৱ কৰিব বিচাৰিছো যে, "দি আসাম

এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯ খন পাৰিতকৰণ কৰা হওঁক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রশ্নটো হ'ল— দি আসাম এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়';

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ১০ (ক)। মাননীয় মুখ্যমন্ত্রী বিধেয়কখন বিবেচনাৰ বাবে সদনত প্রস্তাৱ উত্থাপন কৰিব।

*** ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য মন্ত্রী) ঃ** মই প্রস্তাৱ কৰিব বিচাৰিছো যে 'দি আসাম টেক্সচন (অন স্পেচিফাইড লেণ্ডচ) (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯ খন বিবেচনাৰ বাবে লোৱা হওঁক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল— 'দি আসাম টেক্সেচন (অন স্পেচিফাইড লেণ্ডচ্) বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে

---

* Speech not corrected

তেখেতসকলে কওঁক 'হয়' ;

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে। প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ১০ (খ)। বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্রীদ্রুপদ বৰগোহাঁইৰ নামত তিনিটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য শ্রীদ্রুপদ বৰগোহাঁইক তেখেতৰ সংশোধনী প্রস্তাৱকেইটা উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

* **শ্রীদ্রুপদ বৰগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো সংশোধনী দিছো, সেইটো পঢ়ি দিব বিচাৰিছো। "The Assam Taxation (on specified lands) amendment Bill, 2009. মই এই কাৰণে এই সংশোধনীটো আনিছো, ইয়াৰ প্রথম কথাটো হৈছে যে আমাৰ যিসকল নিবনুৱা যুৱকে ইতিমধ্যে চাহ খেতি কৰিবলৈ লৈছে তেওঁলোকে বৰ ডাঙৰ ডাঙৰ চাহ বাগিচা পতা নাই। তেওঁলোকে সৰু সৰু চাহ বাগিচা পাতিছে। তেওঁলোকে নিজৰ অৱস্থা অনুসৰিহে চাহ খেতি কৰিছে। গতিকে তেওঁলোকৰ ওপৰত ২০ পইচা কৰ লগাই বোজাটো বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব নালাগে। ক্লজ ২ (১) ত ২০ পইচাৰ ঠাইত ২৫ পইচা

---

* Speech not corrected

কৰিবলৈ বিচাৰিছে। সেইটো বন্ধ কৰিব লাগে। যিসকলে বেছি মাটিত খেতি কৰে তেওঁলোকৰ ওপৰত ৪০ পইচা ধার্য্য কৰিছে। গতিকে তেওঁলোকৰ ক্ষেত্রত ৪০ পইচা দিয়াৰ ব্যৱস্থাটোৱে কৰিব লাগে। বৰাক ভেলিয়ে হওক বা ব্রহ্মপুত্র ভেলিয়েই হওক ৪০ হেক্টৰ মাটিলৈকে যিসকলে চাহ খেতি কৰিছে তেওঁলোকৰ পৰা কোনো টেক্স ল'ব নালাগে। ৪০ হেক্টৰতকৈ বেছি মাটিত যিসকলে চাহ খেতি কৰিছে তেওঁলোকৰ পৰা টেক্স ল'ব লাগে।

(Hon'ble Speaker vacated the Chair and Madam Deputy Speaker occupied the Chair).

* **ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ইত্যাদি মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য বৰগোহাঁই ডাঙৰীয়াই যিখিনি কথা কৈছে তাৰ ওপৰত মই ক'ব বিচাৰিছো যে, আমাৰ যিটো অৰিজিনেল প্রভিজন আছে সেই মতে ৪ হেক্টৰ মাটিলৈকে যিসকলৰ চাহ বাগান আছে তেওঁলোকৰ ওপৰত কোনো টেক্স লোৱা নাই। ৪ হেক্টৰলৈকে আমি স্মল গ্রৱাৰ বুলি ধৰিছো। মুঠতে তেওঁলোকক আমি ডিপ্রাইভ কৰিব নোৱাৰো।

মাননীয় উপাধ্যক্ষা মহোদয়া, চাৰি হেক্টৰতকৈ বেছিতহে টেক্স বঢ়োৱাৰ কথা কোৱা হৈছে। ২০-২৫ পইচা বঢ়োৱাৰ কথা কোৱা হৈছে। গ্রীন টিৰ ক্ষেত্রত গুৱাহাটী টি অকচন চেণ্টাৰত

* Speech not corrected

১৯৯৯ চনত ৭৮৪২ পইচা, ৯১ত ১২৫ টকা অর্থাৎ ২৫% বাৰে। গ্রীন লিভৰ যেতিয়া দাম কমিব তেতিয়া টেক্স কমিব। ২০ টকাৰ পৰা ১২-১৩ টকা কমিলে টেক্স কমিব। উদ্যোগ মাৰ খালে দাম কমি যাব।

* **শ্রীদ্রুপদ বৰগোহাঁই** ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, এই ক্ষেত্রত আইন আছে। আইন থাকোতে কেনেকৈ নোহোৱা কৰিব।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, টেক্স বচাব লাগিব। কেন্দ্রীয় চৰকাৰৰ সমাহাৰত দৰমহা দিবলৈ আৰু অন্য কিছু কাম কৰিবলৈ যদি অভাৱনীয়ভাৱে উদ্যোগৰ লোকচান হয় তেতিয়া টেক্স কমাব লাগিব।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, যেতিয়া ক্ষুদ্র চাহ খেতিয়কসকলে লাষ্টগেটত ধর্ণা দিয়ে তেতিয়া তেওঁলোকৰ লগত মুখ্যমন্ত্রীয়ে আলোচনা কৰিছিল মোৰ লগতো আলোচনা কৰিছিল তেতিয়া মুখ্যমন্ত্রীৰ বাজেট বক্তৃতা গ্রীন টিৰ দাম নবঢ়াই ফেক্টৰীৰ মালিকৰ পৰাহে এই ২০ পইচা আদায়ৰ ব্যৱস্থা আছিল। এইটো গেজেট নটিফিকেচন হৈছিল। এই ক্ষুদ্র চাহখেতিয়কসকল অশান্তি আৰু অসুবিধাত ভূগিছে। তেওঁলোকে ২০০ টকাৰ ফাইন দিব লাগে আৰু ২০ পইচাকৈ টেক্স দিব লাগে। বৰগোহাঁই ডাঙৰীয়াৰ এমেণ্ডমেণ্টক মই তথা আমাৰ দলে সমর্থন জনাইছো। কাৰণ গ্রীন টিৰ ক্ষেত্রত বৃহৎ চাহবাগিছাৰ

* Speech not corrected

মালিকসকলে ফেক্টৰীৰ মালিকৰ লগ হৈ নির্দিষ্ট বেছি দাম বিচাৰে ক্ষুদ্ৰ চাহ খেতিয়কৰ পৰা। ৪ হেক্টৰ ঠাইত ২ বিঘা হ'লেও দিব লাগিব। গতিকে তেওঁলোকক সকাহ দিয়াৰ বাবে এমেণ্ডমেণ্টতো বিবেচনা কৰাৰ দৰকাৰ।

(Hon'ble Deputy Speaker vacated the Chair and Hon'ble Speaker occupied the Chair).

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চেল টেক্স ৰেট বাঢ়িলে গ্ৰীন লিভৰ দাম বাঢ়িব। তেতিয়া এমেণ্ডমেণ্ট কৰিব পৰা যাব। আজিকালি হাউচ তিনি মাহৰ মূৰে মূৰে বহে। গতিকে এমেণ্ডমেণ্টৰ দিগদাৰ নহ'ব। আমি এটা দশক ধৰি দাম বঢ়োৱা নাই, আমি বঢ়াবলৈ শংকাবোধ কৰিছো। মার্কেট এনালেচিচ কৰি চালে দাম কমিলে টেক্স কমিব। চৰকাৰে কেবা বছৰ দাম বঢ়োৱা নাই। এজিপিৰ দিনতহে বাঢ়িছিল। প্ৰফিট কমিলে দাম কমিব তেতিয়া উদ্ৰ কৰিব পৰা যাব। কমিটমেণ্ট কৰিছো। আমাৰ ফেক্টৰীৰ মালিকৰ লগতহে এচেচ আছে ক্ষুদ্ৰ চাহ খেতিয়কৰ লগত এচেচ নাই। ক্ষুদ্ৰ চাহ খেতিয়কৰ এচেচি নহয় তেওঁলোকৰ ৰেজিচট্ৰেচন নাই। তেওঁলোকে কালটিভেচন খিনিহে কৰে। এচেচি হিচাবে নহয়। এই হিচাবে ধৰা নাই।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০ পইচা হিচাবে ফেক্টৰীৰ মালিকে ক্ষুদ্ৰ চাহ খেতিয়কৰ পৰা লয়, যিটো ফেক্টৰীৰ

---

* Speech not corrected

মালিকে চৰকাৰক দিব লাগে। যাতে এইটো ক্ষুদ্ৰ চাহ খেতিয়কৰ পৰা নেযায়। সেইটো চৰকাৰে চাব লাগে। ক'ৰ পৰা ৰিকভাৰি হ'ব?

